DSL 02

সংস্কৃত ব্যাকৰণ

সংস্কৃত শিক্ষণৰ ডিপ্লোমা

পাঠ্যবিষয় ঃ ২

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক অশোক কুমাৰ গোস্বামী, প্রাক্তন অধ্যক্ষ, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক দীপক কুমাৰ শর্মা, সঞ্চালক, মহাবিদ্যালয় উন্নয়ন পৰিষদ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা যোগাইছে
৮, ১১, ১২,১৩, ১৪	ড° জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
৯, ১০	ড° সুধেন্দু মোহন ভদ্র, প্রাক্তন মুৰব্বী অধ্যাপক (সংস্কৃত), কটন কলেজ

সম্পাদনা ঃ

সম্পাদনা ঃ ড° ভাৰতী গোস্বামী, সংস্কৃত বিভাগ, বি বৰুৱা কলেজ

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ছেপ্টেম্বৰ, ২০১৮

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

খণ্ড পৰিচয় ঃ সংস্কৃত ব্যাকৰণ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সংস্কৃত শিক্ষণৰ ডিপ্লোমা পাঠ্যক্রমৰ দ্বিতীয় পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই খণ্ডটিত সংস্কৃত ব্যাকৰণৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটিত সাতটা (৭) অধ্যায় আছে। পাঠ্যবিষয়ৰ প্রথম খণ্ডৰ অধ্যায়সমূহক এনেদৰে নামকৰণ কৰা হৈছে- (৮) সন্ধি (৯) কাৰক-বিভক্তি (১০) সমাস (১১) কৃৎ প্রত্যয় (১২) তদ্ধিত প্রত্যয় (১৩) স্ত্রী প্রত্যয় আৰু (১৪) বাচ্য।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান আর্হি প্রশ্ন তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **সন্ধি** **১৩৩-১৪৮**

সন্ধিৰ পৰিচয়; সন্ধিৰ শ্ৰেণীবিভাগ ঃ স্বৰসন্ধি, ব্যঞ্জন সন্ধি, বিসর্গ সন্ধি; অন্যান্য সন্ধি; সন্ধি নিষেধ।

অধ্যায় ৯ ঃ **কাৰক-বিভক্তি** **১৪৯-১৬৮**

কাৰকৰ সংজ্ঞা; কাৰক বিভক্তি আৰু উপপদ বিভক্তি, উপপদ বিভক্তিতকৈ কাৰক বিভক্তিৰ বল বেছি; কাৰকৰ প্ৰকাৰ, সম্বন্ধপদ কাৰক নহয় ঃ কৰ্ত্তা কাৰক আৰু প্ৰথমা বিভক্তি, কৰ্ম কাৰক আৰু দ্বিতীয়া বিভক্তি, কৰণ কাৰক আৰু তৃতীয়া বিভক্তি, সম্প্ৰদান কাৰক আৰু চতুৰ্থী বিভক্তি, অপাদান কাৰক আৰু পঞ্চমী বিভক্তি, সম্বন্ধপদ আৰু ষষ্ঠী বিভক্তি, অধিকৰণ কাৰক আৰু সপ্তমী বিভক্তি।

অধ্যায় ১০ ঃ **সমাস** **১৬৯-১৮৫**

সমাসৰ লক্ষণ; সমাসৰ সাধাৰণ নিয়ম; সমাসৰ প্ৰকাৰ ঃ অব্যয়ীভাব সমাস, তৎপুৰুষ সমাস, বহুব্ৰীহি সমাস, দ্বন্দ্ব সমাস, দ্বিগু সমাস, কর্মধাৰয় সমাস।

অধ্যায় ১১ ঃ **কৃৎ প্ৰত্যয়** **১৮৬-২০০**

প্ৰত্যয়ৰ শ্ৰেণীবিভাগ; কৃৎ প্ৰত্যয়সমূহ ঃ ক্ত্বাচ্ আৰু ল্যপ্ প্ৰত্যয়, ক্ত আৰু ক্তৱতু প্ৰত্যয়, তুমুন্ প্ৰত্যয়, শতৃ আৰু শানচ্ প্ৰত্যয়, ক্বসু আৰু কানচ্ প্ৰত্যয়, স্যতৃ আৰু স্যমান প্ৰত্যয়, কৃত্য প্ৰত্যয়; সংক্ষিপ্ত প্ৰত্যয় সূচী।

অধ্যায় ১২ ঃ **তদ্ধিত প্ৰত্যয়** **২০১-২১২**

তদ্ধিত প্ৰত্যয়সমূহ ঃ অপত্যার্থক তদ্ধিত প্ৰত্যয়, মতুপ্ প্ৰত্যয়ার্থক প্ৰত্যয়, উৎকর্ষ বুজোৱা প্ৰত্যয়, সংখ্যাবাচক/সময়বাচক প্ৰত্যয়; সংক্ষিপ্ত প্ৰত্যয় সূচী।

অধ্যায় ১৩ ঃ **স্ত্ৰী প্ৰত্যয়** **২১৩-২২৫**

প্ৰত্যয়ৰ শ্ৰেণীবিভাগ, স্ত্ৰীপ্ৰত্যয়ৰ প্ৰয়োগ।

অধ্যায় ১৪ ঃ **বাচ্য** **২২৬-২৪৪**

বাচ্যৰ প্ৰকাৰ ঃ কর্তৃবাচ্য, কর্মবাচ্য, ভাৱবাচ্য, কর্মকর্তৃবাচ্য; কেইটামান বিশেষ নিয়ম; দ্বিকর্মক ধাতুৰ বাচ্য; কেইটামান প্ৰচলিত ধাতুৰ কর্মবাচ্য আৰু ভাৱবাচ্যত সংক্ষিপ্ত ৰূপ; বাচ্যত প্ৰত্যয়ৰ ব্যৱহাৰ; বাচ্য পৰিবর্তন; প্ৰচলিত ধাতুৰ কর্মবাচ্য/ভাৱবাচ্যৰ বিস্তৃত ৰূপ।

প্ৰসংগপুথি ঃ

অধ্যায় ৮ ঃ সন্ধি

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ সন্ধিৰ পৰিচয়
৮.৪ সন্ধিৰ শ্ৰেণীবিভাগ
৮.৪.১ স্বৰসন্ধি
৮.৪.২ ব্যঞ্জন সন্ধি
৮.৪.৩ বিসৰ্গ সন্ধি
৮.৫ অন্যান্য সন্ধি
৮.৬ সন্ধি নিষেধ
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্ৰগতিৰ খতিয়ান
৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সংস্কৃত সন্ধিৰ বিষয়ে জানিব পাৰিব
- সন্ধিৰ বিভাগ সম্বন্ধে জ্ঞান লাভ কৰিব
- কেনেকুৱা ক্ষেত্ৰত কেনেকুৱা সন্ধি হয়, সেই বিষয়ে অৱগত হ'ব পাৰিব
- সন্ধিৰ ফলত শব্দসমূহত হোৱা আকৃতিগত পাৰ্থক্যৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

ইতিমধ্যে ইয়াৰ আগৰ অধ্যায়সমূহত আপুনি সন্ধি সম্বন্ধে কিছু পৰিমাণে অৱগত হৈছে। সন্ধি সংস্কৃত ব্যাকৰণৰ এটি গুৰুত্বপূৰ্ণ বিষয়। দুই বৰ্ণৰ পৰস্পৰ অত্যন্ত সংযোগ অথবা মিলনেই হৈছে সন্ধি। মহৰ্ষি পাণিনিয়ে সন্ধিৰ সংজ্ঞা এনেদৰে দিছে— 'পৰঃ সন্নিকর্ষঃ সংহিতা'। ইয়াত সংহিতা শব্দটোৰ অর্থ হৈছে সন্ধি। আচার্য পুৰুষোত্তম বিদ্যাবাগীশে তেওঁৰ 'প্ৰয়োগ ৰত্নমালা ব্যাকৰণ' নামৰ গ্ৰন্থত সন্ধিৰ সংজ্ঞা এনেদৰে দিছে— 'বর্ণানাং মেলনং সন্ধি'। সন্ধিৰ উদাহৰণ হৈছে— পদ+অর্থঃ = পদার্থঃ [প্ + অ + দ্ +অ— অ+ব্+থ্+অ+ঃ]। 'পদ' আৰু 'অর্থ' এই শব্দ দুটাৰ প্ৰথম শব্দটোৰ শেষৰ বর্ণৰ লগত দ্বিতীয় শব্দটোৰ আদি বর্ণটোৰ সৈতে সন্ধি হৈছে। প্ৰথম

শব্দটোৰ শেষৰ বৰ্ণ 'অ' কাৰৰ সৈতে দ্বিতীয় শব্দৰ আদি বৰ্ণ 'অ' কাৰৰ সৈতে সন্ধি হৈ 'আ' কাৰৰ সৃষ্টি হৈছে। এতিয়া এই অধ্যায়ত আপুনি সন্ধিৰ বিষয়ে পৰিচয় লাভ কৰিব। ইয়াৰোপৰি সন্ধিৰ শ্ৰেণীবিভাগৰ বিষয়ে জানিব। যেনে— স্বৰসন্ধি, ব্যঞ্জন সন্ধি, বিসৰ্গ সন্ধি ইত্যাদি। এই তিনিবিধ সন্ধিৰ উপৰিও অন্যান্য কিছুমান সন্ধি তথা সন্ধিৰ নিষেধৰ বিষয়ে জানিব পাৰিব।

৮.৩ সন্ধিৰ পৰিচয়

সন্ধি লেখকৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ লেখকে ইচ্ছা নকৰিলে কোনো ঠাইত সন্ধি নকৰিবও পাৰে। কিন্তু কেইটামান ক্ষেত্ৰত সন্ধি বাধ্যতামূলক। বাধ্যতামূলকভাৱে সন্ধি কৰিবলগীয়া ঠাইসমূহৰ বিষয়ে এনেদৰে কোৱা হৈছে—

সংহিতৈকপদে নিত্যা নিত্যা ধাতুপসর্গয়োঃ।
সূত্রেষ্বপি তথা নিত্যা সৈবান্যত্র বিভাষয়া।।

অৰ্থাৎ, একেটা পদতে (যেনে— নে+অনম্ = নয়নম্), ধাতু আৰু উপসৰ্গৰ সংযোগত (যেনে— প্রতি+অগচ্ছৎ = প্রত্যগচ্ছৎ); সূত্ৰত (যেনে— বৃদ্ধিঃ +এচি = বৃদ্ধিৰেচি); তথা সমাস হ'লে সমস্ত পদটোত [যেনে— দেৱঃ (দেৱস্য)+আলয়ঃ = দেৱালয়ঃ]— এইবোৰত সন্ধি অনিবাৰ্য্য। ইয়াৰ বাহিৰে অন্য ঠাইত, বাক্য আদিত, সন্ধি অনিবাৰ্য্য নহয়, লেখকৰ ইচ্ছাধীন। আনহাতে শ্লোকৰ মাজত সন্ধি নিত্য, কিন্তু দ্বিতীয় পদৰ শেষবৰ্ণ তথা তৃতীয় পদৰ প্ৰথম বৰ্ণৰ সন্ধি নহয়।

৮.৪ সন্ধিৰ শ্ৰেণীবিভাগ

এতিয়া আপুনি সন্ধিৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

সাধাৰণতে তিনি প্ৰকাৰৰ সন্ধি পোৱা যায়। এই কেইটা হৈছে স্বৰসন্ধি, ব্যঞ্জন সন্ধি আৰু বিসৰ্গ সন্ধি।

স্বৰসন্ধি ঃ দুটা পৰস্পৰ সন্নিহিত স্বৰ্ববৰ্ণৰ মিলনকে স্বৰসন্ধি বুলি কোৱা হয়। যেনে— হিম+আলয়ঃ = হিমালয়ঃ। ইয়াত অ' কাৰ আৰু আ' কাৰ এই দুই স্বৰ্ববৰ্ণৰ মাজত সন্ধি হৈছে।

ব্যঞ্জন সন্ধি ঃ দুটা পৰস্পৰ সন্নিহিত ব্যঞ্জন বৰ্ণ অথবা এটা ব্যঞ্জনবৰ্ণ আৰু এটা স্বৰ্ববৰ্ণৰ মিলনকে ব্যঞ্জন সন্ধি বুলি কোৱা হয়। যেনে— (ক) মহৎ+চক্রম্ = মহচ্চক্রম্। ইয়াত 'ত্' বৰ্ণ আৰু 'চ' বৰ্ণ এই দুটা ব্যঞ্জন বৰ্ণৰ মাজত সন্ধি হৈছে। (গ) ধাবন্+অশ্বঃ = ধাবন্নশ্বঃ। ইয়াত 'ন্' এই ব্যঞ্জনবৰ্ণটোৰ লগত 'অ' এই স্বৰ্ববৰ্ণটোৰ সন্ধি হৈছে।

বিসৰ্গ সন্ধি ঃ যেতিয়া বিসৰ্গৰ (ঃ) সৈতে কোনো বৰ্ণৰ সংযোগ হয়, তাকেই বিসৰ্গ সন্ধি বুলি কোৱা হয়। বিসৰ্গ দুই প্ৰকাৰৰ— (ক) স্-জাত আৰু (খ) ৰ্-জাত।

(ক) স্-জাত বিসৰ্গ— স্ ৰ ঠাইৰ যি বিসৰ্গ হয়, তাকেই সজাত বিসৰ্গ বোলে। যেনে— অধঃ (অধস্), পয়ঃ (পয়স্), বহিঃ (বহিস্) নমঃ (নমস্) ইত্যাদি।

(খ) ৰ্-জাত বিসৰ্গ— ৰ্ ৰ ঠাইত যি বিসৰ্গ হয়, তাকেই ৰ-জাত বিসৰ্গ বোলে। যেনে— প্রাতঃ (প্রাতৰ্), অন্তঃ (অন্তৰ্), পুনঃ (পুনৰ্), স্বঃ (স্বৰ্), পিতঃ (পিতৰ্) ইত্যাদি।

সন্ধি হ'লে কেতিয়াবা কেবল দুই বর্ণৰ মিলন হয় (মহন্ + আগ্রহঃ = মহানাগ্রহঃ), কেতিয়াবা পূর্ববর্ণ বিকৃত হয় (উদ্+চাৰয়তি = উচ্চাৰয়তি), কেতিয়াবা পিছৰ বর্ণটো বিকৃত হয় (যাচ্ +না = যাচ্ঞা), কেতিয়াবা উভয় পদেই বিকৃত হয় (মহান্ +শব্দঃ = মহাঞ্জব্দঃ), কেতিয়াবা পূর্ববর্ণৰ লোপ হয় (সঃ + আগতঃ = স আগতঃ), আৰু কেতিয়াবা পিছৰ বর্ণটোৰ লোপ হয় (গুৰো + অনুমন্যস্ব + গুৰোহনুমন্যস্ব)।

জানি থোৱা ভাল

সৱর্ণ ঃ বাক্- অঙ্গৰ পৰা সমান শক্তিৰে (প্রযত্নেৰে) উচ্চাৰিত হোৱা তথা একে ঠাইতে উচ্চাৰণ হোৱা বর্ণসমূহক সৱর্ণ (Homogeneous letters) বোলে। (যেনে— (অ, আ); (ই, ঈ); (ক, খ, গ) এইবোৰ বর্ণ পৰস্পৰ সৱর্ণ। স্বৰবর্ণ আৰু ব্যঞ্জনবর্ণ পৰস্পৰ সৱর্ণ হ'ব নোৱাৰে।

৮.৪.১ স্বৰ সন্ধি

এতিয়া আপুনি প্রথমেই স্বৰসন্ধিৰ বিষয়ে জানিব পাৰিব। স্বৰসন্ধিৰ ভিতৰতে দীর্ঘসন্ধি অন্তর্ভুক্ত হয়।

১) (ক) দীর্ঘসন্ধি ঃ (অকঃ সবর্ণে দীর্ঘঃ)— **সৱর্ণ** পিছত থাকিলে অবর্ণ, ইবর্ণ, উবর্ণ আৰু ঋবর্ণ আৰু স্বৰবর্ণৰ ঠাইত দীর্ঘবর্ণৰ আদেশ হয়। যেনে—



(১) অবর্ণ → যদি অ-কাৰ অথবা আ-কাৰৰ পিছত অ অথবা আ থাকে, তেনেহ'লে উভয়ে মিলি আ-কাৰ হয়। আ-কাৰটো পূর্ববর্ণৰ লগত যুক্ত হয়। যেনে—

(অ+অ = আ) **শশ** + অঙ্কঃ = **শশাঙ্কঃ**, অদ্য + অবধি = অদ্যাবধি

(অ+আ =আ) দেৱ + আলয়ঃ = দেৱালয়ঃ, ৰত্ন + আকৰঃ = ৰত্নাকৰঃ

(আ+অ =আ) মহা + অর্ঘঃ = মহার্ঘঃ, দয়া + অর্ণৱঃ = দয়ার্ণৱঃ

(আ+আ = আ) বিদ্যা + আলয়ঃ = বিদ্যালয়ঃ, মহা + আশয়ঃ = মহাশয়ঃ

(২) ই-বর্ণ যদি ই-কাৰ অথবা ঈ-কাৰৰ পিছত ই-কাৰ অথবা ঈ-কাৰ থাকে, উভয়ে মিলি ঈ-কাৰ হয়। ঈ কাৰটো পূর্ববর্ণৰ লগত যুক্ত হয়।

যেনে

(ই+ই = ঈ) গিৰি + ইন্দ্রঃ = গিৰীন্দ্রঃ, অতি + ইব = অতীব

(ই+ঈ= ঈ) কৱি + ঈশ্বৰ = কৱীশ্বৰঃ, ক্ষিতি + ঈশঃ = ক্ষিতীশঃ

(ঈ+ই = ঈ) মহী + ইন্দ্রঃ = মহীন্দ্রঃ, মহতী + ইচ্ছা = মহতীচ্ছা

(ঈ+ঈ = ঈ) লক্ষ্মী + ঈশঃ = লক্ষ্মীশঃ, পৃথিৱী + ঈশ্বৰ = পৃথিৱীশ্বৰঃ

(৩) উ-বর্ণ যদি উ-কাৰ অথবা ঊ-কাৰৰ পিছত উ কাৰ অথবা ঊ কাৰ থাকে, তেনেহ'লে উভয়ে মিলি ঊ কাৰ হয়। ঊ কাৰ পূর্ববর্ণৰ লগত যুক্ত হয়। যেনে—

(উ+উ = ঊ) বিধু + উদয়ঃ = বিধূদয়ঃ, মধু + উৎসৱঃ = মধূৎসৱঃ

(উ+ঊ = ঊ) → লঘু + ঊর্মিঃ = লঘূর্মি, গুৰু + ঊহঃ = গুৰূহঃ

(ঊ+উ = ঊ) বধূ + উৎসৱঃ = বধূৎসৱঃ, স্বয়ম্ভূ + উদয়ঃ = স্বয়ম্ভূদয়ঃ

(ঊ+ঊ = ঊ) ভূ + ঊর্দ্ধম্ = ভূর্দ্ধম্, বধূ + ঊহনম্ = বধূহনম্

(৪) ঋ-বর্ণ যদি ঋ-বর্ণৰ পিছত ঋ-কাৰ থাকে তেনেহ'লে উভয়ে মিলি দীর্ঘ ঋ কাৰ হয় আৰু এই ৠ কাৰ পূর্ববর্ণৰ লগত যুক্ত হয়। যেনে—

(ঋ+ঋ = ৠ) পিতৃ + ঋণম্ + পিতৄণম্, ভ্রাতৃ + ঋদ্ধিঃ = ভ্রাতৄদ্ধিঃ

২) গুণ সন্ধি (আদ্ গুণঃ)

(১) যদি অ-কাৰ অথবা আকাৰৰ পিছত ই-কাৰ অথবা ঈ-কাৰ থাকে, উভয় বর্ণই মিলি এ-কাৰ হয়। যেনে—

দেৱ+ইন্দ্র = দেৱেন্দ্র (অ + ই = এ), মহা + ইন্দ্রঃ = মহেন্দ্র (আ + ই = এ)

গণ+ঈশঃ = গণেশঃ (অ + ঈ = এ), মহা + ঈশ্বৰঃ = মহেশ্বৰঃ (আ + ঈ = এ)

(২) যদি অ-কাৰ অথবা আ-কাৰৰ পিছত উ কাৰ অথবা ঊ কাৰ থাকে, তেনেহ'লে উভয়ে মিলি ও কাৰ হয় আৰু এই ও কাৰ পূর্ববর্ণৰ লগত যুক্ত হয়। যেনে—

নীল+উৎপলম্ = নীলোৎপলম্ (অ+উ=ও), গঙ্গা+উদকম্=গঙ্গোদকম্ (আ+উ=ও)

এক+ঊনবিংশতিঃ=একোনবিংশতিঃ (অ+ঊ=ও), মহা+ঊর্মিঃ = মহোর্মিঃ (আ+ঊ=ও)

(৩) যদি অ-কাৰ অথবা আ-কাৰৰ পিছত ঋ-কাৰ থাকে, তেনেহ'লে উভয়ে মিলি অৰ্ হ। ৰ্ পিছৰ বর্ণটোৰ শীর্ষত যায় আৰু অ-কাৰটো পূর্ববর্ণত যুক্ত হয়। যেনে—

দেৱ+ঋষিঃ = দেৱর্ষিঃ (অ+ঋ=অৰ্), মহা+ ঋষিঃ = মহর্ষিঃ (আ+ ঋ=অৰ্)

৩) বৃদ্ধি সন্ধি ঃ (বৃদ্ধিৰেচি)

(১) যদি অ-কাৰ অথবা আ-কাৰৰ পিছত এ অথবা ঐ থাকে, তেনেহ'লে উভয়ে মিলি ঐ কাৰ হয়, এই ঐ কাৰটো পূর্ববর্ণৰ লগত যুক্ত হয়। যেনে—

অদ্য+এৱ = অদ্যৈৱ (অ+ এ=ঐ), সদা + এৱ = সদৈৱ, (আ + এ = ঐ)

মত+ঐক্যম্ = মতৈক্যম্ (অ+ ঐ=ঐ), মহা + ঐৰাবতঃ = মহৈৰাবতঃ, (আ+ ঐ = ঐ)

(২) যদি অ-কাৰ অথবা আ-কাৰৰ পিছত ও কাৰ অথবা ঔ কাৰ থাকে, তেনেহ'লে উভয়ে মিলি ঔ কাৰ হয় আৰু এই ঔটো পূর্ববর্ণৰ লগত যুক্ত হয়। যেনে—

জল+ওঘঃ = জলৌঘঃ (অ+ ও=ঔ), সদা + ওদনম্ = সদৌদনম্, (আ + ও = ঔ)

চিত্ত+ঔদার্য্যম্ = চিত্তৌদার্য্যম্ (অ+ঔ=ঔ), মহা+ঔদার্য্যম্=মহৌদার্য্যম্, (আ + ঔ=ঔ)

৪) য়ণ সন্ধি ঃ (ইকো য়ণচি)

(১) ই আৰ ঈ ভিন্ন স্ৱৰ্ণ পিছত থাকিলে ই অথবা ঈৰ ঠাইত য় হয় আৰু য় বর্ণটো পূর্ববর্ণৰ লগত যুক্ত হয় আৰু পিছৰ স্ৱৰ্ণ য় কাৰৰ সৈতে যুক্ত হয়। যেনে—

যদি + অপি = যদ্যপি (ই + অ= য়), অতি + আচাৰ = অত্যাচাৰ (ই + আ + য়া)

নদী + অম্বু = নদ্যম্বু (ঈ +অ= য়্), গোপী +এষা = গোপ্যেষা (ঈ +এ + য়ে)

(২) উ আৰু ঊ ভিন্ন স্বৰবর্ণ পিছত থাকিলে হ্রস্ব উ কাৰ আৰু দীর্ঘ ঊ কাৰৰ ঠাইত ব্ হয় আৰু এই ব্ টো পূর্ববর্ণৰ লগত যুক্ত হোৱাৰ লগতে পিছৰ স্বৰবর্ণটো ব্ ৰ লগত যুক্ত হয়। যেনে—

অনু + অয়ঃ = অন্বয়ঃ (উ +অ= ব), সু +আগতম্ = স্বাগতম্ (উ +আ = বা)

বধূ + আদি = বধ্বাদি (ঊ +আ= বা), তনূ +ঈশ্বৰঃ = তন্বীশ্বৰঃ (ঊ +ঊ = বী)

(৩) ঋ-বর্ণৰ বাহিৰে আন স্বৰবর্ণ পিছত থাকিলে ঋ-কাৰৰ ঠাইত ৰ্ হয়। ই পূর্ববর্ণৰ লগত যুক্ত হয় আৰু পিছৰ স্বৰবর্ণটো ৰ্ লগত যুক্ত হয়। যেনে—

পিতৃ+আদেশঃ=পিত্রাদেশঃ (ঋ+আ=ৰা), পিতৃ+ ইচ্ছা = পিত্রিচ্ছা (ঋ+ই = ৰি)

পিতৃ+ঊহঃ=পিত্রূহঃ (ঋ+ ঊ= ৰূ), পিতৃ+ঔদার্য্যম্=পিত্রৌদার্য্যম্ (ঋ+ ঔ = ৰৌ)

৫) অয়াদি সন্ধি ঃ (এচো২য়ৱায়াৱঃ)

(১) স্বৰবর্ণ পিছত থাকিলে পদৰ মাজত থকা এ-কাৰৰ ঠাইত অয়্ হয়। অ-কাৰটো পূর্ববর্ণৰ লগত যুক্ত হয় আৰু পিছৰ স্বৰবর্ণটো য়্ৰ লগত যুক্ত হয়। যেনে—

শে+অয়নম্ = শয়নম্ (এ+অ= অয়), শে +আতে = শয়াতে (এ+আ = অয়া)

শে +ঈত=শয়ীত (এ+ঈ= অয়ী), শে +এ= শয়ে (এ+এ = অয়ে)

(২) স্বৰবর্ণ পিছত থাকিলে পদৰ মাজত থকা ঐ-কাৰৰ ঠাইত আয়্ হয়। ইয়াৰে আ-কাৰটো পূর্ববর্ণৰ লগত যুক্ত হয় আৰু পিছৰ স্বৰবর্ণটো য়্ৰ লগত যুক্ত হয়। যেনে—

বিনৈ + অকঃ = বিনায়কঃ (ঐ+অ= আয়), ৰৈ +ই = ৰায়ি (ঐ+ই = অয়ি)

(৩) স্বৰবর্ণ পিছত থাকিলে পদৰ মাজত থকা ও কাৰৰ ঠাইত অব্ হয়, অ-কাৰ পূর্ববর্ণৰ লগত যুক্ত হয় আৰু পিছৰ স্বৰবর্ণ ব্-কাৰৰ সৈতে যুক্ত হয়। যেনে—

ভো +অনম্ = ভবনম্ (ও+অ=অব), ভো +ইতা = ভবিতা (ও+ই+অবি)

(৪) স্বৰবর্ণ পিছত থাকিলে পদৰ মাজত থকা ঔ কাৰৰ ঠাইত আব্ হয়, এই আ-পূর্ববর্ণৰ লগত যুক্ত হয় তথা পিছৰ স্বৰ ব্-কাৰৰ সৈতে যুক্ত হয়। যেনে—

পৌ +অকঃ = পাৱকঃ (ঔ+অ=আব), নৌ + ঔ = নাবৌ (ঔ+ঔ+আবৌ)

লোপ সন্ধি (এঙঃ পদান্তাদতি)

(৫) পদৰ শেষত থকা এ-কাৰ অথবা ও-কাৰৰ পিছত অ থাকিলে, তাৰ লোপ হয়। লোপ হ'লে অ-কাৰৰ ঠাইত যি চিহ্ন আহে, তাক লুপ্ত অকাৰ অথবা অৱগ্রহ বোলে। যেনে—

কবে + অবেহি = কবে২বেহি, সখে + অর্পয় = সখে২র্পয়

৮.৪.২ ব্যঞ্জন সন্ধি

এতিয়া ব্যঞ্জন সন্ধিৰ নিয়মসমূহৰ বিষয়ে ক'বলৈ লোৱা হৈছে—

১) স্ কাৰৰ (দন্ত্য স-কাৰৰ পৰ উদ্ভৱ হোৱা বিসর্গৰ) ঠাইত শ্ হয়, যদি পিছত চ বর্গৰ

কোনো বর্ণ থাকে। যেনে— পূর্ণঃ (= পূর্ণম্) + চন্দ্রঃ = পূর্ণশ্চন্দ্রঃ, তস্যাঃ+ছবিঃ = তস্যাশ্ছবিঃ।

আনহাতে স্ কাৰৰ (বিসর্গৰ) পিছত যদি ত-বর্গৰ কেনো বর্ণ থাকে আৰু সন্ধি হ'ব লগা হয়, তেতিয়া স্-কাৰৰ কোনো পৰিৱর্তন নহয়। যেনে— সূর্য+তপতি = সূর্যস্তপতি।

স্-কাৰৰ (বিসর্গৰ) পিছত ট-বর্গ থাকিলে, স-বর্ণৰ ঠাইত ষ্ কাৰ হয়। যেনে— ধনুঃ + টঙ্কাৰঃ = ধনুষ্টঙ্কাৰঃ।

২) চ্ অথবা ছ্ পিছত থাকিলে ত্ আৰু দ্ ৰ ঠাইত চ্ হয়। যেনে—

মহৎ + চক্রম্ = মহচ্চক্রম্, মহৎ +ছত্রম্ = মহচ্ছত্রম্

উদ্ + চাৰণম্ = উচ্চাৰণম্, তদ্ + ছবিঃ = তচ্ছবিঃ

৩) যদি জ্ অথবা ঝ্ পিছত থাকে, তেনেহ'লে ত্ আৰু দ্ কাৰৰ ঠাইত জ্ হয়। যেনে—

ভৱৎ + জীৱনম্ = ভৱজ্জীৱনম্ মহৎ + ঝঞ্ঝনম্ = মহজ্ঝঞ্ঝনম্

তদ্ + জন্ম = তজ্জন্ম তদ্ + ঝনৎকাৰঃ = তজ্ঝনৎকাৰঃ

৪) যদি জ্ অথবা ঝ্ পিছত থাকে, তেনেহ'লে দন্ত্য ন্ ৰ ঠাইত ঞ্ হয়। যেনে—

মহান্ + জয়ঃ = মহাঞ্জয়ঃ গচ্ছন্ + ঝটিতি = গচ্ছঞ্ঝটিতি

৫) যদি পদৰ শেষত থকা ত-কাৰ অথবা দ-কাৰৰ পিছত তালব্য শ্ থাকে, তেনেহ'লে ত্ আৰু দ্ ৰ ঠাইত চ্ হয় আৰু তালব্য শ-ৰ ঠাইত ছ্ হয়। যেনে—

জগৎ + শৰণ্যঃ = জগচ্ছৰণ্যঃ তদ্ + শৰীৰম্ = তচ্ছৰীৰম্

৬) যদি পদৰ অন্তস্থিত ন্-কাৰৰ পিছত তালব্য শ্ থাকে তেনেহ'লে ন্-ৰ ঠাইত ঞ্ তথা তালব্য শ্-ৰ ছ্ হয়। যেনে—

মহান্ + শব্দঃ = মহাঞ্ছব্দঃ ধাৱন্ + শশঃ = ধাৱঞ্ছশঃ

৭) যদি পদৰ শেষত থকা ত্-কাৰ অথবা দ্-কাৰৰ পিছত হ্ থাকে, তেনেহ'লে ত্-ৰ ঠাইত দ্ তথা হ্-ৰ ঠাইত ধ্ হয়। যেনে—

উদ্ + হতঃ = উদ্ধতঃ মহৎ + হসনম্ = মহদ্ধসনম্

৮) যদি চ-বর্গৰ যিকোনো বর্ণৰ পিছত দন্ত্য ন্ থাকে, তেনেহ'লে ন্-ৰ ঠাইত ঞ্ হয়। যেনে—

যাচ্ + না = যাচ্ঞা জজ্ + নাতে = জজ্ঞাতে

৯) যদি ট্ অথবা ঠ্ পিছত থাকে, তেনেহ'লে ত্ আৰু দ্-ৰ ঠাইত ট্ হয়। যেনে—

মহৎ + টন্কনম্ = মহট্টঙ্কনম্ তদ্ + টীকা = তট্টীকা

১০) যদি ড্ অথবা ঢ্ পিছত থাকে, তেনেহ'লে ত্ আৰু দ্ স্থানত ড্ হয়। যেনে—

উদ্ + ডীনঃ = উড্ডীনঃ মহৎ + ঢালম্ = মহড্ঢালম্

১১) যদি ড্ অথবা ঢ্ পিছত থাকে, তেনেহ'লে দন্ত্য ন্ ৰ ঠাইত মুর্দ্ধন্য ণ্ হয়। যেনে—

মহান্ + ডামৰঃ = মহাণ্ডামৰঃ ৰাজন্ + ঢৌকসে = ৰাজণ্ঢৌকসে

১২) মূর্দ্ধন্য ষ-কাৰৰ পিছত থকা ত্-ৰ ঠাইত ট্ আৰু থ্-ৰ ঠাইত ঠ্ হয়। যেনে—

আকৃষ্ + তঃ = আকৃষ্টঃ ষষ্ + থঃ = ষষ্ঠঃ

১৩) যদি ল্ পিছত থাকে, তেনেহ'লে ত্, দ্ তথা ন্-ৰ ঠাইত ল্ হয়। যেনে—

বৃহৎ + ললাটম্ = বৃহল্ললাটম্ উদ্ + লিখিতঃ = উল্লিখিতঃ

মহান্ + লাভ = মহাঁল্লাভ

১৪) যদি স্ৱৰ্ণ পিছত থাকে, তেনেহ'লে পদৰ শেষত থকা ন্-কাৰৰ দিত্ব হয়। যেনে—

ধাৱন্ + অশ্ব = ধাৱন্নশ্বঃ হসন্ + আগতঃ = হসন্নাগতঃ

ইয়াতেই এটা কথা জনা উচিত যে, যদি ন্-কাৰটো দীৰ্ঘ স্ৱৰ্ণৰ পিছত থাকে, তেনেহ'লে ন্-কাৰটো দিত্ব নহয়। যেনে—

মহান + আগ্রহঃ = মহানাগ্রহঃ সাধুন + আদ্রিয়স্ব = সাধুনাদ্রিয়স্ব

১৫) যদি চ্ অথবা ছ্ পিছত থাকে, তেনেহ'লে পদৰ শেষত থকা ন্-ৰ ঠাইত অনুস্বাৰ হয়, আৰু চ্ তথা ছ্-ৰ ঠাইত যথাক্রমে শ্চ্ আৰু শ্ছ্ হয়। যেনে—

পশ্যন্ + চকিতঃ = পশ্যংশ্চকিতঃ মহান্ + ছেদঃ = মহাংচ্ছেদঃ

১৬) যদি ট্ অথবা ঠ্ পিছত থাকে, তেনেহ'লে পদৰ শেষত থকা ন্-ৰ ঠাইত অনুস্বাৰ হয়, আৰু ট্ তথা ঠ্-ৰ ঠাইত যথাক্রমে ষ্ট্ আৰু ষ্ঠ্ হয়। যেনে—

উদ্যন্ + টঙ্কাৰঃ = উদ্যংষ্টঙ্কাৰঃ মহান্ + ঠক্কুৰঃ = মহাংষ্ঠক্কুৰঃ

১৭) যদি ত্ অথবা থ্ পিছত থাকে, তেনেহ'লে পদৰ শেষত থকা ন্-কাৰৰ ঠাইত অনুস্বাৰ হয়, আৰু ত্-ৰ ঠাইত স্ত আৰু থ্-ৰ স্থানত স্থ্ হয়। যেনে—

পতন্ + তৰ্কঃ = পতং স্তৰ্কঃ স্পৃশন্ + থুড়তি = স্পৃশংস্থুড়তি

১৮) যদি শ্ অথবা স্ অথবা হ্ পিছত থাকে, তেনেহ'লে পদৰ মাজত থকা ন্ ৰ ঠাইত অনুস্বাৰ হয়। যেনে—

দন্ + শনম্ = দংশনম্ জিঘান্ + সতি = জিঘাংসতি

বৃন্ + হিতম্ = বৃংহিতম্

১৯) যদি দন্ত্য স্ পিছত থাকে, তেনেহ'লে পদৰ শেষত থকা ম্-কাৰৰ ঠাইত অনুস্বাৰ হয়। যেনে—

ৰম্ + স্যতে = ৰংস্যতে নিনম্ + সতি = নিনংসতি

২০) ন্-কাৰৰ পিছত বৰ্গৰ যিকোনো বৰ্ণ থাকিলে, আগৰ পদৰ ন-কাৰটো পিছৰ পদত থকা বৰ্ণটোৰ বৰ্গৰ পঞ্চম বৰ্ণলৈ পৰিবৰ্তন হয়। যেনে—

আশন্ + কতে (ক-বৰ্গ) = আশঙ্কতে বন্ + চয়তি (চ-বৰ্গ) = বঞ্চয়তি

উৎকন্ + ঠতে (ট-বৰ্গ) = উৎকণ্ঠতে কন্ + পতে (প-বৰ্গ) = কম্পতে

২১) যদি ত্-কাৰ পিছত থাকে, তেনেহ'লে পূৰ্বপদত থকা ম্-কাৰৰ ঠাইত ন্-কাৰ হয়। যেনে—

গম্ + তা = গন্তা গম্ + তব্যম্ = গন্তব্যম্

২২) যদি অন্তঃস্থ অথবা ঊষ্মবর্ণ পিছত থাকে, তেনেহ'লে পদৰ অন্তস্থিত ম্-কাৰৰ ঠাইত অনুস্বাৰে হয়। যেনে—

সত্বৰম্ + যাতি = সত্বৰং যাতি কষ্টম্ + সহতে = কষ্টং সহতে

কিন্তু ব্যতিক্রম এইটোৱে যে ক্বিপ্ প্রত্যয়ান্ত ৰাজ ধাতু পিছত থাকিলে, সম্ শব্দৰ ম্-ৰ ঠাইত অনুস্বাৰ নহয়। যেনে— সম্ + ৰাট্ (জ) = সম্রাট্

২৩) যদি স্পর্শবর্ণ (অর্থাৎ বর্গৰ বর্ণ) পিছত থাকে, তেনেহ'লে পদৰ শেষত থকা ম্-ৰ ঠাইত অনুস্বাৰ হয়। অথবা পিছত যি বর্গৰ বর্ণ থাকে, সেই বর্গৰ পঞ্চম বর্ণ হয়। যেনে—

কিম্ + কৰোষি = কিং কৰোষি, কিঙ্কৰোষি কিম্ + ফলম্ = কিংফলম্, কিম্ফলম্

ব্যতিক্রম্— (ক) কৃধাতু নিষ্পন্ন শব্দ পিছত থাকিলে, সম্ - শব্দৰ ম্-ৰ ঠাইত অনুস্বাৰ হয় আৰু স্-কাৰৰ আগম হয়। যেনে—

সম্ + কৃতঃ = সংস্কৃতঃ সম্ + কাৰঃ = সংস্কাৰঃ

(খ) বর্গৰ প্রথম তথা দ্বিতীয় বর্ণ পিছত থাকিলে, পুম্- শব্দৰ ম্-ৰ ঠাইত অনুস্বাৰ আৰু ম্ আগম হয়। যেনে—

পুম্ + কোকিলঃ = পুংস্কোকিলঃ

২৪) যদি ছ্ পিছত থাকে, তেনেহ'লে স্বৰবর্ণৰ পিছত চ্ আগম হয় তথা চ্, ছ্ মিলি চ্ছ্ হয়। যেনে—

সিত + ছত্রম্ = সিতচ্ছত্রম্ বৃক্ষ + ছায়া = বৃক্ষচ্ছায়া

২৫) উদ্ উপসর্গৰ পিছত থকা স্থা আৰু স্তম্ভ্ ধাতুৰ স্-ৰ লোপ হয়। যেনে—

উদ্ + স্থানম্ = উত্থানম্ উদ্ + স্তম্ভয়তি = উত্তম্ভয়তি

২৬) যদি স্বৰবর্ণ, বর্গৰ তৃতীয়, চতুর্থ বর্ণ অথবা য্, ৱ্, ল্, ৰ্, হ্ পিছত থাকে, তেনেহ'লে পদৰ শেষত থকা ক্-ৰ ঠাইত গ্ হয়। যেনে—

দিক্ + অন্তঃ = দিগন্তঃ বাক্ + ঈশঃ = বাগীশঃ

দিক্ + গজঃ = দিগ্গজঃ সম্যক্ + জায়তে = সম্যগ্জায়তে

ধিক্ + যাচকম্ = ধিগ্যাচকম্ বাক্ + ৰোধঃ = বাগ্রোধঃ

ধিক্ + লোভিনম্ = ধিগ্লোভিনম্ সম্যক্ + ৱদতি = সম্যগ্বদতি

দিক্ + হস্তী = দিগ্হস্তী

২৭) যদি স্বৰবর্ণ অথবা গ্ য্ দ্ ধ্ ব্ ভ্ য্ ৱ্ ৰ্ পিছত থাকে, তেনেহ'লে পদৰ শেষত থকা ত্-ৰ ঠাইত দ্ হয়। যেনে—

জগৎ + অন্তঃ = জগদন্তঃ জগৎ + ইন্দ্রঃ = জগদিন্দ্রঃ

বৃহৎ + গহনম্ = বৃহদ্গহনম্ বৃহৎ + ঘটঃ = বৃদদ্ঘটঃ

ভৱ্‌ৎ + দর্শনম্ = ভৱদ্দর্শনম্ মহৎ + ধনুঃ = মহদ্ধনুঃ

জগৎ + বন্ধুঃ = জগদ্বন্ধুঃ মহৎ + ভয়ম্ = মহদ্ভয়ম্

বৃহৎ + যানম্ = বৃহদ্‌যানম্ বৃহৎ + ৰথঃ = বৃহদ্রথঃ

মহৎ + ৱনম্ = মহদ্ৱনম্

২৮) যদি স্বৰবর্ণ, বর্গৰ তৃতীয় বা চতুর্থ বর্ণ নতুবা য্, ৱ্, ল্, ৱ্, হ্ পিছত থাকে, তেনেহ'লে পূর্বপদৰ শেষত থকা চ্-ৰ টাইত জ্, ট্-ৰ ঠাইত ড আৰু প্-ৰ ঠাইত ব্ হয়। যেনে—

অচ্ + অন্তঃ = অজন্ত অচ্ + বৎ = অজ্বৎ

পৰিব্রাট্ + অয়ম্ = পৰিব্রাড়য়ম্ পৰিব্রাট্ + হসতি = পৰিব্রাড্‌হসতি

অপ্ + ইন্ধনঃ = অবিন্ধনঃ অপ্ + ঘটঃ = অব্‌ঘটঃ

২৯) যদি ন্ অথবা ম্ পিছত থাকে, তেনেহ'লে পূর্বপদৰ শেষত থকা বর্গৰ প্রথম বর্ণৰ ঠাইত পঞ্চম অথবা তৃতীয় বর্ণ হয়। যেনে—

দিক্ + নাগঃ = দিঙ্‌নাগঃ, দিগ্‌নাগঃ প্রাক্ + মুগঃ = প্রাঙ্‌মুখঃ প্রাগমুখঃ

৩০) যদি মাত্র নতুবা ময় প্রত্যয় পিছত থাকে, তেনেহ'লে পূর্বপদৰ শেষত থকা বর্গৰ প্রথম বর্ণৰ ঠাইত পঞ্চম বর্ণ হয়। যেনে—

বাক্ + ময়ম্ = বাঙ্‌ময়ম্ অচ্ + মাত্রম্ = অঞ্চ মাত্রম্



অগ্রগতি নিৰীক্ষণ

তলত দিয়া শব্দবোৰৰ সন্ধি কৰা।

প্রশ্ন নং ২ঃ (ক) উচ্চাৰণম্, (খ) জগচ্ছ্ৱণ্যঃ,

(গ) মহাল্লাঁভ, (ঘ) দংশনম্, (ঙ) সংস্কৃতঃ

৮.৪.৩ বিসর্গ সন্ধি

তলত এতিয়া বিসর্গ সন্ধি হোৱা নিয়মসমূহ ক'বলৈ যোৱা হৈছে।

১) যদি ত্ অথবা ছ্ পিছত থাকে, তেনেহ'লে পূর্বপদৰ শেষত থকা বিসর্গ (ঃ) ৰ ঠাইত তালব্য শ হয়। যেনে—

পূর্ণঃ + চন্দ্রঃ = পূর্ণশ্চন্দ্রঃ তৱোঃ + ছায়া = তৱোশ্ছায়া

২) যদি ট্ অথবা ঠ্ পিছত থাকে, তেনেহ'লে বিসর্গৰ ঠাইত মূর্দ্ধন্য ষ্ হয়, যেনে—

ভীতঃ + টলতি = ভীতষ্টলতি স্থিৰঃ + ঠক্কুৰঃ = স্থিৰষ্ঠক্কুৰঃ

৩) যদি ত্ অথবা থ্ পিছত থাকে, তেনেহ'লে বিসর্গৰ ঠাইত দন্ত্য স্ হয়। যেনে—

উন্নতঃ + তৰুঃ = উন্নতস্তৰুঃ স্নাতঃ + থুড়তি = স্নাতস্থূড়তি

৪) যদি তালব্য শ্ পিছত থাকে, তেনেহ'লে বিসর্গৰ ঠাইত বিকল্পে তালব্য শ্ হয়। যেনে—

সুপ্তঃ + শিশুঃ = সুপ্তশ্‌শিশুঃ, সুপ্তঃ শিশুঃ

৫) যদি মূর্দ্ধন্য ষ্ পিছত থাকে, তেনেহ'লে বিসর্গৰ ঠাইত বিকল্পে মূর্দ্ধন্য ষ হয়। যেনে—

ভাগঃ + ষোড়শঃ = ভাগষ্ষোড়শঃ, ভাগঃ ষোড়শঃ

৬) যদি দন্ত্য স্ পিছত থাকে, তেনেহ'লে বিসর্গৰ ঠাইত বিকল্পে দন্ত্য স হয়। যেনে—

প্রথমঃ + সর্গঃ = প্রথমস্সর্গঃ, প্রথমঃ সর্গঃ

৭) অ-কাৰ পিছত থাকিলে পূর্বপদত থকা অ-কাৰ আৰু অ-কাৰৰ পিছত থকা বিসর্গ দুয়ো মিলি ও-কাৰ হয়। ও-কাৰ পূর্ববর্ণৰ লগত যোগ হয় আৰু পিছৰ পদত অকাৰটো লুপ্ত হয়। ইয়াকে লুপ্ত অ-কাৰ বোলে। লুপ্ত হোৱা অকাৰৰ ঠাইত 'হ' (S) এই চিহ্নটো দিয়া হয়। যেনে—

নৰঃ + অয়ম্ = নৰো২য়ম্ বেদঃ + অধীতঃ = বেদো২ধীতঃ

৮) বর্গৰ তৃতীয়, চতুর্থ অথবা পঞ্চম বর্ণ নতুনবা য্, ৰ্, ল্, ৱ্, হ্ পিছত থাকিলে, পূর্বপদত থকা অ-কাৰ আৰু অ-কাৰৰ পিছত থকা বিসর্গ উভয়ে মিলি ও কাৰ হয় আৰু সেই ও কাৰ পূর্বপদৰ লগত যুক্ত হয়। যেনে—

শোভনঃ + গন্ধঃ = শোভনোগন্ধঃ সদ্যঃ + জাতঃ = সদ্যোজাতঃ

মূর্দ্ধন্যঃ + ণকাৰঃ = মূর্দ্ধন্যোণকাৰঃ কৃতঃ + যত্নঃ = কৃতোযত্নঃ

শান্তঃ + ৰোষঃ = শান্তোৰোষঃ কৃতঃ + লোভঃ = কৃতোলোভঃ

শীতঃ + ৱায়ুঃ = শীতোৱায়ুঃ বামঃ + হস্তঃ = বামোহস্তঃ

৯) যদি অ-কাৰৰ বাহিৰে অন্য স্ৱৰবর্ণ পিছত থাকে, তেনেহ'লে অ-কাৰৰ পিছত থকা বিসর্গৰ লোপ হয় আৰু এই লোপৰ পিছত আৰু সন্ধি নহয়। যেনে—

কৃতঃ + আগতঃ = কৃতআগতঃ ৰক্তঃ + ওষ্ঠঃ = ৰক্তওষ্ঠঃ

১০) স্ৱৰবর্ণ, বর্গৰ তৃতীয়, চতুর্থ, পঞ্চম বর্ণ তথা য়্, ৰ্, ল্, ৱ্, হ্ পিছত থাকিলে, পূর্ৱবতী শব্দৰ আ-কাৰৰ পিছত থকা বিসর্গৰ লোপ হয়। সেই লোপৰ পিছত আৰু সন্ধি নহয়। যেনে—

অশ্বাঃ + অমী = অশ্বাঅমী হতাঃ + গজাঃ = হতাগজাঃ

কৃতাঃ + ঘটাঃ = কৃতাঘটাঃ উন্নতাঃ + নগাঃ = উন্নতানগাঃ

ছাত্রাঃ + য়তন্তে = ছাত্রায়তন্তে দৃঢ়াঃ + ৱন্ধাঃ = দৃঢ়াবন্ধাঃ

১১) যদি অ, আ ভিন্ন স্ৱৰবর্ণৰ পিছত বিসর্গ থাকে, আৰু যদি পিছৰ পদৰ আদিত স্ৱৰবর্ণ, বর্গৰ তৃতীয়, চতুর্থ, পঞ্চম বর্ণ, নতুবা য়্, ৰ্, ল্ ৱ্, হ্ থাকে, তেনেহ'লে (স-জাত আৰু ৰ-জাত) বিসর্গৰ ঠাইত ৰ্ হয়। যেনে—

কৱিঃ + অয়ম্ = কৱিৱয়ম্ তৈঃ + উক্তম্ = তৈৱুক্তম্

ঋষিঃ + গচ্ছতি = ঋষির্গচ্ছতি গুৱুঃ + জয়তি = গুৱুর্জয়তি

দুঃ + নীতিঃ = দুর্নীতিঃ বহিঃ + য়োগঃ = বহির্যোগঃ

বিধুঃ + লীয়তে = বিধুর্লীয়তে বায়ুঃ + ৱাতি = বায়ুর্ৱাতি

শিশুঃ + হসতি = শিশুর্হসতি

১২) স্ৱৱৰ্ণ, বৰ্গৰ তৃতীয়, চতুৰ্থ, পঞ্চম বৰ্ণ অথবা য়্ ৱ্ ল্ ব্ হ পিছত থাকিলে, পূৰ্বপদত শেষত থকা অ-কাৰৰ অন্তস্থিত ৰ-জাত বিসৰ্গৰ ঠাইত ৰ্ হয়। যেনে—

পুনঃ + অপি = পুনৰপি অন্তঃ + ধানম্ = অন্তৰ্ধানম্

স্বঃ = গতঃ = স্ৱৰ্গতঃ জামাতঃ + ৱদ = জামাতৰ্বদ

দুহিতঃ + য়াহি = দুহিতৰ্য়াহি

(ক) অহন্ শব্দৰ ন্ ৰ ঠাইত ৰ হয়। যেনে— অহৰ্হঃ, অহৰ্গণঃ। কিন্তু সুপ্ বিভক্তি পিছত থাকিলে ৰ্ নহয়। যেনে— অহোভিঃ

(খ) পতি শব্দ পিছত থাকিলে, অহন শব্দৰ ন্ ৰ ঠাই বিকল্পে ৰ্ হয়। যেনে— অহন্ + পতিঃ, অহঃ পতি অহৰ্পতিঃ

১৩) ৰ্ বৰ্ণ পিছত থাকিলে, পূৰ্বপদত থকা বিসৰ্গৰ লোপ হয় তথা পূৰ্বস্ৱৰ দীৰ্ঘ হয়। যেনে—

পিতঃ + ৰক্ষঃ = পিতাৰক্ষঃ নিঃ + ৰোগ = নীৰোগঃ

১৪) যদি অ-কাৰ ভিন্ন স্ৱৰ অথবা ব্যঞ্জনবৰ্ণ পিছত থাকে, তেনেহ'লে তদ্ আৰু এতদ্ শব্দজাত সঃ, এষঃ এই দুটা পদৰ বিসৰ্গৰ লোপ হয়, আৰু লোপৰ পিছত সন্ধি নহয়। যেনে—

সঃ + আগতঃ = স আগতঃ সঃ + উবাচ = স উবাচ

এষঃ + আয়াতি = এষ আয়াতি এষঃ + ধাৱতি = এষ ধাৱতি

১৫) যদি স্ৱৱৰ্ণ, বৰ্গৰ তৃতীয়, চতুৰ্থ, পঞ্চম বৰ্ণ অথবা য়্ ৱ্ ল্ ৱ্ হ্ পিছত থাকে, তেনেহ'লে ভোঃ, ভগোঃ আৰু অঘোঃ (এই তিনিটাক সম্বোধনাৰ্থক অব্যয় বোলে)— এই কেইটা পদৰ বিসৰ্গৰ লোপ হয়, লোপৰ পিছত আৰু সন্ধি নহয়। যেনে—

ভোঃ + অম্ৱৰীষ = ভো অম্ৱৰীষ ভোঃ + দামোদৰ = ভো দামোদৰ

ভগোঃ + ৰক্ষ = ভগো ৰক্ষ অঘো + যজ = অঘো যজ

১৬) ক্, খ্, প্, ফ্ পিছত থাকিলে, নিঃ, আবিঃ, বহিঃ, ছঃ, প্রাদুঃ, চতুঃ এইবোৰ শব্দৰ বিসৰ্গৰ ঠাইত মূৰ্দ্ধন্য ষ্ হয়। যেনে—

নিঃ + কামঃ = নিষ্কামঃ বহিঃ + কৃতঃ = বহিষ্কৃতঃ

আৱিঃ + কৃতম্ = আৱিষ্কৃতম্ দুঃ + কৰম্ = দুষ্কৰম্

প্রাদুঃ + কৃতম্ = প্রাদুষ্কৃতম্ চতুঃ + কোণম্ = চতুষ্কোণম্

১৭) ক্, খ্, প্, ফ্ পিছত থাকিলে, ইস্ ভাগান্ত আৰু উস্ ভাগান্ত হবিঃ, সর্পিঃ, আয়ুঃ, ধনুঃ আদি শব্দৰ বিসৰ্গৰ ঠাইত বিকল্পে মূৰ্দ্ধন্য ষ্ হয়। যেনে—

হৰিঃ + পততি = হৰিষ্পপততি, হবিঃ পততি

ধনুঃ + কৰোতি = ধনুষ্কৰোতি, ধনুঃ কৰোতি

১৮) কৃ ধাতু নিষ্পন্ন অর্থাৎ কৃ-ধাতুৰ পৰা সৃষ্টি হোৱা পদ পিছত থাকিলে, তথা **গতি সমাস** হ'লে, নমঃ, পুৰুঃ, তিৰঃ এই তিনিটা পদৰ বিসর্গৰ ঠাইত দন্ত্য স্ হয়। যেনে—

নমঃ + কৰোতি = নমস্কৰোতি নমঃ + কাৰঃ = নমস্কাৰঃ

পুৰঃ + কাৰঃ = পুৰস্কাৰঃ তিৰঃ + কাৰঃ = তিৰস্কাৰঃ



জানি থোৱা ভাল

গতি সমাস ঃ ধাতুৰ সৈতে উপসর্গৰ সমাস হ'লে, তাকে গতি সমাস বোলে। (উপসর্গাঃ ক্রিয়াযোগে। গতিশ্চ)। যেনে—

সম্— সংস্কৰোতি সংস্কাৰঃ, সংস্কৃত্য (সম্— ✓ কৃ ধাতু)। আনহাতে দ্বি, ডাচ্ প্রত্যয়ান্ত অব্যয় আৰু অলম্, তিৰস্, নমস্ আদি অব্যয় উপপদেৰে সৈতে ধাতুৰ লগত সমাস হ'লেও গতি সমাস হয়। যেনে— নমঃ কৰোতি, নমস্কৃত্য, নমস্কৃত্বা (নমস্ ✓কৃ ধাতু)।

১৯) কৰ, কাৰ, কান্ত, কাম, কুশা, কর্ণী, কুম্ভ আৰু পাত্র শব্দ পিছত থাকিলে তথা সমাস হ'লে অব্যয় ভিন্ন শব্দৰ অ-কাৰৰ পিছত থকা বিসর্গৰ ঠাইত দন্ত্য স্ হয়। যেনে—

শ্রেয়ঃ + কৰ = শ্রেয়স্কৰঃ অয়ঃ + কান্তঃ = অয়স্কান্তঃ

মনঃ + কামঃ = মনস্কামঃ অয়ঃ + কুম্ভঃ = অয়স্কুম্ভঃ

অয়ঃ + কর্ণী = অয়স্কর্ণী অয়ঃ + কুশা = অয়স্কুশা

২০) তমঃ + কাণ্ডঃ, মেদঃ + পিণ্ডঃ, ভাঃ + কৰঃ, অহঃ + কৰঃ, বাচঃ + পতিঃ, দিৱঃ + পতিঃ, অয়ঃ + কীলঃ ইত্যাদি শব্দৰ পূর্বপদৰ বিসর্গৰ ঠাইত দন্ত্য স্ হয়। যেনে— তমস্কাণ্ডঃ, ভাস্কৰঃ বাচস্পতিঃ।



অগ্রগতি নিৰীক্ষণ

তলত দিয়া শব্দবোৰৰ সন্ধি কৰা।

প্রশ্ন নং ৩ঃ (ক) পূর্ণশ্চন্দ্রঃ, (খ) নৰোঽয়ম্,

(গ) কৱিৰয়ম্, (ঘ) নিষ্কামঃ, (ঙ) ধনুষ্কৰোতি

৮.৫ অন্যান্য সন্ধি

(১) অ ভিন্ন স্বৰবর্ণ পিছত থাকিলে, পদৰ শেষত থকা এ-কাৰৰ ঠাইত এবাৰ অ আৰু আন এবাৰ অয় হয়। অয় হ'লে, অ পূর্ববর্ণৰ লগত যুক্ত হয় তথা পিছৰ স্বৰ য়-কাৰৰ সৈতে যুক্ত হয়। যেনে—

সখে + আগচ্ছ = সখআগচ্ছ, সখয়াগচ্ছ

সখে + এহি = সখএহি, সখয়েহি

(২) অ-ভিন্ন স্বৰবর্ণ পিছত থাকিলে পদৰ শেষত থকা ও-কাৰৰ ঠাইত এবাৰ অ আৰু এবাৰ অব্ হয়। অব্ হ'লে, অ পূর্ববর্ণৰ লগত যুক্ত হয়, তথা পিছৰ স্বৰবর্ণ ব্ কাৰৰ সৈতে যুক্ত হয়। যেনে—

প্রভো + আগচ্ছ = প্রভ আগচ্ছ, প্রভবাগচ্ছ

প্রভো + এহি = প্রভএহি, প্রভবেহি

(৩) স্বৰবর্ণ পিছত থাকিলে, পদৰ পিছত থকা ঐ কাৰৰ ঠাইত এবাৰ আ তথা আন এবাৰ আয় হয়। আয় হ'লে, আ পূর্ববর্ণৰ লগত যুক্ত হয়, তথা পিছৰ স্বৰ য় কাৰৰ সৈতে যুক্ত হয়। যেনে—

শ্রিয়ৈ + অর্থঃ = শ্রিয়া অর্থ, শ্রিয়ায়র্থঃ

শ্রিয়ৈ + ঐক্যম্ = শ্রিয়াঐক্যম্, শ্রিয়ায়ৈক্যম্

(৪) স্বৰবর্ণ পিছত থাকিলে, পদৰ শেষত থকা ঔ-কাৰৰ ঠাইত এবাৰ আ আৰু আন এবাৰ আব্ হয়, আব্ হ'লে, আ পূর্ববর্ণৰ লগত যুক্ত হয় তথা পিছৰ স্বৰ ব্ কাৰৰ সৈতে যুক্ত হয়। যেনে—

ৰৱৌ + অস্তমিতে = ৰবা অস্তমিতে, ৰবাবস্তমিতে

মতৌ + ঐক্যম্ = মতাঐক্যম্, মতাবৈক্যম্

(৫) ধাতুৰ এ অথবা ও পিছত থাকিলে, পূর্বত থকা উপসর্গৰ অ কাৰ আৰু আ-কাৰৰ লোপ হয়। এ কাৰ তথা ও কাৰ উপসর্গৰ লগত যুক্ত হয়। যেনে—

প্র + এজতে = প্রেজতে উপ + ওষতি = উপোষতি

(এধ্ আৰু ইণ্ ধাতুৰ এ-কাৰ পিছত থাকিলে, উপসর্গৰ অ-কাৰ আৰু আ-কাৰৰ লোপ নহয়। যেনে— উপ + এধতে = উপৈধতে, আ + এতি = ঐতি)

(৬) যদি উপসর্গৰ অ-কাৰ অথবা আ-কাৰৰ পিছত ধাতুৰ ঋ থাকে, তেনেহ'লে উভয়ে মিলি আৰ্ হয়, আ-কাৰ উপসর্গৰ লগত যুক্ত হয় তথা ৰ্ পিছৰবর্ণৰ শিৰৰ ওপৰত থাকে। যেনে—

অপ + ঋচ্ছতি = অপার্চ্ছতি পৰা + ঋষতি = পৰার্ষতি

৮.৬ সন্ধি নিষেধ

কিছুমান ক্ষেত্রত কেতিয়াবা কেতিয়াবা সন্ধি নহয়। যেনে—

১) ও কাৰ শেষত থাকিলে অথবা এটা স্বৰ থকা অব্যয় শব্দৰ লগত পিছৰ পদৰ সন্ধি নহয়। যেনে—

অহো +অপেহি = অহো অপেহি উ +উত্তিষ্ঠ = উ উত্তিষ্ঠ

২) দ্বিবচন বুজোৱা দীর্ঘ ঈ-কাৰান্ত, দীর্ঘ ঊকাৰান্ত তথা এ-কাৰান্ত পদৰ সৈতে সন্ধি নহয়। যেনে—

কৰী +ইমৌ = কৰী ইমৌ বন্ধু +আগতৌ = বন্ধু আগতৌ

লতে +এতে = লতে এতে

৩। অদস্ শব্দৰ পৰা নিষ্পন্ন দীর্ঘ ঈ-কাৰান্ত আৰু দীর্ঘ ঊ-কাৰান্ত (অর্থাৎ অমী আৰু অমূ) পদৰ সৈতে পৰস্পৰৰ সন্ধি নহয়। যেনে—

অমী +অশ্বা = অমী অশ্বা অমূ +অর্ভকৌ = অমূ অর্ভকৌ



অগ্রগতি নিৰীক্ষণ

তলত দিয়া শব্দবোৰৰ সন্ধি কৰা।

প্রশ্ন নং ১ঃ (ক) শশ + অংক, (খ) লঘু + ঊর্মি,

(গ) সদা + এব, (ঘ) পিতৃ + আদেশ, (ঙ) কৰী + ইমৌ।



৮.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সংস্কৃত ভাষাৰ সন্ধিৰ বিষয়ে জানিব পাৰিলো।
- সংস্কৃত সন্ধিৰ বিভাগ সম্বন্ধে জ্ঞান লাভ কৰিলো।
- স্বৰ সন্ধি, ব্যঞ্জন সন্ধি, বিসর্গ সন্ধিৰ পার্থক্যসমূহ জানিব পাৰিলো।
- সন্ধিগত শব্দসমূহত আকৃতিগত পার্থক্যসমূহৰ বিষয়ে জানিব পাৰিলো।



৮.৮ অধিক জানিবলৈ

১) ভট্টাচার্য্য, ড° হৰিশ্চন্দ্ৰ, *সংস্কৃত ব্যাকৰণ প্ৰভা*, বৰুৱা এজেন্সি, দীঘলীপুখুৰীপাৰ, গুৱাহাটী-১, ১৯৯৬।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্ৰ, *সমগ্ৰ ব্যাকৰণ কৌমুদী*, সম্পাদক - দুৰ্গাচৰণ সাংখ্যবেদান্ত তীৰ্থ, দেৰ সাহিত্য কুটীৰ প্ৰাইভেট লিমিটেড, কলিকতা-৯, ২০০০।

৩) শাস্ত্ৰী, খগেন্দ্ৰ নাথ, *সংস্কৃত প্ৰৱেশ ব্যাকৰণ*, গ্ৰন্থপীঠ, পাণবজাৰ, গুৱাহাটী-১, ১৯৮৫।

৪) শৰ্মা, ড° মুকুন্দমাধৱ, *সংস্কৃত ব্যাকৰণ আৰু ৰচনা*, বাণী প্ৰকাশ, গুৱাহাটী-১, ১৯৯৪।

৫) বৰপূজাৰী, অৰুণ চন্দ্ৰ, *সংস্কৃত প্ৰৱেশ ব্যাকৰণ*, অশোক বুকষ্টল, পাণবজাৰ, ২০০৭।

৬) শৰ্মা, ড° জগদীশ, ড° ভাৰতী গোস্বামী, *সংস্কৃত ব্যাকৰণ জ্যোতি*, অশোক পাব্লিকেশ্বনছ, গুৱাহাটী-১, ২০১১।



৮.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) শশাঙ্ক, (খ) লঘূৰ্মি, (গ) সদৈৱ, (ঘ) পিত্ৰাদেশঃ, (ঙ) কবী ইমৌ

২ নং প্ৰশ্নৰ উত্তৰঃ (ক) উদ্ + চাৰণম্, (খ) জগৎ + শৰণ্যঃ, (গ) মহান্ + লাভ, (ঘ) দন্ + শনম্ঃ (ঙ) সম্ + কৃতঃ,

৩ নং প্ৰশ্নৰ উত্তৰঃ (ক) পূৰ্ণঃ + চন্দ্ৰঃ, (খ) নৱঃ + অয়ম, (গ) কবিঃ + অয়ম্, (ঘ) নিঃ + কাম, (ঙ) ধনুঃ + কৰোতি।



৮.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ তলত দিয়া শব্দবোৰৰ সন্ধি কৰক।

অদ্য + এব, মহা + ইন্দ্ৰঃ, ধাৱন্ + অশ্বঃ, তদ্ + ছবিঃ, তৰোঃ + ছায়া।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ স্বৰ সন্ধি আৰু ব্যঞ্জন সন্ধিৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন ২ঃ সন্ধিৰ সংজ্ঞা দি সংস্কৃত সন্ধিৰ বিভাগসমূহৰ বিষয়ে আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ স্বৰ সন্ধিৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ঃ ব্যঞ্জন সন্ধিৰ বিষয়ে এটি চমুটোকা আগবঢ়াওঁক।

*** ***** ***

অধ্যায় ৯ ঃ কাৰক-বিভক্তি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ কাৰকৰ সংজ্ঞা

৯.৪ কাৰক বিভক্তি আৰু উপপদ বিভক্তি, উপপদ বিভক্তিতকৈ কাৰক বিভক্তিৰ বল বেছি

৯.৫ কাৰকৰ প্ৰকাৰ, সম্বন্ধপদ কাৰক নহয়

- ৯.৫.১ কৰ্ত্তা কাৰক আৰু প্ৰথমা বিভক্তি
- ৯.৫.২ কৰ্ম কাৰক আৰু দ্বিতীয়া বিভক্তি
- ৯.৫.৩ কৰণ কাৰক আৰু তৃতীয়া বিভক্তি
- ৯.৫.৪ সম্প্ৰদান কাৰক আৰু চতুৰ্থী বিভক্তি
- ৯.৫.৫ অপাদান কাৰক আৰু পঞ্চমী বিভক্তি
- ৯.৫.৬ সম্বন্ধপদ আৰু ষষ্ঠী বিভক্তি
- ৯.৫.৭ অধিকৰণ কাৰক আৰু সপ্তমী বিভক্তি

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্ৰগতিৰ খতিয়ান

৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কাৰকৰ লক্ষণৰ বিষয়ে জানিব পাৰিব
- কাৰক কেইপ্ৰকাৰ সেইটো জানিব
- সম্বন্ধ পদ যে কাৰক নহয় সেইটোও বুজিব পাৰিব
- বাচ্যৰ সাধাৰণ পৰিচয়ো পাব
- বাক্যগঠনত আপুনি মনোনিৱেশ কৰিব পাৰিব
- ব্যাকৰণ সূত্ৰ ব্যাখ্যা কেনেদৰে কৰিব লাগে তাকো জানিব পাৰিব।

৯.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত ব্যাকৰণৰ ধাতুৰূপ আৰু শব্দৰূপৰ বিষয়ে অধ্যয়ন কৰিছে। শব্দৰপৰা পদৰ গঠন আপুনি শিকিছে। বাক্যত পদৰ প্ৰয়োগো কিছু পৰিমাণে জানিব পাৰিছে।

এই অধ্যায়ত আপুনি কাৰকৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব। বাক্যত পদ প্ৰয়োগৰ জ্ঞান কাৰকৰ পৰা হয়। কাৰকৰ সংজ্ঞা অৰ্থাৎ কাৰক কাক বোলে, কাৰক কেইবিধ, কোন কাৰকত কি বিভক্তিৰ ব্যৱহাৰ হয় সেইবোৰ উদাহৰণসহ আপুনি অধ্যয়ন কৰিব পাৰিব।

কোনো কোনো ক্ষেত্ৰত কৰ্ত্তৃবাচ্য, কৰ্মৱাচ্য আৰু ভাৱবাচ্যৰ সাধাৰণ লক্ষণৰ বিষয়েও আপুনি অৱগত হব পাৰিব। কিছুমান নিৰ্দিষ্ট শব্দৰ যোগত কিছুমান নিৰ্দিষ্ট বিভক্তিৰ ব্যৱহাৰ হয়। অপৱৰ্গ, অত্যন্ত সংযোগ আদি কিছুমান শব্দৰ অৰ্থও জানিব পাৰিব। দ্বিকৰ্মক ধাতুৰ যোগত গৌণ আৰু মুখ্য কৰ্মৰ কথাও শিকিব পাৰিব। প্ৰত্যেকবিধ কাৰকৰ অৰ্থ সম্পৰ্কেআপুনি অৱগত হব পাৰিব।

৯.৩ কাৰকৰ সংজ্ঞা

ক্ৰিয়াৰ লগত সম্পৰ্ক থকা পদকেই কাৰক বোলা হয়। কথাটো ব্যাকৰণত "ক্ৰিয়ান্বয়ি কাৰকম্" (ক্ৰিয়াৰ লগত যিটোৰ সম্পৰ্ক থাকে সেইটোৱেই কাৰক) —এনেদৰে কোৱা হৈছে। আকৌ, কিছুমানে এই কথাটোকেই অলপ বেলেগ ধৰণে কয় যে যিটোৱে বাক্যৰ ক্ৰিয়াৰ জ্ঞান দিয়ে তাকেই কাৰক বুলি কোৱা হয়— "ক্ৰিয়াজনকত্বং কাৰকত্বম্"।

৯.৪ কাৰক বিভক্তি আৰু উপপদ বিভক্তি, উপপদ বিভক্তিতকৈ কাৰক বিভক্তিৰ বল বেছি

আপুনি ওপৰৰ আলোচনাৰ পৰা কাৰকৰ সংজ্ঞা জানিলে। ক্ৰিয়াৰ যোগত নিৰ্দিষ্টকৈ হোৱা বিভক্তিক কাৰক বিভক্তি বোলে। যেনে— চন্দ্ৰং পশ্যতি বালকঃ (ল'ৰাহতে চন্দ্ৰ দেখিছে)। ইয়াত 'পশ্যতি' ক্ৰিয়াৰ যোগত 'বালকঃ' পদত প্ৰথমা বিভক্তি হৈছে। গতিকে ই কাৰক বিভক্তি।

কিছুমান নিৰ্দিষ্ট শব্দৰ যোগতো কিছুমান নিৰ্দিষ্ট বিভক্তিৰ প্ৰয়োগ হয়। শব্দৰ যোগত প্ৰয়োগ হয় কাৰণেই সেইবোৰ বিভক্তিক উপপদ বিভক্তি বুলি কোৱা হয়। যেনে— কৃষ্ণায় নমঃ (কৃষ্ণলৈ নমস্কাৰ)। নমস্ শব্দটোৰ যোগত যালৈ নমস্কাৰ জনোৱা হৈছে তাত চতুৰ্থী বিভক্তি হৈছে।

'নমস্' শব্দটোৰ পিছত কৃ ধাতু যোগ হবও পাৰে। তেতিয়া নমস্ শব্দটো 'নমস্কৰোতি' হব অৰ্থাৎ সেইটো ক্ৰিয়াপদ হব। তেনেকুৱা হলে 'নমঃ' শব্দটোৰ যোগত হবলগীয়া চতুৰ্থী বিভক্তি নহব, তেতিয়া কৃ ধাতুৰ যোগত দ্বিতীয় বিভক্তিহে হব। সেই কাৰণেই 'বাসুদেৱায় নমঃ' (বাসুদেৱলৈ নমস্কাৰ) —ইয়াত 'নমস্' শব্দৰ যোগত বাসুদেৱ শব্দৰ পিছত চতুৰ্থী বিভক্তি হৈছে। কিন্তু, 'বাসুদেৱং নমস্কৰোতি' (বাসুদেৱক নমস্কাৰ কৰিছে) —ইয়াত নমস্ শব্দৰ পিছত কৃ ধাতু যোগ হোৱাত,

ধাতুটোৰ অর্থত দ্বিতীয়া বিভক্তিহে হৈছে। যেতিয়া কোনো প্ৰসঙ্গত উপপদ বিভক্তি আৰু কাৰক বিভক্তি এই দুয়োটাকেই ব্যৱহাৰ কৰিবলগীয়া হয়, তেতিয়া উপপদ বিভক্তিক বাদ দি ক্ৰিয়াৰ যোগত হোৱা বিভক্তিটোহে ব্যৱহাৰ কৰিব লাগে। সেইকাৰণেই উপপদবিভক্তি আৰু কাৰক বিভক্তিৰ ভিতৰত কাৰকবিভক্তিহে বেছিবলী বুলি কোৱা হৈছে— "উপপদবিভক্তেঃ কাৰকবিভক্তির্বলীয়সী"।

৯.৫ কাৰকৰ প্ৰকাৰ, সম্বন্ধপদ কাৰক নহয়

কাৰকৰ আকাৰৰ ওপৰত ভিত্তি কৰি কাৰকৰ ভাগ কৰা হৈছে। কেতিয়াবা নিজে কাম কৰা বুজায়, কিহবাৰ ওপৰত কামটো সম্পাদন কৰা বুজায়, কেতিয়াবা কিহবাৰদ্বাৰা কাম এটা কৰা বুজায়, কেতিয়াবা কিহবাৰপৰা কামটো হোৱা বুজায় আৰু কেতিয়াবা কিহবাত কামটো হোৱা বুজায়। এইদৰে ক্ৰিয়াৰ লগত সম্বন্ধ থকা কাৰকৰ আকাৰ চাই কাৰক ছয় প্ৰকাৰৰ বুলি কোৱা হৈছে। যেনে— কৰ্ত্তাকাৰক, কৰ্মকাৰক, কৰণ কাৰক, সম্প্ৰদান কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰক।

বাক্যত ক্ৰিয়াৰ লগত সম্পৰ্ক নথকা পদক কাৰক বুলি কোৱা নহয়। আন পদৰ লগত সম্পৰ্ক থকা পদ কাৰক হব নোৱাৰে, তাক সম্বন্ধ পদ বুলিহে কোৱা হয়। ষষ্ঠী বিভক্তিযুক্ত পদে বাক্যত ক্ৰিয়াৰ লগত কোনো সম্পৰ্ক থকা নুবুজায়। সেইকাৰণেই ষষ্ঠী বিভক্তি যুক্ত পদ কাৰক নহয়। যেনে— মম পুস্তকং দেহি (মোৰ কিতাপখন দিয়া)। ইয়াত 'মম' (মোৰ) পদৰ লগত 'দেহি' (দিয়া) ক্ৰিয়া পদৰ কোনো সম্পৰ্ক নাই। কিতাপখনৰ লগতহে 'মম' পদৰ সম্পৰ্ক আছে। গতিকে 'মম' পদটো সম্বন্ধ পদ, ই কাৰক নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ কাৰক কেই প্ৰকাৰ? সেইবোৰৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ২ঃ কাৰক কাক বোলে লিখক।

.....

প্ৰশ্ন নং ৩ঃ উপপদ বিভক্তিতকৈ কাৰক বিভক্তিৰ বল বেছি। বাক্যটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

৯.৫.১ কৰ্ত্তা কাৰক আৰু প্ৰথমা বিভক্তি

আপুনি ইতিমধ্যে কাৰকৰ কথা অধ্যয়ন কৰিছে। কাৰক যে ছয় প্ৰকাৰ সেইটোও জানিলে। সম্বন্ধপদ আৰু সম্বোধনপদ কাৰক নহয়।

এতিয়া আপুনি কৰ্ত্তাকাৰক আৰু প্ৰথমা বিভক্তিৰ ব্যৱহাৰৰ বিষয়ে জানিব।

১। **কৰ্ত্তা ঃ** যিয়ে প্ৰধানভাৱে কোনো এটা কাৰ্য্য সম্পাদন কৰে তাকেই কৰ্ত্তা বোলা হয়। আনৰ সহায় নোলোৱাকৈ কৰ্ত্তাই নিজে কাম কৰে। অৰ্থাৎ কৰ্ত্তাই স্বাধীনভাৱে কাম কৰে। সেইকাৰণেই "স্বতন্ত্ৰঃ কৰ্ত্তা" বুলি কোৱা হৈছে। যেনে— যাদৱঃ পঠতি (যাদৱে পঢ়িছে)। ইয়াত পঠ্ ধাতুৰ ক্ৰিয়াটো যাদৱে নিজে কৰিছে। গতিকে 'যাদৱঃ' পদটো কৰ্ত্তা, বাক্যত ক্ৰিয়াৰ লগত ইয়াৰ সম্পৰ্ক আছে। তেনেদৰে "শিক্ষকঃ গচ্ছতি" (শিক্ষকজন গৈছে)। ইয়াত গমন কামটো শিক্ষকে নিজে কৰিছে। এতেকে 'শিক্ষকঃ' পদটো কৰ্ত্তা হৈছে।

কৰ্ত্তা কাৰকত সদায় প্ৰথমা বিভক্তি হয়। ইয়াক 'কৰ্ত্তৰি প্ৰথমা' বোলা হয়। যেনে— কমলঃ বদতি (কমলে কৈছে); উমেশঃ খাদতি (উমেশে খাইছে), ৰমেশঃ হসতি (ৰমেশে হাঁহিছে)। এই বাক্যবোৰত কমলঃ, উমেশঃ আৰু ৰমেশঃ পদবোৰ কৰ্ত্তাকাৰক।

ক) ওপৰত দিয়া উদাহৰণবোৰ কৰ্ত্তৃবাচ্যত দিয়া হৈছে। কৰ্ত্তৃবাচ্যৰ কৰ্ত্তাত প্ৰথমা বিভক্তি হয়। কৰ্ত্তৃবাচ্যৰ কৰ্ত্তাক উক্ত কৰ্ত্তা বোলা হয়। যেনে— দেৱদত্তঃ অন্নং খাদতি (দেৱদত্তই ভাত খাইছে) ইয়াত দেৱদত্ত কৰ্ত্তা।

খ) যি বাক্যত কৰ্মটোহে প্ৰধান বক্তব্য বিষয় তাক কৰ্মবাচ্য বোলা হয়। কৰ্মবাচ্যৰ কৰ্মত প্ৰথমা বিভক্তি হয়। ইয়াক "উক্তে কৰ্মণি প্ৰথমা" বোলা হয়। যেনে— ময়া বালকঃ দৃশ্যতে (মোৰ দ্বাৰা লৰাজন দৃষ্ট হৈছে)। বালিকয়া অন্ধঃ নীয়তে (ছোৱালীজনীৰদ্বাৰা অন্ধজন নিয়া হৈছে)। এই উদাহৰণ দুটাত 'বালকঃ', অন্ধঃ এই পদ দুটা উক্ত কৰ্ম।

২। সম্বোধন পদত সদায় প্ৰথমা বিভক্তি হয়। যেনে— হে যাদৱ, অত্ৰ আগচ্ছ (হে যাদৱ, ইয়ালৈ আহা)। হে কৃষ্ণ, মাং পাহি (হে কৃষ্ণ মোক ৰক্ষা কৰা)।

কোনো কিছু উচ্চাৰণ কৰাৰ লগে লগে তাত প্ৰথমা বিভক্তি যোগ হয়। যেনে— বৃক্ষঃ, ঘটঃ, অশ্বঃ, কলশঃ অদি পদত উচ্চাৰণ মাত্ৰ প্ৰথমা ব্যৱহৃত হৈছে।

৩। ইতি, সাম্প্ৰতম্ , (উচিত, ন্যায্য) আদি অব্যয়ৰ যোগত সদায় প্ৰথমা বিভক্তি ব্যৱহাৰ হয়। ইয়াক "অব্যয়যোগে প্ৰথমা" বুলি কোৱা হয়। যেনে— দশৰথ ইতি ৰাজা অভৱৎ। (দশৰথ নামৰে এজন ৰজা আছিল)। দুষ্টসঙ্গঃ ত্যক্তুং সাম্প্ৰতম্ (দুষ্টৰ সঙ্গ ত্যাগ কৰাটো যুক্তিযুক্ত)।

৯.৫.২ কৰ্ম কাৰক আৰু দ্বিতীয়া বিভক্তি

আপুনি কৰ্ত্তাকাৰক আৰু প্ৰথমা বিভক্তিৰ ব্যৱহাৰৰ বিষয়ে জানিলে। এতিয়া কৰ্মকাৰক আৰু দ্বিতীয়া বিভক্তিৰ কথা অধ্যয়ন কৰিব।

বাক্যত কর্ত্তাই যিটো পদক ক্রিয়াৰ যোগেদি বিশেষকৈ আক্রান্ত কৰে তাকেই কর্মকাৰক বোলে (ক্রিয়াক্রান্তং কর্ম)। বাক্যত কর্ত্তাই ক্রিয়াৰ যোগেদি আটাইতকৈ বেছি বাঞ্ছা কৰা বস্তু বা বিষয়টোক কর্ম বুলি কোৱা হয়— "কর্ত্তুৰীপ্সিততমং কর্ম"। যেনে— বালিকা পুস্তকং পঠতি (ছোৱালীজনীয়ে কিতাপ পঢ়িছে)। এই বাক্যত 'বালিকা' কর্ত্তাই ক্রিয়াৰ যোগেদি 'পুস্তকং' পদটো আটাইতকৈ বেছি বিচাৰিছে। গতিকে 'পুস্তকং' পদটো কর্মকাৰক। তেনেদৰে সিংহঃ হৰিণং খাদতি (সিংহটোৱে হৰিণাপহুটো খাইছে)। ইয়াত 'হৰিণ' আটাইতকৈ ঈপ্সিত। সেই কাৰণে 'হৰিণং' পদটো কর্মকাৰক।

১। কর্ত্তৃবাচ্যৰ কর্ম কাৰকত সদায় দ্বিতীয়া বিভক্তি হয়— "কর্মণি দ্বিতীয়া"। যেনে— অন্নং খাদতি (ভাত খাইছে)। 'অন্নং' পদত কর্মকাৰকত দ্বিতীয়া বিভক্তি হৈছে। তেনেদৰে 'জলং পিৱতি' (পানী খাইছে) বাক্যত 'জলং' পদ কর্মকাৰক, তাত দ্বিতীয়া বিভক্তি হৈছে।

২। ক্রিয়াক যি পদে বিশেষিত কৰে অর্থাৎ ক্রিয়াৰ দোষ গুণ আদি বুজায় তাক ক্রিয়া বিশেষণ বোলে। ক্রিয়া বিশেষণত সদায় দ্বিতীয়া বিভক্তি যোগ হয়— "ক্রিয়া-বিশেষণে চ"। যেনে— ধীৰং পৱনঃ ৱহতি। (বতাহ লাহে লাহে বলিছে।) ইয়াত কেনেদৰে বলিছে বুলি সুধিলে উত্তৰ হিচাবে 'ধীৰং' (লাহে লাহে) এই বুলি কব লাগিব। গতিকে 'ধীৰং' পদে ক্রিয়াটো কেনেদৰে সম্পাদন হৈছে সেইটো বুজোৱাত ক্রিয়া বিশেষণৰ অর্থত দ্বিতীয়া বিভক্তি যুক্ত হৈছে।

৩। অভিতঃ (দুয়ো পিনে), পৰিতঃ (চাৰিওপিনে), সময়া (মাজত), নিকষা (ওচৰত), হা (হায়) আৰু প্রতি (লৈ) এই শব্দবোৰৰ যোগত সদায় দ্বিতীয়া বিভক্তি হয়। যেনে— বিদ্যালয়ম্ অভিতঃ বৃক্ষাঃ সন্তি (বিদ্যালয়ৰ দুয়ো পিনে গছবোৰ আছে)। ইয়াত অভিতঃ শব্দৰ যোগত দ্বিতীয়া বিভক্তি হৈছে।

নগৰং পৰিতঃ পর্ব্বতাঃ সন্তি (চহৰৰ চাৰিওপিনে পর্ব্বতবোৰ আছে)। ইয়াত পৰিতঃ শব্দৰ যোগত নগৰ শব্দত দ্বিতীয়া বিভক্তি হৈছে।

গৃহং নিকষা নদী অস্তি (ঘৰৰ ওচৰত নদী আছে) ইয়াত 'নিকষা' শব্দৰ যোগত গৃহ শব্দত দ্বিতীয়া বিভক্তি হৈছে।

৪। তেনেদৰে প্রতি, অনু, ধিক্, নিকষা, অন্তৰা (দুটাৰ মাজত) অন্তৰেণ (নোহোৱাকৈ) আৰু যাৱৎ (লৈকে) শব্দৰ যোগত সদায় দ্বিতীয়া বিভক্তি যোগ হয়। যেনে— হৰিং প্রতি মম ভক্তিঃ অস্তি (হৰিৰ প্রতি মোৰ ভক্তি আছে)।
এই বাক্যত প্রতি শব্দৰ যোগত হৰি শব্দত দ্বিতীয়া বিভক্তি হৈছে।
সীতা ৰামম্ অনু অগচ্ছৎ। (সীতা ৰামৰ পিছে পিছে গৈছিল)
এই বাক্যত অনু (পিছত) শব্দৰ যোগত ৰাম শব্দত দ্বিতীয়া বিভক্তি হৈছে।
বৃক্ষং নদীং চ অন্তৰা মম গৃহম্ অস্তি (গছ আৰু নদীটোৰ মাজত মোৰ ঘৰ)
এই বাক্যত অন্তৰা শব্দৰ যোগত বৃক্ষ আৰু নদী শব্দত দ্বিতীয়া বিভক্তি হৈছে।

প্রদীপম্ অন্তৰেণ অন্ধকাৰঃ ন যাতি (চাকি নোহোৱাকৈ এন্ধাৰ নাযায়)

এই বাক্যটোত 'অন্তৰেণ' শব্দৰ যোগত প্রদীপ (চাকি) শব্দত দ্বিতীয়া বিভক্তি হৈছে।

নদীং যাৱৎ ভূমেঃ সীমা ভৱতি (নদীটোলৈকে মাটিৰ সীমা)

এই বাক্যটোত মাটিৰ সীমা নদীটোলৈকে অর্থত যাৱৎ শব্দৰ যোগত নদী শব্দত দ্বিতীয়া বিভক্তি হৈছে।

৫। পৃথক্, বিনা আৰু নানা শব্দৰ যোগত দ্বিতীয়া, তৃতীয়া আৰু পঞ্চমী বিভক্তিৰো ব্যৱহাৰ হ'ব পাৰে। যেনে— দুগ্ধং বিনা চাপানীয়ং ন ভৱতি (গাখীৰ নহলে চাহখোৱা নহয়) ইয়াত বিনা শব্দৰ যোগত দুগ্ধ শব্দত দ্বিতীয়া হৈছে। ইয়াত দুগ্ধ শব্দত তৃতীয়া (দুগ্ধেন বা দুগ্ধাৎ)ও হ'ব পাৰে।

হৰিঃ মাধৱং পৃথক ভৱতি (হৰি মাধৱতকৈ বেলেগ)

ইয়াত পৃথক্ শব্দৰ যোগত 'মাধৱেন' 'মাধৱাৎ' এই দুয়োটাও হ'ব পাৰে।

৬। একেলেঠাৰিয়ে বিয়পি থকা এই অর্থত কালবাচক (সময় বাচক), পথবাচক (বাট, পথ) শব্দৰ পিছত দ্বিতীয়া বিভক্তিৰ ব্যৱহাৰ হয়। যেনে— মাসদ্বয়ং যাতি (দুমাহ যাব) এই বাক্যত একেলেঠাৰিয়ে দুমাহ সময় বুজাইছে। গতিকে ব্যাপ্তি অর্থত দ্বিতীয়া বিভক্তি হৈছে।

পন্থা অয়ং যোজনং তিষ্ঠতি (বাটটো একযোজন বিয়পি আছে)

এই বাক্যত বাটটোৰ ব্যাপ্তি একযোজন (ন কিলোমিটাৰ/১২ কিলোমিটাৰ) বুজাইছে। ব্যাপ্তি অর্থত পথবাচক শব্দৰ দ্বিতীয়া হৈছে।

৭। শী ধাতু আৰু স্থা ধাতুৰ যোগত সপ্তমী বিভক্তি হয়। যেনে— শয্যায়াম্ শেতে শিশুঃ (কেচুৱাটো বিছনাত শুইছে); সঃ গৃহে তিষ্ঠতি (তেওঁ ঘৰত আছে।) কিন্তু অধি উপসর্গ যোগ হলে শী, স্থা ধাতুৰ যোগত সপ্তমী হব লগা ঠাইত দ্বিতীয়া বিভক্তিহে হব (অধিশীঙ্স্থাসাং কর্ম)। যেনে— শিশুঃ শয্যাম্ অধিশেতে। (কেঁচুৱাটো বিছনাত শুই আছে।) ইয়াত অধি উপসর্গটো যোগ হোৱাত শয্যায়াম্ৰ ঠাইত শয্যাম্ হৈছে। তেনেদৰে সঃ গৃহম্ অধিতিষ্ঠতি (তেওঁ ঘৰত আছে) ইয়াতো তিষ্ঠতিৰ আগত অধি উপসর্গ যোগ হোৱাত 'গৃহে'ৰ ঠাইত গৃহম্ হৈছে।

আপোনাক 'গৃহে তিষ্ঠতি' বাক্যটোত গৃহ শব্দত থকা সপ্তমীৰ ঠাইত যদি দ্বিতীয়া বিভক্তি ব্যৱহাৰ কৰিবলৈ কোৱা হয়, তেন্তে 'অধিতিষ্ঠতি' ব্যৱহাৰ কৰি 'গৃহম্ অধিতিষ্ঠতি' লিখিব।

৮। 'অভি' আৰু 'নি' উপসর্গ যুক্ত 'ৱিশ' ধাতুৰ যোগত সপ্তমী আৰু দ্বিতীয়া দুয়োটা বিভক্তিৰ প্রয়োগ হ'ব পাৰে (অভিনিবিশশ্চ)। যেনে— অৰণ্যম্ অভিনিশতে ব্যাঘ্রঃ। (বাঘটো হাবিত সোমাইছে) ইয়াত অৰণ্যে অভিনিবিশতে ব্যাঘ্রঃ' এনেকুৱাও হ'ব পাৰে।

৯। দুহ্, যাচ্ আদি কৰি যোল্লটা ধাতুৰ দুটাকৈ কৰ্ম থাকে। তাৰে ক্ৰিয়াৰ লগত প্ৰধানকৈ সম্পৰ্ক থকা কৰ্মক মুখ্যকৰ্ম (প্ৰধান কৰ্ম) আৰু ক্ৰিয়াৰ লগত যিটোৰ সম্পৰ্ক প্ৰধান নহয় তাক গৌণ কৰ্ম বুলি কোৱা হয়। অপ্ৰধান (গৌণ) কৰ্মক 'অকথিত' কৰ্ম বুলি কোৱা হয়। কাৰণ ইয়াত কৰ্মটোৰ সলনি বেলেগ বিভক্তিৰ ব্যৱহাৰো হ'ব পাৰে। যেনে— বৃক্ষং পুষ্পং চিনোতি। (গছৰ ফুল চিঙিছে।) ইয়াত পুষ্প মুখ্য কৰ্ম আৰু বৃক্ষং গৌণ কৰ্ম। গৌণকৰ্ম "বৃক্ষং"ৰ ঠাইত 'বৃক্ষস্য' বা 'বৃক্ষাৎ' হ'বও পাৰে। সেইকাৰণেই 'বৃক্ষং'টো ইয়াত অকথিত কৰ্ম।

এতেকে দুহ্, যাচ, পচ্, দণ্ড্, ৰুধ্, প্ৰচ্ছ্, চি, ব্ৰূ, শাস্ জি, মন্থ্, মুষ্, নী, হৃ, কৃষ্, ৰহ্ —এই যোল্লটা ধাতুৰ যোগত দুটা কৰ্ম থাকে। তাৰে এটা গৌণ আৰু আনটো মুখ্য কৰ্ম।



জানি থোৱা ভাল

১। কৰ্ত্তা কাৰকৰ কৰ্ত্তাত প্ৰথমা বিভক্তি; কৰ্ম থাকিলে তাত দ্বিতীয়া বিভক্তি আৰু ক্ৰিয়া কৰ্ত্তাৰ পুৰুষ আৰু বচন অনুসৰি হয়। কৰ্ত্তৃৰাচ্যৰ ক্ৰিয়া পৰস্মৈপদী বা আত্মনেপদী হয়।

২। কৰ্মবাচ্যত কৰ্ত্তাত সদায় তৃতীয়া বিভক্তি হয় আৰু কৰ্মত সদায় প্ৰথমা বিভক্তি হয়। ক্ৰিয়াটো সদায় কৰ্মৰ পুৰুষ আৰু বচন অনুসৰি হয়। কৰ্মৰাচ্যত ক্ৰিয়া সদায় আত্মনেপদীত ব্যৱহাৰ হয় আৰু ধাতু আৰু ক্ৰিয়া বিভক্তিৰ মাজত য-কাৰ যোগ হব লাগে। যেনে— গম্ ধাতু সদায় পৰস্মৈ পদী; কিন্তু ভাৱবাচ্য বা কৰ্মবাচ্যত আত্মনেপদী হ'ব। সেই কাৰণেই তেতিয়া 'গম্যতে' হব। তেনেদৰে— খাদ্যতে, পঠ্যতে, লিখ্যতে, হস্যতে, লভ্যতে, নৃত্যতে, গৃহ্যতে, ক্ৰন্দ্যতে, শক্যতে, দৃশ্যতে, পূজ্যতে, বন্দ্যতে আদি পৰস্মৈপদী ধাতুবোৰৰ আত্মনেপদীৰ ৰূপ দেখুৱা হ'ল। যিবোৰ ধাতু আত্মনেপদীৰ, সেইটো আত্মনেপদীৰেই হ'ব। কিন্তু ধাতু আৰু ক্ৰিয়াবিভক্তিৰ মাজত য-কাৰ যোগ হব। যেনে— ৰম্যতে, সেব্যতে, লভ্যতে ইত্যাদি।

৩। প্ৰতি, অনু, ধিক্, নিকষা আদি শব্দৰ যোগত দ্বিতীয় বিভক্তি হয় বুলি কোৱা কথাখিনি ব্যাকৰণৰ সূত্ৰত এইদৰে কোৱা হৈছে— "প্ৰত্যনুধিঙ্ নিকষাস্তৰান্তৰেণ যাৱদ্ভিঃ"। এই সূত্ৰটোকেই অসমীয়াত ব্যাখ্যা কৰি উদাহৰণ দিয়া আপুনি ইতিমধ্যে অধ্যয়ন কৰিছে।

৪। কৰ্ম থকা অৰ্থাৎ সকৰ্মক ক্ৰিয়াৰ বাক্যকহে কৰ্মবাচ্যলৈ পৰিৱৰ্তন কৰিব পাৰি। অকৰ্মক ক্ৰিয়াৰ বাক্য ভাৱবাচ্যলৈকেহে বাচ্য পৰিৱৰ্তন কৰিব পাৰি। অকৰ্মক ক্ৰিয়াৰ বাক্যক কেতিয়াও কৰ্মবাচ্যলৈ পৰিৱৰ্তন কৰিব নোৱাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ যিয়ে স্বতন্ত্র ভাৱে কর্ম কৰে তাকেই কর্ত্তা বোলে। এইটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ৫ঃ ইতি অব্যয়ৰ যোগত এটি বাক্য ৰচনা কৰক।

.....

প্রশ্ন নং ৬ঃ সম্বোধনত কি বিভক্তি হয় লিখক।

.....

প্রশ্ন নং ৭ঃ কর্ম কাৰক কাক বোলে লিখক।

.....

প্রশ্ন নং ৮ঃ প্রতি, নিকষা আৰু বিনা শব্দৰ যোগত একোটিকৈ বাক্য ৰচনা কৰক।

.....

.....

প্রশ্ন নং ৯ঃ অত্যন্ত সংযোগ বুলিলে কি বুজায় লিখক।

.....

.....

৯.৫.৩ কৰণ কাৰক আৰু তৃতীয়া বিভক্তি

আপুনি কর্ম কাৰকৰ কথাও অধ্যয়ন কৰিলে। কর্ম কাৰকত যে দ্বিতীয়া বিভক্তিৰ প্রয়োগ হয় সেইটোও জানিব পাৰিলে। এতিয়া ইয়াত আপুনি কৰণ কাৰকৰ কথা অধ্যয়ন কৰিব আৰু কৰণ কাৰকত যে তৃতীয়া বিভক্তিৰ প্রয়োগ হয় সেইটোও জানিব পাৰিব।

'কৰণ' শব্দটোৰ অর্থ হৈছে যাৰদ্বাৰা কৰা হয় অর্থাৎ কোনো কার্য্য সম্পাদন কৰাত যিটোৱে প্রধানভাৱে সহায় কৰে তাকেই কৰণ কাৰক বোলা হয়। কৰণৰ সূত্রত কোৱা হৈছে— "সাধকতমম্ কৰণম্" অর্থাৎ কোনো এটা কাম সাধন কৰোঁতে যিটোৰ আটাইতকৈ বেছি প্রয়োজন সিয়েই কৰণ কাৰক।

কৰণ কাৰকত সদায় তৃতীয়া বিভক্তিৰ ব্যৱহাৰ হয় (কৰণে তৃতীয়া)। যেনে— পদ্ভ্যাং গচ্ছতি (ভৰি দুখনেৰে গৈছে। যোৱা কামটো ভৰি দুখন নহলে কৰিব পৰা নগ'লহেতেন) এতেকে পদশব্দৰ তৃতীয়াৰ দ্বিবচন হৈছে। তেনেদৰে মুখেন খাদতি (মুখেৰে খাইছে) ইয়াত মুখখনে খোৱা কামত মুখ্যভাৱে সহায় কৰিছে।

১। সহ শব্দ আৰু সহ শব্দৰ অর্থ থকা শব্দৰ যোগত যাৰ লগত (সহ) কাম এটা কৰা হয় তাৰ পিছত তৃতীয়া বিভক্তি হয়। আপুনি জানিছে যে ক্রিয়াৰ লগত সম্পর্ক থকা পদটোহে কাৰক। গতিকে ক্রিয়াৰ লগত সম্পর্ক থকা পদটোহে প্রধান

আৰু ক্ৰিয়াৰ লগত সম্পৰ্ক নথকা পদটো অপ্ৰধান। এই বিষয়টো অতি সহজ ভাৱে সূত্ৰত কোৱা হৈছে— "সহযুক্তেঽপ্ৰধানে" অৰ্থাৎ সহ শব্দৰ যোগ হোৱাত যিটো অপ্ৰধান অৰ্থাৎ ক্ৰিয়াটোৰ লগত যাৰ সম্পৰ্ক নাথাকে তাত তৃতীয়া বিভক্তি হয়। যেনে— পুত্ৰঃ পিত্ৰা সহ গচ্ছতি (পিতাকৰ লগত পুতেক গৈছে। এই বাক্যত পুত্ৰ শব্দৰ 'গচ্ছতি' ক্ৰিয়াৰ লগত সম্পৰ্ক আছে। পুতেক অকলে যাব নোৱাৰে। সেই কাৰণেই পিতাকৰ লগত গৈছে। এতেকে সহ শব্দৰ যোগত 'পিত্ৰা' (পিতৃ শব্দৰ তৃতীয়াৰ একবচনৰ ৰূপ) তৃতীয়া বিভক্তি হৈছে।

২। শৰীৰৰ কোনো অঙ্গ বিকৃত হলে তাৰদ্বাৰা যদি গোটেই শৰীৰটোৰ বিকৃতি ঘটে সেই অঙ্গবাচক শব্দৰ পিছত তৃতীয়া বিভক্তি হয়। অঙ্গৰ বিকৃতি ঘটাত অঙ্গীৰ (অঙ্গ থকা প্ৰাণীৰ) বিকাৰ দেখা দিলে, সেই অঙ্গবাচক শব্দটোত তৃতীয়া বিভক্তি হয়। কথাখিনি সূত্ৰৰ আকাৰত সহজকৈ কোৱা হৈছে— "যেনাঙ্গৱিকাৰঃ"। যেনে—

কৰ্ণেন ৰধিৰঃ (কাণেৰে কলা। ইয়াত কাণৰ বিকাৰ ঘটাত মানুহজনৰো বিকৃতি ঘটিছে। সেই কাৰণে তাক কলা বোলা হৈছে। এতেকে কৰ্ণেন পদত অঙ্গবিকৃতি অৰ্থত তৃতীয়া বিভক্তি হৈছে। কোনো এটা বিশেষ চিহ্নৰদ্বাৰা যেতিয়া এজন মানুহক বিশেষভাৱে লক্ষ্য কৰা হয় তেতিয়া সেই লক্ষণবাচক শব্দৰ পিছত তৃতীয়া বিভক্তি হয় (ইত্থম্ভূতলক্ষণে)। আমি সাধাৰণতে তপস্বী বুলিলে জটাধাৰীক বুজোঁ। গতিকে জটা তপস্বীৰ লক্ষণ বা চিহ্ন। এতেকে জটাভিঃ তাপসঃ এনেকুৱা হ'ব। কাৰণ জটাৰদ্বাৰা তাপসজন চিহ্নিত হৈছে। অৰ্থাৎ এইক্ষেত্ৰত জটাশব্দত তৃতীয়া বিভক্তি দিয়া হয়।

৪। কোনো এটা ক্ৰিয়া সমাপ্তি আৰু লগতে ক্ৰিয়াটোৰ ফলপ্ৰাপ্তি বুজালে তাক অপৱৰ্গ বোলা হয়। তেনেকুৱা অপৱৰ্গৰ অৰ্থ প্ৰকাশ পালে বাট, পথ, ঠাই, সময় আদি শব্দৰ পিছত তৃতীয়া বিভক্তি হয়— "অপৱৰ্গে তৃতীয়া"। যেনে—

মাসেন অপঠৎ (এমাহ পঢ়িছিল আৰু ফলো পাইছিল। এতেকে ক্ৰিয়া সমাপ্তি আৰু লগে লগে তাৰ ফল প্ৰাপ্তি বুজাইছে। গতিকে কালবাচক মাস শব্দৰ পিছত তৃতীয়া বিভক্তি হৈছে।

ক্ৰোশেন গচ্ছতি (একক্ৰোশ গ'ল —এই বাক্যত একক্ৰোশ গৈ তাৰপৰা পাৱ লগা ফল বুজোৱাত 'ক্ৰোশ' শব্দত তৃতীয়া বিভক্তি হৈছে। ক্ৰোশ = ২ কিলোমিটাৰ)।

কিন্তু কামটো সমাপ্ত হোৱাত ফল পোৱা নুবুজালে তৃতীয়া বিভক্তি নহয়। তেতিয়া অত্যন্ত সংযোগত (একেলেঠাৰিয়ে হোৱা বা কৰা) বাট, পথ, সময় আদি শব্দৰ পিছত দ্বিতীয়া বিভক্তিহে যোগ হ'ব। আপুনি দ্বিতীয়া বিভক্তিত সেই বিষয়ে অধ্যয়ন কৰিছে আৰু 'কালাধ্বনোৰত্যন্ত সংযোগে' —এই সূত্ৰটোৰ পৰাও জানিব পাৰিছে।

৯.৫.৪ সম্প্রদান কাৰক আৰু চতুৰ্থী বিভক্তি

আপুনি ইতিমধ্যে তৃতীয়া বিভক্তিৰ ব্যৱহাৰ অধ্যয়ন কৰিছে। কৰণ কাৰকৰ কথাও আপুনি নিশ্চয় বুজি পাইছে। কৰণ কাৰকৰ পিছতেই সম্প্রদান কাৰকৰ কথা জানিব পাৰিব আৰু লগতে চতুৰ্থী বিভক্তিৰ ব্যৱহাৰৰ বিষয়েও অৱগত হ'ব পাৰিব।

সম্প্রদানৰ সংজ্ঞাৰ সম্পৰ্কত কোৱা হৈছে যে যাক কোনো বস্তু এটা দান কৰা হয়, তেতিয়া দানৰ পাত্রজনক সম্প্রদান কাৰক বোলা হয়। এই কথাখিনি সহজভাৱে কোৱা হৈছে— "যস্মৈ দানং সম্প্রদানম্।" 'যম্ অভিপ্রৈতি স সম্প্রদানম্' দান লওঁতা জনকহে সম্প্রদানকাৰক অৰ্থত ধৰা হৈছে। সম্প্রদান কাৰকত সদায় চতুৰ্থী বিভক্তি হয়— "চতুৰ্থী সম্প্রদানে"। যেনে— যাচকেভ্যঃ ধনং যচ্ছতি (যাচকবোৰলৈ ধন দিয়া হৈছে। এই বাক্যটোত ধন দান কৰা হৈছে আৰু যাচকবোৰে সেই দান গ্রহণ কৰিছে। গতিকে যাচকপদত চতুৰ্থী বিভক্তি হৈছে।)

তেনেদৰে ভিক্ষুকেভ্যঃ বস্ত্রাণি যচ্ছতি (ভিক্ষুকসকলক কাপোৰবোৰ দিছে। ইয়াত ভিক্ষুকবোৰ কাপোৰ লওঁতা। এতেকে দানৰ পাত্র হোৱাত ভিক্ষুক শব্দত ভিতৰত চতুৰ্থী বিভক্তি হৈছে।

যেতিয়া নিজৰ স্বত্ব এৰি বস্তু দিয়া নুবুজায়, তেতিয়া তাক দান বুলি কোৱা নহয়। স্বত্ব ত্যাগ নকৰাকৈ দিলে লওঁতাজনৰ পিছত চতুৰ্থীৰ ব্যৱহাৰ নহয়; তেতিয়া দ্বিতীয়া বিভক্তিহে যোগ হয়।

১। ৰুচ্ ধাতু আৰু ৰুচ্ ধাতুৰ অৰ্থ থকা ধাতুৰ অৰ্থত যিজনৰ ৰুচি লাগে, সেইজনত চতুৰ্থী বিভক্তি যোগ হয়। সূত্রত কোৱা হৈছে যে ৰুচি অৰ্থত আৰু তেনেকুৱা অৰ্থত ব্যৱহাৰ হোৱা ধাতুৰ যোগত যিজনৰ ভাল লাগে তাত চতুৰ্থী বিভক্তি হয়— "ৰুচ্যর্থানাং প্রীয়মাণঃ"। যেনে— কৃষ্ণায় দধি ৰোচতে। (কৃষ্ণই দৈ ভাল পায়) ইয়াত ৰুচ্ ধাতুৰ যোগত কৃষ্ণৰ ভাল লগা বুজাইছে। এতেকে কৃষ্ণ শব্দৰ পিছত চতুৰ্থী বিভক্তি যোগ হৈছে।

২। স্পৃহ্ (স্পৃহা কৰা) ধাতুৰ যোগত যি বস্তুটোত স্পৃহা ওপজে তাত চতুৰ্থী বিভক্তি হয়। সূত্রত কথাটো এইদৰে কোৱা হৈছে "স্পৃহেৰীপ্সিতঃ" (স্পৃহেঃ ঈপ্সিতঃ) স্পৃহেঃ অৰ্থাৎ স্পৃহ্ ধাতুৰ যোগত "ঈপ্সিতঃ" অৰ্থাৎ ইচ্ছা কৰা বস্তুটো বা হেপাহ কৰাটোত সদায় চতুৰ্থী বিভক্তিৰ ব্যৱহাৰ হয়। যেনে— নৰৱস্ত্রায় স্পৃহয়তি বালিকা (ছোৱালীজনীয়ে নতুন কাপোৰ স্পৃহা কৰিছে। ইয়াত স্পৃহ্ ধাতুৰ যোগত বিচৰা বস্তুটো অৰ্থাৎ নববস্ত্র শব্দত চতুৰ্থী বিভক্তি হৈছে।)

৩। কোনো এটা বস্তু বা ক্রিয়া আনটোৰ নিমিত্ত (কাৰণ) হলে তেতিয়া নিমিত্ত বাচক শব্দৰ পিছত চতুৰ্থী বিভক্তি হয়। ইয়াক "তাদর্থ্যে চতুৰ্থী" (তাৰ নিমিত্তে চতুৰ্থী) বুলি কোৱা হয়। যেনে— কুণ্ডলায় হিৰণ্যম্ (কাণৰ কেৰুৰ বাবে সোণ। ইয়াত

কাণৰ কেৰু নিমিত্ত। সোণখিনি কেৰুৰ বাবে। সেই কাৰণেই কুণ্ডল শব্দত চতুৰ্থী হৈছে।)। অশ্বায় ঘাসঃ। (ঘোৰাৰ নিমিত্তে ঘাঁহ। ইয়াত ঘাঁহ হৈছে ঘোৰাৰ নিমিত্ত। এতেকে অশ্ব শব্দত চতুৰ্থী বিভক্তি হৈছে।)



জানি থোৱা ভাল

১। সহ শব্দৰ অর্থযুক্ত আন শব্দবোৰ হৈছে সমম্ (সমং), সার্দ্ধং, সত্রম্ আৰু সাকম্।

২। তুমুন্ এটা কৃৎ প্রত্যয়। ই ধাতুৰ পিচত যোগ হয়। তুমুন্ প্রত্যয়ৰ তুম্ অৱশিষ্ট থাকে। অসমীয়া ভাষাত 'লৈ' ৰ যোগত ব্যৱহাৰ হোৱা শব্দবোৰৰ পিছত সংস্কৃতত ধাতুৰ পিছত তুমুন্ প্রত্যয় যোগ কৰিব লাগে। যেনে— কৰিবলৈ - কর্ত্তুম্ (কৃ + তুমুন্), যাবলৈ - গম্ + তুমুন্ = গন্তুম্, খাবলৈ - খাদ্ + তুমুন = খাদিতুম্। তুমুন্ প্রত্যয় নিষ্পন্ন পদ অসমাপিকা ক্রিয়া। তুমুন্ প্রত্যয় ব্যৱহাৰ কৰোঁতে সমাপিকা আৰু অসমাপিকা ক্রিয়াৰ কর্ত্তা এজন হ'ব লাগে। যেনে— তেওঁ মোক চাবলৈ আহিছে— স মাং দ্রষ্টুম্ আগচ্ছতি। এই বাক্যটোত চাবলৈ (দ্রষ্টুম্) আৰু আহিছে (আগচ্ছতি) এই দুয়োটা ক্রিয়াৰ কর্ত্তা তেওঁ (সঃ)। যদি অসমাপিকা ক্রিয়াৰ কর্ত্তা বেলেগ হয় আৰু সমাপিকা ক্রিয়াৰ কর্ত্তাও বেলেগ এজন হয় তেন্তে তুমুন্ প্রত্যয় ব্যৱহাৰ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ঃ কৰণ কাৰক কাক বোলে লিখক।

.....

প্রশ্ন নং ১১ঃ 'সহ' শব্দৰ যোগত কোনটো পদত তৃতীয়া বিভক্তি হয় লিখক।

.....

প্রশ্ন নং ১২ঃ অপৱর্গ কাক বোলে লিখক।

.....

প্রশ্ন নং ১৩ঃ সম্প্রদান কাৰকত চতুৰ্থী বিভক্তি হয়। বাক্যটো শুদ্ধ নে অশুদ্ধ।

.....

প্রশ্ন নং ১৪ঃ তলত দিয়াবোৰেৰে বাক্য ৰচনা কৰক—

স্পৃহয়তি, ৰোচতে।

.....

৯.৫.৫ অপাদান কাৰক আৰু পঞ্চমী বিভক্তি

আপুনি সম্প্রদান কাৰক অধ্যয়ন কৰিছে। সম্প্রদান কাৰকৰ পিছত এতিয়া আপুনি অপাদান কাৰকৰ কথা জানিব পাৰিব।

অপাদান শব্দই বিশ্লেষ অর্থাৎ আঁতৰি অহা, খঁহি পৰা আদি অর্থ বুজায়। দুটা বস্তুৰ ভিতৰত এটা আনটোৰপৰা আঁতৰি গলে বা বিশ্লেষিত হলে, যিটোৰপৰা আতৰি যায় সেইটোহে অপাদান। তাত অপাদান অর্থত পঞ্চমী বিভক্তি হয়। অপাদানৰ সংজ্ঞা এইদৰে নির্দ্ধাৰণ কৰা হৈছে— "ধ্রুৱমপায়ে২ পাদানম্" (ধ্রুৱম্ অপায়ে অপাদানম্)। অর্থাৎ বিশ্লেষিত হোৱাত যিটো নিশ্চল (ধ্রুৱ) হৈ থাকে তাকেই অপাদান কাৰক বোলে।

১। অপাদান কাৰকত পঞ্চমী বিভক্তি হয়। "অপাদানে পঞ্চমী" (অপাদান কাৰকত পঞ্চমী বিভক্তি প্রয়োগ হয়)। যেনে— বৃক্ষাৎ পত্রং পততি (গছৰপৰা পাত সৰিছে)। অর্থাৎ ইয়াত গছজোপাৰ পৰা পাত খঁহি পৰিছে। পাতখিলা খঁহি পৰিলেও গছজোপা নিশ্চল হৈয়েই আছে। গতিকে অপাদান অর্থত গছ জোপাত (বৃক্ষ শব্দত) পঞ্চমী বিভক্তি হৈছে।

২। ভূ ধাতুৰ যোগত আবির্ভাৱ হোৱা বুজালে য'ৰপৰা বা যিহৰপৰা আবির্ভাৱ বা প্রকাশ পোৱা বুজায় তাত পঞ্চমী বিভক্তি হয়— "ভুৱঃ প্রভৱঃ"। যেনে— হিমৱতঃ গঙ্গা প্রভৱতি (হিমালয়ৰপৰা গঙ্গাৰ আবির্ভাৱ হৈছে) ইয়াত হিমালয় পর্বত গঙ্গাঁ নদীৰ অবির্ভাৱৰ স্থল। গতিকে ভূ ধাতুৰ যোগত প্রভৱ হোৱা বুজোৱাত হিমালয়ত পঞ্চমী বিভক্তি হৈছে।

৩। বাৰণ কৰা অর্থৰ ধাতুৰ যোগত যিহৰপৰা বাৰণ কৰা বুজায়, তাত পঞ্চমী বিভক্তিৰ ব্যৱহাৰ হয়। বাৰণ অর্থত যিটো আকাঙ্ক্ষত তাত পঞ্চমী হয়— "ৱাৰণাথানা-মীপ্সিতঃ"। যেনে— যৱেভ্যঃ গাং বাৰয়তি (যৱৰপৰা গৰুক বাৰণ কৰা হৈছে) ইয়াত গৰুক বাৰণ কৰি যৱক ৰক্ষা কৰিবলৈ ইচ্ছা কৰি গৰুক কৰণ কৰা অর্থ বুজাইছে। সেই কাৰণে যৱ শব্দত পঞ্চমী বিভক্তি হৈছে।

৪। যাৰপৰা নিয়মিত ভাৱে (নিয়মপূর্বক) বিদ্যা গ্রহণ কৰা হয় তাত পঞ্চমী বিভক্তিৰ প্রয়োগ হয়। সূত্রত কোৱা হৈছে "আখ্যাতোপযোগে" উপযোগ পদে নিয়মিতৰূপে বিদ্যা গ্রহণ কৰা বা শিকা বুজায়। 'আখ্যাত' শব্দই যিজনে কয় এনেকুৱা অর্থ প্রকাশ কৰে। নিয়মিতভাবে বিদ্যা গ্রহণ কৰিলে যিজনৰ পৰা বিদ্যা গ্রহণ কৰা বুজায় তাত পঞ্চমী বিভক্তিৰ ব্যৱহাৰ হয়। যেনে— শিক্ষকাৎ ছাত্রাঃ বিদ্যাগ্রহণং কুর্ৱন্তি (শিক্ষকৰপৰা ছাত্রসকলে বিদ্যা শিক্ষা কৰে)। অর্থাৎ এই বাক্যত ছাত্রবোৰে শিক্ষকৰপৰা নিয়মিতভাৱে বিদ্যা শিক্ষা কৰে এই অর্থ বুজোৱা হৈছে। ইয়াত শিক্ষক শব্দত উপযোগ অর্থত পঞ্চমী বিভক্তি হৈছে।

৫। ভয় বুজোৱা আৰু ত্রাণ (ৰক্ষা পোৱা) অর্থ বুজোৱা ধাতুৰ যোগত য'ৰপৰা বা

যিহৰপৰা ভয় পোৱা বা ৰক্ষা পোৱা বুজায় তাত পঞ্চমী বিভক্তি হয়— "ভীত্রার্থানাং ভয়হেতুঃ"। ভয়ৰ হেতু বা ত্রাণৰ হেতুবাচক শব্দৰ পাছত পঞ্চমী বিভক্তি যোগ হয়। যেনে— ব্যাঘ্রাৎ বিভেতি (বাঘৰপৰা ভয় পায়)। ইয়াত ব্যাঘ্র শব্দত পঞ্চমী বিভক্তি হৈছে। ভল্লুকাৎ ৰক্ষতি (ভালুকৰপৰা ৰক্ষা কৰিছে)। এই বাক্যত ত্রাণৰ হেতু ভালুক শব্দ। এতেকে ত্রাণার্থক অর্থত ভল্লুক শব্দত পঞ্চমী বিভক্তি হৈছে।

৬। কৰবাৰপৰা উৎপত্তি হোৱা বুজালে জন্ ধাতুৰ প্রয়োগত যিহৰপৰা উৎপন্ন হোৱা বুজায় তাত পঞ্চমী বিভক্তি যোগ হয়— "জনিকর্ত্তুঃ প্রকৃতিঃ" অর্থাৎ জন ধাতুৰ যোগত কর্ত্তাৰ অর্থাৎ যিটোৰ উৎপত্তি হয় তাৰ যিটো মূল তাতহে পঞ্চমী বিভক্তি যোগ হয়। যেনে— বীজাৎ বৃক্ষঃ জায়তে (বীজৰ পৰা গছ হয়)। ইয়াত জন্ ধাতুৰ যোগত উৎপত্তি হোৱা বৃক্ষৰ মূল (প্রকৃতি) হৈছে বীজ। এতেকে তাত পঞ্চমী বিভক্তি হৈছে। দুগ্ধাৎ নৱনীতং জায়তে (গাখীৰৰ পৰা মাখন হয়) ইয়াত নৱনীত শব্দ জন্ ধাতুৰ কর্ত্তা। কর্ত্তাটোৰ মূল হৈছে দুগ্ধ। এতেকে দুগ্ধ শব্দত পঞ্চমী বিভক্তি হৈছে।

৭। কোনো বাক্যত ল্যপ্ প্রত্যয়ৰ ব্যৱহাৰ উঠাই দিলে ল্যপ্ প্রত্যয়ান্ত শব্দৰ যিটো কর্ম বা অধিকৰণ কাৰক তাত পঞ্চমী বিভক্তি যোগ হয়— "ল্যৱলোপে কর্মণ্যধিকৰণে চ"। যেনে— আসনাৎ বদতি শিক্ষকঃ (শিক্ষকে আসনৰ পৰা কৈছে) ইয়াত আসনে উপৱিশ্য (আসনত বহি) এই অর্থত 'উপৱিশ্য' (বহি) এই ল্যপ্ (উপ- বিশ্ধাতু + ল্যপ্) প্রত্যয়ৰ প্রয়োগ উঠাই দিয়াত 'আসনে' (আসন শব্দৰ সপ্তমীৰ একবচনত) পদৰ সলনি 'আসনাৎ' হৈছে। তেনেদৰে বৃক্ষাৎ পশ্যতি বান্দৰঃ (বান্দৰে গছৰপৰা দেখিছে) ইয়াত বৃক্ষম্ আৰুহ্য অর্থত 'আৰুহ্য' এই ল্যপ্ প্রত্যয়ান্ত (আ - ৰুহ্ + ল্যপ্) শব্দটো উঠাই দিয়াত বৃক্ষম্ৰ সলনি বৃক্ষাৎ হৈছে।

৮। দুটাৰ মাজত তুলনা বুজালে যিটো হীন বা নিকৃষ্ট তাত পঞ্চমী বিভক্তি হয়— "পঞ্চমী বিভক্তে" অর্থাৎ ভেদ বা হীন বুজালে পঞ্চমী প্রয়োগ হয়। যেনে— ধনাৎ বিদ্যা গৰীয়সী (ধনতকৈ বিদ্যা ডাঙৰ) ইয়াত ধন বিদ্যাতকৈ হীন। সেই কাৰণে ধন শব্দৰ পিছত পঞ্চমী হৈছে।

৯। হেতুবাচক শব্দৰ পিছত পঞ্চমী বিভক্তি হয়। সেই একে অর্থত তৃতীয়াও হ'ব পাৰে— "হেতৌ" —এই সুত্র অনুসৰি। যেনে— ধনাৎ কুলম্ (ধনৰ পৰাহে কুল) ইয়াত 'ধনেন কুলম্'ও (ধনেৰে কুল) হ'ব পাৰে। দুঃখাৎ ৰোদিতি (দুখত কান্দিছে) ইয়াত কান্দোনৰ হেতু দুখ। এতেকে তাত পঞ্চমী হৈছে। সেই একে অর্থত দুঃখেন ৰোদিতি তৃতীয়াৰ যোগতো বাক্যটো শুদ্ধ হ'ব।



জানি থোৱা ভাল

সংস্কৃতত অসমাপিকা ক্রিয়া বুজাবলৈ ধাতুৰ পিছত ক্ত্বাচ্ (ত্বা) প্রত্যয় ব্যৱহাৰ কৰিব লাগে। যেনে— খাদিত্বা (খাদ্ + ক্ত্বাচ), লিখিত্বা (লিখ্ + ক্ত্বাচ্) আদি। কিন্তু ধাতুৰ আগত যদি উপসর্গ থাকে তেন্তে ক্ত্বাচ্ প্রত্যয়ৰ সলনি ল্যপ্ প্রত্যয় যোগ হয়। ল্যপ্ প্রত্যয়ৰ য - অৱশিষ্ট থাকে। কিন্তু নঞ্ তৎপুৰুষ সমাস হলে ল্যপ্ নহয়, তেতিয়া ক্ত্বাচ্ (ত্বা) প্রত্যয়হে হয়। 'ল্যৱলোপে কর্মন্যধিকৰণে' এই নিয়মৰ প্রসঙ্গত ল্যপ্ প্রত্যয়ৰ ব্যৱহাৰ জনাটো উচিত।

৯.৫.৬ সম্বন্ধপদ আৰু ষষ্ঠী বিভক্তি

আপুনি অপাদান কাৰক অধ্যয়ন কৰিলে। এতিয়া সম্বন্ধ পদৰ কথা জানিব পাৰিব। সম্বন্ধ পদৰ ক্রিয়াৰ লগত সম্পর্ক নাথাকে। সেই কাৰণেই সম্বন্ধপদ কাৰকৰ অন্তর্ভুক্ত নহয়। বাক্যত থকা আন পদৰ লগতহে সম্বন্ধপদৰ সম্পর্ক থাকে।

১। সম্বন্ধ পদত ষষ্ঠী বিভক্তি হয়। ইয়াক "ষষ্ঠী শেষে" অর্থাৎ কাৰক প্রাতিপদিক আদি অর্থৰ বাহিৰে আন যি সম্বন্ধ আছে তাকেই শেষ শব্দই বুজাইছে। তেনেকুৱা কাৰক আৰু প্রাতিপদিকৰ অর্থৰ বাহিৰে জন্য-জনক আদি সম্বন্ধ বুজাবলৈ ষষ্ঠী বিভক্তিৰ ব্যৱহাৰ হয়। যেনে— মম পিতা (মোৰ পিতা)। ইয়াত পিতাৰ লগত মোৰ সম্বন্ধ; তৰ ভ্রাতা (তোমাৰ ভাই)। ইয়াত তোমাৰ লগত ভাইৰ সম্বন্ধ বুজাইছে। যাৰ সম্বন্ধ থকা বুজায় তাত ষষ্ঠী বিভক্তি হয়। তেনেদৰে নদ্যাঃ জলম্ (নদীৰ পানী), বৃক্ষস্য ছায়া (গছৰ ছাঁ), প্রভোঃ আদেশঃ (গৰাকিৰ আদেশ); ৰাজ্ঞঃ নিয়মঃ (ৰজাৰ নিয়ম) ইত্যাদি সকলোতে সম্বন্ধ অর্থত ষষ্ঠী বিভক্তিৰ ব্যৱহাৰ হৈছে।

২। কৃৎ প্রত্যয়ৰ যোগত কর্ত্তা আৰু কর্মত ষষ্ঠী বিভক্তিৰ প্রয়োগ হয়। ব্যাকৰণত কোৱা হৈছে— "কর্ত্তৃকর্মণোঃ কৃতি" অর্থাৎ 'কৃতি' কৃৎ প্রত্যয়ৰ যোগত (কৃৎ শব্দটোৰ সপ্তমীৰ একবচন 'কৃতি' হয়) কর্ত্তা আৰু কর্মত ষষ্ঠী বিভক্তি হয়। যেনে— যাদৱস্য কৃত্তিঃ (যাদৱৰ কীর্ত্তি)। ইয়াত কৃ + ক্তিন্ প্রত্যয় হৈ 'কৃতিঃ' হৈছে। এতেকে কৃৎ প্রত্যয়ৰ যোগত কর্ত্তা যাদৱ শব্দত প্রথমা হৈছে। যদি আমি কৃতিঃ পদৰ সলনি কৃ ধাতুৰ ক্রিয়া কৰোতি পদ ব্যৱহাৰ কৰোঁ, তেতিয়াই 'যাদৱঃ' পদটো কর্ত্তা (যাদৱঃ কৰোতি)। তেনেদৰে কুঞ্জৱস্য গতিঃ বুলি কলে কর্ত্তাত ষষ্ঠী বুজাইছে। 'গতিঃ' পদৰ সলনি 'গচ্ছতি' ক্রিয়াৰ ব্যৱহাৰ কৰিলে 'কুঞ্জৱঃ গচ্ছতি' হ'ব। তেতিয়া আমি বুজিব পাৰিম যে 'কুঞ্জৱস্য' পদটো কর্ত্তাত ষষ্ঠী বিভক্তি যোগ হৈ সিদ্ধ হৈছে।

তেনেদৰে 'দুগ্ধস্য পানম্' বোলোতে কর্মত ষষ্ঠী হোৱা বুজাইছে। 'পানম্' (পা + অনট্) পদটোৰ সলনি 'পিৱতি' ক্রিয়া পদ ব্যৱহাৰ কৰিলে 'দুগ্ধং পিৱতি'

বাক্যত দুগ্ধং কর্মত দ্বিতীয়া হব। এতেকে 'দুগ্ধস্য পানম্' বুলি কোৱাত কর্মত ষষ্ঠী বিভক্তি হৈছে।

৩। কৃৎ প্রত্যয়ৰ যোগত কর্ত্তা আৰু কর্ম দুয়োটাতেই একেলগে ষষ্ঠী বিভক্তি হোৱাৰ সম্ভাৱনা থাকিলে, কর্ত্তাক বাদ দি কর্মতহে ষষ্ঠী বিভক্তিৰ ব্যবহাৰ কৰিব লাগে— "উভয়প্রাপ্তৌ কর্মণি" অর্থাৎ দুয়োটাতেই প্রাপ্তি ঘটিলে (হোৱাৰ প্রসঙ্গ থাকিলে) কর্মত হব লাগে অর্থাৎ ষষ্ঠী বিভক্তি হব লাগে। যেনে— ধনস্য দানং নৃপেণ (ৰজাৰদ্বাৰা ধনৰ দান)। এই বাক্যত ধনস্য দানং বোলোতে কর্মত ষষ্ঠী বিভক্তি হৈছে। ইয়াত কর্ত্তা 'নৃপেণ' পদতো ষষ্ঠী হোৱাৰ সম্ভাৱনা থকাত কর্ত্তাক বাদ দি কেৱল কর্মতহে ষষ্ঠী বিভক্তি হৈছে।

৪। লকাৰ স্থানীয় প্রত্যয় অর্থাৎ ধাতুৰ পাছহে ব্যৱহাৰ হোৱা প্রত্যয়, যেনে— শতৃ, শানচ, ক্বসু, কানচ্, উ, উক্, ক্ত্বা, ল্যপ্, তুমুন্, ষ্বমুল আদি প্রত্যয়, নিষ্ঠা প্রত্যয়, খল্ আৰু অন্ প্রত্যয় আৰু তৃচ্ প্রত্যয়ৰ যোগত ষষ্ঠী বিভক্তিৰ ব্যৱহাৰ নহয়। যেনে— গৃহং গচ্ছন্ (ইয়াত গৃহস্য গচ্ছন্ নহয়); ধনং দাস্যমানঃ (ইয়াত ধনস্য দাস্যমানঃ নহয়)।

৫। স্মৰণার্থক ধাতুৰ কর্ম কাৰকত বিকল্পত ষষ্ঠী বিভক্তিৰ ব্যৱহাৰ হয়। স্মৃ ধাতু, দয্ ধাতু আৰু ঈশ্ ধাতুৰ কর্মকাৰকত ষষ্ঠী বিভক্তি হব পাৰে— "অধীগর্থদয়েশাং কর্মণি"। যেনে— মাতুঃ স্মৰতি পুত্রঃ (পুত্রই মাকক স্মৰণ কৰিছে)। ইয়াত স্মৃ ধাতু থকাৰ কাৰণে কর্মকাৰকত ষষ্ঠী বিভক্তি হৈছে। দাতা দৰিদ্রস্য দয়তে (দাতাই দুখীয়াক দয়া কৰিছে)। এই বাক্যটোত কর্মৰ সলনি দৰিদ্র শব্দত ষষ্ঠী বিভক্তি হৈছে।

৬। হেতু শব্দৰ প্রয়োগ হলে নিমিত্ত বুজোৱা শব্দৰ পিছত ষষ্ঠী বিভক্তিৰ প্রয়োগ হয়— "ষষ্ঠী হেতুপ্রয়োগে"। যেনে— অন্নস্য হেতোর্বসতি (অন্নৰ কাৰণে বাস কৰিছে)। এই বাক্যত হেতু শব্দৰ উল্লেখ থকাত নিমিত্ত বুজোৱা অন্ন শব্দত ষষ্ঠী বিভক্তিৰ প্রয়োগ হৈছে।

৭। হেতু শব্দৰ প্রয়োগ হলে নিমিত্তবোধক শব্দটো সর্ব্বনাম হলে ষষ্ঠী আৰু তৃতীয়া দুয়োটা বিভক্তিৰ প্রয়োগ হব পাৰে— "সর্ব্বনাম্নস্তৃতীয়া চ"। যেনে— কস্য হেতোঃ যাদৱঃ আগচ্ছতি (কিহৰ নিমিত্তে যাদৱ আহিছে)। এই বাক্যটোত হেতুবাচক শব্দটো সর্ব্বনাম কিম্ শব্দ। গতিকে 'কস্য' ৰ সলনি কেন হেতুনা যাদৱঃ আগচ্ছ তি (কিহৰ নিমিত্তে যাদৱ আহিছে) এই বাক্যত "কিম্' আৰু 'হেতু' শব্দত তৃতীয়া বিভক্তিৰো প্রয়োগ হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৫ঃ এটা বস্তু আনটোৰ পৰা খঁহি পৰিলে যিটো স্থিৰ থাকে তাত অপাদান অর্থত পঞ্চমী বিভক্তি হয়। শুদ্ধনে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ১৬ঃ ৰাৰণ অর্থত ঈপ্সিত (আকাঙ্খিত) বিষয়ত পঞ্চমী হয় নে নহয় লিখক।

.....

প্রশ্ন নং ১৭ঃ উপযোগ শব্দটোৰ অর্থ লিখক।

.....

প্রশ্ন নং ১৮ঃ 'ল্যব্লোপে পঞ্চমী'ৰ এটা উদাহৰণ দিয়ক।

.....

প্রশ্ন নং ১৯ঃ 'কৃৎ যোগে কর্ত্তাৰ ষষ্ঠী'ৰ এটা উদাহৰণ দিয়ক।

.....

প্রশ্ন নং ২০ঃ যেতিয়া কৃৎ প্রত্যয়ৰ যোগত কর্ত্তা আৰু কর্ম দুয়োটাৰেই ষষ্ঠী বিভক্তিৰ সম্ভাৱনা থাকে, তেতিয়া কর্ত্তাটোক এৰি কর্মতহে ষষ্ঠী বিভক্তি ব্যৱহাৰ কৰিব লাগে। এইটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

৯.৫.৭ অধিকৰণ কাৰক আৰু সপ্তমী বিভক্তি

আপুনি সম্বন্ধ পদৰ কথা অধ্যয়ন কৰিলে আৰু লগতে বিভিন্ন অর্থত ষষ্ঠী বিভক্তিৰ ব্যৱহাৰৰ বিষয়েও জানিলে। এতিয়া আপুনি অধিকৰণ কাৰক আৰু সপ্তমী বিভক্তিৰ ব্যৱহাৰ জানিব পাৰিব।

ক্রিয়াৰ আধাৰকেই অধিকৰণ কাৰক বোলে। অধিকৰণৰ সংজ্ঞা এনেদৰে নির্দ্ধাৰণ কৰা হৈছে— "আধাৰোঽধিকৰণম্" (আধাৰঃ অধিকৰণম্)। আধাৰ অর্থাৎ যি পাত্রত ক্রিয়াটো সম্পাদিত হয় তাকেই অধিকৰণ কাৰক বোলা হয়। যেনে— গৃহে ৱসতি (ঘৰত বাস কৰে)। ইয়াত বাস কৰা ক্রিয়াটো ঘৰত সম্পাদিত হৈছে। এতেকে 'গৃহে' পদত অধিকৰণে সপ্তমী হৈছে। নদ্যাং স্নাতি (নদীত গা ধুইছে) ইয়াত গা ধোৱা ক্রিয়াটো নদীত সম্পাদিত হৈছে। এতেকে 'নদ্যাং' পদত অধিকৰণত সপ্তমী বিভক্তি হৈছে।

১। অধিকৰণ কাৰকত সদায় সপ্তমী বিভক্তি প্রয়োগ হয়। এইক্ষেত্রত সূত্রটো হ'ল— "সপ্তম্যধিকৰণে চ"। যেনে— শিশুঃ শয্যায়াং শেতে (কেচুৱাটো বিছনাত শুইছে)। ইয়াত শোৱা কামটো বিছনাত (শয্যায়াং) সম্পন্ন হোৱাত 'শয্যায়াং'

পদত অধিকৰণত সপ্তমী বিভক্তি হৈছে।

২। বাক্যত এটা ক্রিয়াৰ কর্মৰ ওপৰত আন এটা ক্রিয়া নির্ভৰ কৰিলে যি ক্রিয়াৰ ওপৰত নির্ভৰ কৰা হয় তাত সপ্তমী বিভক্তি হয়। তাক 'ভাৱে সপ্তমী' বোলা হয়। সূত্রটোত স্পষ্টকৈ কোৱা হৈছে— "যস্য চ ভাৱেন ভাৱলক্ষণম্" অর্থাৎ যাৰ ক্রিয়াৰ দ্বাৰা আন এটা ক্রিয়াৰ কাল নিৰূপিত হয় তাৰ পিছত সপ্তমী বিভক্তি হয়। যেনে— সূর্য্যে অস্তংগতে বিহগাঃ বাসং গচ্ছন্তি (সূর্য্য অস্ত যোৱাত চৰাইবোৰ বাহলৈ গৈছে)। এই বাক্যটোত সূর্য অস্ত যোৱাত চৰাইবোৰ বাহলৈ যোৱাটো নির্ভৰ কৰিছে। গতিকে সূর্য্য অস্ত যোৱা ক্রিয়াটোৰ ওপৰত চৰাইবোৰ বাহলৈ যোৱা নির্ভৰশীল। সূর্য্যে অস্তংগতে ইয়াত 'ভাৱে সপ্তমী' হৈছে। 'ভাৱ শব্দটোৰ অর্থ হৈছে ক্রিয়া।

৩। প্রশংসা বুজালে সাধু, নিপুণ শব্দৰ যোগত সপ্তমী বিভক্তিৰ প্রয়োগ হয়। কথাটো এইদৰে কোৱা হৈছে— "সাধুনিপুণাভ্যামর্চ্চায়াং সপ্তম্যপ্রতেঃ' অর্থাৎ অর্চ্চায়াং প্রশংসা অর্থত সাধু আৰু নিপুণ শব্দৰ যোগত যিটো বিষয়ত সাধু বা নিপুণ তাত সপ্তমী বিভক্তি হয়। যেনে— মাধৱঃ সাহিত্যে নিপুণঃ (মাধৱ সাহিত্যত নিপুণ)। এই বাক্যত সাহিত্যত নিপুণ কাৰণেই সাহিত্য শব্দত সপ্তমী হৈছে। কল্যাণঃ ব্যাকৰণে সাধু (কল্যাণ ব্যাকৰণত ভাল) এই বাক্যত ব্যাকৰণত ভাল বুজোৱাত ব্যাকৰণ শব্দত 'সাধু নিপুণাভ্যামর্চ্চার্যাং সপ্তম্যপ্রতেঃ' সূত্র মতে সপ্তমী হৈছে। অনিপুণ, অসাধু (অর্থাৎ নঞ্ সমাস হ'লেও) বিষয়টোত সপ্তমী হ'ব।

'নিপুণ' বা 'সাধু'ৰ বিষয়টো কোৱা নহ'লে সপ্তমী বিভক্তি নহয়। যেনে— নিপুণঃ তৃত্যঃ (পাকৈত চাকৰ)। ইয়াত কিহত নিপুণ সেইটো উল্লেখ নথকাত সপ্তমী হোৱা নাই। তেনেদৰে 'মম ভ্রাতা সাধু' (মোৰ ভাই ভাল)। এই বাক্যটোতো মোৰ ভাই কিহত ভাল সেইটো উল্লেখ নথকাত সপ্তমী হোৱা নাই।

৪। যেতিয়া কাৰোবাক অৱহেলা কৰা হয় তেতিয়া অৱহেলিত জনক বা বিষয়ত সপ্তমী বিভক্তি যোগ হয় নাইবা তাত ষষ্ঠী বিভক্তিও হ'ব পাৰে। ইয়াক 'অনাদৰে ষষ্ঠী' বোলা হয়। এই বিষয়ে সূত্রত কোৱা হৈছে— "ষষ্ঠী চানাদৰে"। অনাদৰ অর্থাৎ অৱজ্ঞা কৰা বুজালে সপ্তমী বিভক্তি হয় আৰু তাত ষষ্ঠীও হ'ব পাৰে। যেনে— ৰুদতি শিশৌ মাতা অগচ্ছৎ (কেঁচুৱাটো কান্দি থাকোতেই মাক গুচি গৈছিল)। এই বাক্যটোত ৰুদতি শিশৌ পদত অৱজ্ঞা অর্থত সপ্তমী হৈছে। বাক্যটোত ষষ্ঠী বিভক্তিও ব্যৱহাৰ কৰিব পাৰি। যেনে— ৰুদতঃ শিশোঃ মাতা অগচ্ছৎ।

৫। কেইবাটাৰ পৰা বা বহুতৰ ভিতৰত এটাক জাতি, গুণ, ক্রিয়া বা কোনো বিশেষ সংজ্ঞাৰদ্বাৰা বেলেগ কৰি আনিলে তাক নির্দ্ধাৰণ বোলা হয়। যিহৰপৰা বা যিবোৰৰ পৰা পৃথক কৰি অনা হয় তাত সপ্তমী বা ষষ্ঠী বিভক্তি হয়। কথাটো এনেদৰে

কোৱা হৈছে— "যতশ্চ নির্দ্ধাৰণম্" অর্থাৎ যতঃ যিহৰপৰা নির্দ্ধাৰণ কৰা হয় তাত সপ্তমী বা ষষ্ঠী বিভক্তি হয়। যেনে— নৰযেু নাপিতঃ ধূর্ত্তঃ (মানুহৰ ভিতৰত নাপিত ধূর্ত্ত)। এই বাক্যত মানুহৰ ভিতৰৰ পৰা ধূর্ত্তঃ গুণটোৰ কাৰণে নাপিতক পৃথক কৰা হৈছে। গতিকে নৰেযু পদত অধিকৰণ অর্থত সপ্তমী হৈছে। বাক্যটোত ষষ্ঠী বিভক্তিও হব পাৰে। যেনে— নৰাণাং নাপিতঃ ধূর্ত্তঃ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২১ঃ ভাৱ শব্দটোৰ অর্থ হৈছে ক্রিয়া। শুদ্ধ নে অশুদ্ধ।

.....

প্রশ্ন নং ২২ঃ অধিকৰণ কাৰকত কি বিভক্তি হয় লিখক।

.....

প্রশ্ন নং ২৩ঃ অধিকৰণ কাৰকৰ সূত্রটো লিখক।

.....

প্রশ্ন নং ২৪ঃ 'নৰেযু নাপিতঃ ধূর্ত্তঃ' বাক্যটোত নৰেযু পদত কিয় সপ্তমী হৈছে লিখক।

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি শিকিলে যে—

- ক্রিয়াৰ লগত সম্পর্ক থকা পদহে কাৰক হ'ব পাৰে।
- ষষ্ঠী বিভক্তিযুক্ত পদৰ ক্রিয়াৰ লগত সম্পর্ক নাথাকে, এতেকে সি কাৰক হব নোৱাৰে।
- ষষ্ঠী বিভক্তি যুক্ত পদক সম্বন্ধপদ বুলিহে কোৱা হয়।
- প্রত্যেকটো কাৰকৰ লক্ষণৰ লগত অৱগত হ'ল।
- ব্যাকৰণত ব্যৱহাৰ হোৱা অপৱর্গ, অত্যন্ত সংযোগ, নির্দ্ধাৰণ আদি পৰিভাষাৰ অর্থ জানিলে।
- কি অর্থত ক'ত কি বিভক্তিৰ ব্যৱহাৰ হয় তাকো আপুনি জানিলে।



৯.৭ অধিক জানিবলৈ

১) ভট্টাচার্য্য, হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*, গুৱাহাটী ঃ বৰুৱা এজেন্সি।

২) ভদ্র, সুধেন্দ্র মোহন (১৯৭৪); *সংস্কৃত ব্যাকৰণ ও ৰচনা চয়ন*, গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন লিমিটেড।

৩) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্ৰ; *সমগ্ৰ ব্যাকৰণ— কৌমুদী*, কলিকতা ঃ দেৱ সাহিত্য কুটীৰ প্ৰাইভেট লিমিটেড্।



৯.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ কাৰক ছয় প্ৰকাৰ। সেইবোৰ হৈছে কৰ্ত্তাকৰক, কৰ্মকাৰক, কৰণ কাৰক, সম্প্ৰদান কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰক।

২নং প্ৰশ্নৰ উত্তৰ ঃ ক্ৰিয়াৰ লগত সম্পৰ্ক থকা পদকেই কাৰক বোলা হয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ দশৰথঃ ইতি ৰাজা আসীৎ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সম্বোধনত প্ৰথমা বিভক্তি হয়।

৭নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্ত্তাই ক্ৰিয়াৰ যোগেদি যিটোক ঘাইকৈ পাবলৈ বিচাৰে তাক কৰ্ম বোলে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ মাং প্ৰতি সঃ দয়ালুঃ ভৱতি।

গৃহং নিকষা বৃক্ষঃ অস্তি।

জলং বিনা জীৱাঃ ন তিষ্ঠন্তি।

৯নং প্ৰশ্নৰ উত্তৰ ঃ অত্যন্ত সংযোগ বুলিলে বিৰতি নোহোৱাকৈ একেলেঠাৰিয়ে বিয়পি থকা বা আগুৰি থকা বুজায়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ কোনো কাম কৰাত যিটোৱে মুখ্য ভাবে সহায় কৰে তাকেই কৰণ কাৰক বোলে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ অপ্ৰধান (ক্ৰিয়াৰ লগত সম্পৰ্ক নথকা) পদত।

১২নং প্ৰশ্নৰ উত্তৰ ঃ অপৱৰ্গ বুলিলে ক্ৰিয়া সমাপ্তি আৰু তাৰ ফলপ্ৰাপ্তি বুজায়।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ ছত্ৰায় স্পৃহয়তি বালা।

শিশৱে মোদকং ৰোচতে।

১৫নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

১৬নং প্ৰশ্নৰ উত্তৰ ঃ পঞ্চমী বিভক্তি হয়।

১৭নং প্ৰশ্নৰ উত্তৰ ঃ নিয়মপূৰ্বক।

১৮নং প্ৰশ্নৰ উত্তৰ ঃ আসনাৎ শিক্ষকঃ বদতি।

১৯নং প্ৰশ্নৰ উত্তৰ ঃ যাদৱস্য কৃতিঃ অস্তি।

২০নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

২১নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

২২নং প্ৰশ্নৰ উত্তৰ ঃ অধিকৰণ কাৰকত সপ্তমী বিভক্তি হয়।

২৩নং প্ৰশ্নৰ উত্তৰ ঃ "আধাৰোঽধিকৰণম্"।

২৪নং প্ৰশ্নৰ উত্তৰ ঃ নিৰ্দ্ধাৰণ অৰ্থত সপ্তমী বিভক্তি হৈছে।



৯.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ব্যাখ্যা কৰক—

স্বতন্ত্ৰঃ কৰ্ত্তা; সাধকতমংকৰণম্ ; শেষে ষষ্ঠী।

প্ৰশ্ন ২ ঃ সম্বন্ধপদটো যে কাৰক নহয় আপুনি আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ তলৰ শব্দবোৰত কি বিভক্তি হৈছে কাৰণ দৰ্শাই লিখক (বাক্যত আঁচটনা শব্দবোৰৰ)—

নৱেষু নাপিতঃ ধূর্ত্তঃ।

ৰুদতঃ শিশোঃ মাতা অগচ্ছৎ।

কৃষ্ণস্য কৃতিঃ।

হৰিং প্ৰতি আদৰঃ অস্তি।

*** ***** ***

অধ্যায় ১০ ঃ সমাস

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সমাসৰ লক্ষণ

১০.৪ সমাসৰ সাধাৰণ নিয়ম

১০.৫ সমাসৰ প্ৰকাৰ

- ১০.৫.১ অব্যয়ীভাব সমাস
- ১০.৫.২ তৎপুৰুষ সমাস
- ১০.৫.৩ বহুব্ৰীহি সমাস
- ১০.৫.৪ দ্বন্দ্ব সমাস
- ১০.৫.৫ দ্বিগু সমাস
- ১০.৫.৬ কর্মধাৰয় সমাস

১০.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্ৰগতিৰ খতিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাসৰ লক্ষণ জানিব পাৰিব
- সমাসৰ বিভিন্ন প্ৰকাৰৰ সৈতে পৰিচিত হ'ব
- সমাসৰ সাধাৰণ নিয়ম কিছুমানৰ বিষয়ে জানিব
- প্ৰত্যেকটো সমাস উদাহৰণসহ জানিব পাৰিব।

১০.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত ভাষাৰ পদ গঠন, বাক্যত পদৰ ব্যৱহাৰ, কাৰক আদিৰ কথা অধ্যয়ন কৰিছে। কাৰকে যিদৰে বাক্যত পদৰ ব্যৱহাৰৰ সম্পৰ্কত জ্ঞান দিয়ে, তেনেদৰে কেইবাটাও পদ একেলগে লগ লগাই এটা পদত পৰিণত কৰিবপৰা জ্ঞান সমাসৰপৰা লাভ কৰিব পাৰি। তাকে কৰিবলৈ যাওঁতে আৱশ্যকীয় নিয়ম কিছুমানৰ বিষয়েও আপুনি অৱগত হ'ব পাৰিব।

এই অধ্যায়ত প্ৰধানতঃ আপুনি সমাসৰ বিষয়ে অধ্যয়ন কৰিব। সমাস শব্দটোৰ অৰ্থ

হৈছে চুটি কৰণ। তেনেকুৱা সংক্ষিপ্তকৰণ কোনো নিয়মৰ সহায় নোহোৱাকৈ কৰিব নোৱাৰি। সমাসবদ্ধপদ কেনেকুৱা হব লাগে আৰু সেইবোৰৰ মূল উদ্দেশ্যও এই অধ্যায়ত আলোচনা কৰা হব। আপুনি দেখিবলৈ পাব যে কিছুমান সমাস আমি আমাৰ ভাষাত ব্যৱহাৰ কৰো। যেনে— যদুনন্দন, সপুত্ৰ, পীতাম্বৰ, সুগন্ধি, মুষ্টামুষ্টি, ৰাজপথ, ৰাম-লক্ষ্মণ, দুগ্ধধৱল ইত্যাদি।

সমাসত ব্যৱহাৰ হোৱা পদবোৰে যে কেতিয়াবা বেলেগ এটা পদাৰ্থকো বুজায় তাকো আপুনি এই অধ্যায়টিৰ অধ্যয়নৰপৰা অৱগত হব পাৰিব। সমাসৰ উদাহৰণলৈ লক্ষ্য কৰিলে আপুনি জানিব পাৰিব যে সমাসত সোমোৱা পদবোৰৰ ইটোৰ লগত সিটোৰ এটা সম্পৰ্ক (অন্বয়) আছে। সম্পৰ্ক নথকা পদৰ মাজত সমাস হব নোৱাৰে। সমাসৰ আলোচনাৰপৰা আপুনি এই ধৰণৰ বিষয় জানিব পাৰিব।

১০.৩ সমাসৰ লক্ষণ

সমাস শব্দটোৰ অর্থই হৈছে চুটি কৰণ। যেতিয়া দুটা বা তাতোকৈ বেছি পদ লগ লগাই এটা পদ গঠন কৰা হয়, তেতিয়া তাক সমাস বুলি কোৱা হয়। যেনে— ৰামঃ চ হৰিঃ চ শ্যামঃ চ = ৰাম-হৰি শ্যামাঃ (ৰাম, হৰি আৰু শ্যাম); ৰামঃ চ লক্ষ্মণঃ চ = ৰামলক্ষ্মণৌ (ৰাম আৰু লক্ষ্মণ)। যেতিয়া পৰস্পৰ সম্বন্ধ বিশিষ্ট দুটা বা তাতোকৈ বেছি পদ যোগ হৈ এটা পদত পৰিণত হয় তেতিয়া তাক সমাস বুলি কোৱা হয়। সমাস হোৱা পদবোৰ এটা পদ গঠনত নিয়োগ হয়। সেই কাৰণেই এক পদ হোৱাৰ ভাৱকেই সমাসৰ মূল ভেটি বুলি কব পাৰি— "একপদীভাৱঃ সমাসঃ"। যেনে— গোপালঃ চ যদুঃ চ = গোপাল-যদু, মাতুঃ স্নেহঃ = মাতৃস্নেহঃ (মাকৰ মৰম)। ইয়াত গোপাল আৰু যদু এই দুটা পদ লগ লাগি গোপাল-যদু মাতৃৰ স্নেহ এই দুটা পদৰ যোগত মাতৃস্নেহ সমাসান্ত পদ গঠন হৈছে। এতেকে এনেকুৱা পদ সমাসান্ত। কাৰণ, দুটা পদ লগ লাগি এটা পদত পৰিণত হৈছে।

সমাসত সোমোৱা পদবোৰৰ ভিতৰত পৰস্পৰ সম্পৰ্ক বা সম্বন্ধ থাকিব লাগে। পদবোৰৰ ভিতৰত সম্বন্ধ নাথাকিলে সমাস হ'ব নোৱাৰে। সেই কাৰণেই পৰস্পৰৰ মাজত সম্বন্ধ থকা পদৰ মাজতেই সমাসবোৰ গঠন হয়। সমাসৰ লক্ষণসূচক সুত্ৰটো হ'ল— "সমর্থঃ পদবিধিঃ"।

১০.৪ সমাসৰ সাধাৰণ নিয়ম

ক) সমাসৰ অন্তর্গত বিভক্তি লোপ হয়; কেৱল শেষৰ পদৰ বিভক্তি থাকে। যেনে— পিতুঃ তর্পণম্ পিতৃ-তর্পণম্ । ইয়াত 'পিতুঃ' পদৰ ষষ্ঠী বিভক্তি লোপ পাইছে আৰু তর্পনম্ পদৰ বিভক্তি ৰৈ গৈছে।

খ) সমাসত আটাইকেইটা পদ লগ লাগি এটা প্রাতিপাদিক ৰূপে পৰিগণিত হয় আৰু শেষৰ পদত সমাস হোৱা পদবোৰৰ বচন লগ লাগি যুক্ত বচন হয়। যেনে— ৰমেশঃ চ কমলঃ চ মাণিকঃ চ = ৰমেশ-কমল-মাণিকাঃ। ইয়াত ৰমেশ, কমল আৰু মাণিকৰ বিভক্তি লোপ

হৈছে আৰু সমস্ত পদৰ শেষত থকা মাণিক পদত বহুবচন হৈছে।

গ) যিকেইটা পদেৰে সমাস কৰা হয় সেইবোৰক সমস্যমান পদ বোলে। সমাসৰ অর্থ বুজাবলৈ যি বাক্য ব্যৱহাৰ কৰা হয় তাক ব্যাসবাক্য বোলে। সমাস কৰিলে যিটো পদ হয় তাক সমস্ত পদ বোলে।

ঘ) স্বৰবর্ণ পিছত থাকিলে পাছৰ পদৰ শেষত থকা ন-কাৰৰ লোপ হয়। যেনে— ৰাজ্ঞঃ সমীপে = উপৰাজম্। ইয়াত ৰাজন্ শব্দৰ ন্-কাৰ লোপ পোৱাত উপৰাজম্ হৈছে।

ঙ) সমাস হ'লে পূর্ব্ব পদৰ শেহত থকা ন কাৰৰ লোপ হয়। যেনে— ৰাজ্ঞঃপুৰুষঃ = ৰাজপুৰুষঃ। ইয়াত ৰাজ্ঞঃ বুলি কোৱাত ৰাজন্ (প্রাতিপদিক) শব্দৰ ন্-কাৰ লোপ পোৱাত ৰাজপুৰুষঃ হৈছে।

চ) বিশেষ্য পদ পিছত থাকিলে মহৎ শব্দৰ ঠাইত মহা হয়। যেনে— মহান্ ভুজঃ = মহাভুজঃ; মহান্ পুৰুষঃ = মহাপুৰুষঃ। কিন্তু মহতঃ ভুজঃ = মহদ্ভুজঃ হ'ব (ষষ্ঠী তৎপুৰুষ)।

ছ) স্বৰবর্ণ পিচত থাকিলে নঞ্ তৎপুৰুষৰ ন-কাৰৰ ঠাইত অন্ হয়। যেনে— ন আচাৰঃ = অনাচাৰঃ।

জ) ব্যঞ্জন বর্ণ পিছত থাকিলে নঞ্ ৰ 'ন্'ৰ ঠাইত 'অ' হয়। যেনে— ন কালঃ = অকালঃ, ন পুষ্পম্ = অপুষ্পম্।

১০.৫ সমাসৰ প্রকাৰ

মহামুনি পাণিনিৰ মতে সমাস চাৰি প্রকাৰৰ। যেনে— অৱ্যয়ীভাৱ, তৎপুৰুষ, বহুব্রীহি আৰু দ্বন্দ্ব সমাস। সূত্রকাৰৰ (পাণিনি) মতে কর্মধাৰয় আৰু দ্বিগু সমাস তৎপুৰুষ সমাসৰ অন্তর্গত। কিন্তু, আন আন বৈয়াকৰণৰ মতে সমাস ছয় প্রকাৰ। যেনে— অৱ্যয়ীভাৱ, তৎপুৰুষ, বহুব্রীহি, দ্বন্দ্ব, দ্বিগু আৰু কর্মধাৰয় সমাস।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সমাস হোৱা পদবোৰৰ পৰস্পৰৰ মাজত সম্পর্ক থাকিব লাগে। বাক্যটো হয় নে নহয় লিখক।

.....

প্রশ্ন নং ২ঃ সমাস কাক বোলে লিখক।

.....

১০.৫.১ অৱ্যয়ীভাৱ সমাস

আপুনি সমাস কাক বোলে সেইটো অধ্যয়নৰ পিছত এতিয়া অব্যয়ী ভাব সমাসৰ বিষয়ে জানিব পাৰিব।

অব্যয় পদৰ লগত সুৱন্ত পদৰ (সুপ্ অন্ত) যি সমাস হয় তাক অব্যয়ী ভাব সমাস বোলা হয়। যেনে— উপৰাজম্ (ৰজাৰ ওচৰত)। ইয়াত উপ-অব্যয়ৰ লগত ৰাজন্ শব্দৰ অব্যয়ী ভাব সমাস হৈছে। আপুনি অব্যয়ী ভাব সমাসৰ কেইটামান নিয়ম মনত ৰাখিব লাগিব। তলত সেইবোৰ উল্লেখ কৰা হ'ল—

ক) অব্যয়ী ভাব সমাসৰ সমস্ত পদটো সদায় ক্লীৱলিঙ্গৰ একবচনত ব্যৱহাৰ হয়। বাক্যত ইয়াৰ প্ৰয়োগ অব্যয় পদৰ দৰে।

খ) অ-কাৰান্ত অব্যয়ী ভাবৰ পৰবৰ্ত্তী বিভক্তিৰ ঠাইত ম্ হয়; কিন্তু পঞ্চমী বিভক্তিৰ ঠাইত নহয়। আকৌ তৃতীয়া আৰু সপ্তমী বিভক্তিৰ ঠাইত বিকল্পতহে ম্ হয়। যেনে— অনুৰূপম্, (একে ধৰণৰ) যথাভিমতম্। কিন্তু যথাভিমতেন, যথাভিমতে নাইবা যথাভিমতম্ হয়।

গ) অব্যয়ী ভাব সমাসৰ অকাৰান্তৰ বাহিৰে অন্য শব্দৰ পাছত বিভক্তি নাইকীয়া হয়। যেনে— যথাশক্তি; শম্ভোঃ সমীপম্ (শম্ভুৰ ওচৰত) = উপশম্ভু, ধাতোঃ সমীপম্ (ঈশ্বৰৰ ওচৰত) = উপধাতৃ।

১) সমীপ (ওচৰ), অভাৱ, অত্যয় (ঠিক পৰৱৰ্তী), আনুপূৰ্ব্ব (ক্ৰমাগত ভাবে), যৌগপদ্য (লগত), সাকল্য (গোটেই), ব্যৃদ্ধি (দুখ), সমৃদ্ধি, পর্য্যন্ত আদি অর্থত সুৱন্ত (সুপ + অন্ত) পদৰ লগত অব্যয়পদৰ যি সমাস হয় তাক অব্যয়ী ভাব সমাস বোলে। যেনে— গৃহস্য সমীপম্ (ঘৰৰ ওচৰত) = উপগৃহম্, কৃষ্ণস্য সমীপম্ (কৃষ্ণৰ ওচৰত) = উপকৃষ্ণম্ এইবোৰ সামীপ্য অর্থত হোৱা অব্যয়ী ভাব সমাস।

অভাৱ অর্থত = ভিক্ষায়াঃ অভাৱঃ = দুর্ভিক্ষম্ (দুর্ভিক্ষ),
বিঘ্নস্য অভাৱঃ = নির্বিঘ্নম্ (বিঘিনিৰ অভাৱ)

অত্যয় অর্থত = বসন্তস্য অত্যয়ঃ = অতিবসন্তম্,
বাধায়াঃ অত্যয়ঃ = অতিবাধম্
হিতস্য অত্যয়ঃ = অতিহিতম্

পশ্চাৎ অর্থত = লক্ষ্মণস্য পশ্চাৎ = অনুলক্ষ্মণম্ (লক্ষ্মণৰ পিছত),
বাষ্পৰথস্য পশ্চাৎ = অনুবাষ্পৰথম্ (ৰেলগাড়ীৰ পিছত),
বৃক্ষস্য পশ্চাৎ = অনুবৃক্ষম্

অসম্প্রতি অর্থত = শোকঃ সম্প্রতি ন যোজ্যতে = অতিশোকম্ (শোকহীন),
শঙ্কা সম্প্রতি ন যুজ্যতে = অতিশঙ্কম্ (শঙ্কাহীন)

যোগ্যতা অর্থত = ৰূপস্য যোগ্যম্ = অনুৰূপম্,
ক্ষমায়াঃ যোগ্যম্ = অনুক্ষমম্ (ক্ষমাৰ যোগ্য)

বীপ্ সা (বাৰে বাৰে) অর্থত = দিনং দিনম্ = প্রতিদিনম্ (নিতৌ),
গৃহং গৃহম্ = প্রতিগৃহম্ (প্রত্যেক ঘৰত)

আনুপূর্ব্ব অর্থত = বর্ণানাম্ আনুপূর্ব্যেণ = অনুবর্ণম্ (বর্ণ অনুসৰি)
বিভক্তি অর্থত = কাননে = অধিকাননম্ (বাগিচাত),
হৰৌ = অধিহৰি, গৃহে = অধিগৃহম্
সাদৃশ্য অর্থত = সখ্যাঃ সদৃশঃ = সসখি (সখীৰ নিচিনা),
কৰেঃ সদৃশঃ = সকৰি। (কবিৰ নিচিনা)
যৌগপদ্য অর্থত = চক্রেণসহ = সচক্রম্ (চক্রৰ সৈতে),
অস্ত্রেণ সহ = সাস্ত্রম্। (অস্ত্রেৰে সৈতে)
সাকল্য অর্থত = তৃণমপি অপৰিত্যজ্য = সতৃণম্ (তৃণেৰে সৈতে)।
সমৃদ্ধি অর্থত = ভিক্ষাণাং সমৃদ্ধিঃ = সুভিক্ষম্ (ভিক্ষা সহজলভ্য)
পর্যন্ত অর্থত = তদ্ধিত পর্যন্তম্ = সতদ্ধিতম্ (তদ্ধিতলৈকে),
কাৰক পর্যন্তম্ = সকাৰকম্ (কাৰকলৈকে)

২) কালবাচক শব্দৰ বাহিৰে আন পদ পিছত থাকিলে, অব্যয়ী ভাব সমাসত 'সহ' শব্দৰ সলনি 'স' হয়। ("অব্যয়ীভাৱে চাকালে")। যেনেঃ- দুগ্ধেন সহ = সদুগ্ধম্ (গাখীৰেৰে সৈতে), কিন্তু কাল বাচক পদ থাকিলে 'সহ'ৰ ঠাইত 'সহ'ই হ'ব। যেনেঃ- অপৰাহ্নেন সহ = সহাপৰাহ্নম্। (অপৰাহ্নৰে সৈতে)।

৩) শৰৎ আদি শব্দৰ লগত অব্যয়ী ভাব সমাস হ'লে, সমস্ত পদত উচ্ (অ) প্রত্যয় হয়। যেনে— শৰদঃ সমীপম্ = উপশৰদম্; মনসঃ সমীপম্ উপমনসম্ (মনৰ কাষত) (শৰতৰ ওচৰা ওচৰি)

৪) অপ, পৰি, বহিঃ আদি শব্দৰ পঞ্চমী বিভক্তিযুক্ত পদৰ লগত বিকল্পত অব্যয়ী ভাব সমাস হয়। যেনে— গ্রামাৎ বহিঃ বহিগ্রামম্ (গাৱৰ বাহিৰত), উপবনাৎ প্রাক্ প্রাগুপবনম্ (উপবনৰ আগত)।

৫) মর্য্যাদা (সীমা) আৰু অভিবিধি (ব্যাপ্তি) অর্থত পঞ্চমী বিভক্তি যুক্ত পদৰ লগত আঙ্ (আ) উপসর্গৰ বিকল্পত অৱ্যয়ী ভাব সমাস হয়। যেনে— আ সমুদ্রাৎ = আসমুদ্রম্ বা আসমুদ্রাৎ (সমুদ্রলৈকে); আকুমাৰাৎ = আকুমাৰম্ বা আকুমাৰাৎ (কুমাৰ কাললৈকে)।

৬) সমাহাৰ বুজালে নদীবাচক সুৱন্ত পদৰ লগত সংখ্যাবাচক শব্দৰ অব্যয়ী ভাব সমাস হয়। যেনে— পঞ্চানাং গঙ্গানাং সমাহাৰঃ = পঞ্চগঙ্গম্ (পাঁচটা গঙ্গাৰ সমাহাৰ); তিসৃণাং গঙ্গানাং সমাহাৰঃ = ত্রিগঙ্গম্ (তিনিটা গঙ্গাৰ সমাহাৰ)।

৭) লক্ষ্য বা উদ্দেশ্য বুজালে দ্বিতীয়া বিভক্তি যুক্ত পদৰ লগত বিকল্পত অব্যয়ী ভাব সমাস হয়। যেনে— অগ্নিং লক্ষ্যীকৃত্য = অভ্যগ্নি বা প্রত্যগ্নি (অগ্নিক উদ্দেশ্য কৰি)।

৮) কোনো নদীৰ বিশেষ লক্ষণৰদ্বাৰা কোনো ঠাই চিহ্নিত হ'লে নদীবাচক পদৰ লগত সুবন্তপদৰ অব্যয়ী ভাব সমাস হয়। যেনে— উন্মত্তা গঙ্গা যস্মিন্ (গঙ্গা যত

প্রবল) = উন্মত্তাগঙ্গম্; তূষ্ণীং গঙ্গা যস্মিন্ (গঙ্গা যত শান্ত) = তূষ্ণিগঙ্গম্।

৯) ষষ্ঠী বিভক্তিযুক্ত পদৰ লগত পাৰ আৰু মধ্য শব্দৰ বিকল্পত অব্যয়ী ভাব সমাস হয় ('পাৰে মধ্যে ষষ্ঠ্যা বা')। যেনে— সমুদ্রস্য পাৰম্ = পাৰেসমুদ্রম্; গঙ্গায়াঃ মধ্যম্ = মধ্যেগঙ্গম্; ব্রহ্মপুত্রস্য পাৰম্ = পাৰেব্রহ্মপুত্রম্। (ব্রহ্মপুত্রৰ পাৰত)

১০.৫.২ তৎপুৰুষ সমাস

আপুনি অব্যয়ী ভাব সমাস অধ্যয়ন কৰিছে। তাত আপুনি অব্যয়ী ভাব সমাসৰ বিশেষ বিশেষ বৈশিষ্ট্যসমূহ অৱগত হৈছে।

ইয়াত তৎপুৰুষ সমাসৰ বিষয়ে জানিব পাৰিব। যি সমাসত পিছৰ পদৰ প্রাধান্য থাকে তাক তৎপুৰুষ সমাস বোলে। দ্বন্দ্ব আৰু তৎপুৰুষ সমাসত পাছৰ পদৰ লিঙ্গ অনুসৰি সমস্ত পদৰ লিঙ্গ নির্ণয় হয়। এই বিষয়ৰ সূত্রটো হ'ল— "পৰবল্লিঙ্গং দ্বন্দ্বতৎপুৰুষয়োঃ"।

তৎপুৰুষ সমাস বিভিন্ন ভাগত বিভক্ত। যেনে— দ্বিতীয়া তৎপুৰুষ; তৃতীয়া তৎপুৰুষ, চতুর্থী তৎপুৰুষ, পঞ্চমী তৎপুৰুষ, ষষ্ঠী তৎপুৰুষ, সপ্তমী তৎপুৰুষ, প্রাদি তৎপুৰুষ, একদেশি তৎপুৰুষ আৰু নঞ্ তৎপুৰুষ সমাস।

দ্বিতীয়া তৎপুৰুষ সমাস ঃ

১) শ্রিতকে আদি কৰি সাতটা সুৱন্ত পদৰ লগত দ্বিতীয়া বিভক্তিযুক্ত পদৰ সমাস হয়। পূর্ব্ব পদত থকা দ্বিতীয়া বিভক্তি লোপ পায় কাৰণেই তাক দ্বিতীয়া তৎপুৰুষ সমাস বোলে। যেনে— কষ্টং শ্রিতঃ = কষ্টশ্রিতঃ, দুঃখম্ অতীতঃ = দুঃখাতীতঃ, কূপং পতিতঃ = কূপপতিতঃ, জীৱিকাং প্রাপ্তঃ = জীৱিকাপ্রাপ্তঃ (জীৱিকা পোৱা), শৰণম্ আপন্নঃ = শৰণাপন্নঃ, তুহিনম্ অত্যন্তঃ = তুহিনাত্যন্তঃ (অত্যন্ত = বৰ বেছি, অধিক), (অতীত = অতিক্রান্ত, অতিক্রম কৰি থকা)।

২) ব্যাপ্তি অর্থাৎ বিয়পি থকা অর্থত কাল বাচক পদৰ লগত সুবন্ত পদৰ দ্বিতীয়া তৎপুৰুষ সমাস হয়। যেনে— বর্ষং ভোগ্যঃ = বর্ষভোগ্যঃ, মাসং ভোগ্য = মাসভোগ্যঃ।

৩) 'ক্রান্ত' অর্থত দ্বিতীয়ান্ত পদৰ লগত 'অতি' আদিৰ দ্বিতীয়া তৎপুৰুষ হয়। যেনে— বৃষ্টিম্ অতিক্রান্তঃ = অতিবৃষ্টিঃ (বৰষুণক অতিক্রম কৰি)।

তৃতীয়া তৎপুৰুষ ঃ পূর্ব্ব আদি সুবন্ত পদৰ লগত তৃতীয়া বিভক্তি যুক্ত পদৰ সমাস হ'লে তাক তৃতীয়া তৎ পুৰুষ সমাস বোলে। যেনে— বর্ষেণ পূর্ব্বঃ = বর্ষপূর্ব্বঃ; ধান্যেন অর্থঃ = ধান্যার্থঃ, পিত্রা সমঃ = পিতৃসমঃ (পিতাৰ তুল্য)।

ক) ঊনার্থ পদৰ লগত তৃতীয়ান্ত পদৰ তৃতীয়া তৎপুৰুষ সমাস হয়। যেনে— বিদ্যয়া হীনঃ = বিদ্যাহীনঃ, একেন ঊনঃ = একোনঃ, অঙ্গেন বিকলঃ = অঙ্গবিকলঃ।

খ) কৃৎ প্রত্যয় নিষ্পন্ন সুবন্ত পদৰ লগত তৃতীয়া বিভক্তি যুক্ত (কর্ত্তা আৰু কৰণ কাৰক) পদৰ সমাস হয় (কর্ত্তৃকৰণেকৃতা বহুলম্)। যেনে— মুনিনা দৃষ্টম্ = মুনিদৃষ্টম্,

অস্মাভিঃ নির্মিতঃ = অস্মন্নির্মিতঃ, নখৈঃ ভিন্নঃ = নখভিন্নঃ, তেন কৃতম্ = তৎকৃতম্।

অলুক সমাস ঃ অলুক সমাসো তৎপুৰুষ সমাসৰ অন্তর্গত। যি সমাসত পূৰ্ব্ব পদৰ বিভক্তি লুপ্ত নহয় তাক অলুক সমাস বোলে। যেনে— ওজসাকৃতম্ তমসাকৃতম্ আদি পদ তৃতীয়া বিভক্ত্যন্ত অলুক সমাসৰ উদাহৰণ।

চতুর্থী তৎপুৰুষ সমাস ঃ বলি, হিত, ৰক্ষিত, সুখ আদি সুৱন্ত পদৰ লগত চতুর্থী বিভক্ত্যন্ত পদৰ চতুর্থী তৎপুৰুষ সমাস হয় ("চতুর্থী তদর্থার্থ বলি-হিত-সুখ-ৰক্ষিতৈঃ")। যেনে— ভ্রাত্রে সুখম্ = ভ্রাতৃসুখম্; গৱে ৰক্ষিতম্ = গোৰক্ষিতম্ (গৰুৰ বাবে ৰখা হৈছে)। 'তদর্থ' অর্থাৎ সেই উদ্দেশ্যে বা সেই নিমিত্তে এনেকুৱা অর্থ বুজালে চতুর্থী বিভক্ত্যন্ত পদৰ সমাস হয়। যেনে— যুপায় দাৰুঃ = যুপদাৰুঃ, কুণ্ডলায় হিৰণ্যম্ = কুণ্ডলহিৰণ্যম্।

পঞ্চমী তৎপুৰুষৰ সমাস ঃ ভয় আদি পদৰ লগত পঞ্চমী বিভক্তি যুক্ত পদৰ সমাস হয়। যেনে— ব্রাঘ্রাৎ ভয়ম্ = ব্যাঘ্রভয়ম্, ব্যাঘ্রাৎ ভীতিঃ = ব্যাঘ্রভীতিঃ; আপদঃ ভয়ম্ = আপদ্ভয়ম্;

ষষ্ঠী তৎপুৰুষ সমাস ঃ পূৰ্ব্ব পদত ষষ্ঠী বিভক্তি থাকিলে প্রথমাবিভক্তি পদৰ লগত ষষ্ঠী তৎপুৰুষ সমাস হয়। যেনে— বৃক্ষস্য ছায়া = বৃক্ষচ্ছায়া, ৰাজ্ঞঃ পুৰুষঃ = ৰাজপুৰুষঃ, গৱাং দোহঃ = গোদোহঃ, জলস্য প্রৱাহঃ = জলপ্রৱাহঃ, নিদ্রায়াঃ ভঙ্গঃ = নিদ্রাভঙ্গঃ।

সপ্তমী তৎপুৰুষ সমাস ঃ শৌণ্ড আদি শব্দৰ লগত সপ্তমী বিভক্তি যুক্ত পদৰ সমাস হলে তাক সপ্তমী তৎপুৰুষ সমাস বোলে ("সপ্তমী শৌণ্ডৈঃ")। যেনে— ক্রীড়ায়াং শৌণ্ডঃ = ক্রীড়াশৌণ্ডঃ (খেলত পাকৈত), ৰণে পণ্ডিতঃ = ৰণপণ্ডিতঃ, শাস্ত্রে প্রৱীণঃ = শাস্ত্রপ্রৱীণঃ, অক্ষেষু শৌণ্ডঃ = অক্ষশৌণ্ডঃ (পাশাখেলত পাকৈত)।

"কৃত্যৈঃ ঋণে" এই নিয়ম অনুসৰি ঋণ (ধাৰ) বুজালে কৃত্য প্রত্যয় নিষ্পন্ন পদৰ লগত সপ্তমী বিভক্তিযুক্ত পদৰ সমাস হয়। যেনে— মাসে দেয়ম্ = মাসদেয়ম্, বর্ষে দেয়ম্ = বর্ষদেয়ম্।

প্রাদি তৎ পুৰুষ ঃ নিন্দা বা কুৎসা অর্থত কু, প্র আদি শব্দৰ লগত সুৱন্ত পদৰ যি সমাস হয়, তাক প্রাদি তৎপুৰুষ সমাস বোলে। যেনেঃ- কুৎসিতঃ পুৰুষঃ = কাপুৰুষঃ; কুৎসিতঃ বিপ্রঃ = কুবিপ্রঃ, প্রকৃষ্টঃ পিতামহঃ = প্রপিতামহঃ, প্রকৃষ্টঃ ভাৱঃ = প্রভাৱঃ।

উপপদ তৎপুৰুষ সমাস ঃ যি সমাসৰ শেষৰ পদটো কৃৎ প্রত্যয়ান্তে হয় তাক উপপদ তৎপুৰুষ সমাস বোলা হয়। যেনে— গৃহে তিষ্ঠতি ইতি = গৃহস্থ (গৃহ - স্থা + ক + সু) ইয়াত 'স্থ' শব্দটো কৃৎ প্রত্যয়ৰ যোগত সাধিত হৈছে। সেই কাৰণেই 'গৃহস্থঃ' পদটো উপপদ তৎপুৰুষ সমাস। নৃন্ পাতি ইতি = নৃপঃ (নৃ - পা + ক + সু)। ইয়াতো 'পঃ' পদটো (পা + ক) কৃৎ প্রত্যয় নিষ্পন্ন হোৱাত উপপদ তৎপুৰুষ হৈছে।

নঞ্ তৎপুৰুষ সমাস ঃ অভাৱ বা নেতিবাচক নঞ্ অব্যয়ৰ লগত বিভক্তিযুক্ত পদৰ যি সমাস হয় তাক নঞ্ তৎপুৰুষ সমাস বোলা হয়। ন-ৰ পিছত ব্যঞ্জন বর্ণ থাকিলে ন-ৰ ঠাইত 'অ' আৰু ন-ৰ পিছত স্বৰবর্ণ থাকিলে ন-ৰ ঠাইত অন্ হয়। যেনে— ন ইষ্টম্ = অনিষ্টম্; ন ব্রাহ্মণঃ = অব্রাহ্মণঃ, ন চিন্তিতানি = অচিন্তিতানি আৰু ন অর্থঃ = অনর্থঃ।



জানি থোৱা ভাল

১) আপুনি জনা ভাল যে 'আত্মনেপদম্' আৰু 'পৰস্মৈপদম্' এই দুটা পদ চতুর্থী বিভক্তি যুক্ত অলুক সমাসান্ত।

২) বিকৃত অর্থ নুবুজালে তদর্থ বুজালেও চতুর্থী তৎপুৰুষ সমাস নহয়। যেনে— 'ব্রাহ্মণায় স্বর্ণম্' (ব্রাহ্মণৰ বাবে সোণ) ইয়াত চতুর্থী তৎপুৰুষ সমাস নহয়। কাৰণ ইয়াত সোণৰ বিকৃতি বুজোৱা নাই।

৩) স্তোকার্থ (অলপ), অন্তিকার্থ (ওচৰত) আৰু কৃচ্ছ্রার্থ (কষ্টবোধক) শব্দত পঞ্চমী বিভক্তি যোগ হ'লে পঞ্চমী বিভক্তি যুক্ত অলুক সমাস হয়। যেনে— স্তোকাৎ মুক্তঃ = স্তোকান্মুক্তঃ; অল্পাৎ পৰিত্যক্তঃ = অল্পাৎ পৰিত্যক্তঃ, সমীপাৎ আগতম্ = সমীপাদাগতম্।

৪) তৎপুৰুষ হ'লে ৰাজন্, অহন্ আৰু সখি শব্দৰ পিছত টচ্ (অ-কাৰ অৱশিষ্ট থাকে) প্রত্যয় হয়। তেতিয়া সেইবোৰ শব্দ অ-কাৰান্ত হয়। যেনে— দেৱানাং ৰাজা = দেৱৰাজঃ; কৃষ্ণস্য সখা = কৃষ্ণসখঃ; দ্বয়োঃ অহ্নোঃ সমাহাৰঃ = দ্ব্যহঃ।

৫) নির্দ্ধাৰণত যি ষষ্ঠী বিভক্তিৰ ব্যৱহাৰ হয় তাৰ লগত পৰৱর্তী সুবন্ত পদৰ ষষ্ঠী তৎপুৰুষ সমাস নহয়। যেনে— নৰাণাং নাপিতঃ ধূর্ত্তঃ (মানুহৰ ভিতৰত নাপিত ধূর্ত্ত) ইয়াত নৰনাপিতঃ হ'ব নোৱাৰে। তেনেদৰে মনুষ্যাণাং ক্ষত্রিয়ঃ = মনুষ্যক্ষত্রিয়ঃ হব নোৱাৰে।

৬) কোনো কোনো ক্ষেত্রত সপ্তমী বিভক্তিযুক্ত উপপদ তৎপুৰুষ সমাসো অলুক সমাস হয় অর্থাৎ বিভক্তিৰ চিন থাকি যায়। যেনে— বনে চৰতি যঃ সঃ = বনেচৰঃ।

৭) নিন্দা অর্থ প্রকাশ কৰিলে সপ্তমী বিভক্তি যুক্ত পদৰ লগত সুবন্ত পদৰ অলুক সমাস হয়। যেনে— গেহেশূৰঃ = গেহে শূৰঃ (ঘৰতেই বীৰঃ), গোষ্ঠে পণ্ডিতঃ = গোষ্ঠেপণ্ডিতঃ (গোহালিত পণ্ডিত)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ তলৰবোৰত কি তৎপুৰুষ সমাস হৈছে লিখক ঃ

বিদ্যয়া হীনঃ; ভ্রাত্রে সুখম্; আপদঃ ভয়ম্, ৰাজ্ঞঃপুৰুষঃ।

.....

প্রশ্ন নং ৪ঃ নির্দ্ধাৰণ অর্থত ব্যৱহাৰ হোৱা ষষ্ঠী বিভক্তিৰ লগত সুবন্ত পদৰ ষষ্ঠী তৎ পুৰুষ সমাস নহয়। শুদ্ধ নে অশুদ্ধ।

.....

প্রশ্ন নং ৫ঃ তৎপুৰুষ সমাসৰ সমস্ত পদৰ লিঙ্গ কোনপদৰ লিঙ্গৰ দৰে হয় লিখক।

.....

প্রশ্ন নং ৬ঃ তলৰ পদ দুটাৰ সহায়ত বাক্য ৰচনা কৰক ঃ

পিতৃসমঃ, মাসদেয়ম্।

.....

১০.৫.৩ বহুব্রীহি সমাস

আপুনি তৎপুৰুষ সমাস অধ্যয়ন কৰিলে। এতিয়া আপুনি বহুব্রীহি সমাসৰ বিষয়ে জানিব পাৰিব। প্রথমতে বহুব্রীহি সমাসনো কাক বোলে সেইটো জনা আৱশ্যক। বহুব্রীহি সমাসৰ বিষয়ে এইদৰে কোৱা হৈছে— "অনেকমন্যপদার্থে" (অনেকম্ অন্যপদার্থে) অর্থাৎ অনেক (বহুত, এটাতকৈ বেছি) পদ লগ লগাই যেতিয়া আন এটা পদৰ অর্থ প্রকাশ কৰা হয় তেতিয়া তাক বহুব্রীহি বুলি কোৱা হয়। এটাতকৈ বেছি প্রথমা বিভক্তি যুক্ত পদৰ সংযোগত যেতিয়া আন এটা পদৰ অর্থ প্রকাশ কৰে তেতিয়া তাক বহুব্রীহি সমাস বোলা হয়। দুটা বা তাতোকৈ বেছি প্রথমান্ত পদৰ বহুব্রীহি সমাসে সাধাৰণতে দ্বিতীয়া, তৃতীয়া, চতুর্থী, পঞ্চমী, ষষ্ঠী আৰু সপ্তমী বিভক্তি যুক্ত অন্য পদৰ অর্থ প্রকাশ কৰে। যেনে— কৃতং কর্ম যেন = কৃতকর্মা ইয়াত 'যেন' তৃতীয়ান্তপদৰ অর্থ প্রকাশ কৰিছে। দত্তং ধনং যস্মৈ = দত্তধনঃ (ইয়াত 'যস্মৈ' ই চতুর্থী বিভক্তি যুক্ত পদৰ অর্থ প্রকাশ কৰিছে। দীর্ঘৌ বাহূযস্য = দীর্ঘবাহুঃ (ইয়াত 'যস্য' ষষ্ঠী বিভক্তি যুক্ত পদৰ অর্থ প্রকাশ কৰিছে। প্রস্ফুটিতানি কমলানি যস্মিন্ সঃ = প্রস্ফুটিত কমলঃ (ইয়াত সপ্তমী বিবক্তি যুক্ত পদৰ অর্থ প্রকাশ কৰিছে।)

বহুব্রীহি সমাস দুই প্রকাৰৰ। যেনে— সমানাধিকৰণ বহুব্রীহি আৰু ব্যধিকৰণ বহুব্রীহি।

ক) **সমানাধিকৰণ বহুব্রীহি ঃ** এই বহুব্রীহি সমাসত যিকেইটা পদৰ সমাস হয় সেইবোৰ একেই লিঙ্গ, বচন আৰু বিভক্তিত থাকে। আগৰ পদটো পিছৰ পদৰ বিশেষণ হয়। যেনে— দত্তং ৰত্নং যস্মৈ = দত্তৰত্নঃ। ইয়াত দত্তং আৰু ৰত্নং পদৰ সমাস হৈছে। ব্যাস বাক্যত (সমাস কৰিবলৈ যিবোৰ পদ ব্যৱহাৰ কৰা হয় সিহতক ব্যাস বাক্য বোলে) সেই দুটা পদ একেই লিঙ্গ, বচন আৰু বিভক্তিত আছে।

খ) **ব্যধিকৰণ বহুব্রীহি ঃ** যি বহুব্রীহি সমাসৰ ব্যাস বাক্যত থকা পদসমূহত বেলেগ বেলেগ লিঙ্গ, বচন আৰু বিভক্তিৰ ব্যৱহাৰ হয় তাক ব্যধিকৰণ বহুব্রীহি বোলা হয়। যেনে— শূলঃ পাণৌ যস্য শূলপাণিঃ। ইয়াত 'শূলঃ' প্রথমাৰ একবচন আৰু 'পাণৌ'

পদত সপ্তমীৰ একবচন হৈছে আৰু লিঙ্গও বেলেগ বেলেগ হৈছে। এতেকে 'শূলপাণিঃ' ব্যধিকৰণ বহুব্রীহি।

বহুব্রীহি সমাসৰ বিষয়ে থকা কিছুমান নিয়ম তলত দিয়া হ'ল—

১) একেলগে অৱস্থান বুজালে 'সহ' শব্দৰ ঠাইত 'স'ও হ'ব পাৰে। যেনে— পুত্রেণ সহ বর্ত্তমানঃ = সপুত্রঃ বা সহপুত্রঃ, দাৰৈঃ সহ বর্ত্তমানঃ = সদাৰাঃ বা সহদাৰাঃ (দাৰ শব্দ সদায় বহুবচনত ব্যৱহাৰ হয় আৰু ই পুংলিঙ্গ। দাৰ শব্দৰ অর্থ স্ত্রী)।

২) বহুব্রীহি সমাসত 'জায়া' শব্দৰ সলনি 'জানি' হয় (জাযায়াঃ নিঙ্)। যেনে— যুৱতি জায়া যস্য = যুৱজানিঃ, প্রিয়া জায়া যস্য = প্রিয়জানিঃ।

৩) গন্ধ শব্দৰ লগত উৎ, পুতি, সু, সুৰভি আদিৰ বহুব্রীহি সমাস হলে গন্ধ শব্দৰ পিছত ইৎ (ই) যোগ হয় অর্থাৎ গন্ধ শব্দটো 'গন্ধি' হয় (এই বিষয়ে থকা নিয়মটো হ'ল— "গন্ধস্যেদুৎ - পুতি - সু - সুৰভিভ্যঃ")। যেনে— উদ্গতঃ গন্ধঃ যস্য = উদ্গন্ধি (ক্লীৱলিঙ্গ); সুগন্ধং যস্য = সুগন্ধিঃ বা সুৰভিগন্ধিঃ, কিন্তু আন দ্রব্যৰ সংযোগত গন্ধ ভাল হলে গন্ধি নহয়, তেতিয়া গন্ধ হব। যেনে— সুগন্ধং জলম্, সুগন্ধঃ বায়ুঃ।

৪) ধর্ম্ম শব্দৰ লগত বহুব্রীহি সমাস হলে ধর্ম্মন্ হয়। যেনে— বিদিতঃ ধর্ম্মঃ যেন = বিদিতধর্ম্মা।

৫) সংজ্ঞা বুজালে নাভি শব্দৰ লগত বহুব্রীহি সমাস হলে, নাভিৰ ঠাইত নাভ হয়। যেনে— পদ্মং নাভৌ যস্য = পদ্মনাভঃ, মৃগঃ নাভৌ যম্য = মৃগনাভঃ।

৬) একে ধৰণৰ কার্য্য কৰা বুজালে বহুব্রীহি সমাসত সমাসান্ত পদৰ পিছত ইচ্ প্রত্যয় হয়। ইচ্ প্রত্যয়ৰ চ লোপ হয়, কেৱল ই অৱশিষ্ট থাকে। ইচ্ প্রত্যয়ৰ যোগত পূর্ব্ব পদৰ অন্ত্যস্বৰৰ বৃদ্ধি হয় (অ ৰ ঠাইত আ, ই, ঈ ৰ ঠাইত ঐ, উ, ঊ ৰ ঠাইত ঔ, ঋ, ৠ ঠাইত আৰ্ হোৱাক স্বৰৰ বৃদ্ধি বোলে)। যেনে— কেশেষু কেশেষু গৃহীত্বা প্রবৃত্তমিদং যুদ্ধম্ = কেশাকেশি, হস্তয়োঃ হস্তয়ো গৃহীত্বা প্রবৃত্তম্ যুদ্ধম্ = হস্তাহস্তি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ বহুব্রীহি সমাস কাক কোৱা হয়?

.....

প্রশ্ন নং ৮ঃ ব্যধিকৰণ বহুব্রীহি কি?

.....

প্রশ্ন নং ৯ঃ তলত দিয়াবোৰৰ সমস্তপদ কি হ'ব?

পদ্মং নাভৌ যস্য; সুগন্ধং যস্য;

পুত্রেণ সহ বর্ত্তমানঃ, দত্তং ৰত্নং যস্মৈ।

.....

প্রশ্ন নং ১০ঃ বহুব্রীহি সমাসত 'জায়া'ৰ ঠাইত জানি হয়। কথাটো শুদ্ধ নে অশুদ্ধ?

.....

১০.৫.৪ দ্বন্দ্ব সমাস

আপুনি বহুব্রীহি সমাস অধ্যয়ন কৰিছে। বহুব্রীহি সমাসৰ বিশেষত্বৰ বিষয়ে অৱগত হৈছে।

এতিয়া ইয়াত আপুনি দ্বন্দ্ব সমাসৰ বিষয়ে অৱগত হব পাৰিব। প্রথমতে দ্বন্দ্ব সমাস কাক বোলে সেইটো জনাৰ পিছত তাৰ বিশেষত্বৰোৰো আলোচনা কৰা হ'ব।

'চ' অব্যয়ৰদ্বাৰা সংযোজিত দুটা বা তাতোকৈ বেছি পদ লগ লাগি দ্বন্দ্ব সমাস হয় ('চার্থে দ্বন্দ্বঃ)। দ্বন্দ্ব সমাসত প্রত্যেক পদৰ গাইগুটীয়া অর্থ থাকে। সমস্যমান পদ (সমাস কৰোতে যিবোৰ পদ ব্যৱহাৰ কৰা হয় সেইবোৰক সমস্যমান পদ বোলে) প্রথমা বিভক্তিত থাকে আৰু সমস্ত পদৰ (সমাস কৰিলে যিটো পদ হয় তাক সমস্তপদ বোলে) বচন সদায় সমস্যমান পদবোৰৰ যুক্ত বচন অনুসৰি হয়। যেনে— ৰামঃ চ লক্ষ্মণঃ চ = ৰামলক্ষ্মণৌ (ৰাম আৰু লক্ষ্মণ); ৰামঃ চ লক্ষ্মণঃ চ ভৰতঃ চ = ৰামলক্ষ্মণভৰতাঃ।

দ্বন্দ্ব সমাস দুই প্রকাৰৰ। যেনে— ইতৰেতৰ দ্বন্দ্ব আৰু সমাহাৰ দ্বন্দ্ব।

ইতৰেতৰ দ্বন্দ্ব ঃ যি সমাসত সমস্যমান পদৰ বচন অনুসৰি সমস্তপদৰ বচন আৰু সমস্যমান পদৰ শেষৰ পদৰ লিঙ্গ অনুসৰি সমস্ত পদৰ লিঙ্গ নির্ণয় হয় তাক ইতৰেতৰ দ্বন্দ্ব বোলে। যেনে— শিৱঃ চ কেশৱঃ চ = শিৱকেশৱৌ; ৰামঃ চ লক্ষ্মণ ঃ চ সীতা চ = ৰামলক্ষ্মণসীতাঃ; নদী চ পর্ব্বতঃ চ = নদী-পর্ব্বতৌ। শিৱ আৰু কেশৱ (শিৱকেশৱৌ) ইয়াৰ দ্বন্দ্ব সমাসত দ্বিবচন হৈছে। কাৰণ তাত দুজন আছে। নদী আৰু পর্বতৰ (নদী-পর্বতৌ) সমস্তপদ দ্বিবচন আৰু পুংলিঙ্গ। কাৰণ পর্ব্বত শব্দ পুংলিঙ্গ। কিন্তু ৰাম লক্ষ্মণ আৰু সীতাৰ দ্বন্দ্ব সমাসত সমস্তপদ বহুবচন আৰু স্ত্রীলিঙ্গৰ হৈছে। কাৰণ, তাত সীতা পদ সমস্যমান পদৰ ভিতৰত শেষত আছে।

সমাহাৰ দ্বন্দ্ব ঃ যি সমাসত ব্যাস বাক্যৰ পদৰ লগত সমস্ত পদৰ লিঙ্গ বা বচনৰ কোনো সম্বন্ধ নাথাকে তাক সমাহাৰ দ্বন্দ্ব বোলে। সমাহাৰ দ্বন্দ্বত সমস্ত পদটো সদায় ক্লীৱলিঙ্গৰ একবচনত ব্যৱহাৰ হয়।

ক) হস্ত, পদ আদি প্রাণীৰ অঙ্গবাচক, পটহ, মৃদঙ্গ আদি বাদ্যবাচক, পদাতি আদি সেনাবাচক আৰু ধনুর্বাণ আদি অস্ত্রবাচক শব্দৰ সমাহাৰ দ্বন্দ্ব হয়। যেনে—

অঙ্গবাচক = পাণি চ পাদৌ চ = পাণিপাদম্, কৰৌ চ চৰণে চ = কৰচৰণম্, কর্ণে চ নাসিকা চ = কর্ণনাসিকম্।

বাদ্যবাচক = শঙ্খঃ চ দুন্দুভিঃ চ = শঙ্খদুন্দুভি, ভেৰী চ পটহঃ চ = ভেৰীপটহম্; পটহঃ চ মৃদঙ্গঃচ = পটহমৃদঙ্গম্।

সেনাবাচক = সেনাবাচক পদবোৰ বহুবচনত থাকিলেহে সমাহাৰ দ্বন্দ্ব হ'ব। যদি একবচন বা দ্বিবচন থাকে তেন্তে ইতৰেতৰ দ্বন্দ্বহে হ'ব। যেনে— ৰথিকাঃ চ পদাতানি চ = ৰথিকাপাদাতম্; পাদাতানি চ বায়বানি চ = পাদাতবায়ৱম্। হস্তিনঃ চ অশ্বাঃ চ = হস্ত্যশ্বম্। কিন্তু ৰথঃ চ অশ্বঃ চ = ৰথাশ্বৌ (ইতৰেতৰ হৈছে)।

খ) যিবোৰ জন্তুৰ মাজত জন্মগত বিৰোধ বা শত্রুভাৱ থাকে, সেই জন্তুবোধক পদৰ সমাহাৰ দ্বন্দ্ব হয়। যেনে— অহয়ঃ চ নকুলাঃ চ = অহিনকুলম্; মার্জ্জাৰাঃ চ মূষিকাঃ চ = মার্জ্জাৰমূষিকম্।

গ) ব্যাসবাক্যৰ প্রত্যেকটো পদৰ লিঙ্গ যদি বেলেগ বেলেগ হয়, তেন্তে নদী, দেশ আৰু নগৰবাচক পদৰ সমাহাৰ দ্বন্দ্ব হয়। যেনে—

নদীবাচক = গঙ্গা চ শোণঃ চ = গঙ্গা-শোণম্, ব্রহ্মপুত্রঃ চ চন্দ্রভাগা চ = ব্রহ্মপুত্রচন্দ্রভাগম্; সিন্ধুঃ চ বিতস্তা চ = সিন্ধু বিতস্তম্।

দেশবাচক = মালৱঃ চ কুৰুক্ষেত্রং চ = মালৱ-কুৰুক্ষেত্রম্; কাশী চ প্রয়াগঃ চ = কাশী-প্রয়াগম্;

নগৰবাচক = গুৱাহাটী চ শিৱসাগৰঃ চ = গুৱাহাটী-শিৱসাগৰম্।

কিন্তু ব্যাস বাক্যত সমস্যমান পদবোৰ একেটা লিঙ্গত থাকিলে সমাহাৰ দ্বন্দ্ব নহবও পাৰে। যেনে— গঙ্গা চ যমুনা চ = গঙ্গা-যমুনে।

ঘ) পৰস্পৰ বিৰুদ্ধগুণৰ অদ্রব্যবাচক পদৰ সমাহাৰ দ্বন্দ্ব নহবও পাৰে। যেনেঃ- শীতং চ উষ্ণং চ = শীতোষ্ণং বহা শীতোষ্ণে।

ঙ) ধান্য, তৃণ, পশু, পক্ষিন্ আৰু বৃক্ষবাচক শব্দৰ বিকল্পতহে সমাহাৰদ্বন্দ্ব হয়। যেনে— গাৱঃচ মহিষাঃ চ = গোমহিষম্ বা গোমহিষাঃ; হংসাঃ চ সাৰসাঃ চ = হংস-সাৰসম্ বা হংস-সাৰসাঃ; ব্রীহয়ঃ চ যৱাঃ চ = ব্রীহিযৱম্ বা ব্রীহিযৱাঃ।



জানি থোৱা ভাল

১। **একশেষ**— সমান আকাৰৰ অনেক পদ একেটা বিভক্তি যুক্ত হ'লে মাত্র এটা পদ অৱশিষ্ট থাকে। সেই পদৰ একশেষ হলে অৱশিষ্ট পদ দ্বিবচনত হয় আৰু বহু পদৰ একশেষ হ'লে অৱশিষ্ঠ পদ বহু বচনত ব্যৱহাৰ হয় ("সৰূপাণামেকশেষ একবিভক্তৌ")। যেনে— বৃষভঃ চ বৃষভঃ চ = বৃষভৌ; কৃষ্ণঃ চ কৃষ্ণ ঃ চ = কৃষ্ণৌ, ফলং চ ফলং চ ফলং চ = ফলানি।

২। এক জাতিৰ বা এক আকৃতিৰ স্ত্রীলিঙ্গ বা পুংলিঙ্গবাচক শব্দৰ সমাস হলে পুংলিঙ্গ বাচক শব্দত সমস্যমান পদৰ যুক্ত বচন অনুসৰি বচনৰ প্রয়োগ হয়। যেনে— হংসঃ চ হংসী চ = হংসৌ, মাতা চ পিতা চ = পিতৰৌ; সঃ চ সা চ = তৌ, মাতা চ পিতা চ = মাতা-পিতাৰৌ ইতৰেতৰ দ্বন্দ্বও হয়।

৩। ক্লীৱলিঙ্গবাচক পদৰ লগত পুংলিঙ্গ বা স্ত্রীলিঙ্গ অথবা ক্লীৱ লিঙ্গৰ সমাস হ'লে, সমস্ত পদটো ক্লীৱলিঙ্গত সমস্যমান পদৰ যুক্ত বচন অনুসৰি হব নাইবা ক্লীৱলিঙ্গৰ একবচনৰ হব। যেনে— সুন্দৰঃ চ সুন্দৰী চ সুন্দৰং চ = সুন্দৰম্ বা সুন্দৰাণি; লোহিতঃ চ লোহিতা চ লোহিতং চ = লোহিতস্ বা লোহিতানি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ঃ দ্বন্দ্ব সমাস কাক বোলে লিখক।

.....

প্রশ্ন নং ১২ঃ দ্বন্দ্ব সমাস দুই প্রকাৰৰ। কথাটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ১৩ঃ তলত দিয়াবোৰৰ সমস্ত পদ কি হব লিখক—

অহয়ঃ চ নকুলাঃ চ; সঃ চ সা চ;

পাণি চ পাদৌ চ; গঙ্গা চ শোণঃ চ।

.....

প্রশ্ন নং ১৪ঃ ইতৰেতৰ দ্বন্দ্ব কাক বোলে লিখক।

.....

.....

৪.৫.৫ দ্বিগু সমাস

যি তৎপুৰুষ সমাসৰ পূর্বপদ সংখ্যাবাচক হয় তাক দ্বিগু সমাস বোলা হয়। ("সংখ্যাপূর্বো দ্বিগুঃ")। সমস্ত পদটো সাধাৰণতে একবচনত ব্যৱহাৰ হয় আৰু অর্থটোত সমাহাৰ অর্থ প্রকাশ পায় (আটাইবোৰক সামৰি)। যেনে— পঞ্চানাং ৰাত্রীণাং সমাহাৰঃ = পঞ্চৰাত্রম্ (একেলেঠাৰিয়ে পাঁচ ৰাতি)।

দ্বিগু সমাস তিনি প্রকাৰৰ। যেনে— তদ্বিতার্থদ্বিগু, উত্তৰপদদ্বিগু আৰু সমাহাৰ দ্বিগু।

তদ্বিতার্থ দ্বিগু ঃ পঞ্চভিঃ গোভিঃ ক্রীতঃ = পঞ্চগুঃ; (পাঁচটা গাইৰে কিনা)
যন্নাং মাতৃণাম্ অপত্যং পুমান্ = যন্মাতুৰঃ; (ছয়জনী মাতৃৰ পুত্র)
দ্বয়োঃ মাত্রোঃ অপত্যং পুমান্ = দ্বৈমাতুৰঃ। (দুজনী মাতৃৰ পুত্র)

উত্তৰ পদ দ্বিগু ঃ পঞ্চ হস্তাঃ প্রমাণং যস্য সঃ = পঞ্চহস্তপ্রমাণঃ (পাঁচহাত পৰিমাণৰ);
সপ্ত গাৱঃ ধনং যস্য = সপ্তগাৱধনঃ (সাতটা গৰুৰেই যাৰ ধন)

সমাহাৰ দ্বিগু ঃ সমাহাৰ দ্বিগুত পাত্র, ভুৱন, যুগ আদি শব্দৰ বাহিৰে আন অ-কাৰান্ত শব্দ ঈ-কাৰান্ত হয়। যেনে— ত্রয়াণাং লোকানাং সমাহাৰঃ = ত্রিলোকী; চতুর্ণাং পাদানাং সমাহাৰঃ = চতুষ্পদী (চাৰি ভৰিৰ সমাহাৰ); কিন্তু ত্রয়াণাং ভুৱনানাং সমাহাৰঃ = ত্রিভুৱনম্; (তিনিটা

ভুবনৰ সমাহাৰ) দশানাং গ্রামাণাং সমাহাৰঃ = দশগ্রামম্। (দহটা গাঁওৰ সমাহাৰ)

৪.৫.৬ কর্মধাৰয় সমাস

আপুনি দ্বিগু সমাসৰ কথা অধ্যয়ন কৰিলে। এতিয়া আপুনি কর্মধাৰয় সমাসৰ বিষয়ে জানিব পাৰিব।

যি তৎপুৰুষ সমাসত সমস্যমান পদসমূহ বিশেষ্য আৰু বিশেষণ হিচাপে যোগ হৈ এক অর্থ প্রতিপাদন কৰে তাক কর্মধাৰয় সমাস বোলে। দুটা বিশেষ্যপদৰ কর্মধাৰয় সমাস হ'ব নোৱাৰে। কর্মধাৰয় সমাসত সাধাৰণতে বিশেষণ পদ আগত বহে। যেনে— পৰমঃ পুৰুষঃ = পৰমপুৰুষঃ; উত্তমঃ বালকঃ = উত্তমবালকঃ।

কর্মধাৰয় সমাসত বিশেষ্যপদৰ লগত বিশেষণ পদৰ সমাস হয় ('বিশেষণং বিশেষ্যেণ বহুলম্') আৰু স্ত্রীলিঙ্গ বিশেষণ পদ পুংলিঙ্গৰ দৰে হয়। যেনে— নীলম্ উৎপলম্ = নীলোৎপলম্ ; বিদ্বান্ জনঃ = বিদ্বজ্জনঃ; সুন্দৰী মহিলা = সুন্দৰমহিলা; মহান্ ভুজঃ = মহাভূজঃ (কিন্তু মহদ্ভুজঃ = ষষ্ঠী তৎপুৰুষ); মহৎ ভয়ম্ = মহাভয়ম্ (কিন্তু মহতঃ ভয়ম্ = মহদ্ভয়ম্ পঞ্চমী তৎপুৰুষ)।

কেতিয়াবা কেতিয়াবা দুটা বিশেষণ পদৰো কর্মধাৰয় সমাস হয়। যেনে— পৰমঃ ধার্মিকঃ = পৰম-ধার্মিকঃ; কৃতংচ অকৃতং চ = কৃতাকৃতম্, নীলঃ চ লোহিতঃ চ = নীললোহিতঃ।

ক) **উপমান কর্মধাৰয় সমাস ঃ** যি বস্তুক তুলনা কৰা হয় তাক উপমিত বা উপমেয় বোলা হয়। যাৰ লগত তুলনা কৰা হয় তাক উপমান বোলা হয়। উপমেয় আৰু উপমানৰ মাজত সাধাৰণ গুণবাচক পদৰ লগত উপমানৰ যি সমাস হয় তাক উপমান কর্মধাৰয় সমাস বোলে ("উপমানানি সামান্যৱচনৈঃ")। যেনে— দুগ্ধম্ ইব ধৱলম্ = দুগ্ধধৱলম্, ঘনঃ ইব শ্যামঃ = ঘনশ্যামঃ; পর্ব্বতঃ ইব উন্নতঃ = পর্বতোন্নতঃ (পর্ব্বতৰ দৰে ওখ)।

খ) **উপমিত কর্মধাৰয় সমাস ঃ** "উপমিতং ব্যাঘ্রাদিভিঃ সামান্য। প্রয়োগে" অর্থাৎ একগুণ বিশিষ্ট পদৰ প্রয়োগ নহ'লে ব্যাঘ্র, সিংহ, শার্দূল, চন্দ্র, কমল, পল্লৱ, সুধাকৰ আদি উপমান বাচক পদৰ লগত উপমেয় পদৰ যি সমাস হয় তাক উপমিত কর্ম ধাৰয় সমাস বুলি কোৱা হয়। যেনে— পুৰুষঃ ব্যাঘ্রঃইব = পুৰুষব্যাঘ্রঃ, নৰঃ সিংহঃ ইব = নৰসিংহ, মুখম্ চন্দ্রঃ ইব = মুখচন্দ্রঃ, অধৰঃ কিসলয়ঃ ইব = অধৰকিসলয়ঃ (কিসলয়ৰ অর্থ হৈছে কুঁহিপাত, কোমল পাত)।

গ) **ৰূপক কর্মধাৰয় সমাস ঃ** উপমান আৰু উপমেয়ৰ মাজত যেতিয়া অভেদ বুলি ধাৰণা হয় তেতিয়া ৰূপক কর্মধাৰয় সমাস হয় ("উপমানোপমেয়োৰভেদে')।

ঘ) **মধ্যপদলোপী কর্মধাৰয় সমাস ঃ** যি কর্মধাৰয় সমাসত ব্যাস বাক্যৰ মাজৰ পদটো

লোপ হয় তাক মধ্যপদলোপী কর্মধাৰয় সমাস বোলে। যেনে— ব্যাকৰণং নাম শাস্ত্রম্ = ব্যাকৰণশাস্ত্রম্; সিংহচিহ্নিতম্ আসনম্ = সিংহাসনম্, মধ্যপদলোপী কর্মধাৰয় সমাসৰ আন এটা নাম শাক পার্থিৱাদিসমাসঃ (শাকপ্রিয়ঃ পার্থিৱঃ = শাকপার্থিৱঃ)

সংখাবাচক দশন্ (দহ) শব্দ পিছত থাকিলে, 'এক'ৰ ঠাইত একা, দ্বি-ৰ ঠাইত দ্বা, 'ত্রি'ৰ ঠাইত ত্রয়ঃ আৰু অষ্টন্ শব্দৰ ঠাইত অষ্ঠা হয়। যেনে— এক অধিকাদশ একাদশ (দহতকৈ এক বেচি), দ্বি অধিকা দশ দ্বাদশ (দহতকৈ দুই বেচি), অষ্ট অধিকা দশ অষ্টাদশ (দহতকৈ আঠ বেছি) ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৫ ঃ দুটা বিশেষ্য পদৰ কর্মধাৰয় সমাস হব পাৰে নে নোৱাৰে লিখক।

.....

প্রশ্ন ১৬ ঃ কোন কোন পদৰ মাজত কর্মধাৰয় সমাস হয় লিখক।

.....

প্রশ্ন ১৭ ঃ কর্মধাৰয় সমাসত বিশেষণ পদটো সাদাৰণতে আগত বহে নে পিছত বহে লিখক।

.....

প্রশ্ন ১৮ ঃ তলত দিয়াবোৰৰ সমস্ত পদ লিখক—

ঘনঃ ইব শ্যামঃ; মহান্ ভূজঃ, নীলম্ উৎপলম্।

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- সমাসে সদায় দুটা বা তাতোকৈ বেছি পদ লগ লগাই এটা পদ গঠন কৰে।
- সমাস বুজাবলৈ ব্যৱহাৰ কৰা প্রত্যেকটো পদক সমস্যমান পদ বা ব্যাস বাক্য বোলে।
- সমাস কৰিলে যিটো পদ হয় তাক সমস্ত পদ বোলে।
- তৎপুৰুষ আৰু দ্বন্দ্ব সমাসত সমস্যমান পদৰ ভিতৰত থকা আটাইতকৈ শেষৰ পদৰ লিঙ্গ অনুসৰি সমস্তপদৰ লিঙ্গ নির্ণয় হয়।

- বহুব্রীহি সমাসত যি কেইটা পদেৰে সমাস কৰা হয়, সমস্তপদত সেইবোৰৰ গাইগোটীয়া অর্থৰ সলনি অন্য পদার্থকহে বুজায়।
- কর্মধাৰয় সমাসত কেতিয়াও দুটা বিশেষ্য পদৰ সমাস নহয়।
- বিশেষণ আৰু বিশেষ্যৰ মাজতহে কর্মধাৰয় সমাস হয়। তাত বিশেষণ পদটো আগত বহে।
- কেতিয়াবা কেতিয়াবা দুটা বিশেষণৰো কর্মধাৰয় সমাস হয়।



১০.৭ অধিক জানিবলৈ

১) ভট্টাচার্য্য, হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*, গুৱাহাটী ঃ বৰুৱা এজেন্সি।

২) ভদ্র, সুধেন্দ্র মোহন (১৯৭৪); *সংস্কৃত ব্যাকৰণ ও ৰচনা চয়ন*, গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন লিমিটেড।

৩) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র; *সমগ্র ব্যাকৰণ— কৌমুদী*, কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড্।



১০.৮ অগ্রগতি খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ হয়।

২নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া দুটা বা তাতোকৈ বেছি পদ লগ লগাই এটা পদ গঠন কৰা হয়, তেতিয়া তাক সমাস বোলে।

৩নং প্রশ্নৰ উত্তৰ ঃ তৃতীয়া তৎপুৰুষ, চতুর্থী তৎপুৰুষ, পঞ্চমী তৎপুৰুষ, ষষ্ঠী তৎপুৰুষ সমাস।

৪নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫নং প্রশ্নৰ উত্তৰ ঃ শেষত থকা পদৰ লিঙ্গৰ দৰে হয়।

৬নং প্রশ্নৰ উত্তৰ ঃ পিতৃসমঃ বন্ধুঃ নাস্তি। মাসদেয়ং ধনং সদা সময়ে যচ্ছেৎ।

৭নং প্রশ্নৰ উত্তৰ ঃ অনেক পদ লগ লগাই যেতিয়া আন এটা পদৰ অর্থ প্রকাশ কৰা হয় তেতিয়া তাক বহুব্রীহি সমাস বোলা হয়।

৮নং প্রশ্নৰ উত্তৰ ঃ যি বহুব্রীহি সমাসৰ ব্যাস বাক্যবোৰত বেলেগ বেলেগ লিঙ্গ, বচন আৰু বিভক্তিৰ ব্যৱহাৰ হয় সেইটোৱেই ব্যধিকৰণ বহুব্রীহি।

৯নং প্রশ্নৰ উত্তৰ ঃ পদ্মনাভঃ, সুগন্ধিঃ, সপুত্রঃ বা সহপুত্রঃ, দত্তৰত্নঃ।

১০নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১১নং প্রশ্নৰ উত্তৰ ঃ 'চ' অব্যয়ৰদ্বাৰা সংযাজিত দুটা বা তাতোকৈ বেছি পদ লগ লাগি যি সমাস হয় তাক দ্বন্দ্ব সমাস বোলে।

১২নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১৩নং প্রশ্নৰ উত্তৰ ঃ অহিনকুলম্; তৌ; পাণিপাদম্, গঙ্গশোণঃ।

১৪নং প্রশ্নৰ উত্তৰ ঃ যি সমাসত সমস্যমান পদৰ বচন অনুসৰি সমস্ত পদৰ বচন আৰু সমস্যমান পদৰ শেষৰ পদৰ লিঙ্গ অনুসৰি সমস্ত পদৰ লিঙ্গ নির্ণয় হয় তাক ইতৰেতৰ দ্বন্দ্ব বোলে।

১৫নং প্রশ্নৰ উত্তৰ ঃ নোৱাৰে।

১৬নং প্রশ্নৰ উত্তৰ ঃ বিশেষণ আৰু বিশেষ্য পদৰ মাজত।

১৭নং প্রশ্নৰ উত্তৰ ঃ আগত বহে।

১৮নং প্রশ্নৰ উত্তৰ ঃ ঘনশ্যামঃ; মহাভুজঃ, নীলোৎপলম্।



১০.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সমাস কাক বোলে আৰু ই কেইপ্রকাৰৰ লিখক।

প্রশ্ন ২ ঃ মহদ্ভুজঃ আৰু মহাভুজঃৰ মাজত পার্থক্য লিখক।

প্রশ্ন ৩ ঃ কর্মধাৰয় সমাস কাক বোলে উদাহৰণ দি বুজাই লিখক।

প্রশ্ন ৪ ঃ পাণিপাদম্, ৰাজপুৰুষঃ, শূলপাণিঃ, বিদিতধর্মনা —এইবোৰৰ ব্যাসবাক্যেৰে সৈতে সমাসৰ নাম লিখক।

প্রশ্ন ৫ ঃ সমানাধিকৰণ বহুব্রীহি কাক বোলে বুজাই লিখক।

*** ***** ***

অধ্যায় ১১ ঃ কৃৎ প্রত্যয়

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ প্রত্যয়ৰ শ্রেণীবিভাগ

১১.৪ কৃৎ প্রত্যয়সমূহ

- ১১.৪.১ ক্ত্বাচ্ আৰু ল্যপ্ প্রত্যয়
- ১১.৪.২ ক্ত আৰু ক্তৱতু প্রত্যয়
- ১১.৪.৩ তুমুন্ প্রত্যয়
- ১১.৪.৪ শতৃ আৰু শানচ্ প্রত্যয়
- ১১.৪.৫ ক্বসু আৰু কানচ্ প্রত্যয়
- ১১.৪.৬ স্যতৃ আৰু স্যমান প্রত্যয়
- ১১.৪.৭ কৃত্য প্রত্যয়

১১.৫ সংক্ষিপ্ত প্রত্যয় সূচী

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্রগতিৰ খতিয়ান

১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রত্যয় সম্বন্ধে সামান্য ধাৰণা লাভ কৰিব পাৰিব
- প্রত্যয়ৰ বিভাগ সম্বন্ধে জ্ঞান লাভ কৰিব
- কৃৎ প্রত্যয়সমূহৰ বিষয়ে অৱগত হ'ব পাৰিব
- প্রত্যয়ান্ত শব্দবোৰৰ আকৃতিগত পৰিৱর্তনসমূহৰ বিষয়েও জ্ঞান লাভ কৰিব।


১১.২ পৰিচয়

ইতিমধ্যে ইয়াৰ আগৰ অধ্যায়সমূহত আপুনি প্রত্যয় সম্বন্ধে কিছু পৰিমাণে অৱগত হৈছে। সংস্কৃত ভাষাৰ ধাতু আৰু প্রাতিপদিকজনিত শব্দসমূহত সাধাৰণতে কিছুমান বর্ণ অথবা বর্ণসমষ্টি যোগ হয়। ধাতুৰ পিছত যোগ হোৱা তি, তস্, অন্তি আদি আৰু প্রাতিপদিকৰ পিছত যোগ হোৱা সু, ঔ, জস্, আদি বিভক্তিসমূহৰ বিষয়ে আপুনি ইতিমধ্যে অৱগত হৈ আহিছে।

ধাতু আৰু প্ৰাতিপদিকৰ পিছত বিভক্তিৰ চিনসমূহ যোগ হোৱাৰ নিচিনাকৈ, এইবোৰৰ পিছত সংস্কৃত ভাষাত আৰু কিছুমান চিন যোগ হয়, যাক প্ৰত্যয় বুলি কোৱা হয়। এই প্ৰত্যয়সমূহ যোগ হৈ একো একোটা নতুন শব্দ সাধিত হয়। এই প্ৰত্যয়সমূহ বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা হয়।

ধাতুৰ পিছত যোগ হোৱা প্ৰত্যয়সমূহক কৃৎ প্ৰত্যয় আৰু প্ৰাতিপদিকৰ পিছত যোগ হোৱা প্ৰত্যয়সমূহক তদ্ধিত প্ৰত্যয় বোলে। এই অধ্যায়টিত আপুনি কৃৎ প্ৰত্যয়ৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব।

১১.৩ প্ৰত্যয়ৰ শ্ৰেণীবিভাগ



প্ৰত্যয়সমূহক সাধাৰণতে পাঁচ প্ৰকাৰত ভাগ কৰা হৈছে। এই বিভাগকেইটা হ'ল— বিভক্তি প্ৰত্যয়, কৃৎ প্ৰত্যয়, তদ্ধিত প্ৰত্যয়, স্ত্ৰীপ্ৰত্যয় আৰু ধাত্ববয়ৱ।

বিভক্তি প্ৰত্যয় ঃ ধাতুৰ পিচত তি, তস্ (ঃ), অন্তি আদি আৰু প্ৰাতিপদিকৰ পিচত সু (ঃ), ঔ, জস্ (অঃ) আদি যিবোৰ প্ৰত্যয় যোগ হয়, তাকে বিভক্তি প্ৰত্যয় বোলে। যেনে— ভূ + তি = ভৱতি; নৰ + সু (ঃ) = নৰঃ।

কৃৎ প্ৰত্যয় ঃ ধাতুৰ পিচত তব্য, ক্ত্বাচ্, ল্যপ্ আদি যিবোৰ প্ৰত্যয় যোগ কৰা হয়, তাকে কৃৎ প্ৰত্যয় বোলা হয়। যেনে— কৃ + তব্য = কৰ্তব্যম্।

তদ্ধিত প্ৰত্যয় ঃ প্ৰাতিপদিকৰ পিচত যিবোৰ প্ৰত্যয় যোগ কৰা হয়, তাকে তদ্ধিত প্ৰত্যয় বোলে। যেনে— বুদ্ধি + মতুপ্ = বুদ্ধিমৎ (বুদ্ধিমান), মেধা + ৱিনি = মেধাৱিন্ (মেধাৱী)।

স্ত্ৰী প্ৰত্যয় ঃ স্ত্ৰীলিঙ্গ বুজাবলৈ টাপ্ (আ), ঙীপ্ (ঈ) আদি যিবোৰ প্ৰত্যয়ৰ যোগ হয়, তাকে স্ত্ৰী-প্ৰত্যয় বোলে। যেনে— অজ্ + টাপ্ = অজা (মাইকী ছাগলী), দেৱ + ঙীপ্ = দেৱী।

ধাত্ববয়ৱ ঃ ধাতুৰ পিচত ই (নিচ্), স (সন্) আদি আৰু প্ৰাতিপদিকৰ পিচত য, কাম্য আদি যিবোৰ প্ৰত্যয় যোগ হয়, তাকে ধাত্ববয়ব (Parts of Root) বোলে। যেনে— শ্রু + ণিচ্ (ই) = শ্রাবি; পুত্র + কাম্য + তি = পুত্রকাম্যতি।

১১.৪ কৃৎ প্ৰত্যয়সমূহ

সংস্কৃত ব্যাকৰণত বিভিন্ন ধৰণৰ কৃৎপ্ৰত্যয়ৰ উল্লেখ পোৱা যায়। সেইবোৰ হ'ল— ক্ত্বাচ্, ল্যপ্, ক্ত, ক্তবতু, তুমুন, শতৃ, শানচ্, ক্বসু, কানচ্, স্যতৃ, স্যমান, কৃত্য আৰু অন্যান্য বহুতো। এই আটাইবোৰ প্ৰত্যয় এতিয়া আপুনি উদাহৰণৰ সৈতে তলত পৰ্য্যায়ক্ৰমে অধ্যয়ন কৰিব পাৰিব। প্ৰথমে ক্ত্বাচ্ আৰু ল্যপ্ প্ৰত্যয়ৰ বিষয়ে উল্লেখ কৰা হৈছে।

১১.৪.১ ক্ত্বাচ্ আৰু ল্যপ্ (যপ্) প্রত্যয় (Indeclinable Part Participles)

১) একেটা কর্ত্তাই দুটা ক্রিয়া কৰা বুজালে, আগতে সম্পাদন হোৱা ক্রিয়া বুজোৱা ধাতুটোৰ পিছত ক্ত্বাচ্ প্রত্যয় যোগ হয়। যেনে— বালকঃ বিদ্যালয়ং গত্বা (গম্ + ক্ত্বাচ্) পঠতি। বাক্যটোত থকা 'বালক' কর্ত্তাটোৱে 'যোৱা' আৰু 'পঢ়া' এই দুয়োটা কার্য্যই সম্পাদনা কৰিছে। ইয়াৰে ভিতৰত আগেয়ে সম্পাদন হোৱা 'যোৱা' বুজোৱা 'গম্' ধাতুৰ অন্তত ক্ত্বাচ্ প্রত্যয় যুক্ত হৈছে।

২) একেটা অর্থতে ধাতুৰ পিছত ল্যপ্ প্রত্যয়ো প্রয়োগ হয়, যদি ধাতুটোৰ আগত উপসর্গ অথবা আন কোনো উপপদ থাকে। যেনে— বালকঃ গুৰুং প্রণম্য (প্র - নম্ + ল্যপ্) পাঠং পঠতি। ('প্র' উপসর্গ, 'নম্' ধাতু আৰু 'ল্যপ্'টো প্রত্যয়)।

৩) ক্ত্বাচ্ প্রত্যয়টোৰ অকল 'ত্বা' অংশটোহে শব্দটোৰ পিছত থাকে। যেনে— দা + ক্ত্বাচ্ = দত্বা। আনহাতে ল্যপ্ প্রত্যয়টোৰ মাথোন 'য়' থাকে। যেনে— আ - দা + ল্যপ্ = আদায়। ('আ' উপসর্গ, 'দা' ধাতু আৰু ল্যপ্ টো প্রত্যয়)।

৪) নিষেধ অর্থ বুজোৱা অলং আৰু খলু শব্দৰ যোগত বিকল্পে ক্ত্বাচ্ প্রত্যয় হয়। যেনে— অলং ভূক্ত্বা, খলু গত্বা (যোৱাৰ দৰকাৰ নাই)

৫) নিষেধার্থক নঞ্ আগত থাকিলে ল্যপ্ৰ সলনি 'ক্ত্বাচ্' হে হয়। যেনে— ন কৃত্বা = অকৃত্বা, ন গত্বা = অগত্বা।

৬) ক্ত্বাচ্ আৰু ল্যপ্ প্রত্যয়ান্ত শব্দবিলাক অব্যয় আৰু অসমাপিকা ক্রিয়াৰূপে ব্যৱহাৰ কৰা হয়। গতিকে এই শব্দবিলাকৰ শব্দৰূপ কৰিব নোৱাৰি।

৭) তলত কেইটামান ক্ত্বাচ্ আৰু ল্যপ্ প্রত্যয়ান্ত শব্দ উদাহৰণৰ বাবে দিয়া হ'ল—

ক্ত্বাচ্	ল্যপ্
কৃ +ক্ত্বাচ্ = কৃত্বা	উপ - কৃ +ল্যপ্ = উপকৃত্য
গম্ +ক্ত্বাচ্ = গত্বা	উপ - গম্ +ল্যপ্ = উপগম্য/উপগত্য
ভূ +ক্ত্বাচ্ = ভূত্বা	উপ - ভূজ্ +ল্যপ্ = উপভোগ্য
ভুজ্ +ক্ত্বাচ্ = ভুক্ত্বা	প্র - নম্ + ল্যপ্ = প্রণম্য/প্রণত্য
পা +ক্ত্বাচ্ = পীত্বা	প্র - বদ্/বচ্ +ল্যপ্ = প্রোচ্য
স্থা +ক্ত্বাচ্ = স্থিত্বা	আ - দা + ল্যপ্ = আদায়
দৃশ্ +ক্ত্বাচ্ = দৃষ্ট্বা	বি - জ্ঞা + ল্যপ্ = বিজ্ঞায়
প্রচ্ছ্ +ক্ত্বাচ্ = পৃষ্ট্বা	প্র - বিশ্ + ল্যপ্ = প্রৱিশ্য
শ্রু +ক্ত্বাচ্ = শ্রুত্বা	আ - নী + ল্যপ্ = আনীয়
লভ্ +ক্ত্বাচ্ = লব্ধ্বা	প্র - আপ্ + ল্যপ্ = প্রাপ্য
দা +ক্ত্বাচ্ = দত্বা	আ - গম্ + ল্যপ্ = আগম্য/আগত্য
দহ্ +ক্ত্বাচ্ = দগ্ধ্বা	আ - হেব + ল্যপ্ = আহূয়

হন্ +ক্ত্বাচ্ = হত্বা	উৎ - স্থা + ল্যপ্ = উত্থায়
চিন্তি +ক্ত্বাচ্ = চিন্তয়িত্বা	পৰি - গ্রহ্ + ল্যপ্ = পৰিগৃহ্য
পঠ্ +ক্ত্বাচ্ = পঠিত্বা	অধি - ই + ল্যপ্ = অধীত্য
গ্রহ্ +ক্ত্বাচ্ = গৃহীত্বা	আ - শ্রি + ল্যপ্ = আশ্রিত্য
মৃ +ক্ত্বাচ্ = মৃত্বা	বি - জি + ল্যপ্ = বিজিত্য
বচ্ +ক্ত্বাচ্ = উক্ত্বা	আ - লোচ্ + ণিচ্ (লোচি) + ল্যপ্ = আলোচ্য
বদ্ +ক্ত্বাচ্ = উদিত্বা	অধি - ই + ণিচ্ (আপি) + ল্যপ্ = অধ্যাপ্য
বস্ +ক্ত্বাচ্ = উষিত্বা	অব - লোক্ + ণিচ্ (লোকি) + ল্যপ্ = অবলোক্য
বহ্ +ক্ত্বাচ্ = উঢ্বা	বি - ৰম্ + ণিচ্ + ল্যপ্ = বিৰম্য
যজ্ +ক্ত্বাচ্ = ইষ্ট্বা	সম - আপ্ + ণিচ্ + ল্যপ্ = সমাপ্য
স্বপ্ +ক্ত্বাচ্ = সুপ্ত্বা	
ন +জ্ঞা +ক্ত্বাচ্ = অজ্ঞাত্বা	

জানি থোৱা ভাল

১। বচ্, বদ্, বস্, বহ্ আদি ধাতুৰ ক্ত্বাচ্ প্রত্যয়ৰ যোগত 'ৱ'ৰ ঠাইত 'উ' আৰু যজ্ ধাতুৰ 'য'ৰ ঠাইত ই হয়। যেনে— বচ্ +ক্ত্বাচ্ = উক্ত্বা, যজ্ +ক্ত্বাচ্ = ইষ্ট্বা।



২। ল্যপ্ প্রত্যয়ৰ যোগত 'ণিচ্' প্রত্যয়ৰ 'ই'ৰ লোপ হয়। যেনে— আ - লোচ্ + নিচ্ লোচি) + ল্যপ্ = আলোচ্য।

১। ল্যপ্ প্রত্যয় পিছত থাকিলে হন্ (হত্যা কৰা) ধাতুৰ অন্তত থকা ন-কাৰৰ ঠাইত ত-কাৰ হয়। যেনে— নি - হন্ + ল্যপ্ = নিহত্য।

১১.৪.২ ক্ত আৰু ক্তৱতু প্রত্যয়

এতিয়া আপুনি 'ক্ত' আৰু 'ক্তবতু' প্রত্যয়ৰ বিষয়ে অধ্যয়ণ কৰিব পাৰিব।

১) অতীতকাল বুজাবলৈ ধাতুৰ পিছত ক্ত আৰু ক্তৱতু প্রত্যয় প্রয়োগ কৰা হয়।

২) এই দুয়োটা প্রত্যয়কে সাধাৰণতে একেলগে 'নিষ্ঠা' বুলি কোৱা হয়।

৩) ক্ত প্রত্যয়টোৰ অকল 'ত'হে থাকে। যেনে— নী + ক্ত = নীত। আনহাতে ক্তৱতু প্রত্যয়ৰ কেৱল 'তবৎ'হে থাকে। যেনে— নী + ক্তৱতু = নীতবৎ।

৪) সাধাৰণতে অতীত কালত কর্মবাচ্য আৰু ভাৱৰাচ্যত ক্ত প্রত্যয় প্রয়োগ কৰা হয়, আৰু কর্ত্তৃবাচ্যত ক্তৱতু প্রত্যয় কৰা হয়।

৫) ক্ত আৰু ক্তৱতু প্রত্যয়ান্ত শব্দ ক্রিয়া অর্থত সমাপিকা ক্রিয়াৰ দৰে হ'লেও, প্রয়োগ কৰাৰ ক্ষেত্রত ইয়াক সাধাৰণতে বিশেষণ শব্দৰ দৰেহে প্রয়োগ কৰা হয়।

৬) ক্তৱতু প্রত্যয়ান্ত শব্দ 'বুদ্ধিমৎ' শব্দৰ দৰে ৰূপ হ'ব। ক্ত প্রত্যয়ান্ত শব্দৰ ৰূপ পুংলিঙ্গ আৰু ক্লীৱলিঙ্গত সাধাৰণ অ-কাৰান্ত (যেনে— নৰ, দেৱ ইত্যাদি) শব্দৰ দৰে হয়। স্ত্রীলিঙ্গত আ-কাৰান্ত (যেনে— লতা) শব্দৰ দৰে হয়।

৭) ক্ত আৰু ক্তৱতু প্রত্যয়যুক্ত শব্দ যিহেতু বিশেষণ শব্দৰ দৰে প্রয়োগ কৰা হয়, গতিকে এই শব্দবোৰ যিটো বিশেষ্য পদৰ লগত সম্বন্ধিত হয়, সেই বিশেষ্য পদটোত থকা বিভক্তি, লিঙ্গ আৰু বচন অনুসৰণ কৰে।

৮) **উদাহৰণ—**

কর্ত্তৃবাচ্যত- পুংলিঙ্গত ঃ অহং চৌৰং ধৃতৱান্ (মই চোৰটো ধৰিছিলো) (ধৃ + ক্তৱতু + পুংলিঙ্গ প্রথমা একবচন)। ইয়াত কর্ত্তা 'অহং' পদটোৰ সৈতে 'ধৃতবৎ' পদটো সংযোগ হৈছে। 'অহং' পদটো পুলিঙ্গ বুলি ধৰি লোৱা হৈছে আৰু ই প্রথমা বিভক্তিৰ একবচনত আছে। গতিকে, ধৃতবৎ শব্দটোৰো পুংলিঙ্গৰ প্রথমা বিভক্তিৰ একবচনৰ ৰূপে ধৃতবান্ ইয়াত প্রয়োগ কৰা হৈছে।

স্ত্রীলিঙ্গত ঃ বৃক্ষস্য ছায়া ভূমৌ পতিতৱতী (গছৰ ছাঁ মাটিত পৰিছিল) (পৎ + ক্তৱতু + স্ত্রীলিঙ্গ প্রথমা একবচন)। ইয়াত 'ছায়া' শব্দটোৰ সৈতে পতিতবৎ —এই ক্তৱতু প্রত্যয়ান্ত শব্দটোৰ সংযোগ কৰা হৈছে। 'ছায়া' শব্দটো স্ত্রীলিঙ্গ আৰু ইয়াত প্রথমা বিভক্তিৰ একবচনত প্রযুক্ত হৈছে। গতিকে পতিতবৎ শব্দটো প্রথমতে ঈ-কাৰান্ত কৰি আৰু 'নদী' শব্দৰ দৰে ৰূপ কৰি প্রথমা বিভক্তিৰ একবচনত পতিতবতী কৰা হৈছে।

ক্লীৱলিঙ্গত ঃ বৃক্ষাৎ পুষ্পং পতিতবৎ (গছৰ পৰা ফুল সৰিছিল) (পৎ + ক্তৱতু + ক্লীৱলিঙ্গ, প্রথমা একবচন)। ইয়াত 'পুষ্প' শব্দটোৰ লগত ক্তৱতু প্রত্যয়ান্ত শব্দ পতিতবৎ শব্দটো সংযুক্ত হৈ আছে। 'পুষ্প' শব্দটো ক্লীৱলিঙ্গ আৰু ইয়াত প্রথমা বিভক্তিৰ একবচনত প্রয়োগ কৰা হৈছে। সেয়েহে পতিতবৎ শব্দটোৰ ক্লীৱলিঙ্গ কৰি ইয়াৰ প্রথমা বিভক্তিৰ একবচনৰ ৰূপ পতিতবৎ কৰা হৈছে।

কর্মবাচ্য - পুলিঙ্গত ঃ ময়া চৌৰঃ ধৃতঃ (মোৰ দ্বাৰা চোৰটো ধৰা হৈছিল) (ধৃ + ক্ত + পুংলিঙ্গ, প্রথমা একবচন)। ইয়াত ক্ত প্রত্যয়ান্ত শব্দ 'ধৃত' পদটো চৌৰ এই বিশেষ্য পদটোৰ সৈতে সংযোজিত। 'চৌৰ' শব্দটো পুংলিঙ্গ প্রথমা বিভক্তিৰ একবচনত প্রযুক্ত হৈছে। গতিকে ধৃত পদটোও অকাৰান্ত পুংলিঙ্গ শব্দ 'নৰ'ৰ দৰে প্রথমা বিভক্তিৰ একবচনত প্রযুক্ত হৈছে।

স্ত্রীলিঙ্গত ঃ ময়া লতা ধৃতা (মোৰ দ্বাৰা লতাডাল ধৰা হৈছিল) (ধৃ + ক্ত + স্ত্রীলিঙ্গ, প্রথমা একবচন)। ইয়াত ধৃতা পদটো লতা পদটোৰ লগত সংযোজিত হৈছে। লতা-এই বিশেষ্য পদটো আ-কাৰান্ত স্ত্রীলিঙ্গ আৰু ই প্রথমা বিভক্তিৰ একবচনত আছে। সেইকাৰণে ধৃত শব্দটো প্রথমতে আ-কাৰান্ত স্ত্রীলিঙ্গ কৰি লৈ, ইয়াক প্রথমা বিভক্তিৰ একবচনৰ ৰূপ দিয়া হৈছে।

ক্লীৱলিঙ্গত ঃ ময়া পুস্তকং ধৃতম্ (মোৰ দ্বাৰা কিতাপখন ধৰা হৈছিল) (ধৃ + ক্ত + ক্লীৱলিঙ্গ, প্রথমা একবচন)। ইয়াত ক্ত প্রত্যয়ান্ত 'ধৃত' পদটোৰ সৈতে পুস্তক পদটোৰ অর্থ সম্বন্ধ হৈছে। পুস্তক শব্দটো ক্লীৱলিঙ্গ আৰু ইয়াত প্রথমা বিভক্তিৰ একবচনত আছে। সেয়েহে ধৃত পদটোত অ-কাৰান্তক্লীৱলিঙ্গৰ (যেনে— ফলম্ শব্দ) দৰে ৰূপ কৰি প্রথমা বিভক্তিৰ একবচনত বহুওৱা হৈছে।

ভাৱবাচ্যত ঃ ক্ত প্রত্যয়ান্ত শব্দ সমাপিকা ক্রিয়াৰ দৰে প্রয়োগ হ'লে, সদায় ক্লীৱলিঙ্গৰ একবচনত প্রযুক্ত হয়। যেনে— তেন হসিতম্ (হস্ + ক্ত ক্লীৱলিঙ্গ, প্রথমা একবচন)।

ক্ত আৰু ক্তৱতু প্রত্যয়ান্ত শব্দৰ উদাহৰণ

(পুংলিঙ্গৰ প্রথমাৰ একবচনত প্রয়োগ)

ধাতু	ক্ত	ক্তৱতু
অদ্	জগ্ধঃ	জগ্ধৱান্
অস্	ভূতঃ	ভূতৱান্
গম্	গতঃ	গতৱান্
গৈ	গীতঃ	গীতৱান্
গ্রহ্	গৃহীতঃ	গৃহীতৱান্
জন্	জাতঃ	জাতৱান্
দা	দত্তঃ	দত্তৱান্
পা	পীতঃ	পীতৱান্
ভুজ্	ভুক্তঃ	ভুক্তৱান্
ভূ	ভূতঃ	ভূতৱান্
ৱহ্	ঊঢ়	ঊঢ়ৱান্
স্নিহ্	স্নিগ্ধঃ	স্নিগ্ধৱান্
স্থা	স্থিতঃ	স্থিতৱান্



জানি থোৱা ভাল

বাচ্য (Voice Change) ঃ সংস্কৃতত মুখ্যভাৱে তিনি প্রকাৰৰ বাচ্য আছে। সেইবোৰ হৈছে কর্তৃবাচ্য (Active voice), কর্মবাচ্য (Passive voice) আৰু ভাৱবাচ্য (Neuter voice)। ইয়াৰ উপৰি আন এক প্রকাৰৰ বাচ্যও পোৱা যায়। সেইবিধ হৈছে— কর্মকর্তৃবাচ্য (Passive Active voice)। তলত সংক্ষেপতে বাচ্যকেইবিধৰ বিষয়ে আলোচনা কৰা হ'ল—

১। **কর্ত্তৃবাচ্য ঃ** যি বাচ্যৰ বাক্যত কর্ত্তাত প্রথমা বিভক্তি, কর্মত দ্বিতীয়া বিভক্তি আৰু ক্রিয়াটো কর্ত্তাৰ পুৰুষ তথা বচন অনুসৰি ব্যৱহাৰ হয়, তাকেই কর্ত্তৃবাচ্য বোলে। কর্ত্তৃবাচ্যত কর্ত্তাটোৱেই প্রধান। যেনে— সঃ চন্দ্রং পশ্যতি। ত্বং পয়ঃ পিবসি। তে নৃত্যন্তি। অহম্ অস্মি।

২। **কর্মবাচ্য ঃ** যি বাচ্যৰ কর্ত্তাত তৃতীয়া বিভক্তি, কর্মত প্রথমা বিভক্তি আৰু ক্রিয়াটো কর্মৰ পুৰুষ তথা বচন অনুযায়ী ব্যৱহাৰ কৰা হয়, তাকেই কর্মবাচ্য বোলে। কর্মবাচ্যত কর্মটোৱেই প্রধান। কর্মবাচ্যৰ ধাতু আত্মনেপদী হয় আৰু ধাতুৰ পিচত প্রায়ক্ষেত্রতে এটা 'য' কাৰ যোগ হয়। যেনে— তেন চন্দ্রো দৃশ্যতে। ময়া পুস্তকং পঠ্যতে। তাভ্যাং গ্রামা গম্যন্তে।

৩। **ভাৱবাচ্য ঃ** কর্ম নথকা ধাতুৰ পাছত ভাৱবাচ্যৰ প্রয়োগ হয়। এই বাচ্যৰ বাক্যত কর্ত্তাত তৃতীয়া বিভক্তি হয়। ক্রিয়াপদত তিঙ্ প্রত্যয়ান্ত পদৰ ক্ষেত্রত লট্ আদি লকাৰৰ আত্মনেপদৰ প্রথম পুৰুষৰ একবচন হয়। যেনে— শিশুনা হস্যতে, তৈঃ নৃত্যতে, ময়া ত্রস্যতে। আনহাতে কৃৎ প্রত্যয়ান্ত শব্দৰ যোগত ক্লীৱলিঙ্গৰ প্রথমা বিভক্তিৰ একবচনৰ ৰূপ প্রযুক্ত হয়। যেনে— তেন গতম্, তেন হসিতম্।

৪। **কর্মকর্ত্তৃবাচ্য ঃ** যি বাক্যত কর্মই নিজে কর্ত্তাৰ দৰে কার্য্য কৰা দেখা যায় আৰু ক্রিয়াৰ ৰূপ কর্মবাচ্যৰ দৰেই হয়, তাকেই কর্মকর্তৃবাচ্যৰ বাক্য বোলে। এই বাচ্যত কর্মই কর্ত্তা হিচাপে থাকে আৰু তাক কর্মকর্ত্তা বোলা হয়। এই কর্মটোত প্রথমা বিভক্তি হয়। ইয়াত ক্রিয়া আত্মনেপদী হয় আৰু প্রায়ক্ষেত্রতে ধাতুৰ পিচত 'য' কাৰ যোগ হয়। যেনে—

কর্ত্তৃবাচ্য — গজঃ বৃক্ষং ভিনত্তি (হাতীটোৱে গছডাল ভাঙিছে)

কর্মকত্তৃবাচ্য — বৃক্ষঃ স্বয়মেব ভিদ্যতে। (গছডাল নিজে নিজে ভাঙিছে)

কত্তৃবাচ্য — পাচকঃ ওদনং পচতি। (ৰান্ধনিয়ে ভাত বনাইছে)

কর্মকর্ত্তৃবাচ্য — ওদনঃ স্বয়মেব পচ্যতে। (ভাতখিনি নিজে নিজে ৰন্ধা হৈছে)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওকঃ

১) কৃত্বা ২) বিজ্ঞায় ৩) গৃহীত্বা ৪) গতঃ ৫) পীতৱান্

১১.৪.৩ তুমুন্

১) অসমীয়াৰ লৈ অর্থত সংস্কৃতত ধাতুৰ পিছত তুমুন্ প্রত্যয়ৰ প্রয়োগ কৰা হয়। বালকঃ বিদ্যালয়ং পঠিতুম্ (পঠ্ + তুমুন্) গচ্ছতি। (ল'ৰাজন বিদ্যালয়লৈ পঢ়িবলৈ যায়)।

২) তুমুন্ প্রত্যয়টোৰ মাথোন তুম্ থাকে।

৩) তুমুন্ প্রত্যায়ান্ত শব্দবিলাক অব্যয়।

৪) তুমুন্ প্রত্যয়ান্ত শব্দকেইটামানৰ উদাহৰণ—

পা + তুমুন্ = পাতুম্ (পান কৰিবলৈ) ই + তুমুন্ = এতুম্ (যাবলৈ)

গম্ + তুমুন্ = গন্তুম্ (যাবলৈ) কৃ + তুমুন্ = কর্ত্তুম্ (কৰিবলৈ)

খাদ্ + তুমুন্ = খাদিতুম্ (খাবলৈ) নী + তুমুন্ = নেতুম্ (লবলৈ)

ব্রূ, বচ + তুমুন্ = বক্তুম্ (কবলৈ) ভূজ্ + তুমুন্ = ভোক্তুম্ (ভোগ কৰিবলৈ, খাবলৈ)

সহ্ + তুমুন্ = সোঢুম্ (সহ্য কৰিবলৈ) হস্ + তুমুন্ = হসিতুম্ (হাঁহিবলৈ)

হৃ + তুমুন্ = হর্তুম্ (হৰণ কৰিবলৈ) গৈ + তুমুন্ = গাতুম্ (গাবলৈ)

১১.৪.৪ শতৃ আৰু শানচ্ (Present Participle)

ক) শতৃ প্রত্যয় ঃ

১) বর্তমান কাল আৰু অসমাপিকা কার্য্য বুজাবলৈ পৰস্মৈপদী ধাতুৰ পিছত, কর্ত্তৃবাচ্যৰ অর্থত শতৃ প্রত্যয়ৰ প্রয়োগ হয়।

২) শতৃ প্রত্যয়টোৰ কেৱল 'অৎ' অংশটোহে থাকে। যেনে— গম্ + শতৃ = গচ্ছৎ।

৩) শতৃ প্রত্যয়ান্ত শব্দ যদিও অসমাপিকা ক্রিয়া, তথাপি ই সাধাৰণতে কোনো এটা শব্দৰ বিশেষণ ৰূপেহে ব্যৱহাৰ কৰা হয়। যেনে— বালকঃ ধাবন্ (ধাব + শতৃ + প্রথমা একবচন) পঠতি (ল'ৰাটোৱে দৌৰি দৌৰি পঢ়িছে)। ইয়াত ধাবন্ শব্দটো বালক পদৰ বিশেষণ হিচাপে ব্যৱহৃত হৈছে।

৪) অসমীয়া ভাষাত ব্যৱহাৰ কৰা গৈ গৈ, নাচি নাচি, বহি থকা, দৌৰি থকা আদি অর্থ ব্যৱহাৰ কৰিবলৈ সংস্কৃতত শতৃ আৰু শানচ্ প্রত্যয়ৰ ব্যৱহাৰ কৰা হয়।

৫) শতৃ প্রত্যয়ান্ত শব্দবোৰ পুংলিঙ্গত 'গচ্ছৎ' শব্দৰ দৰে ৰূপ কৰি বাক্যত বিশেষণ ৰূপে ব্যৱহাৰ কৰা হয়। যেনে— অহং ধাবন্তং বালকং পশ্যামি (দ্বিতীয়া বিভক্তিৰ একবচনৰ ৰূপ)। স্ত্রীলিঙ্গত শতৃ প্রত্যয়ান্ত শব্দবোৰ 'নদী' শব্দৰ দৰে ৰূপ হয়। যেনে— গচ্ছন্তী স্ত্রী। আনহাতে ক্লীৱলিঙ্গত গচ্ছৎ শব্দৰ ক্লীৱলিঙ্গৰ দৰে ৰূপ কৰা হয়। যেনে— পতৎ ফলম্।

৬) **কেইটামান শতৃ প্রত্যয়ান্ত শব্দৰ উদাহৰণ—**

জি + শতৃ = জয়ৎ (পুলিঙ্গৰ প্রথমা একবচনত— জয়ন্)

দৃশ্ + শতৃ = পশ্যৎ, কৃ + শতৃ = কুর্বৎ, কৃ + নিচ্ + শতৃ = কাৰয়ৎ,

অচ্ + শতৃ = অর্চয়ৎ, ক্রীড়্ + শতৃ = ক্রীড়ৎ, গম্ + শতৃ = গচ্ছৎ

গৈ + শতৃ = গায়ৎ, চল্ + শতৃ = চলৎ, জ্ঞা + শতৃ = জানৎ
জীৱ + শতৃ = জীৱৎ, পা + শতৃ = পিবৎ, লিখ্ + শতৃ = লিখৎ
স্থা + শতৃ = তিষ্ঠৎ, চিন্ত্ + শতৃ = চিন্তয়ৎ, ইষ্ + শতৃ = ইচ্ছৎ

খ) শানচ্ প্রত্যয় ঃ

১) বর্তমান কালৰ আত্মনেপদী ধাতুৰ অন্তত অসমাপিকা কার্য্য বুজাবলৈ শানচ্ প্রত্যয় প্রয়োগ কৰা হয়। যেনে— পিতৰৌ সেৱমানাং কন্যাং পশ্য (মাক-দেউতাকক সেৱা কৰা ছোৱালীগৰাকীলৈ চোৱা)

২) শানচ্ প্রত্যয়টোৰ কেৱল 'আন' অংশটোহে থাকে। যেনে— শী + শানচ্ = শয়ান।

৩) কর্মবাচ্য আৰু ভাৱবাচ্যৰ সকলো ধাতুৰ পিচত সাধাৰণতে শানচ্ প্রত্যয়ৰ প্রয়োগ হয়।

৪) শানচ্ প্রত্যয়ান্ত শব্দবোৰ বিশেষণ শব্দ। কর্মবাচ্যত শানচ্ প্রত্যয়ান্ত শব্দবোৰ কর্মৰ বিশেষণ ৰূপে প্রযুক্ত হয়।

৫) শানচ্ প্রত্যয়ান্ত শব্দৰ পুংলিঙ্গত 'নৰ' শব্দৰ দৰে, স্ত্রীলিঙ্গত 'লতা' শব্দৰ দৰে আৰু ক্লীৱলিঙ্গত 'ফল' শব্দৰ দৰে ৰূপ কৰা হয়।

৬) ভ্বাদি, দিৱাদি, তুদাদি গণীয় ধাতুৰ পিচত 'শানচ্'ৰ 'আন'ৰ ঠাইত 'মান' হয়। যেনে— বৃৎ + শানচ্ = বর্তমান।

৭) **উদাহৰণ—**

ক) কৃ + শানচ্ = কুর্বান, ভূজ্ + শানচ্ = ভূঞ্জান, আস্ + শানচ্ = আসীন, অধি - ই + শানচ্ = অধীয়ান, গ্রহ্ + শানচ্ = গৃহ্মান, দা + শানচ্ = দদান, ধা + শানচ্ = দধান, ব্রূ + শানচ্ = ব্রুৱাণ, বস্ + শানচ্ = বসান

খ) বৃধ্ + শানচ্ = বর্দ্ধমান, মৃ + শানচ্ = ম্রিয়মান, বিদ্+ শানচ্ = বিদ্যমান, জন্+ শানচ্ = জায়মান, মন্ + শানচ্ = মন্যমান, নী + শানচ্ = নয়মান,

গ) সেৱ + শানচ্ = সেৱ্যমান, পঠ্ + শানচ্ = পঠ্যমান
(এইকেইটা কর্মবাচ্যৰ অর্থ প্রকাশক শানচ্ প্রত্যয়)

৮) উভয়পদী ধাতুৰ অন্তত শতৃ আৰু শানচ্ উভয় প্রত্যয়ৰে প্রয়োগ হয়। যেনে— বহ্ + শতৃ = ৱহৎ, বহ্ + শানচ্ = বহমান।

১১.৪.৫ ক্বসু আৰু কানচ্ (Perfect Participles)

১) অতীত কালৰ অর্থ বুজাবলৈ পৰস্মৈপদী ধাতুৰ পিছত ক্বসু আৰু আত্মনেপদী ধাতুৰ পিছত কানচ্ প্রত্যয় প্রয়োগ কৰা হয়।

২) ক্বসু প্রত্যয়ৰ মাথোন ৱস্ থাকে আৰু কানচ্ প্রত্যয়ৰ মাথোন 'আন' থাকে। যেনে— কৃ + ক্বসু = চকৃৱস্, কৃ + কানচ্ = চক্রাণ।

৩) ক্বসু আৰু কানচ্ প্রত্যয়ান্ত পদৰ বিশেষণৰ দৰে প্রয়োগ হয় আৰু ইহঁতক শব্দৰূপ কৰি প্রয়োগ কৰা হয়।

৪) ক্বসু প্রত্যয়ান্ত শব্দ পুংলিঙ্গত জগ্মিৱস (মৃত হোৱা জন) শব্দৰ দৰে হয়। যেনে— বনে জগ্মিৱাসন্ (হন্ + ক্বসু + প্রথমা একবচন) সিংহঃ হিংস্রঃ আসীৎ, স্ত্রীলিঙ্গত 'নদী' শব্দৰ দৰে ৰূপ হয়। যেনে— বনে উষিৱসী (ৱস্ + ক্বসু + প্রথমা একবচন) স্ত্রী সন্ন্যাসিনী আসীৎ আৰু ক্লীৱলিঙ্গত 'মনস্' শব্দৰ দৰে ৰূপ হয়। যেনে— বনে উষিৱঃ (ৱস্ + ক্বসু + প্রথমা একবচন)মিত্রম্ স্বল্পভাষী আসীৎ।

৫) কানচ্ প্রত্যয়ান্ত শব্দৰ ৰূপ সাধাৰণতে পুংলিঙ্গত 'নৰ' শব্দৰ দৰে হয়। যেনে— ববন্দানঃ (বন্দ্ + কানচ্) ছাত্রঃ, স্ত্রীলিঙ্গত আকাৰান্ত 'লতা' শব্দৰ দৰে হয়, যেনে— ববন্দানা ছাত্রী আৰু ক্লীৱলিঙ্গত 'ফলম্' শব্দৰ দৰে হয়, যেনে— বৱন্দানং কলত্রম্।

৬) ক্বসু আৰু কানচ্ প্রত্যয়ান্ত শব্দৰ কেইটামান উদাহৰণ—

ক্বসু	**কানচ্**
শ্রু = শুশ্রুৱস্	যুধ্ = যুযুধান
বিদ্ = বিবিদ্বস্	ৰুচ্ = ৰুৰুচান
কৃ = চকৃৱস্	বন্দ = ববন্দান
ই = ঈষিবস্শিক্ষ = শিশিক্ষাণ	
স্থা = তস্থিৱস্	ব্যথ্ = বিব্যথান
দা = দদিৱস্	সহ্ = সেহান
পা = পপিৱস্	কৃ = চক্রাণ
বচ্ = উচিৱস্	অনু - বচ্ = অনুচান
ৱস্ = উষিৱস্	
যজ্ = ইজিৱস্	
গম্ = জগ্মিৱস্/জগন্বস্	
হন্ = জঘ্নিৱস্ /জঘন্বস্	
দৃশ্ = দদৃশিৱস্ /দদৃশ্বস্	

১১.৪.৬ স্যতৃ আৰু স্যমান (Future Participles)

১) ভৱিষ্যত কালৰ অর্থ বুজাবলৈ পৰস্মৈপদী ধাতুৰ পিছত কর্ত্তৃবাচ্যত স্যতৃ প্রত্যয়ৰ প্রয়োগ হয়। আনহাতে আত্মনেপদী ধাতুৰ পিছত কর্ত্তৃবাচ্যৰ অর্থত স্যমান প্রত্যয়ৰ প্রয়োগ হয়। যেনে— ব্যাঘ্রং হনিষ্যন (হন্ + স্যতৃ + পুংলিঙ্গ প্রথমা বিভক্তি

একবচন) পুৰুষো ব্যাধেন সহ বনং নিৰিশতে। অত্র বর্তিষ্যমানঃ (বৃৎ + স্যমান + পুংলিঙ্গ প্রথমা একবচন) কিং কৰিষ্যসি?

২) স্যতৃ প্রত্যয়ৰ কেৱল 'স্যৎ' অংশটোহে থাকে। যেনে— যা + স্যতৃ = যাস্যৎ। আনহাতে স্যমান প্রত্যয়ৰ গোটেইখিনিয়েই থাকে। যেনে— বৃৎ + স্যমান্ = বর্তিষ্যমান।

৩) স্যতৃ আৰু স্যমান্ প্রত্যয়ান্ত শব্দবিলাক বিশেষণ শব্দ আৰু এইবোৰে প্রত্যয়ান্ত শব্দটোৰ সৈতে অর্থসম্পন্ন বিশেষ্য শব্দটোৰ লিঙ্গ, বিভক্তি আৰু বচন অনুকৰণ কৰে।

৪) স্যতৃ প্রত্যয়ান্ত শব্দৰ শব্দৰূপ ইতিমধ্যে আলোচনা কৰি অহা শতৃ প্রত্যয়ান্ত শব্দৰ দৰে হয়। স্যমান প্রত্যয়ান্ত শব্দৰ শব্দৰূপ পুংলিঙ্গত অ-কাৰান্ত 'নৰ' শব্দৰ দৰে হয় আৰু স্ত্রীলিঙ্গঁত আ-কাৰান্ত 'লতা' শব্দৰ দৰে হয়।

৫) ভৱিষ্যৎ কালৰ ধাতুৰ পিচত কর্মবাচ্যৰ অর্থত স্যমান প্রত্যয় হয়। এই প্রত্যয়টো আত্মনেপদী ধাতুৰ পিচত সাধাৰণতে ব্যৱহাৰ হয়।

৬) **উদাহৰণ—**

স্যতৃ	স্যমান
কৃ + স্যতৃ = কৰিষ্যৎ	বৃৎ + স্যমান = ৱর্ত্তিষ্যমান
ভূজ্ + স্যতৃ = ভোক্ষ্যৎ	সহ্ + স্যমান = সহিষ্যমান
পূজ্ + স্যতৃ = পূজয়িষ্যৎ	কৃ + স্যমান = কৰিষ্যমান
গম + স্যতৃ = গমিষ্যৎ	ৰুচ্ + স্যমান = ৰোচিষ্যমান
ভূ + স্যতৃ = ভৱিষ্যৎ	



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ তলত দিয়া প্রত্যয়ান্ত শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওক ঃ

১) পাতুম্ ২) পশ্যৎ ৩) কুর্বান

৪) তস্থিৱস্ ৫) বর্ত্তিষ্যমান

১১.৪.৭ কৃত্য প্রত্যয়

তব্য, অনীয়, যৎ, ণ্যৎ, ক্যপ্, কেলিম্

১) ওপৰোক্ত প্রত্যয়সমূহক একেলগে কৃত্য প্রত্যয় বুলি কোৱা হয়।

২) উচিত অর্থ, অনুজ্ঞা (আদেশ) আৰু ভৱিষ্যত কাল বুজাবলৈ কর্মবাচ্য আৰু ভাৱবাচ্যত এই প্রত্যয়বোৰ প্রয়োগ কৰা হয়।

৩) সাধাৰণতে বিধিলিঙৰ অর্থত এই প্রত্যয়বোৰ ব্যৱহাৰ কৰা হয়।

৪) সমাপিকা ক্রিয়াস্বৰূপে এই প্রত্যয়বোৰ ব্যৱহাৰ কৰিলেও, কিন্তু আচলতে এইবোৰ শব্দ বিশেষণ।

৫) কর্মবাচ্যত প্রয়োগ কৰা কৃত্য প্রত্যয়ান্ত শব্দবোৰ কর্মৰ বিশেষণ হয় আৰু এইবোৰ শব্দ পুংলিঙ্গত 'নৰ' শব্দৰ দৰে, স্ত্রীলিঙ্গত 'লতা' শব্দৰ দৰে আৰু ক্লীৱলিঙ্গত 'ফল' শব্দৰ দৰে হয়। আনহাতে ভাৱবাচ্যত প্রয়োগ কৰা কৃত্য প্রত্যয়ান্ত শব্দবোৰ কেৱল ক্লীৱলিঙ্গৰ একবচনতহে ৰূপ কৰা হয়। যেনে— কর্মবাচ্য — ময়া গ্রামো গন্তব্য (গম্ + তব্য) (মই গাঁৱলৈ যোৱা উচিত) ভাৱবাচ্য — ময়া স্থাতব্যম্ (স্থা + তব্য + প্রথমা একবচন, ক্লীৱলিঙ্গ)। (মই থকা উচিত)

৬) প্রত্যয়ান্ত শব্দবোৰৰ উদাহৰণ—

ক) তব্য ঃ ঔচিত্য অর্থত সকলো ধাতুৰ পাছত 'তব্য' প্রত্যয়ৰ প্রয়োগ হয়। যেনে - গম্ + তব্য = গন্তব্য, গম্ + নিচ্ + তব্য = গময়িতব্য, গ্রহ্ + তব্য = গ্রহীতব্য, দৃশ + তব্য = দ্রষ্টব্য, নী + তব্য = নেতব্য, পঠ্ + তব্য = পঠিতৱ্য, পূজ্ + তব্য = পূজয়িতব্য, পাল্ + তব্য = পালয়িতব্য।

খ) অনীয় ঃ তব্য প্রত্যয়ৰ অর্থতে 'অনীয়' প্রত্যয়ৰ প্রয়োগ কৰা হয়। যেনে— অর্চ + অনীয় = অর্চনীয়, কৃ + অনীয় = কৰণীয়, গম্ + অনীয় = গমনীয়, দৃশ্ + অনীয় = দর্শনীয়, পা + অনীয় = পানীয়, পাল্ + অনীয় = পালনীয়, পূজ্ + অনীয় = পূজনীয়, স্মৃ + অনীয় = স্মৰণীয়, ৰম্ + অনীয় = ৰমনীয়, হৃ + অনীয় = হৰণীয়, বচ্ + অনীয় = বচনীয়।

গ) যৎ ঃ 'ঋ'ৰ বাহিৰে অন্য স্বৰান্ত ধাতু (যেনে- চি ধাতু), অ-কাৰ ***উপধা***যুক্ত প- বর্গান্ত ধাতু (যেনে— শপ্ ধাতু), শক্, সহ্ ধাতু, আৰু উপসর্গহীন গদ্, মদ্ চৰ্ আৰু যম্ ধাতুৰ পাছত 'যৎ' প্রত্যয় হয়। যৎ প্রত্যয়ৰ অৱশিষ্ট 'য' থাকে। যেনে— শপ্ + যৎ = শপ্য, লভ্ + যৎ = লভ্য, চি + যৎ = চেয়, দা + যৎ = দেয়, গম্ + যৎ = গম্য, মদ্ + যৎ = মদ্য, চৰ্ + যৎ = চর্য্য, যম্ + যৎ = যম্য।

ঘ) ণ্যৎ ঃ ঔচিত্য অর্থত 'ঋ' কাৰান্ত (যেনে— কৃ ধাতু), ব্যঞ্জন-বর্ণান্ত (পঠ্) ধাতু, উপসর্গযুক্ত গদ্, মদ্, চৰ্ আৰু যম্ ধাতুৰ পাছত ণ্যৎ প্রত্যয় প্রয়োগ হয়। ণ্যৎ প্রত্যয়ৰ 'য' অংশটোহে থাকে। যেনে— কৃ + ণ্যৎ = কার্য্য, পঠ্ + ণ্যৎ = পাঠ্য, ত্যজ্ + ণ্যৎ = ত্যাজ্য, ধৃ + ণ্যৎ = ধার্য্য, নি - গদ্ + ণ্যৎ = নিগদ্য, প্র - মদ্ + ণ্যৎ = প্রমাদ্য, বি + চৰ্ + ণ্যৎ = বিচার্য্য, সম্ + যম্ + ণ্যৎ = সংযাম্য, গ্রহ্ + ণ্যৎ = গ্রাহ্য, ভুজ্ + ণ্যৎ = ভোজ্য, বচ্ + ণ্যৎ = বাচ্য, যুজ + ণ্যৎ = যোজ্য।

ঙ) ক্যপ্ ঃ ১) কর্মবাচ্যত আৰু ভাৱবাচ্যত ভূ, কৃ, স্তু, শাস্, ই, জুষ্ ধাতুৰ পিছত ক্যপ্ প্রত্যয় হয়। ক্যপ্ প্রত্যয়ৰ 'য' অৱশিষ্ট হৈ থাকে।



উপধা ঃ শব্দ এটাৰ শেষৰ বর্ণৰ আগৰ বর্ণটোক উপধা বোলে। যেনে— শক্ = শ্ + অ + ক্। ইয়াৰ ক্ বর্ণটোৰ আগৰ অ- বর্ণটো উপধা।

যেনে— ভূ + ক্যপ্ = ভৃত্য, কৃ + ক্যপ্ = কৃত্য, স্তু + ক্যপ্ = স্তুত্য, শাস্ + ক্যপ্ = শিষ্য, ই + ক্যপ্ = ইত্য।

২) সুপ্ প্রত্যয়ান্ত শব্দৰ পাছত থকা হন্ ধাতুৰ পাছত ক্যপ্ প্রত্যয় হয়। 'হন্'ৰ 'ন' ৰ ঠাইত 'ত' হয় আৰু শব্দটো স্ত্রীলিঙ্গ হৈ আ-কাৰান্ত হয়। যেনে— ব্রহ্ম + হন্ + ক্যপ্ = ব্রহ্মহত্যা। সেইদৰে— গো - হন্ + ক্যপ্ = গোহত্যা, আত্মন্ + হন্ + ক্যপ্ = আত্মহত্যা।

চ) **কেলিম্ঃ** কর্মকর্ত্তৃবাচ্যত ধাতুৰ পাছত কেলিম প্রত্যয় হয়। এই প্রত্যয়টোৰ কেৱল 'এলিম' থাকে। যেনে— ভিদ্ + কেলিম্ = ভিদেলিম্, পচ্ + কেলিম্ = পচেলিম্।

১১.৫ সংক্ষিপ্ত প্রত্যয় সূচী

প্রত্যয়ৰ নাম	প্রযুক্ত অর্থ	ব্যৱহৃত অংশ	উদাহৰণ
ক্ত্বাচ্	দুটা কার্য্য বুজালে	ত্বা	দা + ক্ত্বাচ্ = দত্বা
ল্যপ্ (যপ্)	দুটা কার্য্য বুজালে	য়	আ- দা + ল্যপ্ = আদায়
ক্ত	অতীত কালৰ অর্থত	ত	নী + ক্ত = নীতঃ
ক্তৱতু	অতীত কালৰ অর্থত	তৱৎ	নী + ক্তৱতু= নীতবান্ (নীতবৎ)
তুমুন্	চতুর্থী বিভক্তিৰ অর্থত	তুম্	পা + তুমুন = পাতুম্
শতৃ	বর্তমান কাল	অৎ	গম্ + শতৃ = গচ্ছন্ (গচ্ছৎ)
শানচ্	বর্তমান কাল	আন/মান	শী + শানচ্ = শয়ান বৃৎ + শানচ্ = বর্তমান
ক্বসু	অতীত কাল	ৱস্	কৃ + ক্বসু = চকৃৱস্
কানচ্	অতীত কাল	কানচ্	কৃ + কানচ্ = চক্রাণ
স্যতৃ	ভৱিষ্যৎ কাল	স্যৎ	যা + স্যতৃ = যাস্যৎ
স্যমান	ভৱিষ্যৎ কাল	স্যমান	বৃৎ + স্যমান = বর্তিষ্যমাণ
তব্য	উচিত অর্থ	তব্য	গম্ + তব্য = গন্তব্য
অনীয়	উচিত অর্থ	অনীয়	কৃ + অনীয় = কৰণীয়
যৎ	উচিত অর্থ	য	লভ্ + যৎ = লভ্য
ণ্যৎ	উচিত অর্থ	য	কৃ + ণ্যৎ = কার্য্য
ক্যপ্	উচিত অর্থ	য	কৃ + ক্যপ্ = কৃত্য
কেলিম্	উচিত অর্থ	এলিম্	ভিদ্ + কেলিম্ = ভিদেলিম্



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি—

- প্রত্যয় সম্বন্ধে জ্ঞান লাভ কৰিলে।
- কৃৎ প্রত্যয়ৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিলে।
- একেটা প্রত্যয়েই যে ভিন্ন অর্থত ব্যৱহৃত হয়, সেই বিষয়ে জানিলে।
- প্রত্যয়ান্ত শব্দ সমূহৰ আকৃতিগত পার্থক্যসমূহৰ বিষয়েও জ্ঞান লাভ কৰিলে।



১১.৭ অধিক জানিবলৈ

১) চক্রৱর্তী, মহেশ্বৰ (১৯৭৪); *সংস্কৃত ব্যাকৰণ প্রৱেশিকা*, গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগম লিমিটেড্।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র; *সমগ্র ব্যাকৰণ কৌমুদী*, কলিকতা ঃ দেৱ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড্।

৩) ভট্টাচার্য্য, হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*, গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) শর্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar composition & Translation*, গুৱাহাটী ঃ ৰাধা প্রকাশন।

৫) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*, গুৱাহাটী ঃ গ্রন্থপীঠ।



১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ১) কৃ + ক্ত্বাচ্ ২) বি - জ্ঞা + ল্যপ্ ৩) গ্রহ্ + ক্ত্বাচ্
৪) গম্ + ক্ত ৫) পা + ক্তৱতু

২ নং প্রশ্নৰ উত্তৰঃ ১) পা + তুমুন্ ২) দৃশ্ + শতৃ ৩) কৃ + শানচ্
৪) স্থা + ক্বসু ৫) বৃৎ + স্যমান



১১.৯ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ প্ৰত্যয়বোৰ ভাঙি দেখুৱাওক ঃ

স্থিত্বা, আহূয়, দত্তঃ, স্থিতৱান্, গচ্ছৎ, গাতুম্, দদান, চক্রাণ, গম্য, হৰণীয়।

প্ৰশ্ন ২ ঃ ক্ত আৰু ক্তবতু প্ৰত্যয়ৰ বিষয়ে টোকা লিখা।

*** ***** ***

অধ্যায় ১২ ঃ তদ্ধিত প্রত্যয়

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ তদ্ধিত প্রত্যয়সমূহ
১২.৩.১ অপত্যার্থক তদ্ধিত প্রত্যয়
১২.৩.২ মতুপ্ প্রত্যয়ার্থক প্রত্যয়
১২.৩.৩ উৎকর্ষ বুজোৱা প্রত্যয়
১২.৩.৪ সংখ্যাবাচক/সময়বাচক প্রত্যয়
১২.৪ সংক্ষিপ্ত প্রত্যয় সূচী
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান
১২.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তদ্ধিত প্রত্যয়সমূহৰ পৰিচয় লাভ কৰিব
- বিভিন্ন অর্থত যে তদ্ধিত প্রত্যয়সমূহৰ প্রয়োগ হয়, তাৰ বিষয়েও জানিব পাৰিব
- বিভিন্ন লিঙ্গ, বিভক্তি তথা বচনত প্রত্যয়সমূহ ব্যৱহাৰ হোৱা কৌশলসমূহৰ বিষয়েও অবগত হ'ব পাৰিব
- প্রত্যয়সমূহ প্রয়োগ হোৱাৰ লগে লগে শব্দসমূহৰ আকৃতিগত পৰিৱর্তনৰ বিষয়েও জ্ঞান লাভ কৰিব।

১২.২ পৰিচয়

ইতিমধ্যে আপুনি প্রত্যয় সম্বন্ধে অৱগত হৈ আহিছে। প্রত্যয় হৈছে মুখ্যভাৱে দুই প্রকাৰৰ— কৃৎ আৰু তদ্ধিত। ধাতুৰ পিচত কেতবোৰ প্রত্যয় যোগ কৰি বিশেষ্য, বিশেষণ, ক্রিয়াবাচক বিশেষণ আৰু অব্যয় শব্দ গঠন কৰা হয়। এইবোৰ হ'ল কৃৎ প্রত্যয়। এইবোৰৰ বিষয়ে ইতিমধ্যে আগৰ অধ্যায়ত আলোচনা কৰা হৈছে।

'অর্থবদধাতুৰপ্রত্যয়ঃ প্রাতিপদিকম্' —অর্থাৎ যিবোৰ শব্দ ধাতুও নহয়, প্রত্যয়ো নহয়, প্রত্যয়ান্ত শব্দও নহয়; অথচ কোনো বস্তুবাচক অথবা বস্তুৰ বিশেষণ বাচক শব্দ, সেইবোৰক

প্রাতিপদিক বোলে। যেনে— বস্তুবাচক — নৱ, ফল, চন্দ্র, সূর্য্য, বায়ু ইত্যাদি; বস্তুৰ বিশেষণবাচক — প্রৱল, নূতন, পুৰাণ, সুন্দৰ ইত্যাদি। বিভিন্ন অর্থ বুজাবলৈ প্রাতিপদিকৰ পিচত যিবোৰ প্রত্যয় যোগ কৰি নতুন শব্দ গঠন কৰা হয়, সেইবোৰকে তদ্ধিত প্রত্যয় বোলে।

তদ্ধিত প্রত্যয়সমূহ বিভিন্ন অর্থত ব্যৱহাৰ কৰা হয়। এই প্রত্যয়সমূহ ব্যৱহাৰ হৈ একো একোটা নতুন শব্দ গঠন কৰে। এই শব্দসমূহক তদ্ধিত প্রত্যয়ান্ত শব্দ বুলি কোৱা হয়। কেতিয়াবা কেতিয়াবা এটা প্রত্যয় এটা নির্দিষ্ট অর্থত ব্যৱহাৰ নহৈ, বিভিন্ন অর্থতো ব্যৱহাৰ হ'ব পাৰে। কিছুমান তদ্ধিত প্রত্যয়ান্ত শব্দ অব্যয় হিচাপে ব্যৱহাৰ হয়, আনহাতে কিছুমান শব্দৰ শব্দৰূপ কৰি প্রয়োগ কৰা হয়। এনে ধৰণৰ বহুতো বিষয়ৰ লগত এই অধ্যায়টিৰ জৰিয়তে আপুনি পৰিচিত হ'ব পাৰিব।

১২.৩ তদ্ধিত প্রত্যয়

এতিয়া আপুনি বিভিন্ন প্রকাৰৰ তদ্ধিত প্রত্যয়ৰ সৈতে পৰিচিত হ'ব। এই প্রত্যয়সমূহ উদাহৰণেৰে সৈতে দেখুওৱা হৈছে।

১২.৩.১ অপত্যার্থক তদ্ধিত প্রত্যয়

অপত্য (সন্তান) অর্থত কিছুমান নির্দিষ্ট তদ্ধিত প্রত্যয়ৰ প্রয়োগ হয়। তলত আপোনাৰ বাবে কেইটামান আলোচনা কৰা হ'ল—

ক) অণ্ (ষ্ণ বা ষণ্) ঃ

১) শিৱ আদি কেইটামান শব্দৰ পিছত সন্তান অর্থাৎ অন্ প্রত্যয়ৰ প্রয়োগ হয়।

২) এই অণ্ প্রত্যয়ক ষ্ণ বা ষণ্ প্রত্যয় হিচাপেও জনা যায়।

৩) এই প্রত্যয়টোৰ কেৱল 'অ'হে অৱশিষ্ট হৈ থাকে।

৪) উদাহৰণ— শিৱস্য অপত্যং পুমান্ - শিৱ + অন্ (ষ্ণ বা ষণ্) = শৈৱঃ
গঙ্গায়াঃ অপত্যং পুমান্ - গঙ্গা + অন্ = গাঙ্গঃ

জানি থোৱা ভাল

ইয়াত পুমান্ শব্দটো পুংলিঙ্গ অর্থত ব্যৱহৃত হৈছে। উক্ত তদ্ধিত প্রত্যয়ান্ত শব্দবোৰ স্ত্রীলিঙ্গত ঈ কাৰান্ত হয়। যেনে— শৈৱী, গাঙ্গী ইত্যাদি।

খ) ইঞ্ (বা ষিণ্) প্রত্যয় ঃ

১) অ-কাৰান্ত প্রাতিপদিকৰ অন্তত অপত্য অর্থত ইঞ্ প্রত্যয় প্রয়োগ কৰা হয়।

২) এই প্রত্যয়টোক ষিণ্ প্রত্যয় বুলিও নামকৰণ কৰা হৈছে।

৩) এই প্রত্যয়টোৰ কেৱল 'ই' হে অৱশিষ্ট হৈ থাকে।

৪) উদাহৰণ— দক্ষস্য অপত্যম্ - দক্ষ + ইঞ্ = দাক্ষিঃ

কৃষ্ণস্য অপত্যম্ - কৃষ্ণ + ইঞ্ = কার্ষ্ণিঃ

৫) কেতিয়াবা কেতিয়াবা উ-কাৰান্ত অথবা আন আন প্রাতিপাদিকৰ পিছতো ইঞ্ প্রত্যয়ৰ যোগ হয়। যেনে—

বাহোৰপত্যম্ - বাহু + ইঞ্ = বাহৱিঃ

উপবাহোঃ অপত্যম্ - উপবাহু + ইঞ্ = উপবাহৱিঃ

গ) যঞ্ (ষ্ণ্য বা ষ্যণ্) প্রত্যয় ঃ

১) অপত্য অর্থত গর্গ আদি কেইটামান শব্দৰ পিছত যঞ্ প্রত্যয় হয়।

২) এই প্রত্যয়টোক ষ্ণ্য অথবা ষ্যণ্ বুলিও জনা যায়।

৩) এই প্রত্যয়টোৰ মাথোন 'য' হে অৱশিষ্ট থাকে।

৪) উদাহৰণ— গর্গস্য অপত্যং পুমান্ - গর্গ + যঞ্ = গার্গ্যঃ

বৎসস্য অপত্যং পুমান্ - বৎস + যঞ্ = ৱাৎস্যঃ

৫) যঞ্ প্রত্যয়ান্ত শব্দবিলাকৰ স্ত্রীলিঙ্গত 'য' কাৰ লোপ হয়; আৰু শব্দবোৰ 'ঈ' কাৰান্ত হয়। যেনে— গার্গী, মাধৱী ইত্যাদি।

ঘ) ফক্ (যায়নন্) প্রত্যয় ঃ

১) নড় প্রভৃতি কিছুমান প্রাতিপদিকৰ পিছত অপত্য (পৌত্র প্রপৌত্রাদি) অর্থত ফক্ প্রত্যয়ৰ প্রয়োগ হয়।

২) এই প্রত্যয়টোক কিছুমানে 'যায়নন্' বুলিও কয়।

৩) এই প্রত্যয়টোৰ মাথোন 'আয়ন' অংশটোহে থাকে।

৪) উদাহৰণ— নড়স্য অপত্যম্ - নড় + ফক্ (আয়ন) = নাড়ায়নঃ

শকটস্য অপত্যম্ - শকট + ফক্ = শাকটায়নঃ

৫) কিছুমান তদ্ধিত প্রত্যয়ান্ত শব্দ স্ত্রীলিঙ্গত 'ঈ' কাৰান্ত হ'ব। যেনে- দ্রোণায়নী, নাড়ায়নী ইত্যাদি।

ঙ) ঢক্ (ষেয়ন্) প্রত্যয় ঃ

১) অপত্য অর্থত স্ত্রীপ্রত্যয়ান্ত শব্দৰ পিছত ঢক্ প্রত্যয় প্রয়োগ হয়।

২) ঢক্ প্রত্যয়টোক 'ষেয়ন্' প্রত্যয় বুলিও জনা যায়।

৩) এই প্রত্যয়টোৰ কেৱল 'এয়' অংশটোহে থাকে।

৪) উদাহৰণ— বিনতায়াঃ অপত্যম্ - বিনতা + ঢক্ (ষেয়ণ্) = বৈনতেয়ঃ

গঙ্গায়াঃ অপত্যম্ - গঙ্গা + ঢক্ = গাঙ্গেয়ঃ



জানি থোৱা ভাল

ওপৰত উল্লেখ কৰা তদ্ধিত প্ৰত্যয়সমূহ অপত্য অৰ্থৰ বাহিৰেও আন আন অৰ্থতো প্ৰযুক্ত হয়। যেনে—

১) ৰং লগোৱা অৰ্থত ৰঙ বুজোৱা শব্দটোৰ পিছত অণ্ প্ৰত্যয়ৰ প্ৰয়োগ হয়। উদাহৰণ— কষায়েণ ৰক্ত্ - কষায় + অন্ = কাষায়ম্; হৰিদ্রয়া ৰক্তম্ - হৰিদ্রা + অঞ্ = হাৰিদ্রম্; নীল্যা ৰক্তম্ - নীল + অন্ = নীলম্; পীতেন ৰক্তম্ - পীত + কন্ = পীতকম্।

২) যেতিয়া কোনো এজন ব্যক্তিক কোনো এজন দেৱতাৰ সেৱক বা ভক্ত বুলি বুজোৱা হয়, তেতিয়া সেই দেৱতা বুজোৱা প্ৰাতিপদিকটোৰ পিছত অণ্ আদি প্ৰত্যয়সমূহ প্ৰয়োগ কৰা হয়। যেনে— বিষ্ণুঃ অস্য দেৱতা - বিষ্ণু + অন্ = বৈষ্ণৱঃ; শিবেঃ অস্য দেৱতা - শিৱঃ + অন্ = শৈৱঃ; শক্তিঃ অস্য দেৱতা - শক্তি + অণ্ = শাক্তঃ; প্ৰজাপতিঃ অস্য দেৱতা - প্ৰজাপতি + য্যন্ = প্ৰাজাপত্যঃ; অগ্নিঃ অস্য দেৱতা - অগ্নি + ঢক্ = আগ্নেয়ঃ।

৩) কোনো নিৰ্ধাৰিত কাল বুজোৱাৰ বাবে নক্ষত্ৰবাচক শব্দৰ পিছত অণ্ প্ৰত্যয়ৰ প্ৰয়োগ হয়। যেনে— বিশাখয়া নক্ষত্ৰেণ যুক্তঃ - বিশাখা + অণ্ = বৈশাখঃ; শ্ৰৱনায়া নক্ষত্ৰেণ যুক্তঃ - শ্ৰৱণা + অন্ = শ্ৰাৱণঃ।

৪) সমূহ অৰ্থ বুজাবলৈ প্ৰাতিপদিকৰ পিছত অণ্, যঞ্ আদি প্ৰত্যয় সমূহৰ প্ৰয়োগ হয়। যেনে— ভিক্ষাণাং সমূহ - ভিক্ষা + অণ্ = ভৈক্ষ্যম্ ; অঙ্গাৰাণাং সমূহঃ- অংগাৰ + অণ্ = আঙ্গাৰম্; ময়ূৰাণাং সমূহঃ- ময়ূৰ + অঞ্ = মায়ূৰম্; ধেনূনাং সমূহঃ- ধেনু + ঠক্ = ধৈনুকম্; গণিকানাং সমূহঃ- গণিকা + যঞ্ = গাণিক্যম্

৫) যিজনে অধ্যয়ন কৰে অথবা যিজনে জানে তেওঁক বুজাবলৈ, সেই জনা বা অধ্যয়ন কৰা বিষয়টোৰ পিছত এই প্ৰত্যয়বোৰ যোগ হয়। যেনে— বেদং বেত্তি (অধীতে বা) - বেদ + ষিকণ্ = বৈদিকঃ, জ্যোতিষং বেত্তি (অধীতে বা) - জ্যোতিষ + ষণ্ = জ্যোতিষঃ, ব্যাকৰণং বেত্তি (অধীতে বা) - ব্যাকৰণ + অন্ = বৈয়াকৰণঃ।

৬) কোনোবাই কোৱা অৰ্থত, যিজনে কৈছে তেওঁৰ নামৰ পিছত এই প্ৰত্যয়সমূহ যুক্ত হয়। যেনে— ঋষিণা প্ৰোক্তম্ - ঋষি + অণ্ = আৰ্ষম্; মনুনা প্ৰোক্তম্ - মনু + অণ্ = মানবম্; পতঞ্জলিনা প্ৰোক্তম্ - পতঞ্জলি + অণ্ = পাতঞ্জলম্; অত্ৰিণা প্ৰোক্তম্ - অত্ৰি + ঢক = আত্ৰেয়ম্ ।

৭) কোনো ব্যক্তিবিশেষ অথবা কিবা এটা বস্তুৰ দ্বাৰা কিবা এটা কাৰ্য্য কৰা অৰ্থত, ব্যক্তি বাচক নাইবা বস্তুবাচক প্ৰাতিপদিকটোৰ পিছত এই প্ৰত্যয়সমূহৰ প্ৰয়োগ হয়। যেনে— পুৰুষেণ কৃতম্ - পুৰুষ + ঢক্ = পৌৰুষেয়ম্; কায়েন

কৃতম্ - কায় + ঠক্ = কায়িকম্; শৰীৰেণ কৃতম্ - শৰীৰ + ঠক্ = শাৰীৰিকম্; মনসা কৃতম্ - মনাস্ + ঠক্ = মানসিকম্।

৮) কোনো এঠাইত থকা অথবা জন্ম হোৱা আদি অর্থ বুজাবলৈ সেই প্রাতিপদিকটোৰ পিছত ওপৰোক্ত প্রত্যয়বিলাকৰ প্রয়োগ হয়। যেনে— মথুৰায়াং ভবঃ - মথুৰা + অণ্ = মাথুৰঃ; কলিঙ্গে ভবঃ- কলিঙ্গ + অণ্ = কালিঙ্গঃ, গ্রামে ভবঃ - গ্রাম + যঞ্ = গ্রামীণঃ।

৯) কোনো এটা বস্তুৰ কিবা এটা গুণ বুজাবলৈ প্রাদিপদিকৰ পিছত ষণ্ প্রত্যয়ৰ প্রয়োগ হয়। যেনে— কৃপণস্য ভাৱঃ - কৃপণ + ষণ্ = কার্পণ্যম্; লঘোর্ভাৱঃ- লঘু + ষণ্ = লাঘবম্।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলত দিয়া শব্দসমূহৰ প্রত্যয় সমূহ ভাঙি দেখু�ৱাওক ঃ

১) শৈৱঃ ২) দাক্ষিঃ ৩) গার্গ্যঃ ৪) নাৰায়ণঃ ৫)গাঙ্গেয়ঃ

১২.৩.২ মতুপ্ প্রত্যয়ার্থক প্রত্যয়

ক) মতুপ্ প্রত্যয় ঃ

১) "সেইটো ইয়াৰ আছে" (তৎ অস্য অস্তি) আৰু "সেইটো ইয়াত আছে" (তৎ অস্মিন্ অস্তি) —এই দুই প্রকাৰৰ অর্থ প্রকাশ কৰিবলৈ প্রাতিপদিকৰ পিছত মতুপ্ প্রত্যয় ব্যৱহাৰ কৰা হয়।

২) মতুপ্ প্রত্যয়টোৰ কেৱল 'মৎ' অংশটোহে থাকে।

৩) মতুপ্ প্রত্যয়ান্ত শব্দবোৰ প্রায়ে বিশেষণৰ দৰে ব্যৱহাৰ হয়। পুংলিঙ্গত এই শব্দবোৰ 'গচ্ছৎ' শব্দৰ দৰেই হয়; কেৱল প্রথমা বিভক্তিৰ একবচনত এটা 'আ-কাৰ' সংযোজিত হয়। যেনে— পুত্রবান্ জনঃ। (গচ্ছৎ শব্দৰ প্রথমাৰ একবচনৰ দৰে হ'লে পুত্রবৎ শব্দটোৰ ৰূপ 'পুত্রৱন্' হ'লহেঁতেন)। মতুপ্ প্রত্যয়ান্ত শব্দ স্ত্রীলিঙ্গত 'নদী' শব্দৰ দৰে হয়। যেনে— পুত্রৱতী স্ত্রী। আৰু ক্লীৱলিঙ্গত 'গচ্ছৎ' শব্দৰ দৰে হয়। যেনে-পুত্রবৎ মিত্রম্।

৪) উদাহৰণ—

গাৱঃ সন্তি অস্য - গো + মতুপ্ = গোমৎ - গোমান্ (পুংলিঙ্গ, প্রথমা, একবচন)

নদ্যঃ সন্তি অস্মিন্ - নদী + মতুপ্ = নদীমৎ - নদীমান্ (পুংলিঙ্গ, প্রথমা, একবচন)

৫) মতুপ্ প্রত্যয়ৰ অৱশিষ্ট অংশত থকা 'ম'ৰ ঠাইত কেতিয়াবা 'ৱ' হয়। যেনে—

ক) অ-বর্ণান্ত অর্থাৎ যিবোৰ শব্দৰ শেষত অ অথবা আ-কাৰ থাকে, সেইবোৰ প্রাতিপাদিকৰ পিছত মতুপ্ প্রত্যয় যোগ হ'লে, 'ম' কাৰৰ ঠাইত 'ৱ' কৰা হয়। যেনে— জ্ঞানম্ অস্য অস্তি - জ্ঞান (জ্ + ঞ্ + আ + ন্ + অ) + মতুপ্ = জ্ঞানৱৎ - জ্ঞানৱান্; ধনম্ অস্য অস্তি - ধন + মতুপ্ = ধনৱৎ - ধনৱান্

খ) ম-কাৰান্ত, অবর্ণান্ত, উপধা ম-কাৰ যুক্ত আৰু উপধা অ-বর্ণ যুক্ত প্রাতিপদিকৰ লগত মতুপৰ 'ম' ৰ ঠাইত 'ৱ' হয়। যেনে—
ম-কাৰান্ত— কঃ অস্য অস্তি - কিম্ + মতুপ্ = কিংৱান্
অ-বর্ণান্ত— পুত্রঃ অস্য অস্তি - পুত্র + মতুপ্ = পুত্রৱান্
উপধা-মকাৰযুক্ত— লক্ষ্মীঃ অস্য অস্তি - লক্ষ্মী + মতুপ্ = লক্ষ্মীৱান্
উপধা অ-বর্ণযুক্ত— নভঃ অস্য অস্তি - নভস্ + মতুপ্ = নভস্বান্

খ) ৱিনি প্রত্যয় ঃ

১) 'অস্' ভাগান্ত প্রাতিপদিক, তথা মায়া, মেধা আৰু স্রজ শব্দৰ অন্তত মতুপ্ প্রত্যয়ৰ অর্থত, অর্থাৎ 'সেইটো ইয়াৰ আছে' নতুবা 'সেইটো ইয়াত আছে' - এনেকুৱা অর্থত ৱিনি প্রত্যয় ব্যৱহাৰ কৰা হয়।

২) ৱিনি প্রত্যয়টোৰ কেৱল 'ৱিন্' অংশটোহে থাকে।

৩) উদাহৰণ— পয়ঃ অস্য অস্তি - পায়স্ + ৱিনি = পয়স্ৱিন্ (প্রথমা বিভক্তিৰ এখবচনত - পয়স্বী); যশঃ অস্য অস্তি - যশস্ + ৱিনি = যশস্বী

৪) ৱিনি প্রত্যয়ান্ত শব্দৰ শব্দৰূপ 'পক্ষিণ্' শব্দৰ দৰে কৰা হয়।

গ) ইনি ঃ

১) সুখ আদি কেইটামান শব্দৰ পিছত মতুপ্ অর্থত 'ইনি' প্রত্যয়ৰ প্রয়োগ হয়।

২) ইনি প্রত্যয়ৰ কেৱল 'ইন্' অংশটোহে অৱশিষ্ট থাকে।

৩) এই প্রত্যয়ান্ত শব্দবোৰৰ শব্দৰূপ 'পক্ষিন্' শব্দৰ দৰেই হয়।

৪) উদাহৰণ— সুখম্ অস্য অস্তি - সুখ + ইনি = সুখিন্ (সুখী)
দুঃখম্ অস্য অস্তি - দুঃখ + ইনি = দুঃখী

৫) একাধিক স্ৱৰৱর্ণ বিশিষ্ট আৰু অ-বর্ণান্ত প্রাতিপদিকৰ পিছত 'ইনি' প্রত্যয় হয়। এই একেটা অর্থতে কেতিয়াবা কেতিয়াবা মতুপ্ আৰু বিনি প্রত্যয়ো হয়। যেনে— জ্ঞানম্ অস্য অস্তি - জ্ঞান্ + ইনি = জ্ঞানী; বলম্ অস্য অস্তি - বল + ইনি = বলী

৬) জাতি (Class) বুজালে হস্ত আৰু কৰ শব্দ দুটাৰ ইনি প্রত্যয়ৰ প্রয়োগ হয়। যেনে— হস্তঃ অস্য অস্তি-হস্ত + ইনি = হস্তী (হাতী); কৰঃ অস্য অস্তি - কৰ + ইনি = কৰী (হাতী)।

৭) ব্রহ্মচাৰী অর্থত বর্ণ শব্দৰ পিছত ইনি প্রত্যয় হয়। যেনে— বর্ণঃ অস্য অস্তি -

বর্ণ + ইনি = বর্ণী (ব্রহ্মচাৰী)

৮) স্থান (ঠাই) বুজালে পুস্কৰ প্রভৃতি কেইটামান শব্দৰ পিছত ইনি প্রত্যয় হয়। এই শব্দবোৰ সাধাৰণতে স্ত্রীলিঙ্গ হয়। যেনে— পুষ্কৰাণি অস্যাং সন্তি - পুষ্কৰ + ইনি = পুষ্কৰিণী (পদুমফুল থকা সৰোবৰ); পদ্মানি অস্যাম্ সন্তি - পদ্ম + ইনি = পদ্মিনী।

৯) যাচক অর্থাৎ মগনীয়া বুজালে অর্থ (ধন-সম্পত্তি) শব্দৰ পিছত ইনি প্রত্যয় হয়। যেনে— অর্থঃ অস্য অস্তি - অর্থ + ইনি = অর্থী

ঘ) ৰ-প্রত্যয় ঃ

১) উষ, শুষি, মুষ্ক আৰু মধু —এইকেইটা শব্দৰ পিছত মতুপ অর্থত 'ৰ' প্রত্যয় হয়। যেনে— উষঃ বিদ্যতে অস্মিন্ - উষ + ৰ = উষৰঃ; শুষিঃ বিদ্যতে যস্মিন্ - শুষি + ৰ = শুষিৰঃ (ছিদ্র থকা); মুষ্কঃ বিদ্যতে অস্য- মুষ্ক + ৰ = মুষ্কৰঃ (শক্তিসম্পন্ন); মধুঃ অস্য অস্তি - মধু + ৰ = মধুৰঃ


ঙ) ল (লচ্) প্রত্যয় ঃ

১) মতুপ্ প্রত্যয়ৰ অর্থত মাংস প্রভৃতি কেইটামান শব্দৰ পিছত 'ল' প্রত্যয়ৰ প্রয়োগ হয়। যেনে- মাংসম্ অস্য অস্তি - মাংস + লঃ = মাংসলঃ; শ্রীঃ অস্য অস্তি - শ্রী + ল = শ্রীলঃ; শীতগুণঃ অস্য অস্তি - শীত + ল = শীতলঃ; শ্যামগুণঃ অস্য অস্তি = শ্যামলঃ।

চ) শ, ইলচ্ আৰু উৰচ্ ঃ

১) মতুপ্ প্রত্যয়ৰ অর্থত কিছুমান শব্দৰ পিছত শ, ন, ইনচ্ আৰু উৰচ্ প্রত্যয় প্রয়োগ কৰা হয়। উদাহৰণ—

শ-প্রত্যয় - লোমানি অস্য সন্তি - লোম + শ = লোমশঃ
ইলচ্ প্রত্যয় - পঙ্ক ঃ অস্য অস্তি - পঙ্ক + ইলচ্ = পঙ্কিলঃ
উৰচ্ প্রত্যয় - উন্নতা দন্তাং সন্তি অস্য - দন্ত + উৰচ্ = দন্তুৰঃ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওকঃ

১) গোমান্ ২) ধনৱান্ ৩) যশস্বী ৪) দুঃখী
৫) জ্ঞানী

১২.৩.৩ উৎকর্ষ বুজোৱা প্রত্যয়

ক) তমপ্ আৰু ইষ্ঠন্ ঃ

১) বহুতৰ মাজত এটাৰ গুণৰ উৎকর্ষতা বুজাবলৈ কোনো কোনো শব্দৰ পিছত তমপ্ আৰু ইষ্ঠন্ প্রত্যয়ৰ প্রয়োগ কৰা হয়।

২) এই প্রত্যয় দুটাই ইংৰাজী ব্যাকৰণত ব্যৱহাৰ কৰা Superlative degree দৰে সংস্কৃত ব্যাকৰণত কাম কৰে।

৩) তমপ্ প্রত্যয়ৰ কেৱল 'তম' অংশটোহে থাকে; আনহাতে ইষ্ঠন্ প্রত্যয়টোৰ কেৱল 'ইষ্ঠ' অংশটোহে থাকে।

৪) এই প্রত্যয়ান্ত শব্দৰ ৰূপ পুংলিঙ্গত অ-কাৰান্ত 'নৰ' শব্দৰ দৰে হয়। যেনে— লঘুতমঃ নৰঃ, স্ত্রীলিঙ্গত আ-কাৰান্ত 'লতা' শব্দৰ দৰে হয়; যেনে— লঘুতমা লতা আৰু ক্লীৱলিঙ্গত 'ফলম্' শব্দৰ দৰে হয়; যেনে— লঘুতমম্ বৃক্ষম্।

৫) উদাহৰণ— মহান + তমপ্ = মহত্তমঃ, মহান + ইষ্ঠন্ = মহিষ্ঠঃ
ধনী + ইষ্ঠন্ = ধনিষ্ঠঃ, স্তোতা + ইষ্ঠন্ = স্তৱিষ্ঠঃ

খ) তৰপ্ আৰু ঈয়সুন্ প্রত্যয় ঃ

১) দুটাৰ মাজত এটাৰ গুণৰ উৎকর্ষতা বুজাবলৈ তৰপ্ আৰু ঈয়সুন্ প্রত্যয়ৰ প্রয়োগ কৰা হয়।

২) এই প্রত্যয় দুটাই ইংৰাজী ব্যাকৰণত ব্যৱহাৰ কৰা Comparative degreeৰ দৰে কাম কৰে।

৩) তৰপ্ প্রত্যয়টোৰ কেৱল 'তৰ' অংশটোহে অৱশিষ্ট থাকে, আনহাতে ঈয়সুন্ প্রত্যয়ৰ কেৱল 'ঈয়স্' অংশটোহে থাকে।

৪) ঈয়সুন্ প্রত্যয়ান্ত শব্দসমূহৰ শব্দৰূপ পুংলিঙ্গত 'শ্রেয়স্' শব্দৰ দৰে হয়; যেনে— লঘীয়ান্, স্ত্রীলিঙ্গত 'নদী' শব্দৰ দৰে হয়; যেনে— লঘীয়সী আৰু ক্লীৱলিঙ্গ 'মনস্' শব্দৰ দৰে হয়; যেনে - লঘীয়ঃ

৫) উদাহৰণ— মহান্ + তৰপ্ = মহত্তৰঃ; মহান্ + ঈয়সুন্ = মহীয়স্ + প্রথমা একবচন = মহীয়ান্; অল্প + তৰপ্ = অল্পতৰঃ; অল্প + ঈয়সুন্ = অল্পীয়ান্

গ) ডতৰচ্ আৰু ডতমচ্ প্রত্যয় ঃ

১) কিম্ (অর্থাৎ কিমান), যদ্ আৰু তদ্ শব্দৰ পিছত দুটাৰ মাজত উৎকর্ষ বুজাবলৈ ডতৰচ্ আৰু বহুতৰ মাজত এটাৰ উৎকর্ষ বুজাবলৈ ডতমচ্ প্রত্যয় প্রয়োগ কৰা হয়। যেনে—

কিম্ + ডতৰচ্ = কতৰঃ - অনয়োঃ কতৰো বৈষ্ণৱঃ?
কিম্ + ডতমচ্ = কতমঃ - এষাং কতমঃ পণ্ডিত?
যদ্ + ডতৰচ্ = যতৰঃ ; যদ্ + ডতমচ্ = যতমঃ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওকঃ

১) ধনিষ্ঠ ঃ ২) অল্পতমঃ ৩) মহত্তৰঃ
৪) অল্পীয়ান্ ৫) কতমঃ

১২.৩.৪ সংখ্যাবাচক প্রত্যয়/সময়বাচক প্রত্যয়

ক) কৃত্বসুচ্ ঃ

১) অভ্যাসবৃত্তি অর্থাৎ বাৰে বাৰে কৰা - এই অর্থ বুজাবলৈ সংখ্যাবাচক শব্দৰ পিছত কৃত্বসুচ্ প্রত্যয় হয়।

২) এই প্রত্যয়টোৰ কেৱল 'কৃত্বস্' অংশটোহে থাকে।

৩) উদাহৰণ— পঞ্চ বাৰান্ ভুঙ্‌ক্তে - পঞ্চ + কৃত্বসুচ্ = পঞ্চকৃত্বঃ ভুঙ্‌ক্তে (পাঁচবাৰ খায়)

খ) সুচ্ ঃ

১) ক্রিয়াৰ কার্য্যৰ সংখ্যা বুজাবলৈ 'এক' শব্দৰ সলনি সকৃৎ ব্যৱহাৰ কৰা হয়। যেনে— একং বাৰং ভুঙ্‌ক্তে - সকৃৎ ভুঙ্‌ক্তে (এবাৰ খায়)

২) দ্বি, ত্রি আৰু চতুৰ শব্দৰ অন্তত সুচ্ প্রত্যয় হয়। এই প্রত্যয়টোৰ কেৱল স্ (ঃ) হে অৱশিষ্ট থাকে। যেনে - দ্বৌ ৱাৰৌ ভুঙ্‌ক্তে - দ্বিঃ ভুঙ্‌ক্তে (দুবাৰ খায়); ত্রীন্ বাৰান্ ভুঙ্‌ক্তে - ত্রিঃ ভুঙ্‌ক্তে (তিনিবাৰ খায়); চতুৰো বাৰান্ ভুঙ্‌ক্তে - চতুঃ ভুঙ্‌ক্তে (চাৰিবাৰ খায়)

ছ) দা ঃ

১) সময় বুজাবলৈ কিছুমান প্রত্যয়ৰ পিছত 'দা' প্রত্যয়ৰ প্রয়োগ হয়। দা-প্রত্যয়ান্ত শব্দবোৰ অব্যয়।

২) উদাহৰণ—

একস্মিন্ কালে - এক + দা = একদা (এসময়ত)

অন্যস্মিন্ কালে - অন্য + দা = অন্যদা (আন এদিনাখন)

কস্মিন্ কালে - কিম্ + দা = কদা (কর্হি ও হয়) (কেতিয়া)

তস্মিন্ কালে - তদ্ + দা = তদা (তর্হি, তদানীম্ - ও হয়) (তেতিয়া)।

জ) এদ্যুস্ ঃ

১) দিন বুজাবলৈ কিছুমান শব্দৰ পিচত এদ্যুস্ (এদ্যুঃ) প্রত্যয়ৰ প্রয়োগ হয়। এই প্রত্যয়ান্ত শব্দবোৰ অব্যয়। যেনে—

অন্যস্মিন্ অহনি - অন্য + এদ্যুস্ = অন্যেদ্যুঃ (আন এদিনাখন)

উভয়স্মিন্ অহনি - উভয় + এদ্যুস্ = উভয়েদ্যুঃ (দুয়োদিনাই)

১২.৪ সংক্ষিপ্ত প্রত্যয় সূচী

প্রত্যয়ৰ নাম	প্রযুক্ত অর্থ	ব্যৱহৃত অংশ	উদাহৰণ
অণ্ (ষ্ণ, ষণ্)	অপত্যার্থে	অ	শিৱ + অণ্ = শৈৱঃ

ইঞ (ষিণ্)	অপত্যার্থে	ই	দক্ষ + ইঞ = দাক্ষিঃ
ষঞ (ষ্ণ্য, ষ্যণ্)	অপত্যার্থে	য	গর্গ + ষঞ = গার্গ্যঃ
ফক্ (যায়নন্)	অপত্যার্থে	আয়ন	নৰ + ফক্ = নাৰায়ণঃ
ঢক্ (ষেয়ন্)	অপত্যার্থে	এয়	বিনতা + ঢক্ = বৈনতেয়ঃ
ঠক্ (ষিকণ্)	অপত্যার্থে	ইক্	ৰেবতী + ঠক্ = ৰৈবতিকঃ
মতুপ্	সেইটো ইয়াত আছে,	মৎ	নদী + মতুপ্ = নদীমান্
	সেইটো ইয়াত আছে		বল + মতুপ্ = বলৱান্
ৱিনি	সেইটো ইয়াত আছে	ৱিন্	যশস্ + ৱিনি = যশস্বী (যশস্বিন্)
ইনি	সেইটো ইয়াত আছে	ইন্	সুখ + ইনি = সুখী (সুখিন্)
ৰ	সেইটো ইয়াত আছে	ৰ	উষ + ৰ = উষৰঃ
লচ্	সেইটো ইয়াত আছে	ল	শীত + ল = শীতলঃ
শ	সেইটো ইয়াত আছে	শ	লোম + শ = লোমশঃ
ইলচ্	সেইটো ইয়াত আছে	ইল	পঙ্ক + ইলচ্ = পঙ্কিলঃ
উৰচ্	সেইটো ইয়াত আছে	উৰ	দন্ত + উৰচ্ = দন্তুৰঃ
তমপ্	উৎকর্ষ অর্থত	তম	দীর্ঘ + তমপ্ = দীর্ঘতমঃ
ইষ্ঠন্	উৎকর্ষ অর্থত	ইষ্ঠ	অল্প + ইষ্ঠন্ = অল্পিষ্ঠঃ
তৰপ্	উৎকর্ষ অর্থত	তৰ	গুৰু + তৰপ্ = গুৰুতৰঃ
ইষ্ঠন্	উৎকর্ষ অর্থত	ঈয়স্	অল্প + ঈয়সুন্ = অল্পীয়ান্ (অল্পীয়স্)
ডতৰচ্	উৎকর্ষ অর্থত	তৰ	কিম্ + ডতৰচ্ = কতৰঃ
ডতমচ্	উৎকর্ষ অর্থত	তম	কিম্ + ডতমচ্ = কতমঃ
কৃত্বসুচ্	সংখ্যা বাচক অর্থত	কৃত্বস্	পঞ্চ + কৃত্বসুচ্ = পঞ্চকৃত্বঃ
সুচ্	সংখ্যা বাচক অর্থত	স্ (ঃ)	চতুৰ্ + সুচ্ = চতুঃ
ধাচ্	সংখ্যা বাচক অর্থত	ধা	এক + ধাচ্ = একধা
ডট্	সংখ্যা বাচক অর্থত	অ	একাদশ + ডট্ = একাদশঃ পঞ্চ + ডট্ = পঞ্চমঃ
আচ্	সংখ্যা বাচক অর্থত	আ	দক্ষিণ + আচ্ = দক্ষিণা
আহি	সংখ্যা বাচক অর্থত	আহি	দক্ষিণ + আহি = দক্ষিণাহি
দানীম্	সময় বুজাবলৈ	দানীম্	ইদম্ + দানীম্ = ইদানীম্
এদ্যুস্	সময় বুজাবলৈ	এদ্যু	অন্য + এদ্যুস্ = অন্যেদ্যুঃ পূর্ব + এদ্যুস্ = পূর্বেদ্যুঃ
দা	সময় বুজাবলৈ	দা	এক + দা = একদা



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি—

- তদ্ধিত প্রত্যয় সম্বন্ধে জ্ঞান লাভ কৰিলে।
- অপত্য অর্থ, মতুপ অর্থ, উৎকর্ষ আদি বিভিন্ন অর্থত প্রয়োগ হোৱা তদ্ধিত প্রত্যয়সমূহৰ বিষয়ে জানিব পাৰিলে।
- লিঙ্গ, বিভক্তি আৰু বচন অনুসৰি প্রযুক্ত হোৱা তদ্ধিত প্রত্যয়ান্ত শব্দসমূহৰ লগতো পৰিচিত হ'ব পাৰিলে।
- কিছুমান তদ্ধিত প্রত্যয়ান্ত শব্দ যে প্রত্যয় হিচাপেও ব্যৱহাৰ কৰা হয়, এই বিষয়েও ধাৰণা লাভ কৰিলে।
- প্রত্যয়সমূহ প্রয়োগ হোৱাৰ পিচত কিছুমান শব্দৰ আকৃতিগত পৰিবর্ত্তনো হয়, এই বিষয়েও অৱগত হ'ব পাৰিলে।



১২.৬ অধিক জানিবলৈ

১) চক্রৱর্তী, মহেশ্বৰ (১৯৭৪); *সংস্কৃত ব্যাকৰণ প্রৱেশিকা*, গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগম লিমিটেড্।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র; *সমগ্র ব্যাকৰণ— কৌমুদী*, কলিকতা ঃ দেৱ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড্।

৩) ভট্টাচার্য্য, হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*, গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) শর্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar composition & Translation*, গুৱাহাটী ঃ ৰাধা প্রকাশন।

৫) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*, গুৱাহাটী ঃ গ্রন্থপীঠ।



১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ১) শিৱ + অণ্ ২) দক্ষ + ইঞ্ ৩) গর্গ + যঞ্
৪) নৰ + ফক্ ৫) গঙ্গা + ঢক্

২ নং প্ৰশ্নৰ উত্তৰঃ ১) গো + মতুপ্ ২) ধন + মতুপ্ ৩) যশস্ + ৱিনি
৪) দুঃখ + ইনি ৫) জ্ঞান + ইনি

৩ নং প্ৰশ্নৰ উত্তৰঃ ১) ধনী + ইষ্ঠন্ ২) অল্প + তমপ্ ৩) মহান্ + তৰপ্
৪) গুৰু + ঈয়সুন্ ৫) কিম্ + ডতমচ্



১২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ তলত দিয়া প্ৰত্যয়ান্ত শব্দসমূহৰ প্ৰত্যয়সমূহ ভাঙি দেখুৱাওক ঃ
পার্থঃ, দ্রৌণিঃ, যাজ্ঞবল্ক্যঃ, নাড়ায়নী, ভাগিনেয়ঃ, বুদ্ধিমান্, দয়াবান্, ধনী, ক্ষুদ্রতমঃ, ভূয়ান্।

*** ***** ***

অধ্যায় ১৩ ঃ স্ত্রীপ্রত্যয়

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ প্রত্যয়ৰ শ্রেণীবিভাগ
১৩.৪ স্ত্রীপ্রত্যয়ৰ প্রয়োগ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- স্ত্রীপ্রত্যয় সম্বন্ধে সামান্য ধাৰণা লাভ কৰিব পাৰিব
- সংস্কৃতত প্রয়োগ হোৱা স্ত্রীপ্রত্যয়সমূহৰ বিষয়ে অবগত হ'ব পাৰিব
- স্ত্রীপ্রত্যয়ান্ত শব্দবোৰৰ আকৃতিগত পৰিবর্তনৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়সমূহত আপুনি ইতিমধ্যে প্রত্যয় সম্বন্ধে কিছু পৰিমাণে অৱগত হৈছে। পদসমূহ সাধাৰণতে ধাতু, প্রাতিপদিক, প্রত্যয়, বিভক্তি, উপসর্গ আদিৰ সংযোগ অথবা সংযোগত গঠিত হয়। সংস্কৃত ভাষাৰ ধাতু আৰু প্রতিপাদিকজনিত শব্দসমূহত সাধাৰণতে কিছুমান বর্ণ অথবা বর্ণ সমষ্টি যোগ হয়। ধাতুৰ পিছত যোগ হোৱা তি, তস্, অন্তি আদি, আৰু প্রাতিপাদিকৰ পিছত যোগ হোৱা সু, ঔ, জস্ আদি বিভক্তিসমূহৰ বিষয়ে আপুনি ইতিমধ্যে অবগত হৈ আহিছে।

ধাতু আৰু প্রাতিপদিকৰ পিছত বিভক্তিৰ চিনসমূহ যোগ হোৱাৰ নিচিনাকৈ, এইবোৰৰ পিছত আৰু কিছুমান চিন যোগ হয়, যাক প্রত্যয় বুলি কোৱা হয়। এই প্রত্যয়সমূহৰ যোগত একো একোটা নতুন শব্দ সাধিত হয়। এই প্রত্যয়সমূহ বিভিন্ন অর্থত ব্যৱহাৰ কৰা হয়।

ধাতু (Verbal root)ৰ পিছত যোগ হোৱা প্রত্যয়সমূহক কৃৎ প্রত্যয় (Primary suffixes) আৰু প্রাতিপদিক (Nominal stem) ৰ পিছত যোগ হোৱা প্রত্যয়সমূহক তদ্ধিত প্রত্যয় (Secondary suffixes) বোলে। আনহাতে স্ত্রীলিঙ্গ বুজাবলৈ যিবোৰ প্রত্যয় ব্যৱহাৰ কৰা হয়, সেইবোৰক স্ত্রীপ্রত্যয় (Feminine affixes) বোলে। এই অধ্যায়টিত আপুনি স্ত্রীপ্রত্যয়ৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব। এতিয়া এই অধ্যায়ত আপুনি প্রত্যয়ৰ শ্রেণীবিভাগ, স্ত্রীপ্রত্যয়ৰ প্রয়োগ আদি বিষয়ে জানিব পাৰিব।

জানি থোৱা ভাল


ধাতু ঃ কোনো এটা শব্দৰ মূলটোক প্রকৃতি (Radical) বোলে। এই প্রকৃতি দুই প্রকাৰৰ— ধাতু আৰু প্রাতিপদিক। যি প্রকৃতিৰ দ্বাৰা ক্রিয়া বুজায়, তাকে ধাতু (Verbal root) বোলে। ব্যাকৰণত 'ভূ'কে আদি কৰি ক্রিয়াবাচক শব্দবিলাকক ধাতু বোলা হৈছে। কেইটামান ধাতুৰ উদাহৰণ হ'ল— ভূ, গম্, খাদ্, দা আদি।

প্রাতিপদিক ঃ যিবোৰ শব্দ ধাতুও নহয়, প্রত্যয়ো নহয়, প্রত্যয়ান্ত শব্দও নহয়, অথচ কোনো বস্তুবাচক অথবা বস্তুৰ কিবা বিশেষণবাচক, সেইবোৰক প্রাতিপদিক বা নাম (Nominal stem) বোলে। যেনে— বস্তুবাচক ঃ নৰ, ফল, চন্দ্র আদি, বিশেষণ বাচক— দৃঢ়, সুন্দৰ, নূতন ইত্যাদি।

উপসর্গ ঃ যদি ক্রিয়াৰ সৈতে যোগ হয়, তেনেহ'লে প্র, পৰা, অপ, সম্, অনু, অব্, নিৰ্, দুৰ্, অভি, বি, অধি, সু, উদ্, অতি, নি, প্রতি, পৰি, অপি, উপ, আ— এই বিশটা অব্যয়ক উপসর্গ (Prefixes) বোলে।

১৩.৩ প্রত্যয়ৰ শ্রেণীবিভাগ

এতিয়া আপুনি প্রত্যয়ৰ বিভিন্ন ভাগসমূহৰ বিষয়ে জানিব পাৰিব। প্রত্যয়ৰ ভাগসমূহ হ'ল—



ধাতু অথবা প্রাতপদিকৰ পিছত যিবোৰ যুক্ত হয়, সেইবোৰেই প্রত্যয় (প্রত্যয়ঃ, পৰশ্চ)। প্রত্যয় পাঁচ প্রকাৰৰ। সেইকেইটা হৈছে— বিভক্তি প্রত্যয়, কৃৎ প্রত্যয়, তদ্ধিত প্রত্যয়, স্ত্রীপ্রত্যয় আৰু ধাত্ববয়ৰ।

(ক) বিভক্তি প্রত্যয় ঃ ধাতুৰ পিছত তি, তস্ (ঃ), অন্তি আদি প্রত্যয় তথা প্রাতিপদিকৰ পিছত সু (ঃ), ঔ, জস্ (অঃ) আদি যিবোৰ প্রত্যয় যোগ হয়, সেইবোৰক বিভক্তি অথবা বিভক্তি প্রত্যয় (Inflections) বোলে। যেনে— $\sqrt{}$ভূ + তি, ভৱতি, নৰ + সু (ঃ) = নৰঃ।

(খ) কৃৎ প্রত্যয় ঃ ধাতুৰ পিছত তব্য, ক্ত্বাচ, ল্যপ্ ইত্যাদি যিবোৰ প্রত্যয় যোগ কৰা হয়, তাকে কৃৎ প্রত্যয় বোলে। যেনে— কৃ + তব্য = কর্তব্যম্।

(গ) তদ্ধিত প্রত্যয় ঃ প্রাতিপদিকৰ পিছত যিবোৰ প্রত্যয় যোগ কৰা হয়, তাকে তদ্ধিত প্রত্যয় বোলে। যেনে— বুদ্ধি + মতুপ্ = বুদ্ধিমৎ (বুদ্ধিমান), মেধা + ৱিনি = মেধাৱিন্ (মেধাৱী)।

(ঘ) স্ত্রী প্রত্যয় ঃ স্ত্রীলিংগ বুজাবলৈ টাপ্ (আ), ঙীপ্ (ঈ) আদি যিবোৰ প্রত্যয়ৰ যোগ হয়,

তাকেই স্ত্রী প্রত্যয় বোলে। যেনে— অজ + টাপ্ (আ) = অজা, দেৱ + ঙীপ্ (ঈ) = দেৱী।

(ঙ) **ধাত্বৱয়ব ঃ** ধাতুৰ পিছত ই (নিচ্), স (সন্) আদি, আৰু প্রাতিপদিকৰ পিছত য, কাম্য আদি যিবোৰ প্রত্যয় যোগ হয়, তাকেই ধাত্বৱয়ব (Parts of root) বোলে। যেনে— $\sqrt{}$শ্রু + ণিচ (ই) = শ্রাৱি, পুত্র + কাম্য + তি = পুত্রকাম্যতি।

১৩.৪ স্ত্রী প্রত্যয়ৰ প্রয়োগ

তলত এতিয়া স্ত্রী প্রত্যয়ৰ নিয়ম আৰু উদাহৰণসমূহ দিয়া হ'ল—

টাপ্/আপ্ (আ) প্রত্যয়

(১) অ-কাৰান্ত প্রাতিপদিকৰ পিছত স্ত্রীলিংগত আপ্ + (আ) প্রত্যয় হয়। যেনে—

কৃশ — কৃশা	দীন — দীনা	মলিন — মলিনা
কৃপণ — কৃপণা	ক্রূৰ — ক্রূৰা	সৰল — সৰলা
অজ — অজা	কোকিল — কোকিলা	অশ্ব — অশ্বা
ৱাল — ৱালা	প্রথম — প্রথমা	তৃতীয় — তৃতীয়া

(২) যিবোৰ শব্দ প্রত্যয় যুক্ত হোৱাৰ বাবে ক-কাৰান্ত (যেনে— গ্রহ্ + ৱুল (অক্) = গ্রাহকঃ) হয়, সেইবিলাক শব্দতো স্ত্রীলিঙ্গত আপ্ প্রত্যয় হয়। কিন্তু ক-কাৰৰ পূর্ববর্ত্তী অ-কাৰৰ ঠাইত ই-কাৰ হয়। যেনে—

নায়ক — নায়িকা	পাচক — পাচিকা	নাটক — নাটিকা
পালক — পালিকা	সাধক — সাধিকা	বালক — বালিকা

(৩) অষ্টক প্রভৃতি কেইটামান শব্দৰ পূর্ববর্তী অ-কাৰৰ ঠাইত ই-কাৰ নহয়। যেনে— অষ্টকা, ইষ্টকা, সেৱকা, কন্যকা, কৰকা, ক্ষিপকা, চটকা, তাৰকা, উপত্যকা।

ঈপ্/ঙীপ্/ঙীষ্ (ঈ) প্রত্যয়

(১) গৌৰ প্রভৃতি অ-কাৰান্ত প্রাতিপদিকৰ পিছত স্ত্রীলিংগত ঈপ্ হয়। ঈপ্ ৰ প্ কাৰটোৰ লোপ হয়, কেবল ঈ থাকে। ঈপ্ প্রত্যয় যুক্ত হ'লে প্রাতিপদিকৰ শেষত থকা অ-বর্ণৰ লোপ হয়। যেনে—

গৌৰ — গৌৰী	কুমাৰ — কুমাৰী	কিশোৰ — কিশোৰী
সুন্দৰ — সুন্দৰী	তৰুণ — তৰুণী	পিতামহ — পিতামহী
নট — নটী	নাগ — নাগী	দ্রোণ — দ্রোণী

(২) জাতি বুজালে, জাতিবাচক অ-কাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

সিংহ — সিংহী	ব্যাঘ্র — ব্যাঘ্রী	মৃগ — মৃগী
হৰিণ — হৰিণী	মানুষ — মানুষী	পিশাচ — পিশাচী
ব্রাহ্মণ — ব্রাহ্মণী	গোপ — গোপী	মহিষ — মহিষী

(ক) জাতিবাচক হ'লেও অজ আদি শব্দৰ পিছত ঈপ্ নহয়। যেনে—

অজ — অজা	কোকিল — কোকিলা	অশ্ব — অশ্বা

পুত্রক — পুত্রিকা/পুত্রকা জ্যেষ্ঠ — জ্যেষ্ঠা কনিষ্ঠ — কনিষ্ঠা
শূদ্র — শূদ্রা

ব্যতিক্রম — মহৎ শব্দ আগত থাকিলে শূদ্র শব্দৰ পিছত ঈপ্ হয়। যেনে— মহাশূদ্রী।

(খ) যিবিলাক জাতিবাচক প্রাতিপদিকৰ উপধা স্থলত য় থাকে, সেইবোৰৰ পিছত ঈপ্ নহয়। যেনে— বৈশ্য — বৈশ্যা

ব্যতিক্রম — কিন্তু গবয় আদি কেইটামান শব্দত ঈপ্ হয়। যেনে—

গবয় — গবয়ী হয় — হয়ী মুকয় — মুকয়ী

মৎস্য আৰু মনুষ্য শব্দত ঈপ্ হোৱাৰ লগতে য় কাৰৰ লোপ হয়। যেনে—

মৎস্য — মৎসী মুনুষ্য — মনুষী

জানি থোৱা ভাল

উপধা ঃ শব্দ এটাৰ শেষৰ বর্ণৰ আগৰ বর্ণটোক উপধা (Penultimate) বোলে। যেনে— 'ৰাম' শব্দটোৰ অন্ত্যবর্ণটো 'অ' তথা তাৰ আগৰ বর্ণটো 'ম্'। এই 'ম্'টো হৈছে উপধা।

ৰাম — ৰ্ + আ + [ম্] + অ
↓
উপধা বর্ণ

(৩) ঋকাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ (ঙীপ্) হয়। যেনে—

দাতৃ — দাত্রী ধাতৃ — ধাত্রী কর্তৃ — কর্ত্রী
জনয়িতৃ — জনয়িত্রী হন্তৃ — হন্ত্রী প্রসবিতৃ — প্রসবিত্রী

(ক) ঋ-কাৰান্ত হ'লেও স্বসৃ প্রভৃতি কেইটামান শব্দৰ পিছত ঈপ্ নহয়। যেনে—

স্বসৃ — স্বসা মাতৃ — মাতা দুহিতৃ — দুহিতা
যাতৃ — যাতা ননান্দৃ — ননান্দা ত্রি(ত্রয়) তিস্রঃ
চতুৰ্ (চত্বাৰঃ) — চতস্রঃ

(৪) ন-কাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

কামিন্ — কামিনী দণ্ডিন্ — দণ্ডিনী গুণিন্ — গুণিনী
মানিন্ — মানিনী মেধাবিন্ — মেধাবিনী তপস্বিন্ — তপস্বিনী

(ক) ঈপ্ হ'লে অন্ভাগান্ত প্রাতিপদিকৰ উপধাৰ লোপ হয়। যেনে—

ৰাজন্ — ৰাজ্ঞী যুৱন্ — যুনী (যুৱতী) মঘৱন্ — মঘোনী
শ্বন্ — শুনী

(খ) সংখ্যাবাচক ন-কাৰান্ত শব্দৰ পিছত ঈপ্ নহয়। যেনে—

(পঞ্চন্) — পঞ্চ (সপ্তন্) — সপ্ত (অষ্টন্) — অষ্ট
(নৱন্) — নৱ

(গ) ন্-কাৰান্তৰ মাজত মন্ ভাগান্ত প্ৰাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

(সীমন্) — সীমা পামা, সুদামা, অতিমহিমা

(ঘ) যুৱতী প্ৰভৃতি শব্দ নিপাতনে সিদ্ধ হয়। যেনে— যুৱন — যুৱতীঃ।

(৫) উ-বৰ্ণ আৰু ঋ-বৰ্ণ লুপ্ত হোৱা প্ৰত্যয়যুক্ত শব্দৰ শেষত স্ত্রীলিংগত ঙীপ্ প্ৰত্যয় হয়। যেনে—

উ-বৰ্ণ লুপ্ত হোৱা—

ভৱৎ (ভা + ভবতু) — ভৱতী, ইয়ৎ — ইয়তী শ্ৰীমৎ — শ্ৰীমতী

বুদ্ধিমৎ — বুদ্ধিমতী পুত্ৰৱৎ — পুত্ৰৱতী বলবৎ — বলৱতী

প্ৰেয়স্ — প্ৰেয়সী শ্ৰেয়স্ — শ্ৰেয়সী লঘীয়স্ — লঘীয়সী

'ঋ - বৰ্ণ লুপ্ত হোৱা—

সৎ — সতী ৰুদৎ — ৰুদতী শৃন্বৎ — শৃন্বতী

কুৰ্বৎ — কুৰ্বতী জানৎ — জানতী দ্বিষৎ — দ্বিষতী

(৬) ঈপ্ প্ৰত্যয় হ'লে ভ্বাদি আৰু দিবাদি গণীয় ধাতুৰ পিছত প্ৰয়োগ হোৱা শতৃ প্ৰত্যয়ৰ ঠাইত ন্ হয় আৰু এই ন্ পূৰ্বৱতী ত-কাৰৰ সৈতে মিলিত হয়। যেনে—

ভ্বাদিগণীয়—

ধাৱৎ — ধাৱন্তী ভৱৎ — ভৱন্তী গচ্ছৎ — গচ্ছন্তী

পতৎ — পতন্তী চলৎ — চলন্তী পালয়ৎ — পালয়ন্তী

দিবাদিগণীয়—

দীব্যৎ — দীব্যন্তী নশ্যৎ — নশ্যন্তী নৃত্যৎ — নৃত্যন্তী

(ক) ঈপ্ প্ৰত্যয় হ'লে তুদাদি - গণীয় ধাতুৰ পিছত শতৃ প্ৰত্যয়ৰ স্থানত ন-কাৰ আহিবও পাৰে নাহিবও পাৰে (বিকল্প)। যেনে—

তুদৎ — তুদন্তী/তুদতী ইচ্ছৎ — ইচ্ছন্তী/ইচ্ছতী

(খ) ঈপ্ প্ৰত্যয় হ'লে অদাদি-গণীয় আ-কাৰান্ত ধাতুৰ পিছত বিহিত শতৃ প্ৰত্যয়ৰ ঠাইত বিকল্পে ন্-ৰ আগম হয়। যেনে—

যাৎ — যান্তী/যাতী মাৎ — মান্তী/মাতী স্নাৎ — স্নান্তী/স্নাতী



জানি থোৱা ভাল

ধাতু বিভাগ ঃ সংস্কৃত ধাতুবোৰৰ ৰূপৰ বৈশিষ্ট্য অনুসৰি দহটা শ্ৰেণীত ভাগ কৰা হৈছে। সেই এটা এটা শ্ৰেণীৰ নাম গণ। সেই দহটা গণ হৈছে— ভ্বাদি (ভূ আদি), তুদাদি (তুদ্ ধাতুকে আদি কৰি), দিবাদি (দিব্ ধাতুকে আদি কৰি), স্বাদি, ক্র্যাদি, তনাদি, ৰুধাদি, অদাদি, হবাদি আৰু চুৰাদি।



অগ্রগতি নিৰীক্ষণ

তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুওৱা—

প্রশ্ন নং ১ঃ (ক) গৌৰী, (খ) অজা (গ) পাচিকা (ঙ) ধাত্রী (চ) ভৱন্তী

(গ) ঈপ্ প্রত্যয় হ'লে, স্যতৃ- প্রত্যয়ৰ স্থানত বিকল্পে ন্-কাৰৰ প্রয়োগ হয়। যেনে—

ভৱিষ্যৎ — ভৱিষ্যন্তী/ভৱিষ্যতী কৰিষ্যৎ — কৰিষ্যন্তী/কৰিষ্যতী

(৭) ট-কাৰ আৰু ষ-কাৰ লোপ হোৱা প্রত্যয়ৰ যোগত নিষ্পন্ন হোৱা প্রাতিপদিকৰ পিছত ঈপ্ প্রত্যয় হয়। যেনে—

ট-কাৰ লোপ হোৱা প্রত্যয় নিষ্পন্ন ঃ

গায়ন — গায়নী	অর্থকৰ — অর্থকৰী	নিশাচৰ — নিশাচৰী
কিঙ্কৰ — কিঙ্কৰী	চতুর্থ — চতুর্থী	পঞ্চম — পঞ্চমী
সপ্তম — সপ্তমী	দ্বাদশ — দ্বাদশী	ত্রয়োদশ — ত্রয়োদশী
দ্বয় — দ্বয়ী	দয়াময় — দয়াময়ী	হিৰন্ময় — হিৰন্ময়ী

ষ-কাৰ লোপ হোৱা প্রত্যয় নিষ্পন্ন ঃ

নর্ত্তক — নর্ত্তকী	ৰজক — ৰজকী	মানৰ — মানৰী
বৈষ্ণৱ — বৈষ্ণৱী	দ্রৌপদ — দ্রৌপদী	মাগধ — মাগধী
ভাগিনেয় — ভাগিনেয়ী	পৌত্র — পৌত্রী	দৌহিত্র — দৌহিত্রী

(৮) ঈপ্ প্রত্যয় প্রয়োগ হ'লে, ব্যঞ্জন বর্ণৰ পৰৱর্তী ষ্যণ্ [ষঞ্ (য়)] প্রত্যয়ৰ লোপ হয়। যেনে—

গার্গ্য — গার্গী	বাৎস্য — বাৎসী	আগস্ত্য — আগস্তী
বাভ্রব্য — বাভ্রবী	মাণ্ডব্য — মাণ্ডবী	মৈত্র্য — মৈত্রী

(৯) প্রাচ্ আদি প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

প্রাচ্ — প্রাচী অবাচ্ — অবাচী

(ক) প্রতীচী আদি শব্দ নিপাতনে সিদ্ধ হয়। যেনে—

প্রত্যচ্ — প্রতীচী, প্রত্যঞ্চী উদচ্ — উদীচী, উদঞ্চী



জানি থোৱা ভাল

নিপাতনে সিদ্ধ ঃ ব্যাকৰণৰ সাধাৰণ বিধি-বিধানবোৰ নমনাকৈ ঠাই বিশেষে দুই চাৰিটা পদ সিদ্ধ হয়, এনে পদকে নিপাতনে সিদ্ধ (Grammatical irregularity) বুলি কোৱা হয়।

(১০) ভার্য্যা (Wife) অর্থ বুজাবলৈ জাতিবাচক পুংলিঙ্গ শব্দৰ পিছত ঈপ্ হয়। যেনে—

ব্রাহ্মণস্য জায়া— ব্রাহ্মণী শূদ্রস্য জায়া — শূদ্রী

গোপ — গোপী গণক — গণকী নাপিত— নাপিতী

নিষাদ — নিষাদী

(ক) 'পালক' শব্দ পিছত থাকিলে এনেকুৰা জাতিবাচক অ-কাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

গোপালকস্য জায়া — গোপালিকা পশুপালকস্য পত্নী — পশুপালিকা

(খ) পত্নী অর্থত, ভৰ আদি কেইটামান প্রাতিপাদিকৰ পিছত ঈপ্ হয়।

ঈপ্ হোৱাৰ আগতে 'আন্' আগম হয়। যেনে— ভবস্য জায়া-ভৱানী, ৰুদ্রস্য জায়া-ৰুদ্রাণী।

সেইদৰে— শর্ব — শর্বাণী, ইন্দ্র — ইন্দ্রাণী বৰুণ — বৰুণানী

(গ) 'আন্' আগম হ'লে ব্রহ্মণ্ শব্দৰ ন্-কাৰৰ লোপ হয়। যেনে— ব্রহ্মণো জায়া— ব্রহ্মাণী।

আনহাতে, মাতুল শব্দৰ পিছত বিকল্পে আন্ হয়। যেনে—

মাতুলস্য জায়া — মাতুলানী /মাতুলী

(১১) ক্ষত্রিয় ইত্যাদি কেইটামান প্রাতিপদিকৰ পিছত বিকল্পে আন্ আগম হয় আৰু ঈপ্ অথবা আপ্ প্রত্যয় হয়। ঈপ্ আৰু আপ্ প্রত্যয় ভেদে শব্দসমূহৰ অর্থও বেলেগ বেলেগ হয়। যেনে—

পুংলিঙ্গ	স্ত্রীলিঙ্গ	প্রত্যয়	অর্থ
ক্ষত্রিয়	ক্ষত্রিয়ানী	(আন্+ঈপ্)	ক্ষত্রিয় জাতিৰ স্ত্রী
	ক্ষত্রিয়া	(আপ্)	
	ক্ষত্রিয়ী	(ঈপ্)	ক্ষত্রিয় পত্নী
অর্য্য	অর্য্যাণী		বৈশ্যজাতিৰ মহিলা
	অর্য্যা		
	অর্য্যী		বৈশ্যৰ পত্নী
আচার্য্য	আচার্য্যানী		আচার্য্যৰ পত্নী
	আচার্য্যা		স্বয়ং অধ্যাপিকা
উপাধ্যায়	উপাধ্যায়ানী উপাধ্যায়ী		উপাধ্যায়ৰ পত্নী
	উপাধ্যায়ী		স্বয়ং অধ্যাপিকা
	উপাধ্যায়া		
ৱৈশ্য	ৱৈশ্যা		বৈশ্যৰ পত্নী
	ৱৈশ্যা		বৈশ্য জাতিৰ মহিলা

ৱৈদ্য	ৱৈদ্যা	ডাক্তৰৰ পত্নী
	ৱৈদ্যা	এবিধ ঔষধৰ প্রকাৰ
স্থল	স্থলী	সাধাৰণ ভূমি
	স্থলা	কৃত্রিম ভূমি
সূর্য্য	সূর্য্যা	সূর্য্যৰ দেৱী পত্নী
	সূৰ্বী	কুন্তী, সূর্য্যৰ মানৱী পত্নী
শূদ্র	শূদ্রী, শূদ্রাণী	শূদ্রৰ ঘৈনীয়েক
	শূদ্রা	শূদ্র জাতিৰ মহিলা
কিংকৰ	কিংকৰা	মহিলা সেৱিকা
	কিংকৰী	সেৱকৰ ঘৈনীয়েক
সুন্দৰ	সুন্দৰা	অনুভূতিহীন বস্তুৰ ক্ষেত্রত প্রযোজ্য, যেনে—সুন্দৰা ল'ৰা।
	সুন্দৰী	অনুভূতি থকা বস্তুৰ ক্ষেত্রত প্রযোজ্য যেনে— সুন্দৰী নাৰী
পাণি গৃহীত	পাণি-গৃহীতা	হাতেৰে ধৰি ৰখা
	পাণি - গৃহীতী	বিবাহিতা মহিলা

(১২) বিশেষ অর্থত হিম, অৰণ্য, যৱ আৰু যৱন— এই চাৰিটা প্রাতিপদিকৰ পিছত ঈপ্ প্রত্যয় হয়, লগতে 'আন্' আগম হয়। যেনে—

হিম — হিমানী (মহৎ হিমম্, বৰফৰ দ'ম)

অৰণ্য — অৰণ্যানী (মহৎ অৰণ্যম্, বিশাল অৰণ্য)

যৱ — যৱানী (দুষ্টো যৱঃ), এক প্রকাৰৰ মাকৈ (barley)

যৱন — যৱনানী (যৱনানাং লিপিঃ, যৱনসকলৰ লিপি
যৱনী (যৱন-জাতীয় স্ত্রী)

(১৩) শোণ প্রভৃতি প্রাতিপদিকৰ পিছত বিকল্পে ঈপ্ হয়। যেনে—

শোণী/শোণা, চণ্ডী/চণ্ডা, অৰালী/অৰালা, কৃপণী/কৃপণা, কল্যাণী/কল্যাণা, পুৰাণী/পুৰাণা

(১৪) বহুব্রীহি সমাস হ'লে, অৱয়ব - বাচক প্রাতিপদিকৰ পিছত বিকল্পে ঈপ্ হয়। যেনে—

চন্দ্রমুখী/চন্দ্রমুখা, সুকেশী/সুকেশা, তাম্রনখী/তাম্রনখা

(ক) সংজ্ঞা (নাম) বুজালে নখ, মুখ — এই দুটা আৱয়ব বাচক শব্দৰ পিছত ঈপ্ নহয়। কিন্তু অন্য অর্থ বুজালে ঈপ্ হয়। যেনে—

শূর্পনখ — শূর্পণখা (ৰাৱণৰ ভনী)
শূর্পণখী (কুলাৰ দৰে নখ থকা মহিলা)

তাম্রমুখ — তাম্রমুখী (তামবৰণীয়া মুখৰ তিৰোতা)

(খ) ক্রোড় প্রভৃতি অৱয়ব - বাচক প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

সুক্রোড়া, তীক্ষ্ণখুৰা, চাৰুশিখা, দীর্ঘশফা

(গ) যিবিলাক অৱয়ব বাচক প্রাতিপদিকৰ উপধা স্থানত সংযুক্ত বর্ণ থাকে, সিহঁতৰ পিছত ঈপ্ নহয়। যেনে— মৃগনেত্রা, লোলজিহ্বা।

ব্যতিক্রম — কিন্তু অঙ্গ প্রভৃতিব পিছত বিকল্পে হয়। যেনে—

কৃশাঙ্গ — কৃশাঙ্গী, কৃশাঙ্গা,	মৃদুগাত্র — মৃদুগাত্রী, মৃদুগাত্রা
বিম্বোষ্ঠ — বিম্বোষ্ঠী, বিম্বোষ্ঠা	কোকিলকণ্ঠ — কোকিলকণ্ঠী, কোকিলকণ্ঠা
কুন্দদন্ত — কুন্দদন্তী, কুন্দদন্তা	চাৰুকর্ণ — চাৰুকর্ণী, চাৰুকর্ণা



অগ্রগতি নিৰীক্ষণ

তলত দিয়া শব্দবোৰৰ স্ত্রীলিঙ্গৰ ৰূপ লিখা—

প্রশ্ন নং ২ঃ (ক) হিম, (খ) ক্ষত্রিয়, (গ) মাতুল, (ঙ) ৰুদ্র, (চ) গার্গ্য।

(ঘ) যিবিলাক অৱয়ব-বাচক প্রাতিপদিকৰ দুটাতকৈ অধিক স্বৰবর্ণ, তেওঁলোকৰ পিছত ঈপ্ নহয়। যেনে—

মৃগনয়ন — মৃগনয়না, চন্দ্রবদন — চন্দ্রবদনা, চাৰুদর্শন — চাৰুদর্শনা



ব্যতিক্রম কিন্তু নাসিকা আৰু উদৰ শব্দৰ পিছত বিকল্পে ঈপ্ হয়। তুঙ্গনাসিক — তুঙ্গনাসিকী, তুঙ্গনাসিকা

কৃশোদৰ — কৃশোদৰী, কৃশোদৰা

(ঙ) সহ, নঞ তথা বিদ্যমান শব্দ পূর্বত থাকিলে, অৱয়ববাচক প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

সকেশ — সকেশা, অকেশ — অকেশা, বিদ্যমানকেশ — বিদ্যমানকেশা

(চ) বহুব্রীহি সমাস হ'লে ঊধস্ শব্দৰ পিছত সদায়ে ঈপ্ প্রত্যয় হয় তথা **টি-স্থানত** ন (অনঙ্) প্রত্যয়ৰ আগম হয়। যেনে—

পীনমস্যা ঊধঃ = পীনোধ্নী

ঘটবদস্যা ঊধঃ = ঘটোধ্নী

জানি থোৱা ভাল

টি ঃ শব্দ এটাৰ অন্ত্য স্বৰবর্ণকে আদি কৰি যিবোৰ বর্ণ থাকে, সেই আটাইবোৰকে 'টি' বোলে। যেনে— 'ৰাজন্' শব্দটোৰ অন্ত্য স্বৰবর্ণ 'অ', তথা তাৰ পিছত 'ন্' আছে, সেয়েহে 'অন্' এই অংশটো 'টি'।

ৰাজন্ = ৰ্ + আ + জ্ + অ + ন্

↓

টি

(১৫) বহুব্রীহি সমাস হ'লে আৰু সংখ্যা-বাচক শব্দৰ পিছত দামন্, হায়ন্ এই দুই প্রাতিপদিক থাকিলে, ইয়াৰ পিছত ঈপ্ হয়। যেনে—

দ্বে অস্যা দাম্নী — দ্বিদাম্নী (দুই দাল ৰছীৰে বন্ধা)

ত্রীণ্যস্যা দামানি — ত্রিদাম্নী

দ্বাৱস্যা হায়নৌ — দ্বিহায়নী (দুই বছৰীয়া)

— ত্রিহায়নী (তিনি বছৰীয়া)

— চতুর্হায়নী (চাৰি বছৰীয়া)

ব্যতিক্রম — 'হায়ন্' শব্দ বয়স বাচক নহ'লে ঈপ্ আৰু ণত্ব নহয়। যেনে—

দ্বিহায়না, (দুবছৰলৈ অপেক্ষা কৰা)

ত্রিহায়না (তিনি বছৰলৈ অপেক্ষা কৰা)

চতুর্হায়না (চাৰিবছৰলৈ)

(১৬) ই-কাৰান্ত প্রাতিপদিকৰ পিছত বিকল্পে ঈপ্ হয়। যথা—

শ্রেণী/শ্রেণিঃ, ৰাজী/ৰাজিঃ, আলী/আলিঃ, অহী/অহিঃ, কপী/কপিঃ, মুনী/মুনিঃ, শকটী/শকটিঃ, ৰাত্রী/ৰাত্রিঃ, ৰজনী/ৰজনিঃ

(ক) সখি শব্দৰ পিছত সদায়ে ঈপ্ হয়। যেনে— সখী (মহিলা বন্ধু)

(খ) ক্তিন্ প্রত্যয়ান্ত ই-কাৰান্ত প্রাতিপদিকৰ পিছত ঈপ্ নহয়। যেনে—

গতিঃ, স্থিতিঃ, কৃতিঃ, মতিঃ, ভক্তিঃ, মুক্তিঃ, যুক্তিঃ, বুদ্ধিঃ।

ব্যতিক্রম — শক্তি আৰু পদ্ধতি এই দুটা শব্দৰ পিছত বিকল্পে ঈপ্ হয়। যেনে—

শক্তিঃ/শক্তীঃ, পদ্ধতিঃ /পদ্ধতীঃ

(১৭) ধর্মপত্নী (অর্থাৎ যজ্ঞ সংযোগ অর্থাৎ যজ্ঞফলভাগী নিয়ম মতে বিবাহ কৰোৱা পত্নী) বুজাবলৈ পতি শব্দৰ পিছত ঈপ্ হয় আৰু ত-কাৰৰ পিছত ন-কাৰ যোগ হয়। যেনে—

পতি — পত্নী (বশিষ্ঠস্য পত্নী — অর্থাৎ বশিষ্ঠৰ দ্বাৰা সম্পন্ন যজ্ঞৰ ফলৰ অধিকাৰিনী)

ব্যতিক্রম — কিন্তু গ্রামপতি, ৰাষ্ট্রপতি আদি মহিলা হ'লেও ইয়াত ঈপ্ তথা ন-কাৰৰ আগম নহয়। কাৰণ ইয়াত পতি শব্দটো অধিকাৰিনী অর্থত ব্যৱহাৰ কৰা হৈছে, যজ্ঞফলৰ ভোক্তা হিচাপে নহয়।

(ক) সপত্নী প্রভৃতি শব্দ নিপতনে সিদ্ধ হয়। যেনে—

সমানঃ পতিৰস্যাঃ = সপত্নী

একঃ পতিৰস্যাঃ = একপত্নী

বীৰঃ পতিৰস্যাঃ = বীৰপত্নী

বৃদ্ধঃ পতিৰস্যাঃ = বৃদ্ধপত্নী

পঞ্চ পতয়ো২স্যাঃ = পঞ্চপত্নী (দ্রৌপদী)

(১৮) বহুব্রীহি সমাস হ'লে, পদ্ (ভৰি) এই প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

দ্বাৰস্যাঃ পাদৌ = দ্বিপদী (পুং - দ্বিপাদ্)

ত্রয়ো২স্যাঃ পাদাঃ = ত্রিপদী

এনেদৰে, চতুষ্পদী, বহুপদী, শতপদী

(ক) বহুব্রীহি সমাস হ'লে, দৎ এই প্রাতিপদিকৰ পিছত ঈপ্ হয়। যেনে—

সুদতী, চাৰুদতী, শুভ্রদতী, কুন্দদতী

(১৯) গুণ-বাচক উ-কাৰান্ত প্রাতিপদিকৰ পিছত বিকল্পে ঈপ্ হয়। যেনে—

গুৰু — গুৰুঃ, গুর্বী, মৃদু — মৃদুঃ, মৃদ্বী, সাধু — সাধুঃ, সাধ্বী

পটু — পটুঃ, পট্বী, লঘু — লঘুঃ, লঘ্বী অণু — অণুঃ, অণ্বী

(ক) যিসকল গুণ-বাচক উ-কাৰান্ত প্রাতিপদিকৰ উপধাস্থানত সংযুক্ত বর্ণ থাকে, সেইবোৰৰ পিছত ঈপ্ নহয়। যেনে—

পাণ্ডু — পাণ্ডুঃ

(খ) অশিশু আৰু অনড়ুহ্ শব্দৰ পিছত সদায়ে ঈপ্ হয়। যেনে—

অশিশ্বী (নাস্ত্যস্যাঃ শিশুৰিত্যর্থঃ)

অনড়ুহী

(২০) মানৰ জাতিবাচক হ্রস্ব উকাৰান্ত শব্দ স্ত্রীলিঙ্গত দীর্ঘ ঊ-কাৰান্ত [ঊপ্ (ঊঙ্)] প্রত্যয়) হয়। যেনে—

কুৰু — কুৰ্বী, কদ্রু — কদ্রূ, ভীৰু — ভীৰ্বী

(ক) ৰজ্জু আদি উ-কাৰান্ত প্রাতিপদিকৰ পিছত ঊপ্ (ঊঙ্) প্রত্যয় নহয়। যেনে—

ৰজ্জু — ৰজ্জুঃ, ধেনু — ধেনুঃ, হনু — হনুঃ, বৃত্তবাহু — বৃত্তবাহুঃ

(খ) তনু ইত্যাদি উ-কাৰান্ত প্রাতিপদিকৰ পিছত বিকল্পে দীর্ঘ ঊ (ঊপ্) হয়। যেনে—

তনু — তনুঃ/তনূঃ, চঞ্চু — চঞ্চুঃ/চঞ্চূঃ

(গ) শ্বশুৰ শব্দৰ ঠাইত নিপাতনে শ্বশ্রূ হয়। যেনে—

শ্বশুৰস্য জায়া — শ্বশ্রূঃ

(ঘ) উপমা বুজালে ঊৰু এই প্রাতিপদিকৰ পিছত ঊপ্ হয়। যেনে—

ৰম্ভে ইবাস্যা ঊৰূ — ৰম্ভোৰূঃ

কৰভাৰিবাস্যা ঊৰূ — কৰভোৰূঃ

কৰিকৰাবিবাস্যা ঊৰা — কৰিকাৰোৰূঃ

(ঙ) 'বাম' আদি শব্দৰ পিছত 'ঊৰূ' শব্দ থাকিলে, তাৰ পিছত ঊপ্ (ঊ) হয়। যেনে—

বামোৰূঃ, সহিতোৰূঃ, সহোৰূঃ, সংহিতোৰূঃ লক্ষণোৰূঃ



১৩.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- স্ত্রীপ্রত্যয় সম্পর্কে জ্ঞান লাভ কৰিলে।
- স্ত্রীপ্রত্যয়সমূহ প্রয়োগৰ ফলত শব্দসমূহৰ আকৃতিগত পার্থক্যসমূহ জানিব পাৰিলে।
- পুংলিঙ্গ শব্দসমূহৰ স্ত্রীলিঙ্গৰ ৰূপবোৰ জানিব পাৰিলে।
- কি কি শব্দত কি কি স্ত্রীপ্রত্যয় প্রয়োগ হয়, সেই বিষয়ে অৱগত হ'ব পাৰিলে।



১৩.৬ অধিক জানিবলৈ

১) ভট্টাচার্য্য, ড° হৰিশ্চন্দ্র, *সংস্কৃত ব্যাকৰণ প্রভা,* বৰুৱা এজেন্সি, দীঘলীপুখুৰীপাৰ, গুৱাহাটী-১, ১৯৯৬।

২) শাস্ত্রী, খগেন্দ্র নাথ, *সংস্কৃত প্রৱেশ ব্যাকৰণ,* গ্রন্থপীঠ, পাণবজাৰ, গুৱাহাটী-১, ১৯৮৫।

৩) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র, *সমগ্র ব্যাকৰণ কৌমুদী,* সম্পাদক - দুর্গাচৰণ সাংখ্যবেদান্ত তীর্থ, দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড, কলিকতা-৯, ২০০০।

৪) Machonel, Dr. A. A., *A Sanskrit Grammar for Students,* Motilal-Banersidass, New Delhi, 1927.

৫) বৰপূজাৰী, অৰুণ চন্দ্র, *সংস্কৃত প্রৱেশ ব্যাকৰণ,* অশোক বুকষ্টল, পাণবজাৰ, ২০০৭।



১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) গৌৰ + ঈপ্, (খ) অজ + আপ্, (গ) পাচক + আপ্, (ঘ) ধাতৃ + ঈপ্, (ঙ) ভৱৎ + ঈপ্।

২ নং প্রশ্নৰ উত্তৰঃ (ক) হিমানী, (খ) ক্ষত্রিয়ানী, (গ) মাতুলানী, (ঘ) ৰুদ্রানী, (ঙ) গার্গী।



১৩.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ তলত দিয়া শব্দবোৰৰ স্ত্ৰীলিঙ্গ ৰূপবোৰ লিখা।

প্ৰথম, জ্যেষ্ঠ, নট, ৰাজন্, নৰ্ত্তক, ব্ৰহ্মণ্, যৱন, নাটক, গোপ, ভীৰু।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ সংস্কৃতৰ স্ত্ৰীপ্ৰত্যয়সমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ঃ তলত দিয়া শব্দবোৰৰ প্ৰত্যয়বোৰ ভাঙি আগবঢ়াওক।

নায়িকা, সুন্দৰী, ধাত্ৰী, যুনী, দণ্ডিনী, আগস্তী, ভৱানী, সখী।

(গ) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ তলৰ শব্দবোৰৰ পাৰ্থক্য দাঙি ধৰক—

ক্ষত্ৰিয়া — ক্ষত্ৰিয়ী, উপাধ্যায়ী — উপাধ্যায়া, সূৰ্য্যা — সূৰ্যী, শূদ্ৰা — শূদ্ৰানী

*** ***** ***

অধ্যায় ১৪ ঃ বাচ্য

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ বাচ্যৰ প্ৰকাৰ

- ১৪.৩.১ কৰ্তৃবাচ্য
- ১৪.৩.২ কৰ্মবাচ্য
- ১৪.৩.৩ ভাৱবাচ্য
- ১৪.৩.৪ কৰ্মকৰ্তৃবাচ্য

১৪.৪ কেইটামান বিশেষ নিয়ম

১৪.৫ দ্বিকৰ্মক ধাতুৰ বাচ্য

১৪.৬ কেইটামান প্ৰচলিত ধাতুৰ কৰ্মবাচ্য আৰু ভাৱবাচ্যত সংক্ষিপ্ত ৰূপ

১৪.৭ বাচ্যত প্ৰত্যয়ৰ ব্যৱহাৰ

১৪.৮ বাচ্য পৰিবৰ্তন

১৪.৯ প্ৰচলিত ধাতুৰ কৰ্মবাচ্য/ভাৱবাচ্যৰ বিস্তৃত ৰূপ

১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.১১ অধিক জানিবলৈ

১৪.১২ অগ্ৰগতিৰ খতিয়ান

১৪.১৩ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সংস্কৃত বাচ্য সম্বন্ধে সামান্য ধাৰণা লাভ কৰিব পাৰিব
- বাচ্যৰ প্ৰকাৰৰ বিষয়ে অৱগত হ'ব পাৰিব
- বাচ্যৰ বিভিন্ন প্ৰকাৰত বাচ্য পৰিবৰ্তন কৰিব পাৰিব
- বাচ্যৰ নিয়মসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব।

১৪.২ পৰিচয়

আগৰ অধ্যায়সমূহত আপুনি ইতিমধ্যে সংস্কৃত ভাষাৰ বাক্যসমূহৰ বিষয়ে অৱগত হৈ আহিছে। সংস্কৃত বাক্যসমূহত সাধাৰণতে কৰ্তা, কৰ্ম, ক্ৰিয়াৰ সমাহাৰ দেখিবলৈ পোৱা যায়। কৰ্তা আৰু কৰ্মৰ লগত কাৰক-বিভক্তি, বিশেষণ, সৰ্বনাম, লিঙ্গ, বচন আদিৰ সমাৱেশ ঘটে। আনহাতে

ক্রিয়াৰ লগত ল-কাৰ, প্রত্যয় আদি সাধাৰণতে সংলগ্ন হৈ থাকে।

দুটা বা ততোধিক পদ গোট খাই থকা বুজালে, তাক বাক্য বোলে। বাক্য দুবিধ— পূর্ণবাক্য আৰু খণ্ড বাক্য। যি বাক্যত কথা এটা সম্পূর্ণৰূপে প্রকাশ পায়, তাকেই পূর্ণবাক্য বোলে। যি বাক্যত কথা এটাৰ এটা খণ্ড মাথোন প্রকাশ পায়, তাকেই খণ্ড বাক্য বোলে। সংস্কৃত বাক্যত সামান্যভাৱে তিনি প্রকাৰৰ পদ সংঘটন (ক্রম) দেখিবলৈ পোৱা যায়— (১) কর্তা আৰু কর্তাৰ বিশেষণ, অথবা কর্তাৰ বিশেষত্ব বুজোৱা গুণবাচক শব্দ, (২) কর্ম, তথা কর্মৰ বিশেষণ, (৩) ক্রিয়া পদ।

প্রত্যেক পূর্ণ বাক্যৰ পদসংগতি তিনি প্রকাৰ। এই পদ সংগতিক বাক্যৰ ৰাচ্য বোলে। বচ্ + ণ্যৎ = বাচ্য + (বক্তব্য)। যি ঠাইত যিটো প্রধানভাৱে বক্তব্য, সেই ঠাইত সেইটোৱেই বাচ্য। মানুহে মনোগত ভাৱক বাক্যৰ ৰূপত প্রকট কৰে আৰু এই বাক্য এই তিনিপ্রকাৰ বাচ্যত প্রকাশিত হয়।

এই অধ্যায়ত আপুনি বাচ্যৰ বিভিন্ন প্রকাৰ, বাচ্যত প্রত্যয়ৰ ব্যৱহাৰ, বাচ্য পৰিৱর্তন আদি বিভিন্ন বিষয় অধ্যয়ন কৰিব পাৰিব।

১৪.৩ ৰাচ্যৰ প্রকাৰ

সংস্কৃতত ৰাচ্য চাৰি প্রকাৰৰ পোৱা যায়। সেইকেইটা হ'ল— কর্তৃৰাচ্য, কর্মৰাচ্য, ভাৱৰাচ্য আৰু কর্তৃ-কর্মবাচ্য অথবা কর্ম-কর্তৃবাচ্য।

(১) **কর্তৃবাচ্য** (Active voice) ঃ যি ৰাচ্যত (অথবা বাক্যত) কর্তা পদটোৱেই প্রধান বক্তব্য বিষয় তাকেই কর্তৃবাচ্য বোলে।

(২) **কর্মবাচ্য** (Passive voice) ঃ যি ৰাচ্যত কর্ম পদটোৱেই প্রধান বক্তব্য বিষয়, তাকেই কর্মবাচ্য বোলে।

(৩) **ভাৱৰাচ্য** (Neuter voice) ঃ যি ৰাচ্যত ক্রিয়াপদ (ভাৱ) টোৱেই প্রধান বক্তব্য বিষয়, তাকেই ভাৱৰাচ্য বোলে।

(৪) **কর্ম-কর্তৃৰাচ্য** (Passive- Active voice) ঃ যি ৰাচ্যত কর্মপদে নিজস্ব গুণৰ দ্বাৰা কর্তাৰ দৰে কৰা দেখুৱাই, সেয়ে কর্ম-কর্তৃবাচ্য।

১৪.৩.১ কর্তৃবাচ্য

কর্তৃবাচ্যত কর্তাপদটোৱেই প্রধান বক্তব্য বিষয়। এই বাচ্যত কর্তাত প্রথমা বিভক্তি, কর্ম থাকিলে, কর্মত দ্বিতীয়া বিভক্তি আৰু ক্রিয়াটো কর্তাৰ পুৰুষ আৰু বচন অনুসৰি হয়। কর্তৃবাচ্যত কর্তাপদক 'উক্ত' (mainly spoken about) বুলি কোৱা হয় আৰু তাত প্রথমা বিভক্তি ব্যৱহৃত হয়। এই কর্তাপদটোক 'উক্তে কর্তৰি প্রথমা' বোলা হয়। এই বাচ্যত কর্মপদ থাকিলে তাত দ্বিতীয়া বিভক্তি হয় আৰু এনেকুৱা কর্মপদক 'অনুক্ত'

বুলি কোৱা হয়। এই কর্মপদটোক 'অনুক্তে কর্মণি দ্বিতীয়া' বোলে। যেনে—

সকর্মক (কর্ম থকা) বাক্যত উদাহৰণ—

(১) স চন্দ্রং পশ্যতি (২) তৌ গ্রামান্ গচ্ছতঃ
(৩) তে নগৰং গচ্ছন্তি (৪) বালিকা গ্রন্থং পঠতি
(৫) ত্বং পয়ঃ পিবসি (৬) যুবাং গীতং গায়থঃ
(৭) য়ুয়ং গৃহং গচ্ছথ (৮) অহং পুস্তকং পঠামি
(৯) আবাং মন্দিৰং গচ্ছাবঃ (১০) বয়ং কণ্ডুকং ক্রীড়ামঃ

অকর্মক (কর্ম নথকা) বাক্যত উদাহৰণ—

(১) শিশুঃ হসতি (২) বালকঃ ক্রীড়তি
(৩) তে নৃত্যন্তি (৪) ত্বং হসসি
(৫) অহম্ গচ্ছামি

১৪.৩.২ কর্মবাচ্য

কর্মবাচ্যত র্কপদটোৱেই প্রধান বক্তব্য বিষয়। এই বাচ্যৰ কর্তাত তৃতীয়া বিভক্তি, কর্মত প্রথমা বিভক্তি আৰু ক্রিয়াটো কর্মৰ পুৰুষ আৰু বচন অনুযায়ী হয়। কর্মবাচ্যত কর্ম পদটোক উক্ত বোলে, সেই কাৰণে ইয়াত প্রথমা বিভক্তি ব্যৱহাৰ কৰা হয় আৰু এনেকুৱা কর্মপদক 'উক্তে কর্মণি প্রথমা' বোলা হয়। কর্মবাচ্য আৰু ভাৱবাচ্যৰ কর্তাত তৃতীয়া বিভক্তি হয় আৰু এনেকুৱা কর্তাক 'অনুক্তে কর্তৰি তৃতীয়া' বোলে। কর্মবাচ্য আৰু ভাৱবাচ্যৰ ক্রিয়াৰ ধাতু আত্মনেপদী হয়। লট্, লোট্, লঙ্ আৰু বিধিলিঙত ধাতুৰ পাছত 'য়' যোগ হয়। অকর্মক সমাপিকা ক্রিয়া থকা বাক্যত কর্মবাচ্য হ'ব নোৱাৰে। কর্মবাচ্যৰ উদাহৰণ—

(১) তেন চন্দ্রো দৃশ্যতে (২) তাভ্যাং গ্রামাঃ গম্যন্তে
(৩) তৈঃ অন্নং ভুজ্যতে (৪) ত্বয়া পয়ঃ পীয়তে
(৫) যুৱাভ্যাং গীতিঃ গীয়তে (৬) যুস্মাভিঃ বস্ত্রং পৰিধীয়তে
(৭) ময়া পুস্তকং পঠ্যতে (৮) আৱাভ্যাং শিৱঃ পূজ্যতে
(৯) অস্মাভিঃ সন্ধ্যা উপাস্যতে



জানি থোৱা ভাল

সকর্মক আৰু অকর্মক ধাতু (ক্রিয়া) ঃ

ক্রিয়া দুই প্রকাৰৰ। সকর্মক আৰু অকর্মক।

সকর্মক ঃ যি ক্রিয়াত কর্ম থাকে তাক সকর্মক ক্রিয়া বোলে। এই ক্রিয়াৰ কার্য কোনো বস্তুৰ ওপৰত হয়, সেই বস্তুটোক সেই ক্রিয়াৰ কর্ম বোলে। যেনে— অহং চন্দ্রং পশ্যামি। ইয়াত 'পশ্যামি' ক্রিয়াৰ 'চন্দ্র' কর্ম। সকর্মক ধাতুৰ ক্ষেত্রত জড়িত

এটা প্রচলিত শ্লোক হৈছে—

'পঠনে ভক্ষণে যানে হননে কৰণে তথা।
অর্জনে বর্জনে পানে ৰক্ষণে ক্ষালনে তথা।।
ভজনে গমনে ত্যাগে সেৱনে হৱনে তথা।
এৱমাদিষু বাচ্যেষু ধাতৱঃ কর্মসংযুতাঃ।।

সংস্কৃতত সাধাৰণতে গমনার্থক, জ্ঞানার্থক, অধ্যয়নার্থক, ভোজনার্থক, পূজার্থক, প্রাপ্ত্যর্থক আদি ধাতুবিলাক সকর্মক হয়।

অকর্মক ঃ যি ক্রিয়াৰ কর্ম নাথাকে, তাক অকর্মক ক্রিয়া বোলে। ইয়াত ক্রিয়াৰ কার্য কোনো বস্তুৰ ওপৰত নহয়। যেনে— সূর্যঃ উদেতি। ইয়াত 'উদেতি' ক্রিয়াৰ কর্ম নাই। কোনবিলাক ধাতু অকর্মক, তাৰ এটা প্রচলিত শ্লোক আছে—

'সত্তা-লজ্জা-স্থিতি জাগৰণম্।
বৃদ্ধি-ক্ষয়-ভয়-জীৱন-মৰণম্।।
নর্তন-নিদ্রা-ৰোদন-বাসাঃ।
স্পর্দ্ধা-কম্পন-মোদন-হাস্যঃ।
শয়ন-ক্রীড়া-ৰুচি-দীপ্ত্যর্থাঃ।
ধাতব এতে কর্মণি-নোক্তাঃ।।

ভূ, নম্জ্, স্থা, জাগৃ, বৃধ, ক্ষি, ভী, জীৱ্, মৃ, নৃৎ, নিদ্রা, ৰুদ্, বস্, স্পর্দ্ধ্, কম্প্, মুদ্, হস্, শী, ক্রীড়্, ৰুচ্, দীপ্ আদি ধাতুবোৰ অকর্মক। কেতিয়াবা উপসর্গ প্রয়োগ কৰি অকর্মক ধাতু সকর্মক কৰা হয়। যেনে— স বনে বসতি (অকর্মক), স বনম্ উপবসতি (সকর্মক)।

১৪.৩.৩ ভাৱবাচ্য

ভাৱবাচ্যত ক্রিয়াপদ (ভাৱ) টোৱেই প্রধান। অকর্মক ধাতুৰ পাছত ভাৱবাচ্যৰ প্রয়োগ হয়। ভাৱবাচ্যৰ কর্তাত তৃতীয়া বিভক্তি হয়, কর্মপদ নাথাকে আৰু ক্রিয়াপদ, ধাতুৰূপ কৰা ধৰণে প্রয়োগ হ'লে (যেনে— গম্যতে, খাদ্যতে) সদায়ে আত্মনেপদৰ প্রথম পুৰুষৰ একবচনত প্রয়োগ হয়। আনহাতে ক্রিয়াপদ ক্ত, তব্য আদি প্রত্যয়ৰ দ্বাৰা সাধিত হ'লে, সদায়ে ক্লীৱলিঙ্গৰ প্রথমা একবচনত প্রয়োগ হয় (যেনে— গন্তব্যম্, খাদিতম্ ইত্যাদি)। উদাহৰণ—

(১) শিশুনা হস্যতে
(২) তৈঃ নৃত্যতে
(৩) তেন ভূয়তে
(৪) ত্বয়া ৰুদ্যতে
(৫) ময়া গম্যতে
(৬) যুষ্মাভিঃ স্থীয়তে
(৭) তাভ্যাং ক্রুধ্যতে
(৮) তেন গতম্
(৯) যুৱকৈঃ হসিতম্
(১০) অস্মাভিঃ স্থাতব্যম্

১৪.৩.৪ কর্মকর্তৃবাচ্য

'ক্রিয়মাণস্তু যৎকর্ম স্বয়মেব প্রসিধ্যতি।
সুকৰৈঃ স্বৈগুর্ণৈকর্ত্তৃঃ কর্মকর্ত্তেতি তদ্‌বিদুঃ।।'

কর্ম-কর্তৃবাচ্যত কর্মই নিজে কর্তাৰ দৰে কার্য কৰা দেখা যায় আৰু ক্রিয়াৰ ৰূপ কর্মবাচ্যৰ দৰে হয়। এই বাচ্যত সকর্মক ক্রিয়া অকর্মকৰ দৰে ব্যৱহাৰ হয়। ইয়াত কর্মই কর্তাৰ দৰে কাম কৰে, সেই কাৰণে তাক কর্মকর্তা বোলে আৰু তাত প্রথমা বিভক্তি হয়। এই বাচ্যত ক্রিয়া আত্মনেপদী হয় আৰু লট্, লঙ্, লোট্, বিধিলিঙ্ত ধাতুৰ পিছত 'য়' কাৰ যোগ হয়। এই বাচ্যৰ বাক্যক ভাৱবাচ্যলৈও নিব পাৰি। উদাহৰণ—

কর্তৃবাচ্য	কর্মকর্তৃবাচ্য	ভাৱবাচ্য
গজঃ বৃক্ষং ভিনত্তি	বৃক্ষঃ (স্বয়মেব) ভিদ্যতে	বৃক্ষেণ ভিদ্যতে (স্বয়মেব)
পাচকঃ ওদনং পচতি	ওদনঃ (স্বয়মেব) পচ্যতে	ওদনেন পচ্যতে (স্বয়মেব)



জানি থোৱা ভাল

বাচ্য পৰিৱর্তন কৰিবলৈ হ'লে কর্তা, কর্ম, ক্রিয়া আৰু কর্তা তথা কর্মৰ বিশেষণ পদৰ পৰিৱর্তন কৰিব লাগে। বাক্যত থকা অইন পদসমূহৰ কোনো পৰিৱর্তন নহয়। যেনে— কর্তৃবাচ্য— বনে ভ্রাম্যন্ অহং দুর্দান্তং ব্যাঘ্রম্ একং দৃষ্টবান্।

কর্মবাচ্য— বনে ভ্রাম্যতা ময়া দুর্দান্তঃ ব্যাঘ্রঃ একঃ দৃষ্টঃ।

কর্তা, কর্ম পদ বিশেষ্য হোৱা হেতুকে ইয়াৰ লিঙ্গ, বিভক্তি, বচন বিশেষণ পদেও অনুসৰণ কৰে।

'বিশেষ্যস্য হি যল্লিঙ্গং বিভক্তিবচনে চ যে
তানি সর্বাপি যোজ্যানি বিশেষণপদেষ্বপি।।'



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলত দিয়া বাক্যসমূহৰ বাচ্য পৰিৱর্তন কৰা ঃ

(১) সঃ পঠতি (২) বালঃ গ্রন্থং পঠতি
(৩) ছাত্রাঃ পাঠং পঠন্তি (৪) ৰামঃ ওদনং খাদতি
(৫) ৰামঃ তত্র তিষ্ঠতি

১৪.৪ কেইটামান বিশেষ নিয়ম

(ক) কেনো এটা বাক্যৰ বাচ্য পৰিৱর্তন কৰা সময়ত প্রথমতে চাব লাগে সমাপিকা ক্রিয়াটো সকর্মক নে অকর্মক। যদি সকর্মক হয়, তেনেহ'লে বাক্যটো কর্মবাচ্যলৈ পৰিৱর্তন কৰিব

লাগে। যদি ক্রিয়াটো অকর্মক হয়, তেনেহ'লে তাক ভাৱবাচ্যলৈ পৰিৱর্তন কৰিব লাগে। কর্ম নথকা বাক্যৰ কেতিয়াও কর্মবাচ্য হ'ব নোৱাৰে। কর্ম-কর্তৃবাচ্যৰ প্রয়োগ সাধাৰণতে দেখা নাযায়, বাক্যৰ অর্থৰ দ্বাৰাইহে কেতিয়াবা ইয়াৰ প্রয়োগ হয়।

(খ) কর্মৱাচ্য আৰু ভাৱবাচ্যত ধাতুৰূপ প্রয়োগ কৰি কৰা সমাপিকা ক্রিয়া সদায় আত্মনেপদী বিভক্তিতহে প্রয়োগ কৰা হয়। যেনে— তেন চন্দ্রো দৃশ্যতে। আনহাতে, ক্ত, তব্য আদি প্রত্যয়ান্ত শব্দবোৰ শব্দৰূপ কৰি প্রয়োগ কৰা হয়। যেনে— বালিকয়া গ্রন্থঃ পঠিতঃ।

(গ) লট্, লোট্, লঙ্ আৰু বিধিলিঙৰ বিভক্তিত সকলো ধাতুৰ অন্তত 'য়' যোগ হয়। যেনে— পঠ্যতে, খাদ্যন্তে, ত্রায়্যতয়ে। কিন্তু লট্, লোট্, লঙ্ আৰু বিধিলিঙৰ বিভক্তিৰ বাহিৰে অন্য বিভক্তিৰ কর্মবাচ্য আৰু ভাৱবাচ্যত 'য়' কাৰ যোগ নহয়। ধাতুটোহে কেবল আত্মনেপদত প্রয়োগ হয়। যেনে— ৰামচন্দ্রেন বনং জগ্মে। (কর্মবাচ্য, গম্+লিট্ এ - জগ্মে)।

(ঘ) ধাতুৰ অন্তত 'য়' যোগ হোৱাৰ পিছত (কর্মবাচ্য আৰু ভাৱবাচ্যৰ ক্ষেত্রত) কিছুমান আ-কাৰান্ত ধাতু ঈ-কাৰান্ত হয়। যেনে— দা - দীয়তে (দা+য+তে), ধা-ধীয়তে, গা — গীয়তে, পা — পীয়তে (কিন্তু পা — পায়তে), মা — মীয়তে, স্থা — স্থীয়তে।

(ঙ) ই-কাৰান্ত আৰু উ-কাৰান্ত ধাতুৰ যথাক্রমে 'ই'-ৰ ঠাইত 'ঈ' আৰু 'উ'ৰ ঠাইত 'ঊ' হয়। যেনে— চি — চীয়তে, জি — জীয়তে, শ্রু — শ্রূয়তে, স্তু — স্তূয়তে

(১) ঋ - কাৰান্ত ধাতুৰ 'ঋ' ৰ ঠাইত 'ৰি' হয়। যেনে— কৃ — ক্রিয়তে, মৃ— ম্রিয়তে কিন্তু ব্যঞ্জন বর্ণৰ লগত যুক্ত হৈ থাকিলে 'ঋ'ৰ ঠাইত 'অৰ্' হয়। যেনে— স্মৃ — স্মর্য্যতে, ঋ — অর্য্যতে, জাগৃ — জাগর্য্যতে।

(২) ঐ - কাৰান্ত ধাতুৰ 'ঐ'ৰ ঠাইত 'আ' হয়। যেনে— ধ্যৈ - ধ্যায়তে, ত্রৈ — ত্রায়েতে, কিন্তু গৈ — গীয়তে।

(৩) কেইটামান ধাতুৰ কর্ম আৰু ভাৱ বাচ্যৰ ৰূপ ঃ
ক্রী — ক্রীয়তে, দিৱ্ — দিব্যতে। প্রচ্ছ্ —পৃচ্ছতে, গ্রহ্ — গৃহ্যতে,
যজ্ — ইজ্যতে, শী — শয্যতে, অস্ — ভূয়তে, হেব — হূয়তে
ৱদ্ — উচ্যতে, ৱচ্ (বা ব্রূ) — উচ্যতে, ৱস্ — উষ্যতে,
ৱহ্ — উহ্যতে, স্বপ্ — সুপ্যতে, কাৰি (কৃ+নিচ্) — কার্য্যতে, দৃশ্— দৃশ্যতে
দন্শ্ — দশ্যতে

১৪.৫ দ্বিকর্মক ধাতুৰ বাচ্য

কিছুমান ক্রিয়াৰ দুটাকৈ কর্মপদ থাকে। এনেবোৰ ধাতু বা ক্রিয়াক দ্বিকর্মক ধাতু বোলে। সংস্কৃতত যোলটা (১৬) ধাতুক দ্বিকর্মক ধাতু বোলে। সেইকেইটা হৈছে— দুহ্ (গাখীৰ খীৰোৱা), যাচ্ (ভিক্ষা কৰা), পচ্ (ৰন্ধা), দণ্ড্ (শাস্তি দিয়া), ৰুধ্ (বিৰোধী কৰা), প্রচ্ছ্ (প্রশ্ন কৰা), চি (সংগ্রহ কৰা), ব্রূ (কোৱা), শাস্ (উপদেশ দিয়া), জি (জয় কৰা), মন্থ্ (মথন কৰা), মুষ্ (হৰণ কৰা), নী (লৈ যোৱা), হৃ (হৰণ কৰা), কৃষ্ (হালবোৱা), আৰু ৱহ্ (বহন কৰা)।

'দুহ্-যাচ্-পচ্-দণ্ড্-রুধি-প্রচ্ছি-চি-ব্রূ-শাস্-জি-মন্থ্-মুষাম।
কর্মবুযুক্ স্যাদকথিতং তথা স্যান্নী হ্রী-কৃষ-বহাম্।'

এই ১৬টা ধাতুৰ যোগত বা এইকেইটা ধাতুৰ অর্থ থকা অন্য ধাতু (যেনে— কথ্, বচ্, ভাষ্, বদ্)ৰ লগত প্রয়োগ হোৱা দুটা কর্মৰ এটাক মুখ্য কর্ম আৰু আনটোক গৌণ কর্ম বোলে। ক্রিয়াটো শুনামাত্রকে যিটো কর্ম শ্রোতাৰ পোন প্রথমতে প্রধানভাৱে মনত পৰে, সেইটোৱেই মুখ্য কর্ম আৰু আনটো হৈছে গৌণ কর্ম অথবা অপ্রধান কর্ম। মুখ্য কর্মত সদায় দ্বিতীয়া বিভক্তি হয়, কিন্তু গৌণ কর্মটোত অর্থ অনুসৰি অপাদান অর্থত পঞ্চমী বিভক্তি অথবা অন্যান্য বিভক্তিয়ো প্রয়োগ হ'ব পাৰে। যেনে— সঃ বৃক্ষং (বৃক্ষাৎ) পুষ্পং চিনোতি। ইয়াত 'পুষ্পং' মুখ্য কর্ম আৰু 'বৃক্ষং' গৌণ কর্ম।

কর্মবাচ্যলৈ পৰিৱর্তন কৰিবলৈ হ'লে ওপৰত উল্লেখ কৰা ধাতুবোৰৰ শেষৰ চাৰিটাৰ (নী, হ্ৰ, কৃষ্ আৰু বহ্) বাহিৰে বাকী কেইটাৰ গৌণ কর্মতহে প্রথমা বিভক্তি হয়। মুখ্য কর্মৰ কোনো পৰিৱর্তন নহয়। এই চাৰিটা ধাতুৰ মুখ্য কর্মতহে প্রথমা বিভক্তি হয়। গৌণ কর্মৰ কোনো পৰিৱর্তন নহয়। (গৌণে কর্মণি দুহ্যাদেঃ, প্রধানে নীহ্রকৃষ্ বহাম্)

দ্বিকর্মক ধাতুৰ বাক্যৰ বাচ্য পৰিৱর্তনৰ কেইটামান উদাহৰণ—

ধাতু	**কর্তৃবাচ্য**	**কর্মবাচ্য**
দুহ্ —	গোপঃ ধেনুং পয়ো দোগ্ধি।	গোপেন ধেনুঃ পয়ো দুহ্যতে।
যাচ্ —	বামনো বলিং বসুধাং যাচতে।	বামনেন বলির্বসুধাং যাচ্যতে।
চি —	বালিকাঃ বৃক্ষান্ পুষ্পানি চিন্বন্তি	বালিকাভিঃ বৃক্ষাঃ পুষ্পানি চীয়ন্তে
ব্রূ —	তপস্বী শিষ্যং ধর্মং ব্রূতে।	তপস্বিনা শিষ্যো ধর্মং উচ্যতে
পচ্ —	পাচকঃ তণ্ডুলান্ ওদনং পচতি	পাচকেন তণ্ডুলাঃ ওদনং পচ্যন্তে
দণ্ড্ —	ৰাজা চৌৰং শতং দণ্ডয়তি	ৰাজ্ঞা চৌৰঃ শতং দণ্ড্যতে
রুধ্ —	স চৌৰঃ কাৰাগাৰং রুণদ্ধি	তেন চৌৰং কাৰাগাৰঃ রুন্ধ্যতে
প্রচ্ছ্ —	শিষ্যঃ গুরুং শাস্ত্রং পৃচ্ছতি	শিষ্যেণ গুরুঃ শাস্ত্রং পৃচ্ছ্যতে
নী —	স গ্রামং গ্রাং নয়তি	তেন গ্রামং গৌঃ নীয়তে
হ্ৰ —	বৃদ্ধঃ গ্রামং ভাৰং হৰতি	বৃদ্ধেন গ্রামং ভাৰঃ হ্রিয়তে
বহ্ —	বালকঃ খঞ্জং গৃহং ৰহতি	বালকেন খঞ্জো গৃহম্ উহ্যতে
কৃষ্ —	সা বৃক্ষং শাখাং কর্ষতি	তয়া বৃক্ষং শাখা কৃষ্যতে
শাস্ —	গুৰুঃ শিষ্যং ধর্মং শাস্তি	গুৰুণা শিষ্যঃ ধর্মং শিষ্যতে
জি —	স দ্যূতকাৰং শতং জয়তি	তেন দ্যূতকাৰঃ শতং জীয়তে
মন্থ্ —	দেৱাঃ সমুদ্রং অমৃতং মমন্থুঃ	দেৱৈঃ সমুদ্রঃ অমৃতং মমন্থে
মুষ্ —	চৌৰঃ মাং শতং মুষ্ণাতি	চৌৰেণ অহং শতং মুষ্যে

ইয়াৰে দুহ্ 'ধাতুৰ পৰা 'মুষ্' ধাতু ব্যৱহাৰ হোৱা বাক্যবোৰত কর্মবাচ্যত অপ্রধান কর্মকেইটাত প্রথমা বিভক্তি হৈছে। 'নী' ধাতুৰ পৰা 'কৃষ্' ধাতুলৈ ব্যৱহাৰ হোৱা বাক্যসমূহৰ কর্মবাচ্যত প্রধান কর্মকেইটাত প্রথমা বিভক্তি হৈছে।

১৪.৬ কেইটামান প্রচলিত ধাতুৰ কর্মবাচ্য আৰু ভাৱবাচ্যত সংক্ষিপ্ত ৰূপ

(প্রথম পুৰুষৰ একবচন)

ধাতু	লট্	লুট্	লিট্
অশ্ (to pervade)	অশ্যতে	অক্ষ্যতে, অশিষ্যতে	আনশে
অস্, ভূ (to be)	ভূয়তে	ভৰিষ্যতে, ভাৰিষ্যতে	বভূবে
আপ্ (to obtain, to pervade)	আপ্যতে	আপ্স্যতে	আপে
আস্ (to sit)	আস্যতে	আসিষ্যতে	আষাঞ্চক্রে, আসামাসে
ই (to go)	ঈয়তে	এষ্যতে	ঈয়ে
অধি-ই (to read)	অধীয়তে	অধ্যেষ্যতে	অধিজগে
কৃ (to do)	ক্রিয়তে	কৰিষ্যতে, কাৰিষ্যতে	চক্রে
গম্ (to go)	গম্যতে	গংস্যতে	জগ্মে
গৈ (to sing)	গীয়তে	গাস্যতে, গায়িস্যতে	জগে
গ্রহ্ (to take)	গৃহ্যতে	গ্রহীষ্যতে, গ্রাহিষ্যতে	জগৃহে
চি (to callect)	চীয়তে	চায়িষ্যতে, চেষ্যতে	চিক্যে, চিচ্যে
জি (to conquen)	জীয়তে	জেষ্যতে, জায়িষ্যতে	জিগ্যে
জ্ঞা (to know)	জ্ঞায়তে	জ্ঞায়িষ্যতে, জ্ঞাস্যতে	জজ্ঞে
দা (to give)	দীয়তে	দাস্যতে, দায়িষ্যতে	দদে
দৃশ্ (to sec)	দৃশ্যতে	দ্রক্ষ্যতে, দর্শিষ্যতে	দদৃশে
নী (to lead)	নীয়তে	নেষ্যতে, নায়িষ্যতে	নিন্যে
পচ্ (to cook)	পচ্যতে	পক্ষ্যতে	পেচে
পঠ্ (to read)	পঠ্যতে	পঠিষ্যতে	পেঠে
পা (to drink)	পীয়তে	পাস্যতে, পায়িষ্যতে	পপে
পা (to protect)	পায়তে	পাস্যতে, পায়িষ্যতে	পপে
পাল (to protect)	পাল্যতে	পালয়িষ্যতে	পালয়াচক্রে, পালয়ামাসে
বচ্ (to say)	উচ্যতে	বক্ষ্যতে	উচে
বদ্ (to say)	উদ্যতে	বদিষ্যতে	উদে
বহ্ (to carry)	উহ্যতে	বক্ষ্যতে	উহে
বিদ্ (to exist)	বিদ্যতে	বেৎস্যতে	বিবিদে
বৃত্ (to exist)	বৃত্যতে	বর্ত্তিষ্যতে	ববৃতে
ব্রূ (to say)	উচ্যতে	বক্ষ্যতে	উচে
যজ্ (to sacrifice)	ইজ্যতে	যক্ষ্যতে	ঈজে
যাচ্ (to beg)	যাচ্যতে	যাচিষ্যতে	যযাচে

লভ্ (to get)	লভ্যতে	লপ্স্যতে	লেভে
শক্ (to be able)	শক্যতে	শক্ষ্যতে	শেকে
লিখ্ (to write)	লিখ্যতে	লেখিষ্যতে	লিলিখে
শ্রু (to hear)	শ্রূয়তে	শ্রোষ্যতে/শ্রাবিষ্যতে	শুশ্রুবে
সেব্ (to serve)	সেব্যতে	সেৰিষ্যতে	সিষেবে
হন্ (to kill)	হন্যতে	ঘানিষ্যতে/হনিষ্যতে	জঘ্নে
হৃ (to steal)	হ্রিয়তে	হাৰিষ্যতে	জহ্রে



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ তলত দিয়া ধাতুসমূহৰ কর্মবাচ্যত লট্ বিভক্তি প্রথম পুৰুষ একবচনৰ ৰূপবোৰ লিখা

(১) ভূ, (২) নী (৩) পঠ্ (৪) ব্রূ (৫) হন্

১৪.৭ বাচ্যত প্রত্যয়ৰ ব্যৱহাৰ

বাক্য এটাত ক্রিয়াপদ সাধাৰণতে লকাৰ প্রত্যয় (তি, তস্, অন্তি আদি) অথবা কৃৎ প্রত্যয় (তব্য, অনীয়, ক্ত ইত্যাদি) প্রয়োগ কৰি ব্যৱহাৰ কৰা হয়।

(ক) কর্তৃবাচ্যৰ বাক্যৰ ক্রিয়াত লকাৰ প্রত্যয়সমূহ প্রয়োগ কৰাৰ সময়ত ধাতুৰ পিছত বাক্যটোৰ কর্তাৰ পুৰুষ তথা বচন অনুসৰি প্রত্যয়বোৰ প্রয়োগ কৰা হয়। যেনে— ৰামঃ গ্রন্থং পঠতি, বাক্যটোৰ 'ৰামঃ' কর্তাপদ, 'গ্রন্থং' কর্মপদ তথা 'পঠতি' লকাৰ প্রত্যয়যুক্ত ক্রিয়াপদ। ইয়াত 'ৰামঃ' কর্তাপদটোত প্রথম পুৰুষ একবচন থকা কাৰণে 'পঠতি' ক্রিয়াপদটোত প্রথম পুৰুষ একবচনত প্রয়োগ হৈছে।

আনহাতে, কৃৎ প্রত্যয় প্রয়োগ কৰি কর্তৃবাচ্যত যেতিয়া ক্রিয়া তৈয়াৰ কৰা হয়, তেতিয়া বাক্যটোত থকা কর্তাৰ লিঙ্গ, বিভক্তি তথা বচন অনুসৰি ক্রিয়াপদটোও সেই সেই লিংগ, বিভক্তি আৰু বচন প্রয়োগ কৰা হয়।

(i) ৰামঃ বনং গত ঃ — কর্তা 'ৰাম', পুংলিঙ্গ — প্রথমা একবচনত প্রয়োগ হৈছে, 'ক্ত' প্রত্যয়ান্ত ক্রিয়া 'গতঃ' পুংলিঙ্গ প্রথমা একবচনত প্রয়োগ হৈছে।

(ii) সীতা বনং গতা — কর্তা 'সীতা' স্ত্রীলিঙ্গ — প্রথমা একবচনত প্রয়োগ হৈছে, 'ক্ত' প্রত্যয়ান্ত ক্রিয়া 'গতা' স্ত্রীলিঙ্গ — প্রথম একবচনত প্রয়োগ হৈছে।

(iii) ৰামঃ বনং গতবান্ — (গতবান্ ক্তবতু প্রত্যয়ান্ত শব্দ)

(iv) সীতা বনং গতৰতী

(খ) কর্মবাচ্যৰ বাক্যত ক্রিয়া কর্মপদ অনুসৰি প্রয়োগ কৰা হয়। ইয়াত মূল ধাতুৰ পিছত 'য়' কাৰ যোগ হয় তথা আত্মনেপদী হৈ লকাৰ প্রত্যয়সমূহ যোগ হয়। কর্মটোত যি পুৰুষ আৰু বচন থাকে লকাৰ প্রত্যয়বোৰো সেই সেই পুৰুষ আৰু বচনত ব্যৱহাৰ কৰা হয়। যেনে— ৰামেণ

গ্রন্থঃ পঠ্যতে। ইয়াত 'ৰাম' কর্তা, সেয়েহে তৃতীয়া বিভক্তি প্রয়োগ হৈ 'ৰামেণ' হৈছে। কর্মপদ 'গ্রন্থ', সেয়েহে ইয়াত প্রথমা বিভক্তি হৈ 'গ্রন্থঃ' হৈছে, তথা ক্রিয়াপদ 'পঠ্যতে' কর্মপদ 'গ্রন্থঃ'ৰ পুৰুষ-বচন অনুসৰি প্রথম পুৰুষ একবচনত আত্মনেপদী হৈ প্রয়োগ হৈছে।

আনহাতে, কৃৎ প্রত্যয় প্রয়োগ কৰি কর্মবাচ্যত যেতিয়া ক্রিয়া ব্যৱহাৰ কৰা হয়। তেতিয়া বাক্যটোত থকা কর্মপদৰ লিঙ্গ, বিভক্তি তথা বচন অনুসৰি প্রয়োগ কৰা হয়। যেনে—

১) ৰামেণ পত্রং লিখিতম্ — কর্ম প্রত্রম্' ক্লীৱলিঙ্গ — প্রথমা-একবচন প্রয়োগ হৈছে, 'ক্ত' প্রত্যয়ান্ত ক্রিয়া 'লিখিতঃ'— ক্লীৱলিঙ্গ — প্রথমা-একবচনত প্রয়োগ হৈছে।

২) ৰামেণ পত্রাণি লিখিতানি

৩) ছাত্রৈঃ গ্রন্থৌ পঠিতৌ

৪) ছাত্রৈঃ গ্রন্থাঃ পঠিতাঃ

৫) ময়া আম্রাণি খাদনীয়ানি

৬) ত্বয়া চলচিত্রং দ্রষ্টব্যম্

৭) অস্মাভিঃ নিধনেভ্যঃ ধনং দেয়ম্

৮) যুৱাভ্যাং বস্ত্রাণি দেয়ানি

৯) তেন ইদং উক্তম্

১০) ময়া আম্রাণি খাদিতব্যানি

(গ) ভাৱবাচ্যৰ বাক্যৰ যিহেতু কর্মপদ নাথাকে, সেয়েহে কর্তাত তৃতীয়া বিভক্তি তথা ক্রিয়াপদ লকাৰ প্রত্যয়ান্ত হ'লে আত্মনেপদত সদায় প্রথম পুৰুষৰ একবচনত ব্যৱহৃত হয়। যেনে— ৰামেণ হস্যতে। ইয়াত 'ৰাম' পদ কর্তা আৰু তাত তৃতীয়া বিভক্তি হিচাপে 'ৰামেণ' হৈছে। 'হস্যতে' ক্রিয়াপদ, গতিকে ইয়াত আত্মনেপদত প্রথম পুৰুষৰ একবচন প্রয়োগ হৈছে।

আনহাতে, কৃৎ প্রত্যয়ান্ত ক্রিয়াপদ সদায়ে ক্লীৱলিঙ্গৰ প্রথমা বিভক্তিৰ একবচনত প্রয়োগ হয়। যেনে— ৰামেণ হসিতম্। ইয়াত 'ক্ত' প্রত্যয়ান্ত 'হসিতম্' ক্রিয়াপদটোত ক্লীৱলিঙ্গৰ প্রথমা বিভক্তিৰ একবচন প্রয়োগ হৈছে।

সংক্ষিপ্ত বাচ্যবিধি

১। কর্তৃবাচ্য — (ক) কর্তা — প্রথমা বিভক্তি

(খ) কর্ম — দ্বিতীয়া বিভক্তি

(গ) ক্রিয়া — কর্তা অনুসৰি

(১) লকাৰ প্রত্যয়— কর্তাৰ পুৰুষ আৰু বচন অনুসৰি

(২) কৃৎ প্রত্যয় — কর্তাৰ লিঙ্গ, বিভক্তি আৰু বচন অনুসৰি

(১) ক্রিয়াপদ (ধাতুৰূপ) — মূলধাতু + লকাৰ + লকাৰ প্রত্যয়
(২) ক্রিয়াপদ — মূলধাতু + কৃৎপ্রত্যয় + লিঙ্গ বিভক্তি-বচন

২। কর্মবাচ্য — (ক) কর্তা — তৃতীয়া বিভক্তি

(খ) কর্ম — প্রথমা বিভক্তি

(গ) ক্রিয়াপদ — কর্ম অনুসৰি (আত্মনেপদত + য্ আগম হয়)

(১) লকাৰ প্রত্যয়— কর্মৰ পুৰুষ আৰু বচন অনুসৰি

(২) কৃৎ প্রত্যয় — কর্মৰ লিঙ্গ, বিভক্তি আৰু বচন অনুসৰি

(১) ক্রিয়াপদ (ধাতুৰূপ) — মূলধাতু + য্ + লকাৰ + লকাৰ প্রত্যয় (আত্মনেপদী)
(২) ক্রিয়াপদ — মূলধাতু + কৃৎপ্রত্যয় + লিঙ্গ বিভক্তি-বচন

৩। ভাৱবাচ্য — (ক) কর্তা — তৃতীয়া বিভক্তি

(খ) কর্ম — নাই

(গ) ক্রিয়াপদ —

(১) লকাৰ প্রত্যয়— প্রথম পুৰুষ - একবচন (আত্মনেপদী + য্ আগম)

(২) কৃৎ প্রত্যয় — ক্লীৱলিঙ্গ — প্রথমা বিভক্তি - একবচন

(১) ক্রিয়াপদ (ধাতুৰূপ) — মূলধাতু + য্ + লকাৰ — লকাৰ (আত্মনেপদী)
(২) ক্রিয়াপদ — মূলধাতু + কৃৎপ্রত্যয় + ক্লীৱলিঙ্গ - প্রথমা বিভক্তি-একবচন

বাচ্যত ব্যৱহাৰ হোৱা কৃৎ প্রত্যয়ৰ বিৱৰণ

এতিয়া কেইটামান প্রধান কৃৎপ্রত্যয়ৰ বিষয়ে আলোচনা কৰা হ'ব, যিবোৰ কর্তৃবাচ্য, কর্মবাচ্য অথবা ভাৱবাচ্যত প্রয়োগ হয়।

(ক) তব্য → কৰিবলগীয়া বা কৰা উচিত, এই অর্থত ভাৱবাচ্যত আৰু কর্মবাচ্যত, ধাতুত তব্য প্রত্যয় প্রয়োগ হয়। উদাহৰণ— দা দাতব্য, শ্রু শ্রোতব্য, ভূ ভৱিতব্য, কৃ কর্তব্য; গম্ গন্তব্য আদি।

(খ) অনীয় উচিত অর্থত ভাৱবাচ্য আৰু কর্মবাচ্যত, ধাতুত অনীয় প্রত্যয় হয়। যেনে— পা পানীয়; শ্রু শ্রৱণীয়, কৃ কৰণীয়; স্মৃ স্মৰণীয়; ৰম্ ৰমণীয়, দৃশ্ দর্শনীয়; ৰক্ষ্ ৰক্ষণীয় আদি।

(গ) যৎ উচিত অর্থতে ভাৱবাচ্য আৰু কর্মবাচ্যত স্বৰান্ত ধাতুত যৎ প্রত্যয় হয়। যেনে— জি জেয়; নী নেয়; শ্রু শ্রব্য; ভূ ভব্য; দা দেয়; গা গেয়; গম্ গম্য; নম্ নম্য আদি।

(ঘ) ণ্যৎ উচিত অর্থত, ভাৱবাচ্য আৰু কর্মবাচ্যত, ঋকাৰান্ত তথা ব্যঞ্জনান্ত ধাতুত ণ্যৎ প্রত্যয় হয়। যেনে— কৃ কার্য্য, ধৃ ধার্য্য, হৃ হার্য্য, আ + ৰুজ্ আৰোগ্য আদি।

(ঙ) ক্যপ্ উচিত অর্থত ভাৱবাচ্য আৰু কর্মবাচ্যত কৃ, ভূ , স্তু, শ্বাস্ আদি ধাতুত ক্যপ্ প্রত্যয় হয়। যেনে— কৃ কৃত্য, তৃ ভৃত্য, স্তু স্তুত্য।

(চ) শতৃ কৰি বা হৈ আছে, এই অর্থত বর্তমান কালৰ কর্তৃবাচ্যত পৰস্মৈপদী ধাতুত শতৃ প্রত্যয় হয়। যেনে— চল্ চলৎ, ৰুদ্ ৰুদৎ, ভূ ভৱৎ।

(ছ) শানচ্ হৈ আছে, এই অর্থত বর্তমান কালত কর্তৃবাচ্যৰ আত্মনেপদী ধাতুৰ পিছত শানচ্ হয়। যেনে— বৃত্ বর্তমান, বৃধ্ বর্দ্ধমান, মৃ ম্রিয়মান। কর্মবাচ্যতো শানচ্ প্রয়োগ হয়। যেনে— কৃ - ক্রিয়মান, বচ্ - উচ্যমান।

(জ) স্যতৃ ভৱিষ্যৎ কালত পৰস্মৈপদী ধাতুৰ পিছত কর্তৃবাচ্যত স্যতৃ হয়। যেনে— ভূ ভৱিষ্যৎ, গম্ গমিষ্যৎ, হন্ হনিষ্যৎ।

(ঝ) স্যমান ভৱিষ্যৎকালত আত্মনেপদী ধাতুৰ পিছত কর্তৃবাচ্যত স্যমান হয়। যেনে— বচ্ ৰবক্ষ্যমান, সেৱ সেবিষ্যমান, জন্ জনিষ্যমাণ।

(ঞ) ক্ত সাধাৰণতে অতীত কালত কর্মবাচ্য আৰু ভাৱবাচ্যত ক্ত প্রত্যয় হয়। সকর্মক ধাতুৰ পিছত কর্মবাচ্যত প্রয়োগ হোৱা ক্ত প্রত্যয় নিস্পন্ন শব্দ কর্মটোৰ বিশেষণ হয় আৰু কর্মৰ লিঙ্গ, বিভক্তি তথা বচন প্রাপ্ত হয়। যেনে— কুম্ভকাৰেণ ঘটঃ কৃতঃ /ঘটৌ কৃতৌ/ঘটাঃ কৃতাঃ। অকর্মক ধাতুৰ পিছত কর্তৃবাচ্যত ক্ত প্রয়োগ হয় আৰু ই কর্তাৰ বিশেষণ হয়। যেনে— স জাগৰিতঃ, সা ভীতা। গমনার্থক ধাতুৰ পিছত কর্তৃবাচ্যত ক্ত হয়। যেনে— স গ্রামং গতঃ, স গৃহং প্রস্থিতঃ। শী, স্থা আদি অকর্মক ধাতুসমূহ উপসর্গযোগে সকর্মক হ'লেও এইবোৰৰ পিছত কর্তৃবাচ্যত ক্ত প্রত্যয় হয়। যেনে— স গৃহম্ অধিশয়িতঃ, বানৰো বৃক্ষম্ আৰূঢ়ঃ।

অকর্মক আৰু অবিবক্ষিতকর্মক ধাতুৰ পিছত ভাৱবাচ্যত ক্ত প্রত্যয় হয়। ভাৱবাচ্যত ক্ত নিস্পন্ন শব্দ যেতিয়া সমাপিকা ক্রিয়াৰ দৰে ব্যৱহৃত হয়, তেতিয়া সদায়েই ক্লীৱলিঙ্গৰ প্রথমা বিভক্তিত একবচনান্ত হয়। যেনে— তেন কৃতম্, তৈঃ কৃতম্, যুষ্মাভিঃ কৃতম্। আৰু যেতিয়া বিশেষ্য পদৰ দৰে ব্যৱহৃত হয়, তেতিয়া সেইবোৰৰ ৰূপ অ-কাৰান্ত ক্লীৱলিঙ্গ শব্দৰ দৰে হয়। যেনে— গতম্, গতে, গতানি। কৃতম্, কৃতে, কৃতানি।

(ট) ক্তৱতু অতীতকালত কতৃবাচ্যত ক্তৱতু প্রত্যয় ব্যৱহাৰ কৰা হয়। এইবোৰ শব্দ কর্ত্তাৰ বিশেষণ হয় আৰু কর্ত্তাৰ লিঙ্গ, বিভক্তি আৰু বচনপ্রাপ্ত হয়। যেনে — (১) স পুস্তকং পঠিতবান্, (২) তৌ পুস্তকং পঠিতবন্তৌ, (৩) তে পুস্তকং পঠিতবন্তঃ।

(ঠ) ক্তিন্ ভাৱবাচ্যত ধাতুৰ পিছত ক্তিন্ প্রত্যয় হয়। ক্তিন (তি) প্রত্যয়ান্ত শব্দ স্ত্রীলিঙ্গ হয়। যেনে— গৈ গীতিঃ, স্থা স্থিতিঃ, ভী ভীতিঃ।

(ড) পক্ কতৃবাচ্যৰ ধাতুৰ পিছত পক্ (অক) প্রত্যয় প্রয়োগ হয়। যেনে— নী নায়কঃ, শ্রু শ্রাৱকঃ, পচ্ পাচকঃ।

(ঢ) তৃন্ (তৃচ্) ধাতুৰ পিছত কর্তৃবাচ্যত তৃন্ (তৃ) প্রত্যয় হয়। যেনে— কৃ + তৃন্ = কর্তৃ (প্রথমা একবচন - কর্তা); দা দাতা, বিদ্ - বেত্তা, ধ + ধাতা; বচ্ বক্তা, শ্রু শ্রোতা; ত্রৈ ত্রাতা।

(ণ) অনট্ (ল্যুট্) ভাৱবাচ্যৰ ধাতুত অনট্ (অন) প্রত্যয় হয়। এই অনট্ প্রত্যয়ান্ত শব্দ ক্লীৱলিঙ্গৰ হয়। যেনে— গম্ গমনম্; ভূজ্ ভোজনম্; পত্ পতনম্; শী শয়নম্; গর্জ গর্জনম; স্না স্নানম্; কৃ কৰণম্।

(ত) ঘঞ্ ভাৱবাচ্যৰ অর্থত, ভাৱবাচ্য আৰু কর্তৃবাচ্যৰ বাহিৰে আন কাৰকবাচ্যৰ ধাতুৰ

পিছত ঘঞ (অ) প্রত্যয় হয়। যেনে—

(কর্মবাচ্যৰ অর্থত) প্রকর্ষেণ ক্রিয়তে যঃ সঃ — প্রকাৰঃ (প্র + কৃ + ঘঞ্)

(কৰণ অর্থত) পদ্যতে (গম্যতে) অনেন ইতি — পদেঃ (পদ্ +ঘঞ)

১৪.৮ বাচ্য পৰিবর্তন

কর্মৰ প্রভেদ, প্রথম পুৰুষৰ (তিঙন্ত ক্রিয়া)

কর্তৃবাচ্য	কর্মবাচ্য
(১) কুম্ভকাৰঃ ঘটং কৰোতি	কুম্ভকাৰেণ ঘটঃ ক্রিয়তে
(২) কুম্ভকাৰঃ ঘটৌ কৰোতি	কুম্ভকাৰেণ ঘটৌ ক্রিয়েতে
(৩) কুম্ভকাৰঃ ঘটান্ কৰোতি	কুম্ভকাৰেণ ঘটাঃ ক্রিয়ন্তে

কর্মৰ প্রভেদ, মধ্যম পুৰুষৰ (তিঙন্ত ক্রিয়া)

(৪) গুৰুঃ ত্বাং নিন্দতি	গুৰুণা ত্বং নিন্দ্যসে
(৫) গুৰুঃ যুৱাং নিন্দতি	গুৰুণা যুৱাং নিন্দ্যথে
(৬) গুৰুঃ যুষ্মান্ নিন্দতি	গুৰুণা যূয়ং নিন্দ্যধ্বে

কর্মৰ প্রভেদ, উত্তম পুৰুষৰ (তিঙন্ত ক্রিয়া)

(৭) পিতা মাং পশ্যতি	পিত্রা অহং দৃশ্যে
(৮) পিতা আবাং পশ্যতি	পিত্রা আবাং দৃশ্যাৱহে
(৯) পিতা অস্মান্ পশ্যতি	পিত্রা বয়ম্ দৃশ্যামহে

পুংলিঙ্গ কর্মৰ প্রভেদ (কৃদন্ত ক্রিয়া)

(১০) ৰামঃ ৰাক্ষসং হতবান্ (ক্তৱতু প্রত্যয়)	ৰামেণ ৰাক্ষসঃ হতঃ (ক্ত প্রত্যয়)

(* কর্তৃবাচ্যত ক্তৱতু প্রত্যয় আৰু কর্মবাচ্যত ক্ত প্রত্যয় হয়)

(১১) ৰামঃ ৰাক্ষসৌ হতবান্	ৰামেণ ৰাক্ষসৌ হতৌ
(১২) ৰামঃ ৰাক্ষসান্ হতবান্	ৰামেণ ৰাক্ষসাঃ হতাঃ

স্ত্রীলিঙ্গ কর্মৰ প্রভেদ (কৃদন্ত ক্রিয়াৰ)

(১৩) বালিকা নদীং দৃষ্টৱতী	বালিকয়া নদী দৃষ্টা
(১৪) বালিকে নদ্যৌ দৃষ্টবত্যৌ	বালিকাভ্যাম্ নদ্যৌ দৃষ্টে
(১৫) বালিকাঃ নদীঃ দৃষ্টৱত্যঃ	বালিকাভিঃ নদ্যঃ দৃষ্টাঃ

ক্লীৱলিঙ্গ কর্মৰ প্রভেদ (কৃদন্ত ক্রিয়া)

(১৬) মম মিত্রং ফলং লব্ধৱৎ	মম মিত্রেণ ফলং লব্ধম্
(১৭) মম মিত্রে ফলে লব্ধৱতী	মম মিত্রাভ্যাম্ ফলে লব্ধে
(১৮) মম মিত্রাণি ফলানি লব্ধৱন্তী	মম মিত্রৈঃ ফলানি লব্ধানি

অন্যান্য উদাহৰণ (কর্তৃবাচ্যৰ পৰা কর্মবাচ্যলৈ)

ধাতু	কর্তৃবাচ্য	কর্মবাচ্য
১। পঠ্	সঃ পুস্তকং পঠতি	তেন পুস্তকং পঠ্যতে

২। পঠ্	তে গ্রন্থং পঠন্তি	তৈঃ গ্রন্থঃ পঠ্যতে
৩। দৃশ্	ৰামঃ বানৰান্ পশ্যতি	ৰামেণ বানৰাঃ দৃশ্যন্তে
৪। যাচ্	বামনঃ বলিং বসুধাং যাচতে	বামনেন বলিঃ বসুধাম্ যাচ্যতে
৫। দৃশ্	অহং ত্বম্ পশ্যামি	ময়া ত্বম্ দৃশ্যসে
৬। কৃ	সঃ কার্য্যং কৰোতি	তেন কার্য্যং ক্রিয়তে
৭। লিখ্	তৌ লেখং লিখতঃ	তাভ্যাং লেখঃ লিখ্যতে
৮। বপ্	কৃষকঃ বীজান্ বপতি	কৃষকেণ বীজাঃ বপ্যন্তে
৯। পচ্	সূদঃ তণ্ডুলান্ ওদনং পচতি	সূদেন তণ্ডুলাঃ ওদনং পচ্যন্তে
১০। খন্	কুম্ভকাৰঃ ভূমিং খনতি	কুম্ভকাৰেণ ভূমিঃ খন্যতে
১১। দৃশ্	ৰামঃ তং পশ্যতি	ৰামেণ সঃ দৃশ্যতে
১২। দৃশ্	সঃ ত্বাং পশ্যতি	তেন ত্বং দৃশ্যসে
১৩। দৃশ্	অহং ৰামং পশ্যামি	ময়া ৰামঃ দৃশ্যতে
১৪। লিখ্	ত্বং লেখং লিখসি	ত্বয়া লেখঃ লিখ্যতে
১৫। শ্রু	অহং কথাং শৃণোমি	ময়া কথা শ্রূয়তে
১৬। বদ্	ভৰন্তঃ শ্লোকান্ বদন্তি	ভৰদ্ভিঃ শ্লোকাঃ উচ্যন্তে
১৭। কথ্	তে বার্তাং কথয়ন্তি	তৈঃ বার্তা কথ্যতে
১৮। কৃ	কৰয়ঃ কবিতাং কুর্বন্তি	কৰিভিঃ কবিতা ক্রিয়তে
১৯। দা	স বিপ্রায় গাং দদাতি	তেন বিপ্রায় গৌ দীয়তে
২০। পা	বালঃ পয়ঃ পিবতি	বালেন পয়ঃ পীয়তে
২১। ভুজ্	অয়ম্ ওদনং ভুঙ্‌ক্তে	অনেন ওদনং ভুজ্যতে
২২। হন্	বীৰঃ শত্রুং হন্তি	বীৰেণ শত্রুঃ হন্যতে
২৩। বদ্	বয়ম্ অনৃতং ন বদামঃ	অস্মাভিঃ অনৃতং ন উদ্যতে
২৪। গ্রহ্	যুবাং পুস্তকং গৃহ্ণাতি	যূনা পুস্তকং গৃহ্যতে
২৫। প্র-হৃ	ৰাজপুৰুষাঃ চৌৰং প্রহৰন্তি	ৰাজপুৰুষৈঃ চৌৰঃ প্রহ্রিয়তে
২৬। জ্ঞা	বালিকা ইমং বিষয়ং ন জানাতি	বালিকয়া অয়ং বিষয়ঃ ন জ্ঞায়তে
২৭।(কৃদন্ত)	তাবৎ তৌ ৰিক্তং ভাণ্ডং দৃষ্টবন্তৌ	তাবৎ তাভ্যাং ৰিক্তঃ ভাণ্ডঃ দৃষ্টঃ
২৮।(কৃদন্ত)	ৰুদতী বালিকা ৰম্যম্ উদ্যানং গতবতী	ৰুদত্যা বালিকয়া ৰম্যম্ উদ্যানং গতম্
২৯।(কৃদন্ত)	ভো কান্ত, ত্বম্ আনীতবান্ ভোজনম্	ভো কান্ত, ত্বয়া আনীতং ভোজনম্
৩০।(কৃদন্ত)	বনে ভ্রাম্যন্ অহং ব্যাঘ্রমেকং দৃষ্টবান্	বনে ভ্রাম্যতা ময়া ব্যাঘ্রঃ একঃ দৃষ্টঃ।

উদাহৰণ (কর্তৃবাচ্যৰ পৰা ভাৰ্ৱবাচ্যলৈ)

ধাতু	কর্তৃবাচ্য	কর্মবাচ্য
১। নৃত্	ময়ুৰাঃ নৃত্যন্তি	ময়ূৰৈঃ নৃত্যতে
২। জীব্	বয়ং অন্নেন জীবামঃ	অস্মাভিঃ অন্নেন জীব্যতে
৩। বস্	ত্বম্ তত্র বসতি	ত্বয়া অত্র উষ্যতে

৪। স্বপ্	সঃ গৃহে স্বপিতি	তেন গৃহে সুপ্যতে
৫। স্থা	তে তত্র তিষ্ঠন্তি	তৈঃ তত্র স্থীয়তে
৬। ৰুচ্	মহ্যং মোদকং ৰোচতে	মহ্যং মোদকেন ৰুচ্যতে
৭। ভী	ত্বং সর্পাৎ বিভেষি	ত্বয়া সর্পাৎ ভীয়তে
৮। শীঙ্	ভৰান্ কুত্র শেতে?	ভৰতা কুত্র শয্যতে?
৯। খেল্	ছাত্রা খেলন্তি	ছাত্রৈঃ খেল্যতে
১০। দ্যুৎ	ৰাত্রৌ চন্দ্রঃ দ্যোততে	ৰাত্রৌ চন্দ্রেণ দ্যোত্যতে
১১। জাগৃ	বিবেকী সদা জাগর্ত্তি	বিবেকিনা সদা জাগর্য্যতে
১২। ভূ	ত্বং ৰাজা ভৱিষ্যসি	ত্বয়া ৰাজ্ঞা ভৱিষ্যতে
১৩। বৃত্	অথ ৰু বর্ততে ভগবান্ স্বামী চন্দ্র	অথ ৰু বর্ত্যতে ভগৰতা স্বামিনা চন্দ্রেন।

১৪.৯ প্রচলিত ধাতুৰ কর্মবাচ্য/ভাৱবাচ্যৰ বিস্তৃত ৰূপ

এইখিনিতে তলত কেইটামান প্রচলিত ধাতুৰ কর্মবাচ্য তথা ভাৱবাচ্যৰ লট্ লকাৰত ৰূপসমূহ দিয়া হ'ল—

লট্ লকাৰ

১। ধাতু - পঠ্ (কর্তৃবাচ্যত - পঠতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	পঠ্যতে	পঠ্যেতে	পঠ্যন্তে
মধ্যম	পঠ্যসে	পঠ্যেথে	পঠ্যধ্বে
উত্তম	পঠ্যে	পঠ্যাৱহে	পঠ্যামহে

২। ধাতু - লিখ্ (কর্তৃবাচ্যত - লিখতি)

প্রথম	লিখ্যতে	লিখ্যেতে	লিখ্যন্তে
মধ্যম	লিখ্যসে	লিখ্যেথে	লিখ্যধ্বে
উত্তম	লিখ্যে	লিখ্যৱেহে	লিখ্যামহে

৩। ধাতু - গম্ (কর্তৃবাচ্যত - গচ্ছতি)

প্রথম	গম্যতে	গম্যেতে	গম্যন্তে
মধ্যম	গম্যসে	গম্যেথে	গম্যধেব
উত্তম	গম্যে	গম্যাৱহে	গম্যামহে

৪। ধাতু - ভূ (কর্তৃবাচ্যত - ভৱতি)

প্রথম	ভূয়তে	ভূয়েতে	ভূয়ন্তে
মধ্যম	ভূয়সে	ভূয়েথে	ভূয়ধেব
উত্তম	ভূয়ে	ভূয়াৱহে	ভূয়ামহে

৫। ধাতু - নী (কর্তৃবাচ্যত - নয়তি)

প্রথম	নীয়তে	নীয়েতে	নীয়ন্তে
মধ্যম	নীয়সে	নীয়েথে	নীয়ধেব
উত্তম	নীয়ে	নীয়াৱহে	নীয়ামহে

৬। ধাতু - দা (কর্তৃবাচ্যত - দদাতি/যচ্ছতি)

প্রথম	দীয়তে	দীয়েতে	দীয়ন্তে
মধ্যম	দীয়সে	দীয়েথে	দীয়ধ্বে
উত্তম	দীয়ে	দীয়াৱহে	দীয়ামহে

৭। ধাতু - স্মৃ (কর্তৃবাচ্যত - স্মৰতি)

প্রথম	স্মর্যতে	স্মর্যেতে	স্মর্যন্তে
মধ্যম	স্মর্যসে	স্মর্যেথে	স্মর্যধ্বে
উত্তম	স্মর্যে	স্মর্যাৱহে	স্মর্যামহে

৮। ধাতু - দৃশ্ (কর্তৃবাচ্যত - পশ্যতি)

প্রথম	দৃশ্যতে	দৃশ্যেতে	দৃশ্যন্তে
মধ্যম	দৃশ্যসে	দৃশ্যেথে	দৃশ্যধ্বে
উত্তম	দৃশ্যে	দৃশ্যাৱহে	দৃশ্যামহে

৯। ধাতু - হস্ (অকর্মক) (কর্তৃবাচ্যত - হসতি)



	হস্যতে	হস্যেতে	হস্যন্তে
	হস্যসে	হস্যেথে	হস্যধেব
	হস্যে	হস্যাৱহে	হস্যামহে

১০। ধাতু - স্থা (অকর্মক) (কর্তৃবাচ্যত - তিষ্ঠতি)

প্রথম	স্থীয়তে	স্থীয়েতে	স্থীয়ন্তে
মধ্যম	স্থীয়সে	স্থীয়েথে	স্থীয়ধেব
উত্তম	স্থীয়ে	স্থীয়াৱহে	স্থীয়ামহে

জানি থোৱা ভাল

(ক) ণিজন্ত ধাতুৰ বাচ্য পৰিৱর্তন ঃ কোনো এটা কাম নিজে নকৰি আনৰ দ্বাৰা কৰোৱা অর্থ বুজালে ধাতুৰ পিছত 'নিচ্' (ই) প্রত্যয় যোগ হয় আৰু এনেকুৱা ধাতুক ণিজন্ত ধাতু বোলে। যেনে— কৃ + নিচ্ = কাৰি - কাৰয়তি, কাৰয়তে। যাৰ দ্বাৰাই কৰোৱা হয় অর্থাৎ নিজন্ত ক্রিয়াৰ কর্তাই যাক নিয়োগ কৰে, তাক প্রযোজ্য কর্তা বোলে। আনহাতে যিয়ে কামটো কৰায় অর্থাৎ যিয়ে প্রয়োগ কৰে, তাক প্রযোজক কর্তা বোলে। যেনে— শিশুঃশেতে— ইয়াত শিশুঃ স্বতন্ত্র কর্তা। কিন্তু মাতা শিশুং শায়য়তি — ইয়াত 'মাতা' প্রযোজক কর্তা আৰু 'শিশু'

প্রযোজ্য কর্তা। গমনার্থ (গম্), জ্ঞানার্থ (বুধ্), ভোজনার্থ (অশ্), শব্দকর্মক (অধি-ই) আৰু অকর্মক (শী) ধাতুৰ প্রয়োগত প্রযোজ্য কর্তাত কর্ম সংজ্ঞা হয় আৰু তাত দ্বিতীয়া বিভক্তি হয়।

ণিজন্ত অৱস্থাৰ বাক্যক কর্মবাচ্যলৈ পৰিৱর্তন কৰিব লাগিলে, সেই কর্ম হোৱা দ্বিতীয়া বিভক্তি যুক্ত প্রযোজ্যকর্তাত প্রথমাবিভক্তি হয় আৰু ক্রিয়াপদটো সেই কর্মৰ অধীন হয়। আনহাতে অন্য কর্মপদ থাকিলে তাত দ্বিতীয়া বিভক্তি হৈয়ে থাকে। যেনে—

অণিজন্ত বাক্য	**ণিজন্ত বাক্য**
ৰামঃ পঞ্চৱটীং গচ্ছতি	দশৰথঃ ৰামং পঞ্চৱটীং গময়তি

বাচ্য পৰিৱর্তন

দশৰথেন ৰামঃ পঞ্চৱটীং গম্যতে।

(খ) কৃত্যপ্রত্যয়ান্ত ক্রিয়াৰ বাচ্য পৰিৱর্তন ঃ উচিত অর্থত আৰু ভৱিষ্যত কাল বুজাবলৈ কর্মবাচ্য আৰু ভাৱবাচ্যত তব্য, অনীয়, ণ্যৎ, যৎ, ক্যপ্ আৰু কেলিম্ এইকেইটা প্রয়োজন অনুসৰি প্রয়োগ হয়। এইকেইটা প্রত্যয়ক একেলগে কৃত্যপ্রত্যয় বুলি কোৱা হয়। কৃত্যপ্রত্যয় প্রয়োগ হোৱা কর্মবাচ্য বা ভাৱবাচ্যৰ বাক্য কর্তৃবাচ্যলৈ পৰিৱর্তন কৰিব পাৰি। তেতিয়া কৃত্যপ্রত্যয়ান্ত ক্রিয়াৰ ঠাইত লৃট্ বা বিধিলিঙ্ বিভক্তি প্রয়োগ কৰা হয়। যেনে—

কর্মবাচ্য	**কর্তৃবাচ্য**
কার্য্যমিদং ময়া কৰণীয়ম্	অহং কার্য্যমিদং কৰিষ্যামি/কুর্য্যাম্
অস্মাভিঃ ৰামায়ণং পাঠ্যম্	বয়ং ৰামায়ণং পঠেম/পঠিষ্যামঃ



১৪.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সংস্কৃতত বাচ্য সম্পর্কে জ্ঞান লাভ কৰিলো।
- বাচ্যৰ প্রকাৰসমূহৰ বিষয়ে অবগত হ'ব পাৰিলো।
- বাচ্য পৰিৱর্তনৰ নিয়মসমূহ জানিব পাৰিলো।



১৪.১১ অধিক জানিবলৈ

১) ভট্টাচার্য্য, ড° হৰিশ্চন্দ্র, *সংস্কৃত ব্যাকৰণ প্রভা*, বৰুৱা এজেন্সি, দীঘলীপুখুৰীপাৰ, গুৱাহাটী-১, ১৯৯৬।

২) শাস্ত্রী, খগেন্দ্র নাথ, *সংস্কৃত প্রৱেশ ব্যাকৰণ*, গ্রন্থপীঠ, পাণবজাৰ, গুৱাহাটী-১, ১৯৮৫।

৩) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্ৰ, *সমগ্ৰ ব্যাকৰণ কৌমুদী*, সম্পাদক - দুৰ্গাচৰণ সাংখ্যবেদান্ত তীৰ্থ, দেৰ সাহিত্য কুটীৰ প্ৰাইভেট লিমিটেড, কলিকতা-৯, ২০০০।

৪) শৰ্মা, গিৰীধৰ, *Sanskrit Grammar, Composition & Translation*, ৰাধা প্ৰকাশন, ৰিহাবাৰী, গুৱাহাটী-৮, ১৯৮৮।

৫) শাস্ত্ৰী, শ্যামনন্দন, *আধুনিক সংস্কৃত ব্যাকৰণ ঔৰ ৰচনা*, ভাৰতীয় ভৱন, নতুন দিল্লী-২, ২০০৩।

৬) মণ্ডল, ললিত কুমাৰ, *সংস্কৃত ব্যাৰণ এবং অনুবা কলা, প্ৰতিমা প্ৰকাশন*, নতুন দিল্লী-৭, ২০০৭।

১৪.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (১) তেন পঠ্যতে, (২) বালেন গ্ৰন্থঃ পঠ্যতে, (৩) ছাত্ৰৈঃ পাঠং পঠ্যতে, (৪) ৰামেন ওদনং খাদ্যতে, (৫) ৰামেণ তত্ৰ স্থীয়তে,

২ নং প্ৰশ্নৰ উত্তৰঃ (১) ভূয়তে (২) নীয়তে (৩) পঠ্যতে, (৪) উচ্যতে (৫) হন্যতে।

১৪.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ তলত দিয়া বাক্যসমূহৰ বাচ্য পৰিৱৰ্তন কৰক।

(ক) অহং ৰামং পশ্যামি।

(খ) ত্বয়া লেখঃ লিখ্যতে।

(গ) অস্মাভিঃ অন্নেন জীব্যতে।

(ঘ) কৱয়ঃ কবিতাং কুৰ্বন্তি

(ঙ) বালিকয়া অন্নং পক্ষ্যতি

(খ) চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ চমুটোকা লিখক।

সকৰ্মক ধাতু, দ্বিকৰ্মক ধাতু

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ব্যাচ্যৰ প্ৰকাৰসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

প্ৰশ্ন ২ঃ তলত দিয়া ক্ৰিয়াসমূহ কৰ্তৃবাচ্যৰ ক্ৰিয়ালৈ ৰূপান্তৰ কৰক।

*** ***** ***



প্ৰসংগ পুথি

অসমীয়া ঃ

১) ভট্টাচার্য্য, ড° হৰিশ্চন্দ্ৰ, *সংস্কৃত ব্যাকৰণ প্ৰভা,* বৰুৱা এজেন্সি, দীঘলীপুখুৰীপাৰ, গুৱাহাটী-১, ১৯৯৬।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্ৰ, *সমগ্ৰ ব্যাকৰণ কৌমুদী,* সম্পাদক - দুৰ্গাচৰণ সাংখ্যবেদান্ত তীৰ্থ, দেৰ সাহিত্য কুটীৰ প্ৰাইভেট লিমিটেড, কলিকতা-৯, ২০০০।

৩) শাস্ত্ৰী, খগেন্দ্ৰ নাথ, *সংস্কৃত প্ৰৱেশ ব্যাকৰণ,* গ্ৰন্থপীঠ, পাণবজাৰ, গুৱাহাটী-১, ১৯৮৫।

৪) শৰ্মা, ড° মুকুন্দমাধৱ, *সংস্কৃত ব্যাকৰণ আৰু ৰচনা,* বাণী প্ৰকাশ, গুৱাহাটী-১, ১৯৯৪।

৫) বৰপূজাৰী, অৰুণ চন্দ্ৰ, *সংস্কৃত প্ৰৱেশ ব্যাকৰণ,* অশোক বুকষ্টল, পাণবজাৰ, ২০০৭।

৬) শৰ্মা, ড° জগদীশ, ড° ভাৰতী গোস্বামী, *সংস্কৃত ব্যাকৰণ জ্যোতি,* অশোক পাব্লিকেশ্বনছ, গুৱাহাটী-১, ২০১১।

৭) ভদ্ৰ, সুধেন্দ্ৰ মোহন (১৯৭৪); *সংস্কৃত ব্যাকৰণ ও ৰচনা চয়ন,* গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন লিমিটেড।

৮) চক্ৰৱৰ্তী, মহেশ্বৰ (১৯৭৪); *সংস্কৃত ব্যাকৰণ প্ৰৱেশিকা,* গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড্।

৯) শৰ্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar composition & Translation*, গুৱাহাটী ঃ ৰাধা প্ৰকাশন।

১০) বৰপূজাৰী, অৰুণ চন্দ্ৰ, *সংস্কৃত প্ৰৱেশ ব্যাকৰণ,* অশোক বুকষ্টল, পাণবজাৰ, ২০০৭।

১১) শাস্ত্ৰী, শ্যামনন্দন, *আধুনিক সংস্কৃত ব্যাকৰণ ঔৰ ৰচনা,* ভাৰতীয় ভৱন, নতুন দিল্লী-২, ২০০৩।

১২) মণ্ডল, ললিত কুমাৰ, *সংস্কৃত ব্যাৰণ এবং অনুবা কলা, প্ৰতিমা প্ৰকাশন,* নতুন দিল্লী-৭, ২০০৭।

ইংৰাজী ঃ

1) Machonel, Dr. A. A., *A Sanskrit Grammar for Students,* Motilal-Banersidass, New Delhi, 1927.